## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচচল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 48 No. 1**
অষ্টাচত্বাৰিংশ বৰ্ষ ঃ প্ৰথম সংখ্যা
মাৰ্চ ঃ ২০১৭

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে



| | | |
|---|---|---|
| ❒ ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ এক বিশ্লেষণ | ✍ এন আৰ ভানুমূৰ্তি, ✍ শ্ৰীহৰি নায়ুডু | ৩ |
| ❒ কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ বিত্তীয়ভাৱে বাস্তৱবাদী | ✍ অধ্যাপক চৰণ সিং | ৭ |
| ❒ ২০১৬-১৭ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা ঃ ভাৰতীয় অৰ্থনীতিৰ বিতং বিৱৰণ | ✍ ৰবীন্দ্ৰ এইছ ঢোলাকিয়া | ১৩ |
| ❒ কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ উৎপাদনশীলতা আৰু নিয়োগ বৃদ্ধিৰ উৎকৰ্ষ সাধন | ✍ অৰূপ মিত্ৰ | ১৯ |
| ❒ নতুন অৱতাৰ ৰূপত ভাৰতীয় ৰে'ল বাজেট | ✍ অৰুণেন্দ্ৰ কুমাৰ | ২২ |
| ❒ আন্তঃগাঁথনি খণ্ডৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্ব | ✍ কৃষ্ণ দেৱ | ২৯ |
| ❒ বাজেটত নতুন পৰিৱৰ্তন ঃ গাঁথনিগত আৰু প্ৰক্ৰিয়াগত | ✍ হেপী পন্ত | ৩৪ |
| ❒ কেন্দ্ৰীয় বাজেটত কৃষি খণ্ডলৈ বৃহৎ পৃষ্ঠপোষকতা | ✍ লক্ষ্মী যোশী, ✍ পি ভি আহুজা | ৩৭ |
| ❒ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ কল্যাণ আৰু বিকাশ | ✍ শ্ৰীকাৰা নাইক, ✍ অঞ্জলি বাগুাল | ৩৮ |
| ❒ ৰাজহ ব্যৱস্থা উজ্জীৱিতকৰণৰ প্ৰয়াস আৰু ২০১৭-১৮ বৰ্ষৰ বাজেট | ✍ মালিনী চক্ৰৱৰ্তী | ৪৩ |
| ❒ ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত স্বাস্থ্য খণ্ডৰ বিকাশ | ✍ ৰঞ্জীৱ আহুজা | ৪৭ |
| ❒ যুৱ প্ৰজন্মৰ বাবে এখন বাজেট | ✍ এছ এছ মান্থা | ৫১ |
| ❒ কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ এটা চমু অৱলোকন | ✍ ৰাণী মুদিয়াৰ ডেকা | ৫৫ |
| ❒ গ্ৰাম্য উন্নয়নৰ সফলতা ঃ সামগ্ৰিক উন্নয়নৰ আধাৰ | ✍ অনিল কুমাৰ শইকীয়া | ৬০ |
| ❒ কেন্দ্ৰীয় বাজেটত কৃষি আৰু গ্ৰামোন্নয়ন | ✍ মনোৰঞ্জন বণিক্য | ৬৪ |
| ❒ কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ স্বাস্থ্য আৰু যুৱ প্ৰজন্ম সম্পৰ্কীয় কিছু কথা | ✍ ববিতা শৰ্মা | ৬৮ |
| ❒ কৰ ব্যৱস্থাৰ সন্দৰ্ভত ২০১৭-১৮ৰ কেন্দ্ৰীয় বাজেট | ✍ গৌৰাঙ্গ কুমাৰ শৰ্মা | ৭১ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# উত্তম ভাৰতৰ বাবে বাজেট

এই বছৰৰ কেন্দ্ৰীয় বাজেট বহু অনিশ্চয়তাৰ মাজত উত্থাপন কৰা হয়। বি-মুদ্ৰাকৰণৰ উদ্যম, আসন্ন সামগ্ৰী সেৱা কৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নতুন প্ৰশাসন আদি বিভিন্ন অৱস্থাৰ বাবে ইয়াৰ সমগ্ৰ প্ৰস্তুতি প্ৰত্যাহ্বানজনক কৰি তোলে। এইবছৰৰ বাজেটখন আছিল ঐতিহাসিক, পূৰ্বৰ ফেব্ৰুৱাৰী মাহৰ শেষ তাৰিখৰ দিনা উত্থাপন কৰা ৰে'ল বাজেট কেন্দ্ৰীয় বাজেটৰ লগত একত্ৰিতকৰণ আৰু পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভুত ব্যয় শ্ৰেণীবদ্ধকৰণ আঁতৰাই পূৰ্বৰ পৰম্পৰা ভংগ কৰা হৈছে।

বি-মুদ্ৰাকৰণৰ পৰৱৰ্তী কালছোৱাত ধনী আৰু দুখীয়া উভয়েই সন্মুখীন হোৱা কঠিন সময়ৰ পাচত উত্থাপন হ'বলগীয়া বাজেটখনে জনসাধাৰণলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি আশা কৰা হৈছিল। সি যি কি নহওক, বাজেটখনে দুখীয়া, গ্ৰামাঞ্চল আৰু কৃষকৰ অনুকূলেই অগ্ৰাধিকাৰ প্ৰতিফলন অব্যাহত ৰাখিলে আৰু অৰ্থনৈতিক বৰ্ধনৰ বাবে দীৰ্ঘকালীন কৰ্মসূচীৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলে। 'ৰূপান্তৰকৰণ, সক্ৰিয়কৰণ আৰু বিশুদ্ধিকৰণ' ভাৰত গঢ়াৰ সামগ্ৰিক উদ্দেশ্যেৰে বাজেটখনে বহু বিশিষ্ট প্ৰচেষ্টা গ্ৰহণ কৰিছে আৰু গ্ৰাম্য উন্নয়ন, কৃষি, আন্তঃগাঁথনি, দক্ষতা বিকাশ, নিৰ্মাণ আৰু নিয়োগ সৃষ্টি আদি পৰ্যাপ্ত পৰিমাণৰ গুৰুত্ব প্ৰদানেৰে অৰ্থনীতিৰ সকলো খণ্ডতে মনোযোগ দিছে। কৃষক আৰু গ্ৰাম্য জনসংখ্যা অগ্ৰাধিকাৰ তালিকাৰ শীৰ্ষত ৰাখি পাঁচ বছৰৰ ভিতৰত কৃষকসকলৰ উপাৰ্জন দুগুণ কৰাৰ বাবে কেইবাখনো আঁচনি ঘোষণা কৰা হৈছে। কৃষি ঋণ আবণ্টন ১০ লাখ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। কৃষকসকলক প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰিবৰ বাবে শস্য ক্ষেত্ৰৰ ৪০ শতাংশ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত সামৰি লোৱা হৈছে আৰু দীৰ্ঘকালীন জলসিঞ্চন পুঁজি কৰ্পাছ ৪০ হেজাৰ কোটিলৈ বৃদ্ধি কৰা হৈছে।

গ্ৰাম্য নিয়োগ উদ্যম বৃদ্ধি কৰিবলৈ আৰু গ্ৰামাঞ্চলত মৌলিক সুবিধা উন্নত কৰিবৰ বাবে যথেষ্ট পৰিমাণৰ যুৱ শক্তিক দক্ষ কৰাৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে। ভাৰতৰ ধ্বজাবাহী নিয়োগ সৃষ্টি আঁচনি এমএনৰেগাৰ বাবে ৪৮ হেজাৰ কোটি টকাৰে সৰ্বোচ্চ বণ্টন ঘোষণা কৰা হৈছে। ভাৰতক বিশ্বৰ দক্ষতাৰ ৰাজধানীৰূপে গঢ়ি তোলাৰ বাবে ৩০০ অন্‌লাইন পাঠ্যক্ৰমেৰে স্বয়ম প্ৰৱৰ্তন আৰু 'সংকল্প'ৰ অধীনত যুৱক-যুৱতীসকলক বজাৰমুখী দক্ষতাৰে প্ৰশিক্ষিত কৰিবলৈ চাৰি হেজাৰ কোটি টকাৰ আবণ্টন দিয়া হৈছে। 'অন্তোদয়া' অভিযানৰ জৰিয়তে ১ কোটি লোক আৰু ৫০ হেজাৰ গাঁও পঞ্চায়তক দাৰিদ্ৰ্যৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ২০১৮ চনৰ পহিলা মে'ৰ ভিতৰত ১০০ শতাংশ গ্ৰাম্য বিদ্যুতিকৰণৰ লক্ষ্য গ্ৰহণ, মুকলি ঠাইত মলত্যাগমুক্ত অঞ্চলৰ বাবে পাম্পেৰে পানী যোগান ধৰাটোত অগ্ৰাধিকাৰ প্ৰদান কৰা, আৰু গ্ৰামাঞ্চলৰ ভাগ্যৰেখাস্বৰূপ গ্ৰাম্য পথ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত প্ৰতিদিনে ১৩৩ কিলোমিটাৰ পথ নিৰ্মাণৰ লক্ষ্য হ'ল চৰকাৰে গ্ৰাম্য উন্নয়নৰ বাবে গুৰুত্ব বৃদ্ধিৰ উদাহৰণ।

যিকোনো অৰ্থনৈতিক উন্নয়নৰ ভিত্তি শক্তিশালী আন্তঃগাঁথনি নিৰ্মাণে যথাৰ্থ মনোযোগ লাভ কৰিছে আৰু এই শিতানত পূৰ্বতকৈ অধিক ৩.৯৬ লাখ কোটি টকা আবণ্টন দিয়া হৈছে। ৰে'ল পথৰ বাবেও পূৰ্বতকৈ অধিক ১.৩ লাখ কোটি টকাৰ আবণ্টনেৰে যাত্ৰীসকলৰ সুৰক্ষাৰে ৰাষ্ট্ৰীয় পৰিবহণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। ভূ-সম্পত্তি খণ্ড শক্তিশালী কৰাৰ উদ্দেশ্যেৰে গৃহ নিৰ্মাণ খণ্ডলৈ 'আন্তঃগাঁথনি' মৰ্যাদা অনুমোদন কৰা হৈছে।

বিনিয়োজনক উৎসাহিত কৰিবলৈ ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰ্তমান প্ৰত্যক্ষ পথৰ জৰিয়তে ৯০ শতাংশতকৈ অধিক বিদেশী প্ৰত্যক্ষ বিনিয়োগ প্ৰৱাহৰ বাবে বিদেশী বিনিয়োগ উৎকৰ্ষ বোৰ্ড (এফ আই পি বি) বিলুপ্ত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ক্ষুদ্ৰ উদ্যোগীকৰণ উৎকৰ্ষৰ কাৰণে কোম্পানীবোৰৰ বাবে ২৫ শতাংশ কৰ্পৰেট আয় কৰৰ হাৰ ২৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

দেশক ডিজিটেল অৰ্থনীতিলৈ পৰিৱৰ্তন কৰোতে ছাইবাৰ সুৰক্ষাৰ বাবে চৰকাৰে কৰা অংগীকাৰ পূৰণ কৰিবলৈ ভাৰত নে'ট, আধাৰ পেই প্ৰৱৰ্তন আদিৰ বাবে ১০ হেজাৰ কোটি টকা আবণ্টন দিয়া হৈছে।

তাৎপৰ্যপূৰ্ণভাৱে ক'লা ধন ৰোধ আৰু ৰাজনৈতিক ব্যৱস্থাটো পৰিষ্কাৰ কৰিবলৈ ৰাজনৈতিক দলৰ প্ৰতিজন লোকলৈ সৰ্বোচ্চ দুহেজাৰ টকাৰ নগদ ধনৰ বৰঙণি নিৰ্ধাৰণ কৰা হৈছে। এই সীমাতকৈ বেছি বৰঙণি চেক্ বা ডিজিটেল পেমেণ্ট বা ইলেকট'ৰেল বণ্ডৰ জৰিয়তেহে কৰিব পৰা যাব।

মুঠতে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটে চৰকাৰে আনিব খোজা ব্যাপক স্বচ্ছতা, দুৰ্নীতি হ্ৰাস, দ্ৰুত অৰ্থনৈতিক বৰ্ধন লাভ আৰু সকলোৰে মুখত হাঁহি বিৰিঙাবলৈ কিবা এটা কৰাৰ দিশে এটা পদক্ষেপ আগবঢ়োৱাটোকে দোহাৰিছে।

# ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেট ঃ এক বিশ্লেষণ

**এন আৰ ভানুমূৰ্তি***
**শ্ৰীহৰি নায়ুডু***

সংবিধানৰ ১১২,১১৩,১১৪ (৩) আৰু ১১০ (ক) ধাৰা অনুসৰি ভাৰত চৰকাৰৰ বাবে বাজেট হ'ল আইনগত বাধ্যবাধকতা। ঐতিহাসিকভাৱে যদিও ই কেৱল প্ৰস্তাৱিত উদ্ধৃত পত্ৰ বা জমা-খৰচৰ খতিয়ান (বেলেন্স শ্বীট), বৰ্তমানৰ চৰকাৰসমূহে বাজেটক বৃহৎ নীতিৰ সিদ্ধান্ত, বিশেষকৈ কৰ প্ৰস্তাৱসমূহৰ ঘোষণাৰ বাবে উপলক্ষ ৰূপে প্ৰয়োগ কৰে। সময়ৰ লগে লগে এই বাৰ্ষিক উপস্থাপন বহু পৰিৱৰ্তনৰ মাজেৰে আগুৱাইছে। এইবাৰো তিনিটা বৃহৎ পৰিৱৰ্তন কৰা হৈছে—কেন্দ্ৰীয় বাজেটৰ সৈতে ৰে'ল বাজেট চামিল কৰা হৈছে, বাজেট দাখিলৰ তাৰিখ এমাহ আগুৱাই অনা হৈছে আৰু ব্যয়ৰ ক্ষেত্ৰত পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান প্ৰত্যাহাৰ কৰা হৈছে। এই পৰিৱৰ্তনসমূহৰ বাবে সাম্প্ৰতিক বাজেটৰ সৈতে পূৰ্বৰ বাজেটসমূহক তুলনা কৰিব নোৱাৰি। তৎসত্বেও কি প্ৰেক্ষাপটত এই বাজেট দাখিল কৰা হ'ল সেইকথা গুৰুত্বপূৰ্ণ। বাজেটৰ পূৰ্বে দুটা বৃহৎ নীতি গ্ৰহণ কৰা হ'ল ঃ বি-মুদ্ৰাকৰণ আৰু সেৱা সামগ্ৰী কৰ অৰ্থাৎ বিধেয়ক অনুমোদন। সমগ্ৰ বিশ্বৰ পৰিপ্ৰেক্ষিতত, আমেৰিকা আৰু ইউৰোপত নিৰ্বিশ্বায়নৰ প্ৰৱণতা, খাৰুৱা তেলৰ ক্ৰমবৰ্দ্ধমান মূল্য আৰু মন্থৰ গোলকীয় স্বাভাৱিকতাই ভাৰতীয় অৰ্থনীতিৰ অনিশ্চয়তালৈ প্ৰচুৰ অৰিহণা যোগাইছে।

এই বৃহৎ অনিশ্চয়তাৰ প্ৰেক্ষাপটত বাজেটে অৰ্থনীতি পুনৰুজ্জীৱিত কৰি বহু সংস্থাপনৰ সৃষ্টি কৰিব বুলি সকলোৱে অতি আশাৰে বাট চাই ৰৈছিল। এই প্ৰবন্ধত বাজেটখন বুজাৰ লগতে অৰ্থনীতিত ইয়াৰ প্ৰভাৱ বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰা মতে এই বৰ্ষৰ বাজেটৰ মূল কাৰ্যসূচী হ'ল 'TEC India (Transform, Energise and Clean India- (ভাৰতক ৰূপান্তৰকৰণ, সক্ৰিয়কৰণ আৰু বিশুদ্ধিকৰণ, শক্তিবৰ্দ্ধন আৰু স্বচ্ছতা প্ৰদান কৰা)।

**সাম্প্ৰতিক বৃহৎ অৰ্থনীতিৰ ধাৰা ঃ**

কেন্দ্ৰীয় পাৰিসাংখ্যিক বিষয়া (চি এছ অ') ই প্ৰক্ষেপ কৰিছে যে ২০১৬-১৭ বৰ্ষত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বিকাশ (আগতীয়া প্ৰাক্‌কলন) ৭.১ শতাংশত স্থিৰ হ'ব।

চি এছ অ'-ই উপস্থাপন কৰা মতে আগতীয়া প্ৰাক্‌কলনত বি-মুদ্ৰাকৰণৰ প্ৰভাৱ নপৰিব বুলি ধৰি লোৱা হৈছে যদিও বহুকেইগৰাকী বিশ্লেষকৰ মতে বি-মুদ্ৰাকৰণৰ বাবে মুঠ ঘৰুৱা উৎপাদন ১-২শতাংশলৈ হ্ৰাস পাব। মুঠ ঘৰুৱা উৎপাদনৰ ভিতৰত আশা কৰা হৈছে যে ভাল বৰষুণৰ বাবে কৃষি খণ্ডৰ বিকাশ উৰ্ধ্বগামী হ'ব, আৰু সেৱা খণ্ডৰ বিকাশ ৯শতাংশৰ আশে-পাশে বৃদ্ধি পাব। ঔদ্যোগিক খণ্ডত মধ্যমীয়া বিকাশৰ হাৰ হ'ব ৫.২ শতাংশ (তালিকা১দ্ৰষ্টব্য)। চি পি আইৰ ভিত্তিত মুদ্ৰাস্ফীতিৰ হাৰ ডিছেম্বৰত হ'ব ৩.৪ শতাংশ, ৰিজাৰ্ভ বেংকৰ নিৰ্দ্ধাৰিত লক্ষ্যতকৈ বহু কম। বাণিজ্য ক্ষেত্ৰত, আমদানি আৰু ৰপ্তানি দুয়োটাৰ নিম্নগামিতা অব্যাহত থাকিব। এয়া উদ্বেগৰ কাৰণ। ২০১৬-১৭ বৰ্ষত প্ৰথমাৰ্দ্ধত 'কাৰেণ্ট একাউণ্ট ডেফিচিট' ০.৩ শতাংশলৈ দ্ৰুতগতিত নামিব। ৰাজহ সংগ্ৰহৰ হাৰ উৰ্দ্ধগামী হ'ব—য'ত এপ্ৰিল-নৱেম্বৰৰ নিৰ্দ্ধাৰিত লক্ষ্যৰ ৮৬ শতাংশ স্পৰ্শ কৰিব ৰাজহ ঘাটিয়ে। ইয়াৰ ওপৰত নিৰ্ভৰ কৰি আশা কৰিব পাৰি যে ২০১৬-১৭বৰ্ষৰ ৰাজহ ঘাটিৰ লক্ষ্য ৩.৫ শতাংশত চৰকাৰ উপনীত হ'ব পাৰিব।

বেংকিং ক্ষেত্ৰত, বি-মুদ্ৰাকৰণৰ পাছত বেংকত জমা ধনৰ পৰিমাণ বৃদ্ধি পোৱাত বেংকসমূহে ঋণ প্ৰদান আৰু জমা ধনৰ ক্ষেত্ৰত সুতৰ হাৰ হ্ৰাস কৰিছে। ই উচ্চতৰ 'ক্ৰেডিট ডিমাণ্ড' আৰু উচ্চতৰ বিকাশ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। বৰ্তমান বিনিয়োগ (জি এফ চি এফ) বিকাশ ঋণাত্মক (০.২) আৰু ই উদ্বেগজনক বিষয়। চি এম আই ই তথ্য অনুসৰি নতুন প্ৰকল্প ঘোষণাৰ ক্ষেত্ৰত ২২৭ টা নতুন প্ৰকল্পৰ পৰা ১৭৭ টালৈ অৱনমিত হৈছে। এই

*এন আৰ ভানুমূৰ্তি নতুন দিল্লীৰ এন আই পি এফ পি (NIPFP)ৰ অধ্যাপক। তেওঁ দিল্লীৰ ইন্সটিটিউট অৱ ইক'নমিক গ্ৰ'থ-ৰ সহযোগী অধ্যাপক হিচাপে কাম কৰি আছে। হৰি নায়ুডু এন আই পি এফ পি-ৰ অৰ্থনীতিবিদ।

তালিকা ১ ঃ বৃহৎ অৰ্থনীতিৰ সূচকসমূহৰ সাম্প্ৰতিক ধাৰা ঃ

| সূচক/বৰ্ষ | ২০১২-১৩ | ২০১৩-১৪ | ২০১৪-১৫ | ২০১৫-১৬ বছৰি | ২০১৬-১৭ বছৰি |
|---|---|---|---|---|---|
| ভিত্তি মূল্যত জি ভি এ (বিকাশৰ হাৰ) | ৫.৪ | ৬.৩ | ৭.১ | ৭.২ | ৭.১ |
| জি এফ চি এফ (বিকাশৰ হাৰ) | ৪.৯ | ৩.৪ | ৪.৯ | ৩.৯ | -০.২ |
| মুঠ ঘৰুৱা ৰাহি/জমা (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ মতে) | ৩৩.৮ | ৩৩ | ৩৩ | - | - |
| কৃষি (বিকাশৰ হাৰ) | ১.৫ | ৪.২ | -০.২ | ১.২ | ৪.১ |
| উদ্যোগ (বিকাশৰ হাৰ) | ৩.৬ | ৫ | ৫.৯ | ৭.৪ | ৫.২ |
| সেৱা (বিকাশৰ হাৰ) | ৮.১ | ৭.৮ | ১০.৩ | ৮.৯ | ৮.৮ |
| মুদ্ৰাস্ফীতি -চি পি আই (বাৰ্ষিক গড়) | ১০ | ৯.৪ | ৫.৮ | ৪.৯ | ৩.৪১* |
| কাৰেণ্ট একাউণ্ট ডেফিচিট (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ মতে) | ৪.৮ | ১.৭ | ১.৩ | ১.১ | ০.৩* |
| ৰপ্তানি (বিকাশৰ হাৰ) | ৬.৭ | ৭.৮ | ১.৭ | -৫.২ | ২.২ |
| আমদানি (বিকাশৰ হাৰ) | ৬ | -৪.২ | ০.৮ | -২.৮ | -৩.৮ |
| ৰাজহ ঘাটি (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ মতে) | ৩.৭ | ৩.২ | ২.৯ | ২.৫ | ২.৩ |
| বিত্তীয় ঘাটি (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ মতে) | ৪.৯ | ৪.৫ | ৪.১ | ৩.৯ | ৩.৫ |

উৎস ঃ অৰ্থনৈতিক জৰীপ। *২০১৬বৰ্ষৰ প্ৰথমাৰ্দ্ধৰ বাবে চি এ ডি; ২০১৬ ডিচেম্বৰৰ তথ্য।

হিচাপ বি-মুদ্ৰাকৰণৰ আগে-পিছে ৫০ দিনৰ সময়সীমাৰ ভিতৰৰ।

**বাজেটৰ মূল দিশসমূহ ঃ**

যোৱা বছৰত গ্ৰহণ কৰা বহুকেইটা সংস্কাৰ যেনে—'বেংকৰাশি কোড', নমনীয় মুদ্ৰাস্ফীতি লক্ষ্য আৰু বিত্তীয় নীতি সমিতি, আধাৰ আইন, জি এছ টি ইত্যাদিৰ পাছত এই বছৰ বাজেটে বিভিন্ন খণ্ডত আৰু কিছুমান নীতিৰ পৰিৱৰ্তন ঘটাইছে।

**পৰম্পৰাগত খণ্ড ঃ**

কৃষিক্ষেত্ৰত খেতিয়কসকলে তিনি ধৰণৰ পৰ্যায়ত অসুবিধাৰ সন্মুখীন হয়। খেতি কৰাৰ পূৰ্বে, খেতি চপোৱাৰ সময়ত আৰু খেতি কৰাৰ পাছত। খেতি কৰাৰ পূৰ্বে ঋণ গ্ৰহণ, সাৰ আৰু জলসিঞ্চন সম্বন্ধীয় সমস্যাসমূহৰ সন্মুখীন হয় কৃষকসকল। খেতি চপোৱাৰ সময়ত সন্মুখীন হোৱা সমস্যাসমূহ হ'ল বান বা খৰাং, পৰিস্থিতি আৰু এইবোৰৰ বাবে বীমাকৰণ। খেতি চপোৱাৰ পাছত বিপণন সম্বন্ধীয় শংকা, মূল্য শংকা আৰু পৰিবহণ। যোৱা বছৰৰ কাৰ্যসূচীসমূহ যেনে—'ভূমি স্বত্ব ডিজিটেলকৰণ', গ্ৰাম্য বৈদ্যুতিকৰণ আৰু গ্ৰাম্য অপ্‌টিকেল ফাইবাৰ কেব্‌ল লাইনিং অব্যাহত ৰখাৰ পাছত এই বছৰ কৃষিভূমিৰ মাটিৰ উপযুক্ততাৰ প্ৰমাণপত্ৰ, ফচল বীমা যোজনা, দীৰ্ঘম্যাদী আৰু ক্ষুদ্ৰ জলসিঞ্চন পুঁজি আৰু eNAM (ইলেকট্ৰনিক ৰাষ্ট্ৰীয় কৃষি বিপণী) আদিয়ে ভাৰতীয় কৃষিত বিপদশংকা হ্ৰাস কৰিব বুলি আশা কৰিব পাৰি, যদিহে এই কাৰ্যসূচীসমূহ উপযুক্তভাৱে ৰূপায়িত হয়। বাজেট কৃষি ঋণৰ পৰিমাণ ২০১৬-১৭ বৰ্ষত ৯ লাখ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষত ১০ লাখ কোটি টকালৈ বৃদ্ধি কৰিছে। দীৰ্ঘম্যাদী আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ পুঁজিৰ বাবে ২০ হাজাৰ কোটি টকাৰ অতিৰিক্ত সমৰ্থন আগবঢ়োৱা হৈছে। বজাৰ চুক্তি ভংগ কৰিবলৈ আৰু ভাৰতৰ বিভিন্ন ঠাইত কৃষি বিপণী সংহত কৰি তুলিবলৈ eNAM বৰ্তমানৰ ২৫০ খন বিপণীৰ পৰা ৫৮৫ খন এপি এম চিলৈ বৃদ্ধি কৰা হ'ব। চৰকাৰে চুক্তিবদ্ধ খেতিৰ সন্দৰ্ভত এখন আদৰ্শ আইনৰ প্ৰস্তাৱ কৰিছে, বিশেষকৈ দুগ্ধজাত ফল-মূল আৰু পাচলিৰ বাবে।

**আন্তঃগাঁথনি ঃ**

ভাৰতত ব্যক্তিগত বিনিয়োগৰ লগতে বৈদেশিক বিনিয়োগত দুৰ্বল আন্তঃগাঁথনি এটা বৃহৎ সমস্যা। আন্তঃগাঁথনিৰ সীমাবদ্ধতাৰ বাবে বাজেটে পথ, বিদ্যুৎ আৰু ডিজিটেল আন্তঃগাঁথনিত পৰ্যাপ্ত গুৰুত্ব প্ৰদান কৰিছে। ২০১৮ চনৰ ১ মে'লৈ গ্ৰাম্য বৈদ্যুতিকৰণ ১০০ শতাংশ কৰাৰ লক্ষ্য স্থিৰ কৰিছে ভাৰত চৰকাৰে। দীনদয়াল উপাধ্যায় গ্ৰাম্য জ্যোতি যোজনাৰ অধীনত ৪,৮১৪ কোটি টকা ধাৰ্য কৰা হৈছে। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা (পি এম জি এছ ৱাই) ৰ অধীনত পথ নিৰ্মাণ ২০১৬-১৭ চনত দৈনিক ১৩৩ কিলোমিটাৰকৈ নিৰ্মাণ কৰা হৈছে; ইয়াৰ বিপৰীতে ২০১১-১৪ চনৰ কালছোৱাত গড়ে ৭৩ কিলোমিটাৰকৈ নিৰ্মাণ হৈছিল। বাজেটত এই আঁচনিৰ অধীনত পুঁজি ১৯ হাজাৰ কোটি টকালৈ বৃদ্ধি

কৰা হৈছে। ৰে'ল বিভাগৰ বাবে ৰে'লসেৱা প্ৰসাৰ কৰিবলৈ বাজেটত ৫৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। সামগ্ৰিক পৰিবহণ খণ্ডৰ বাবে বাজেটে ২.৪১ লাখ কোটি টকাৰ আবণ্টন দিছে। বাজেটত কোৱা হৈছে যে পৰিবহণ খণ্ডৰ প্ৰসাৰৰ জৰিয়তে বিকাশ পুনৰুজ্জীৱিত কৰি তুলিবলৈ বিচৰা হৈছে। এই খণ্ডত কৰ্মসংস্থানৰ প্ৰচুৰ সম্ভাৱনা থকাৰ লগতে অন্যান্য খণ্ডৰ সৈতে বিশেষ সংযোগ থকা বাবে ব্যয় শিতানত বৃদ্ধিয়ে সামগ্ৰিক বিকাশৰ লক্ষ্য পূৰণ কৰাত সহায় কৰিব।

**বাজেট আৰু বৃহৎ অৰ্থনীতি ঃ**

বাজেটৰ বৃহৎ নীতিসমূহৰ অন্যতম সিদ্ধান্ত হ'ল বিত্তীয়/ৰাজহ ঘাটি লক্ষ্যৰ প্ৰসংগ। আন্তঃৰাষ্ট্ৰীয় ৰেটিং এজেন্সী-সমূহৰ চাপৰ সন্মুখত আশা কৰা হয় যে প্ৰচলিত এফ আৰ বি এম নিয়ম অনুসৰি চৰকাৰৰ বিত্তীয় ঘাটি ৩ শতাংশত স্থিৰ হৈ থাকিব লাগিব। এফ আৰ বি এম সমিতিৰ নতুন অনুমোদিত বিত্তীয় পথ কি হ'ব সেয়া স্পষ্ট নহয়; বিত্তীয় ঘাটিৰ লক্ষ্যৰ পৰা বাজেটখন সামান্য আঁতৰি আহিছে আৰু বিনিয়োগ পুনৰুজ্জীৱিত কৰিবলৈ ৩.২ শতাংশ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে (৩ শতাংশ লক্ষ্যৰ বিপৰীতে)। ইয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল ই ৰাজহ ঘাটি ১.৯ শতাংশলৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছে আৰু মূলধনী ব্যয় ১.৩ শতাংশলৈ বৃদ্ধি কৰিছে (১.১ শতাংশৰ পৰা)। এইটো আমাৰ দৃষ্টিত বিত্তীয় স্থিৰতাৰ সৈতে প্ৰসাৰণশীল আৰু ধাৰাবাহিক। তৎসত্ত্বেও এফ আৰ বি এম সমিতিয়ে পৰামৰ্শ প্ৰদান কৰিছে যে ২০২৩ চনলৈ কেন্দ্ৰীয় চৰকাৰৰ বাবে ৬০ শতাংশ মধ্যমীয়া ম্যাদ ঋণ পদ্ধতি অটুট ৰাখিব লাগে। এই হাৰ ভানুমূৰ্তিৰ প্ৰাক্কলনৰ সৈতে ওচৰ চপা আৰু ধাৰাবাহিক। এনে ধৰণৰ বিত্তীয় পথে মধ্যমীয়া ম্যাদ বিকাশ আৰু উন্নয়নমূলক লক্ষ্য অৰ্জনৰ বাবে বিত্তীয় অৱকাশ প্ৰদান কৰা উচিত।

**ৰাজহ সঞ্চালনৰ নীতি ঃ**

জি এছ টি আৰু বি-মুদ্ৰাকৰণৰ পাছত আশা কৰা হৈছে যে কৰ পৰিশোধ বৃদ্ধি পাব। গতিকে কৰ ৰাজহৰ পৰিমাণৰ পৰিৱৰ্তন হোৱাৰ সম্ভাৱনা দেখা যায়, য'ত ৰাজহৰ ঊৰ্দ্ধমুখিতা স্বাভাৱিকভাৱেই ১.৪ ৰ অধিক হ'ব বুলি ধাৰণা কৰা হৈছে। ২০০৩-২০০৭ বৰ্ষৰ কালছোৱাত টি আই এন টেক্স ইনফৰমেচন নেটৱৰ্কৰ পাছত ভাৰতত এনে ঊৰ্দ্ধমুখিতা পৰিলক্ষিত হৈছিল। যোৱা কেইবছৰমানৰ দৰে মূলধন প্ৰাপ্তি সন্দৰ্ভত বাজেটৰ ধাৰণা অনুসৰি প্ৰায় ৭২.৫০০ কোটি টকা অন্যান্য শিতানৰ প্ৰাপ্তি ব্যাপকভাৱে নিৰ্বিনিয়োগ দুৰূহ লক্ষ্য যেন দেখা গৈছিল। একেদৰে বজাৰপৰা ঋণ গ্ৰহণৰ সৈতে সামঞ্জস্য অনাৰ পাছত দেখা গ'ল যে চৰকাৰে নগদ জমা ধনৰ প্ৰায় ২ লাখ কোটি টকা আশা কৰে। ২০১৬-১৭ বৰ্ষৰ ১১ শতাংশৰ বিপৰীতে ২০১৭-১৮ বৰ্ষৰ ১১.৭৫ শতাংশ মুঠ ঘৰুৱা উৎপাদন বিকাশৰ সামান্য বৃদ্ধিৰ ধৰাণাৰ ওপৰত ভিত্তি কৰি এই ধাৰণাসমূহৰ উপলব্ধি নিৰ্ভৰ কৰে। ১ জুলাইৰ পৰা প্ৰৱৰ্তিত হ'বলগা জি এছ টি আৰু ইয়াৰ লগতে জি এছ টিৰ হাৰৰ ওপৰতো ই নিৰ্ভৰ কৰিব। প্ৰত্যক্ষ কৰৰ দিশত, অৰ্থনৈতিক জৰীপে আঙুলিয়াই দিয়া অনুসৰি, প্ৰতি ১০০ গৰাকী লোকৰ বিপৰীতে কৰ পৰিশোধনকাৰীৰ সংখ্যা মাথোঁ ৭। কৰৰ ভিত্তি প্ৰসাৰিত কৰিবলৈ বাজেটে নিম্ন স্তৰত কৰৰ হাৰ ৫ শতাংশলৈ হ্ৰাস কৰিছে। আমাৰ দৃষ্টিত, এই পদক্ষেপে অধিক সংখ্যক লোকক কৰ তালিকাৰ আওতালৈ আনিব, ই কাৰ্যকৰী কৰৰ হাৰতো অস্থিৰতাৰ সৃষ্টি কৰিব। অন্য সংস্কাৰমুখী পদক্ষেপৰ ভিতৰত আয়কৰৰ হিচাপ দাখিল প্ৰ-পত্ৰ আৰু ই-প্ৰ-পত্ৰ পূৰণৰ সৰলীকৰণ অন্যতম।

**বেংকিং সংকট আৰু এন পি এ প্ৰসংগ ঃ**

সুতৰ হাৰ হ্ৰাস কৰাৰ নীতি থকা সত্ত্বেও ভাৰতত ব্যক্তিগত খণ্ডৰ বিনিয়োগ কম হোৱাৰ কাৰণ সমূহৰ এটা হ'ল দ্বৈত বেলেন্স-শ্বীট সংকট আৰু বিশেষকৈ বেংকিং খণ্ডৰ সংকট। বি-মুদ্ৰাকৰণে কম পৰিমাণৰ জমা ধনৰ সঞ্চালন আৰু বেংক বেলেন্স শ্বীট স্বাভাৱিক কৰাত সহায় কৰিব পাৰিলেহেঁতেন; ইয়াৰ লগে লগে আশাৰ সঞ্চাৰ হৈছিল যে বাজেটে পুনৰ-মূলধনীকৰণৰ জৰিয়তে বেংকসমূহক সহায় কৰিব পাৰিব। এইবাৰ বাজেটত যোৱা বছৰ ধাৰ্য কৰা ২৫ হাজাৰ কোটি টকাৰ বিপৰীতে মাথোঁ ১০ হাজাৰ কোটি ধাৰ্য কৰা হৈছে। এয়া ৰাজহুৱা খণ্ডৰ বেংকত এন পি এৰ হঠাৎ বৃদ্ধি হোৱা সত্ত্বেও হৈছে, যি বেংকসমূহক বৰ বেছি সহায় নকৰিবও পাৰে। সি যি কি নহওক, যোৱা বছৰৰ পৰা অন্য বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে, যেনে—বেংকৰাশি কোড, ঋণ পুনৰুদ্ধাৰ ন্যায়াধিকৰণ আৰু এছ এ আৰ এফ ই এছ আই আইনৰ সংশোধন, বেংক ব'ৰ্ড ব্যুৰ' আৰু ইন্দ্ৰধনুষ আঁচনি—যিবিলাকে বেংক-সমূহক দীৰ্ঘম্যাদী সহায় কৰিব।

**বি-মুদ্ৰাকৰণ আৰু বাজেট ঃ**

বি-মুদ্ৰাকৰণৰ পৰিণতিত, অৰ্থনীতিৰ কেতবোৰ খণ্ডত কিছু সংকোচনৰ লগে লগে অস্থিৰতাৰো সৃষ্টি হৈছে। খণ্ড পৰ্যায়ত, এছ আই এ এম তথ্য অনুসৰি গাড়ী-মটৰ খণ্ডত বিক্ৰীৰ পৰিমাণ ২০১৬

তালিকা ২ ঃ আন্তঃগাঁথনিৰ বাবে ধন আবণ্টনৰ ধাৰা ঃ

| শিতান | ২০১৫-১৬ | ২০১৬-১৭আৰ ই | ২০১৭-১৮ বি ই |
|---|---|---|---|
| এম জি এন আৰ ই জি এছ কাৰ্যসূচী | ৩৮,৫০০ | ৪৭,৪৯৯ | ৪৮,০০০ |
| প্ৰধান মন্ত্ৰী আৱাস যোজনা | ২০,০৭৫ | ২০,৯৩৬ | ২৯,০৪৩ |
| প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা | ১৯,০০০ | ১৯,০০০ | ১৯,০০০ |
| অমৃত | ৭,২৯৬ | ৯,৫৫৯ | ৯,০০০ |
| অপটিকেল ফাইবাৰ কেব্‌ল নেটৱৰ্ক (প্ৰতিৰক্ষা সেৱাৰ বাবে) | ২,৭১০ | ৩,২১০ | ৩,০০০ |
| ভাৰতনেট | ০ | ৬,০০০ | ১০,০০০ |
| মেট্ৰ’ প্ৰকল্প | ১০,০০০ | ১৫,৭০০ | ১৮,০০০ |
| দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা | ৮,৫০০ | ৭,৮৭৪ | ১০,৬৩৫ |
| সাগৰমালা | ৪৫০ | ৪০৬ | ৬০০ |
| দুখীয়া পৰিয়াললৈ ৰন্ধন গেছ সংযোগ | ২,০০০ | ২,৫০০ | ২,৫০০ |
| ৰে’লসেৱালৈ বাজেটৰ নিৰ্দ্ধাৰিত ধন | ৩০,১২১.২ | ৩৫,০০৭.৯ | ৫৫,০০০ |
| মুঠ | ১,৩৮,৬৫২.২ | ১,৬৭,৬৯১.৯ | ১,৮৭,৬৭৮ |

উৎস ঃ বাজেট ডকুমেণ্টছ, ভাৰত চৰকাৰ, ২০১৭-১৮ আৰু প্ৰেছ ইনফৰমেচন ব্যুৰ’ (পি আই বি)

চনৰ ডিচেম্বৰত ১৮.৬৬ শতাংশ অৱনমিত হৈছে। নিৰ্দিষ্টকৈ ক’বলৈ গ’লে, দুচকীয়া আৰু তিনিচকীয়া বাহনৰ বিক্ৰী— যিবিলাকৰ অধিকসংখ্যকেই নগদ ধনেৰে ক্ৰয় কৰা হয়, ক্ৰমে ২২.০৪ আৰু ৩৬.২৩ শতাংশ অৱনমিত হৈছে। নাইট ফ্ৰেংকৰ তথ্য অনুসৰি, ২০১৬ চনৰ অন্তিম ত্ৰৈমাসিকত স্থাৱৰ সম্পত্তি খণ্ডত বিক্ৰী ৫০ শতাংশতকৈ অধিক হ্ৰাস পাইছে। অৰ্থনৈতিক জৰীপৰ প্ৰাক্কলন অনুসৰি বি-মুদ্ৰাকৰণৰ বিৰূপ প্ৰভাৱ পৰিব মুঠ ঘৰুৱা উৎপাদনত ০.২৫ শতাংশৰ পৰা ১ শতাংশলৈ।

আনহাতে, মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ লেহেমীয়া গতি সত্ত্বেও বি-মুদ্ৰাকৰণৰ পাছত কৰ ৰাজহ যথেষ্ট পৰিমাণে বৃদ্ধি পোৱা যেন পৰিলক্ষিত হৈছে ঃ নিগমকৰ (৪.৪ শতাংশ), আয়কৰ (২৪.৬ শতাংশ), কেন্দ্ৰীয় আবকাৰী শুল্ক (৪৩ শতাংশ), সেৱা কৰ (২৩.৯ শতাংশ) আৰু বীমা শুল্ক (৪.১ শতাংশ)। ইয়াৰ এটা ব্যাখ্যা এনে ধৰণৰ হ’ব পাৰে বি-মুদ্ৰাকৰণৰ পাছত কৰৰ ভিত্তি প্ৰসাৰিত হোৱা যেন ভাব হৈছে। এয়া সুসাধ্য যদি কৰ ফাকি আৰু পৰিহাৰ হ্ৰাস হৈ আহিছে; কাৰণ ইতিপূৰ্বে হিচাপ নোহোৱাকৈ থকা বা ধৰা নপৰাকৈ থকা লেনদেন ধৰা পেলোৱা হৈছে। অৰ্থনৈতিক জৰীপ আৰু ভাৰতীয় ৰাষ্ট্ৰীয় পৰিশোধ নিগম (এনপিচিআই) মতে Ru Pay নিৰ্ভৰ ইলেক্ট্ৰনিক লেনদেন পি অ’ এছৰ লেনদেনৰ ক্ষেত্ৰত প্ৰায় ১৩ হাজাৰ কোটি টকালৈ আৰু ই-বাণিজ্যত প্ৰায় ২ হাজাৰ কোটি যোৱা কেইটামান মাহত ৩০০-৪০০ শতাংশ বৃদ্ধি পাইছে।

তৎসত্ত্বেও সাধাৰণ দৃষ্টিভংগী অনুসৰি ক’লাধন নিয়ন্ত্ৰণ সম্ভৱ নহয় যেতিয়ালৈ নগদ ধনৰ লেনদেন চলি থাকে। ইয়াৰ বাবে অতিৰিক্ত পদক্ষেপ ৰূপে বাজেটে ৩ লাখ টকাতকৈ অধিক নগদ ধনৰ লেনদেনত কৰ আৰোপ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে, অৱশেষত অৰ্থনীতিত নগদ-বিহীন ধন পৰিশোধ ব্যৱস্থাৰ অধিক প্ৰয়োগ হ’ব, বাধ্যতামূলক কৰ পৰিশোধ উন্নত হ’ব— যাৰ ফলত ক’লাধন সৃষ্টি হ্ৰাস পাব।

**বাজেট আৰু ডিজিটেল অৰ্থনীতি ঃ**

নগদৰ পৰা কম নগদ ব্যৱস্থালৈ অৰ্থনীতি পৰিৱৰ্তিত কৰিবলৈ ধন আদায় আন্তঃগাঁথনি যথেষ্ট পৰিমাণে উন্নত কৰা আৱশ্যকীয়। এইক্ষেত্ৰত ভাৰত তিনিটা মূল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে চাইবাৰ নিৰাপত্তা, ডিজিটেল আন্তঃগাঁথনি আৰু ডিজিটেল লেনদনৰ ব্যয়। বাজেটত কিছু পৰিমাণে প্ৰথম দুটা প্ৰসংগ সমাধানৰ বাবে চেষ্টা কৰা হৈছে।

**চাইবাৰ নিৰাপত্তা ঃ**

বৰ্দ্ধিত চাইবাৰ আক্ৰমণৰ পৰা বিত্তীয় খণ্ডৰ সংহতি আৰু সুস্থিৰতাৰ সুৰক্ষা প্ৰদান কৰিবলৈ বাজেটত কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দল আমাৰ বিত্তীয় খণ্ডৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

**ডিজিটেল আন্তঃগাঁথনি ঃ**

ক্ৰমাগতভাৱে উন্নত হোৱা ডিজিটেল আন্তঃগাঁথনিৰ অংশৰূপে বাজেটত ভাৰতনেট, ডিজিগাঁও, ৰূপান্তৰিত বিশেষ সুবিধা প্ৰদান প্ৰস্তাৱ আঁচনি আদি কাৰ্যসূচীসমূহত অধিক ধন ধাৰ্য কৰি নতুনকৈ গুৰুত্ব আৰেপ কৰিছে। এই নীতিসমূহে ডিজিটেল আন্তঃগাঁথনি সৃষ্টি কৰিব বুলি আশা কৰা হৈছে, যি দেশত দেশীয় প্ৰযুক্তিৰে পাৰিস্থিতিক ব্যৱস্থা গঢ় দিয়াত সহায়ক হ’ব।

(১৮ পৃষ্ঠাত চাওক)

# কেন্দ্ৰীয় বাজেট ২০১৭-১৮ বিত্তীয়ভাৱে বাস্তৱবাদী

**চৰণ সিং***

বাজেট ৰাজহ নীতিৰ এটি গুৰুত্বপূৰ্ণ অংগ। একোটা বৃহৎ অৰ্থনীতিৰ লক্ষ্য হ'ল সুস্থিৰ বিকাশ, যাক ৰাজহ তথা বিত্তীয় নীতিৰ ৰূপায়ণৰদ্বাৰা সম্ভৱপৰ কৰি তুলিব পৰা যায়। ৰাজহ নীতিৰ লক্ষ্য নিয়োগ বৃদ্ধি আৰু ক্ষিপ্ৰ বিকাশ; আনহাতে বিত্ত নীতিৰ ধাৰণা হ'ল মুদ্ৰাস্ফীতি নিয়ন্ত্ৰিত কৰি এটা সুস্থিৰ অৰ্থনীতিৰ বাতাবৰণ গঢ়ি তোলা। বিকাশ তথা নিয়োগ সচ্ছল কৰাৰ উদ্দেশ্য আগত ৰাখি ৰাজহ নীতিয়ে সুশিক্ষা তথা দক্ষতা বৃদ্ধি, ৰাজহুৱা স্বাস্থ্য প্ৰতিষ্ঠানৰ জৰিয়তে উচ্চমানৰ কৰ্ম-সংস্কৃতি গঢ়ি তোলা, বাণিজ্যিক বিকাশৰ বাবে শক্তিশালী আন্তঃগাঁথনি প্ৰস্তুত কৰাৰ লগতে সম্পত্তিৰ সুৰক্ষাৰ হেতু উৎসৰ্গিত মনোভাৱাপন্ন সুৰক্ষা বাহিনী, প্ৰশাসন তথা আইনৰ দৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ মূল শিতানসমূহত হ'ব পৰা ব্যয়ৰ জোৰা মাৰিবলৈ চৰকাৰে প্ৰত্যক্ষ তথা পৰোক্ষ কৰ সংগ্ৰহ, ব্যক্তিগত খণ্ডৰ উদ্যোগৰ সুদ তথা লাভৰ অংশ গ্ৰহণ কৰাৰ লগতে দেশ তথা বিদেশৰ ঋণৰদ্বাৰা ৰাজহ টনকীয়াল কৰে। চৰকাৰে সংগ্ৰহ কৰা ধন আৰু ইয়াৰ ব্যয়, বিভিন্ন কাম-কাজ, খৰচ, সঞ্চয়, বিভিন্ন ধৰণৰ সকাহ আৰু ইয়াৰ ব্যয়, ৰাজহ নীতিৰ পৰিধিৰ অন্তৰ্গত।

শেহতীয়া কেন্দ্ৰীয় বাজেটখন অতিশয় জটিল দেশীয় তথা আন্তৰ্জাতিক বাতাবৰণত দাখিল কৰা হৈছে। ভাৰতবৰ্ষত যোৱা ৮ নৱেম্বৰ তাৰিখে ঘোষণা কৰা বি-মুদ্ৰাকৰণৰ প্ৰভাৱ বিশ্লেষণ কৰিবলৈ এতিয়াও বাকী। সঁচা কথা ক'বলৈ গ'লে, বি-মুদ্ৰাকৰণৰদ্বাৰা সংগ্ৰহত হ'বলগীয়া ধনৰ পৰিমাণ ভাৰতীয় ৰিজাৰ্ভ বেংকে এতিয়াও থিৰাং কৰিব পৰা নাই। তদুপৰি ভাৰতৰ উদ্যোগ তথা বাণিজ্যিক ক্ষেত্ৰত দেখা দিয়া ইয়াৰ প্ৰতিক্ৰিয়াও স্পষ্ট নহয়। আনহাতে ভাৰতে স্বাধীনোত্তৰ কালত কৰ ধাৰ্য্যৰ অতিকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ জি এছ টি ৰূপায়ণ কৰিবলৈ বিচাৰিছে। বিশ্বৰ অৰ্থনৈতিক বিকাশ দুখঃজনক-ভাৱে লেহেমীয়া তথা স্তিমিত হৈছে, তেলৰ মূল্য উৰ্ধগামী হৈছে আৰু ফল স্বৰূপে নিৰাপদ দূৰত্বত অৱস্থান কৰা ৰাজনৈতিক দলসমূহে মূৰ দাঙি উঠিছে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰিৱৰ্তিত বিশ্বায়নৰ ধাৰণাৰ লগে লগে ইউৰোপীয় মহাসভাৰ পৰা ব্ৰিটেইনৰ প্ৰত্যৰ্পনৰ বাবে ইউৰোপৰ ৰাজনৈতিক বিকাশেই নহয় বৰং সুস্থিৰ উন্নয়নৰ পৰিকল্পনাত জটিলতা আহি পৰিছে।

শেহতীয়া বাজেটখনত কৰিব-লগীয়া কামৰ তালিকাত সন্নিৱিষ্ট হৈছে পৰিৱৰ্তিত শক্তিশালী, তথা এখন নিকা ভাৰতবৰ্ষ। খেতিয়ক, গ্ৰাম্য জনগাঁথনি, যুৱ সমাজ, দৰিদ্ৰ তথা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোক, আন্তঃগাঁথনি, বিত্তীয় খণ্ড, ডিজিটেল অৰ্থনীতি, ৰাজহুৱা সেৱা, ভৱিষ্যকাংক্ষী ৰাজহ ব্যৱস্থাপনা আৰু কৰ প্ৰণালীৰ দৰে দহটা লক্ষ্য ধাৰ্য কৰি বাজেটৰ পৰিকল্পনা কৰা হৈছে।

**ৰাজহ একত্ৰীকৰণ ঃ**

বিভিন্ন বাধা সত্ত্বেও বাজেটখনে ৰাজহ একত্ৰীকৰণত প্ৰাধান্য দিছে আৰু সকলো ঘাটি পূৰণ হ'বলৈ ধৰিছে। (তালিকা-১)

**গুৰুত্বপূৰ্ণ বিষয় নিৰ্বাচন ঃ**


কেন্দ্ৰীয় বাজেটখন কেৱল এখন হিচাপৰ দলিলেই নহয়, ই এখন গুৰুত্বপূৰ্ণ নীতি সন্নিৱিষ্ট দলিলো। শেহতীয়া বাজেটখনত ভালেমান বিষয় উত্থাপন কৰা হৈছে।

**ভাৰত এখন আপত্তিহীন কৰৰ দেশ ঃ**

বিত্ত মন্ত্ৰীয়ে তেওঁৰ ভাষণত কয় যে আমাৰ দেশখন বহুলভাৱে এখন আপত্তিহীন কৰৰ দেশ (তালিকা ৮ আৰু ৯)। কেন্দ্ৰ আৰু ৰাজ্যসমূহক সামৰি চৰকাৰে লাভ কৰা সমুদায় কৰ (বিভিন্ন ৰাজ্যৰ স্থানীয় নিকায় কৰৰ সামঞ্জস্য নথকা সত্ত্বেও), উন্নত দেশসমূহৰ ৩০ শতাংশৰো অধিকৰ তুলনাত শেহতীয়াকৈ মুঠ ঘৰুৱা উৎপাদনৰ ১৮ শতাংশ হ্ৰাস পোৱা দেখা গৈছে। অৱশ্যে, বৰ্তমান দেশৰ ৩০ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে আৰু প্ৰায় ৬০ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে লগতে কৃষিজীৱি

*চৰণ সিং আই আই এম বেংগালুৰুৰ অৰ্থনীতি বিভাগৰ আৰ বি আই অধ্যক্ষ অধ্যাপক। তেওঁ আৰ চি আই-ৰ বেংকিং ৰিছাৰ্ছৰ ভূতপূৰ্ব সঞ্চালক।

**(তালিকা-১) ঃ মুখ্য ঘাটিসমূহ**




**সংগ্ৰহ ঃ কেন্দ্ৰীয় বাজেট ২০১৭ জি অ', আই**

(কৰদাতাৰ সীমাৰ বাহিৰত)। গতিকে বিত্তীয় সম্পদ আহৰণত যে ভালেমান বাধা আছে সেই কথা স্পষ্ট। তদুপৰি, আবকাৰী শুল্কৰ আওতাত পৰা ভালেমান সামগ্ৰীৰ কৰ ৰেহাই দিয়া হৈছে। আনহাতে, শ্ৰীলংকা, মেক্সিকো, ইণ্ডোনেছিয়া আদিৰ দৰে দুখীয়া তথা বিকাশমুখী দেশসমূহৰ ক্ষেত্ৰত কৰ আয়ৰ আহৰণৰ অন্যতম উৎস হোৱা হেতুকে উন্নত দেশসমূহৰ তুলনাত কৰ সংগ্ৰহ উল্লেখনীয়ভাৱে তাকৰ।

যিহেতু কেন্দ্ৰীয় চৰকাৰে এখন নিকা ভাৰতবৰ্ষ গঢ়াৰ পোষকতা কৰিছে, বিলাসী গাড়ী ক্ৰয় তথা বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত প্ৰাপ্ত তথ্য অনুসৰি কৰ প্ৰশাসনৰ দিশত অধিক সচেতন আৰু দক্ষতাপূৰ্ণ হোৱা প্ৰয়োজন। জাপানৰ দৰে দেশসমূহত বাধ্যতামূলক কৰ আদায়ৰ ক্ষেত্ৰত উদগনিৰ ব্যৱস্থা আছে। ইয়াৰ বিপৰীতে মাৰ্কিন যুক্তৰাষ্ট্ৰত, কৰ ফাঁকিৰ ক্ষেত্ৰত কঠোৰ ক্ষতিকাৰক শাস্তিৰ ব্যৱস্থা কৰা হৈছে। ভালেমান উন্নত দেশত মুঠ ঘৰুৱা উৎপাদন কৰৰ হাৰ অধিক হোৱা হেতুকে জনস্বাস্থ্য, শিক্ষা, পৰিবহণ আৰু প্ৰশাসনিক সেৱাৰ মান যথেষ্ট উন্নত। তদুপৰি, পুৰুষ আৰু মহিলাৰ জীৱনৰ নিৰাপত্তা, মহিলা শ্ৰমিকৰ বাবে সুৰক্ষিত বাতাৱৰণ, ওজৰ-আপত্তিৰ খৰতকীয়া নিষ্পত্তিৰ আইনগত ব্যৱস্থাই বাধ্যতামূলক কৰ পৰিশোধক উৎসাহিত কৰিছে। জনগাঁথনিৰ ভিন্নতা অনুসৰি ৬৬ শতাংশ ৩৪ বছৰৰ অনুৰ্দ্ধৰ জনসংখ্যাৰ ভাৰতবৰ্ষত দুৰ্নীতিমুক্ত দেশ এখনত পৰৱৰ্তী প্ৰজন্মই গঠনমূলক তথা বিকাশমুখী কৰ্মৰ পৰিৱেশ লাভ কৰিব। আয়ৰ বিভিন্ন ইচ্ছাকৃত প্ৰকাশ আৰু ক্ষমা দায়ক আঁচনি সুলভ হোৱা সত্বেও আৰু লগতে চৰকাৰে হিচাপ বিহীন ধন উন্মোচিত কৰিবলৈ বহুতো প্ৰচেষ্টা গ্ৰহণ কৰিলেও দুৰ্নীতিৰ ছবিখন বৰ দুখ লগা। সেই বাবে, এই গোপন ধন উন্মোচিত কৰাৰ প্ৰচেষ্টাত দৃঢ় সংকল্পৰ প্ৰয়োজন। এই প্ৰয়াসত, ছাৰ্টাৰ্ড একাউণ্টেণ্ট, আইন বিশেষজ্ঞ, সমাজ বিজ্ঞানী, ধৰ্মীয় নেতা আৰু প্ৰচাৰ মাধ্যম তথা ৰাজনীতিৰ সমাজ কৰ্মীক জড়িত কৰি একাত্ম-বোধেৰে আগবঢ়া উচিত।

**বিত্তীয় খণ্ড ঃ**

পূৰ্বৰ চৰকাৰে গ্ৰহণ কৰাৰ দৰেই বেংকসমূহৰ মূলধন পুনৰ টনকীয়াল কৰাৰ আঁচনি বৰ্তমান চৰকাৰেও অব্যাহত ৰাখিছে। এইক্ষেত্ৰত, বেংক সমূহলৈ আগবঢ়োৱা সকাহ স্বয়ংক্ৰিয় তথা নিয়মীয়া হ'ব নে ই প্ৰয়োজন সাপেক্ষেহে হ'ব তাক গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব। বাণিজ্যিক বেংকসমূহক ব্যৱসায়িকভাৱে সক্ৰিয় কৰিবলৈ আৰু লোকচান পূৰণৰ অৰ্থে তেওঁলোকে আহৰণ কৰা সম্পদৰাজিৰ কিছু অংশ জমা ৰাখিবলৈ কোৱা বাঞ্ছনীয়। ইয়াৰ বাবে লোকচান ভৰা বেংক শাখাসমূহ চিনাক্ত কৰি তেওঁলোকক লোকচান পূৰণ তথা ব্যয় সীমিত কৰাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিব লাগিব। তদুপৰি, লাভ-লোকচান নিৰ্বিশেষে ৰাজহুৱা খণ্ডৰ আটাইবোৰ বেংকৰে কৰ্মচাৰীৰ দৰমহা বৃদ্ধি কৰি আহিছে। গতিকে, নিয়মীয়াকৈ আয়কৰ আদায় দি থকাসকলৰ সম্পত্তিৰ আহৰণৰ বেলিকাও কৰ সংগ্ৰহৰ ব্যৱস্থাৱলী অধিক কটকটীয়া কৰাৰ ব্যৱস্থাত কৰ্মচাৰীসকলেই আগভাগ লৈছে। এনেদৰে একাদিক্ৰমে বাণিজ্যিক বেংকসমূহে সম্পত্তি আহৰণ কৰাৰ প্ৰয়াস অব্যাহত ৰাখিলে সময়ত বিবেক দংশন হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

**আগতীয়াকৈ কেন্দ্ৰীয় বাজেট দাখিল ঃ**

কেন্দ্ৰীয় বাজেটখন আগতীয়াকৈ এইবাবেই দাখিল কৰা হৈছে যাতে সংসদত মাৰ্চ মাহৰ শেষৰ ভিতৰতে ই গৃহীত হয় আৰু মন্ত্ৰীসকলে উন্নয়নমূলক কাম-কাজৰ বাবে পহিলা এপ্ৰিলতে পুঁজিৰ ধন পাবলৈ আৰম্ভ কৰে। যিহেতু ভাৰতবৰ্ষত মৌচুমী বতৰ আৰম্ভ হয় জুন মাহৰ পৰাহে সেয়ে ইয়াৰ আগে আগে

তালিকা-১ ঃ কেন্দ্ৰীয় বাজেটৰ সাৰাংশ (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হিচাপত)

| ধন আহৰণ | ২০১৬-১৭ ৰাজহৰ হিচাপ | ২০১৭-১৮ বাজেটৰ হিচাপ | ধন আহৰণ | ২০১৬-১৭ ৰাজহৰ হিচাপ | ২০১৭-১৮ বাজেটৰ হিচাপ |
|---|---|---|---|---|---|
| ৰাজহ আহৰণ | ৯.৪ | ৯.০ | ৰাজহ ব্যয় | ১১.৫ | ১০.৯ |
| ৰাজহ ব্যয় তথা ৰাজহ অৰ্জন = ৰাজহ ঘাটি | | | | ২.১ | ১.৯ |
| ৰাজহ অৰ্জন | ৩.৯ | ৩.৮ | মূলধনৰ ব্যয় | ৩.৫ | ৩.২ |
| সৰ্বমুঠ ব্যয় বিয়োগ ৰাজহ অৰ্জন = সৰ্বমুঠ ৰাজহ ঘাটি | | | | | |

**লভ্যাংশৰ দৰে ঋণ বিহীন বিত্ত আহৰণ**

**উদ্ধৃতি ঃ কেন্দ্ৰীয় বাজেট ২০১৭-১৮, জি অ' আই**

**ভাৰতবৰ্ষৰ পৰিকল্পনা সমূহৰ ধাৰা বিশ্লেষণ কৰিলে দেখা যায় যে ১৯৬০ চনৰ পৰাই ভিন ভিন ক্ষেত্ৰৰ মূলধনী ব্যয় হতাশাজনক তথা নিম্নগামী হৈ আহিছে। (তালিকা-২)**

| বৰ্ষ | ৰাজহ আহৰণ | মূলধন আহৰণ | ৰাজহ ব্যয় | মূলধনী ব্যয় |
|---|---|---|---|---|
| ১৯৫০-৫১ | ৩.৯০ | ১.১৬ | ৩.৩৪ | ১.৭৬ |
| ১৯৬০-৬১ | ৪.৮৯ | ৬.৪৪ | ৪.৬০ | ৫.৭৪ |
| ১৯৭০-৭১ | ৬.৯১ | ৪.২৯ | ৬.৫৭ | ৫.২৪ |
| ১৯৮০-৮১ | ৮.২৭ | ৫.২৯ | ৯.৬৩ | ৫.৫৯ |
| ১৯৯০-৯১ | ৯.৩৭ | ৬.৬৫ | ১২.৫৪ | ৫.৪২ |
| ২০০০-০১ | ৮.৮৫ | ৬.১৬ | ১২.৭৬ | ২.১৯ |
| ২০১০-১১ | ১০.১৩ | ৫.১৭ | ১৩.৩৭ | ২.০১ |
| ২০১১-১২ | ৮.৬০ | ৬.৫১ | ১৩.১২ | ১.৮২ |
| ২০১২-১৩ | ৮.৮৪ | ৫.৮৫ | ১২.৫০ | ১.৬৮ |
| ২০১৩-১৪ | ৯.০০ | ৫.০০ | ১২.১৭ | ১.৬৬ |
| ২০১৪-১৫ | ৮.৮২ | ৩.৮৮ | ১১.৭৫ | ১.৫৭ |
| ২০১৫-১৬ | ৮.৭৫ | ৩.৯৭ | ১১.২৬ | ১.৮৫ |
| ২০১৬-১৭ (আৰ ই) | ৯.৪৪ | ৩.৯২ | ১১.৫১ | ১.৮৬ |
| ২০১৭-১৮ (বি ই) | ৯.০০ | ৩.৭৫ | ১০.৯০ | ১.৮৪ |

উদ্ধৃতি ঃ ১. হেণ্ড বুক অব্ ষ্টেটিছটিক অন ইণ্ডিয়ান ইক'ন'মিক্স আৰ বি আই
২.৮ কেন্দ্ৰীয় বাজেট ২০১৭-১৮, জি অ' আই

কৰিবলগীয়া কিছু কাম তথা ব্যয়ৰ পৰিকল্পনা কৰিবলৈ মন্ত্ৰীসকলে হাতত কিছু সময় পাব। বাজেট আগতীয়াকৈ দাখিল কৰাৰ বাবে বিত্তীয় বৰ্ষৰ আৰম্ভণিৰ পৰাই ৰাজহ তথা ব্যয়ৰ পুঁজি সংগ্ৰহৰ দিশে আগবাঢ়িব পৰা যাব বুলি আশা কৰিব পাৰি। আগতীয়া বাজেট কিয় পহিলা ফেব্ৰুৱাৰীৰ পূৰ্বে দাখিল কৰিব নোৱাৰি বুলি দিয়া যুক্তিৰ সপক্ষে কোৱা হৈছে যে, যিহেতু গণৰাজ্য দিৱস তথা দিল্লীলৈ সঞ্চালন সমাগত সেয়ে আলাপ-আলোচনাত বাধা আহি পৰিব পাৰে। তদুপৰি, ফেব্ৰুৱাৰী মাহতে কাৰ্যালয় খোলা থকা কোনোবা এটা দিনৰ আগবেলা অথবা এটা নিৰ্ধাৰিত দিনত, যেনে, শুকুৰবাৰে দিনৰ দুই বজাত বা শনিবাৰে পুৱা এঘাৰ বজাত দাখিল কৰা হ'ব পাৰে নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে।

### বিত্তীয় নীতি— বাৰ্ষিক হ'ব পাৰে নেকি?

উন্নত দেশসমূহত বাজেট সম্পৰ্কীয় কাম-কাজ এটা উপলক্ষ নহয় আনহাতে, ভাৰতবৰ্ষত বাজেট দাখিলৰ বাবে এটা মাহ নিৰ্ধাৰিত কৰা হয়। উদ্যোগ, ষ্টক বজাৰ, লগে লগে জনসাধাৰণেও এই বাজেট উৎসৱলৈ আকাংক্ষাৰে বাট চাই ৰয়। এনে ব্যৱস্থাই অৰ্থনৈতিক নীতি নিৰ্ধাৰণ তথা বিকাশ ক্ৰমক সুনিশ্চিত কৰাত বাধা জন্মাব পাৰে, কাৰণ বিনিয়োগ এটা বহু বাৰ্ষিক প্ৰচলিত ধাৰা। সেয়ে, আৰ্থিক লেনদেনৰ প্ৰতিবেদন বছৰি দাখিল কৰি বিত্তীয় হিচাপ-নিকাচ দীৰ্ঘম্যাদী যেনে— ৫ বছৰীয়াকৈ দাখিল কৰাৰ কথা বিবেচনা কৰা হয়।

### ৰে'ল বাজেট ঃ

বৃটিছ ৰে'লৰে অৰ্থনীতিবিদ উইলিয়াম এক্ ৱৰ্থৰ পৰামৰ্শ অনুসৰি ১৯২৪ চনৰ পৰা ৰে'ল বাজেট পৃথককৈ দাখিল কৰিবলৈ লোৱা হয়। অৱশ্যে, ১৯৪৯ চনৰ পৰাই ভালেমান সমিতিয়ে ৰে'ল বাজেটক কেন্দ্ৰীয় বাজেটত চামিল কৰিবলৈ পৰামৰ্শ আগবঢ়াই অহা সত্ত্বেও ৰাজনৈতিক কাৰণবশতঃ এয়া সম্ভৱ হোৱা নাছিল। ৰে'ল বাজেট কেন্দ্ৰীয় বাজেটত চামিল হোৱা হেতুকে গ্ৰাহকে এতিয়া ৰে'ল বিভাগৰ কাম-কাজত দক্ষতা, উন্নতমানৰ সেৱা, আধুনিক যন্ত্ৰপাতি তথা সুৰক্ষা ব্যৱস্থা আৰু গ্ৰহণযোগ্য তথা তুলনামূলক ভাড়া আশা কৰিব পাৰিব। একেদৰে, ৰে'ল বিভাগ সংসদৰ

ধাৰাবাহিক নিৰীক্ষণৰ পৰা আঁতৰি, সূক্ষ্ম তথা কাৰিকৰীভাৱে উন্নতমানৰ ব্যৱস্থাপক গাঁথনিত গুৰুত্ব প্ৰদান কৰিব পাৰিব, যেনে দৰে কংকণ ৰে'ল বিভাগে সফলভাৱে কৰিব পাৰিছে।

**বাজেটৰ চৰ্তসমূহ যুক্তিসংগতকৰণ ঃ**

কেন্দ্ৰীয় বাজেটত পৰিকল্পিত আৰু অপৰিকল্পিতৰ ধাৰণাক একত্ৰিত কৰাটো এটা লেখত ল'বলগীয়া সংস্কাৰ। আৰ্থ-সামাজিক কল্যাণকামী কাৰ্যসূচীসমূহক স্বচ্ছ কৰাৰ লক্ষ্যৰে নীতি ৰূপায়ণৰ ক্ষেত্ৰত 'পৰিকল্পনা' শব্দটো পৰিহাৰ কৰাৰ বাবে এই সংস্কাৰ সাধন কৰা হৈছে। ভাৰতবৰ্ষত পৰিকল্পিত শিতানৰ খৰচক ভাল আৰু অপৰিকল্পিত শিতানৰ খৰচক বেয়া বুলি কোৱাৰ এটা বহুল ধাৰণা আছে। এই ধাৰণাই এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰিছে, যাৰ ফলত সম্পদৰ ৰক্ষণাবেক্ষণৰ অপৰিকল্পিত ব্যয়ো আনকি অৱহেলিত হোৱা দেখা গৈছে। আনকি, কেন্দ্ৰ তথা ৰাজ্যসমূহতো পৰিকল্পনা শিতানত অধিক ধন ধাৰ্য কৰাৰ মনোভাৱ একাদিক্ৰমে চলি অহা দেখা যায়। এই দুটা শিতানৰ মাজৰ পাৰ্থক্য নোহোৱা কৰাৰ ফলত খৰচ আৰু জমাৰ এটা পোনপটীয়া সম্পৰ্ক স্থাপন কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে আৰু ইয়াৰ ফলাফলৰ ওপৰত ভিত্তি কৰি ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ যথাৰ্থতা নিৰূপণ কৰিব পৰা যাব বুলি ভবা বাজেটৰ স্পষ্টতা ৰাজহ আৰু মূলধনী ব্যয়ত কেন্দ্ৰীভূত হ'ব। বিশ্লেষণাত্মক, স্বচ্ছ তথা সিদ্ধান্ত গ্ৰহণৰ দক্ষতাৰ হেতু ৰাজহ আৰু মূলধনী ব্যয় পৃথকীকৰণৰ এখন পৰিষ্কাৰ ছবিৰ এতিয়া প্ৰয়োজন আহি পৰিব। এই পৃথকীকৰণে, চৰকাৰৰ পৰিচালনা ব্যয় তথা ইতিমধ্যে হোৱা খৰচৰ হিচাপ বাহিৰ কৰাতো সহায় কৰিব। সংবিধানৰ ১১২ নং অনুচ্ছেদ অনুসৰি বিত্তীয় বাৰ্ষিক প্ৰতিবেদনত, ৰাজহ ব্যয়ৰ খৰচ আৰু অন্যান্য ব্যয়ৰ প্ৰভেদ নিৰ্ণয় কৰি দেখুৱাব লাগে। চৰকাৰৰ 2005 চনৰ সাধাৰণ বিত্তীয় নীতি-নিৰ্দেশনা অনুসৰি, ৰাজহ জমাৰ পৰা হোৱা খৰচ আৰু অন্যান্য ব্যয় যেনে, মূলধনৰ পৰা হোৱা ব্যয়, চৰকাৰৰ ঋণ, ঋণ পৰিশোধৰ বাবদ হোৱা ব্যয় আৰু হ্ৰস্বকালীন ধাৰৰ বাবত হোৱা খৰচৰ মাজত পৰিষ্কাৰ পাৰ্থক্য দেখুৱাব লাগে।

**ৰাজহ জমা, সুদ আদায় চৰকাৰী অৰ্থ সাহায্য আৰু পেঞ্চনৰ পূৰ্ব ঘাটি ৰাজহ আহৰণৰ দুগুণতকৈও অধিক (তালিকা-৩)**

**মুঠ ঘৰুৱা উৎপাদনৰ**

**তালিকা - ৩ ৰাজহ বাজেট (মুঠ ঘৰুৱা উৎপাদনৰ শতকৰা হিচাপ অনুসাৰে)**

| ৰাজহ আহৰণ | | | ৰাজহ ব্যয় | | |
|---|---|---|---|---|---|
| উৎপাদন | ২০১৬-১৭ (আৰ ই) | ২০১৭-১৮ (বি ই) | উৎপাদন | ২০১৬-১৭ (আৰ ই) | ২০১৭-১৮ (বি ই) |
| কৰ্প'ৰেশ্বন কৰ | ৩.৩ | ৩.২ | সুদ সংগ্ৰহ | ৩.২ | ৩.১ |
| আয়কৰ | ২.৩ | ২.৬ | পৰিপূৰক সাহায্য | ১.৭ | ১.৬ |
| কেন্দ্ৰীয় আবকাৰী শুল্ক | ২.৬ | ২.৪ | | | |
| বাণিজ্যিক শুল্ক | ১.৪ | ১.৫ | পেঞ্চন | ০.৯ | ০.৮ |
| সেৱা কৰ | ১.৬ | ১.৬ | | | |
| লভ্যাংশ তথা লাভ | ১.০ | ০.৮ | | | |
| মুঠ | ৯.৪ | ৯.০ | মুঠ | ১১.৫ | ১০.৯ |

উৎস ঃ উপলব্ধ তথ্য, কেন্দ্ৰীয় বাজেট ২০১৭-১৮-জি অ' আই

**লভ্যাংশকে ধৰি ১৯৭০-৭১ চনৰ ৰাজহ বিশ্লেষণৰ গতি অনুযায়ী কৰ বিহীন আয় আহৰণত গুৰুত্ব দিয়া হৈছে, আনহাতে আয়কৰ ৰাজহ তুলনামূলকভাৱে বৃদ্ধি পাইছে (তালিকা-৪) ঃ**

**তালিকা - ৪ নিৰ্বাচিত ৰাজহ সূচাঙ্ক চাওঁক (মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ অনুযায়ী)**

| বৰ্ষ | মুঠ আয়কৰ ৰাজহ | আয়কৰ বিহীন ৰাজহ | ৰাজহ সংগ্ৰহ |
|---|---|---|---|
| ১৯৭০-৭১ | ৫.২ | ১.৮ | ৬.৯ |
| ১৯৮০-৮১ | ৬.৩ | ২.০ | ৮.৩ |
| ১৯৯০-৯১ | ৭.৩ | ২.০ | ৯.৪ |
| ২000-0১ | ৬.৩ | ২.৬ | ৮.৯ |
| ২0১৪-১৫ | ৭.২ | ১.৬ | ৮.৮ |
| ২0১৫-১৬ | ৬.৯ | ১.৮ | ৮.৮ |
| ২০১৬-১৭ (আৰ ই) | ৭.২ | ২.২ | ৯.৪ |
| ২০১৭-১৮ (বি ই) | ৭.৩ | ১.৭ | ৯.০ |

সংগ্ৰহ ঃ প্ৰাপ্ত তথ্য, কেন্দ্ৰীয় বাজেট জি অ' আই

**তালিকা-৫ ঃ মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ অনুযায়ী**

| দেশ | ২০১৩ | ২০১৪ | ২০১৫ | ২০১৬ | ২০১৭ | ২০১৮ | ২০১৯ | ২০২০ | ২০২১ |
|---|---|---|---|---|---|---|---|---|---|
| ব্ৰাজিল | ৬০.৪ | ৬৩.৩ | ৭৩.৭ | ৭৮.৩ | ৮২.৪ | ৮৫.২ | ৮৭.৯ | ৯০.৮ | ৯৩.৬ |
| চীন | ৩৬.৯ | ৩৯.৮ | ৪২.৯ | ৪৬.৩ | ৪৯.৯ | ৫২.৬ | ৫৪.৬ | ৫৬.১ | ৫৭.২ |
| ফ্ৰাঞ্চ | ৯২.৪ | ৯৫.৩ | ৯৬.১ | ৯৭.২ | ৯৭.৮ | ৯৭.৯ | ৯৭.৪ | ৯৫.৯ | ৯৩.৮ |
| জাৰ্মানি | ৭৭.১ | ৭৪.৫ | ৭১.০ | ৬৮.২ | ৬৫.৯ | ৬৩.৬ | ৬১.১ | ৫৮.৯ | ৫৬.৭ |
| ভাৰত | ৬৮.০ | ৬৮.৩ | ৬৯.১ | ৬৮.৫ | ৬৭.২ | ৬৫.৬ | ৬৩.৫ | ৬১.৪ | ৫৯.২ |
| ইণ্ডোনেচিয়া | ২৪.৮ | ২৪.৭ | ২৭.৩ | ২৭.৫ | ২৮.২ | ২৯.২ | ২৯.৯ | ৩০.৪ | ৩০.৯ |
| জাপান | ২২৪.৫ | ২৪৯.১ | ২৪৮.০ | ২৫০.৪ | ২৫৩.০ | ২৫৪.৯ | ২৫৪.৭ | ২৫৪.৫ | ২৫৩.৯ |
| ৰাছিয়া | ১৩.১ | ১৫.৯ | ১৬.৪ | ১৭.১ | ১৭.৯ | ১৮.৬ | ১৯.১ | ১৮.৯ | ১৮.৫ |
| দক্ষিণ আফ্ৰিকা | ৪৪.০ | ৪৬.৯ | ৪৯.৮ | ৫১.৭ | ৫৩.৩ | ৫৪.৬ | ৫৫.৪ | ৫৫.৯ | ৫৬.২ |
| গ্ৰেট ব্ৰিটেইন | ৮৬.০ | ৮৭.৯ | ৮৯.০ | ৮৯.০ | ৮৮.৮ | ৮৮.৬ | ৮৬.৬ | ৮৪.৩ | ৮২.১ |
| মাৰ্কিন যুক্তৰাষ্ট্ৰ | ১০৪.৬ | ১০৪.৬ | ১০৫.২ | ১০৮.২ | ১০৮.৪ | ১০৭.৯ | ১০৭.৮ | ১০৭.৯ | ১০৮.৩ |

**উৎস ঃ ৱৰ্ল্ড ইক'ন'মিক আউটলুকৰ বিবৃতি**

আন্তৰ্জাতিক ক্ষেত্ৰৰ পৰা লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত কোৱা বাহুল্য যে, এনে পাৰ্থক্য দেখুওৱাটো অতি আৱশ্যকীয়ও নহয়। দৰাচলতে, পূৰ্বতে শক্তিশালী তথা উন্নয়নমুখী অৱস্থাত থকা বহুতো উন্নত দেশে ৰাজহ আৰু মূলধনৰ মাজতহে পাৰ্থক্য দেখুৱাইছিল, যাতে সম্পদৰ আহৰণ লেখত ল'বলগীয়া হয়। ইয়াৰে কোনো দেশে এই পাৰ্থক্য দেখুৱাই আহিছে আৰু আন কিছুমান দেশে পৃথকে শ্ৰেণীভুক্ত কৰিবলৈ বাদ দিছে।

**সামৰণি ঃ**

সামৰণিত ইয়াকে ক'ব পাৰি যে, এইখন এখন বাস্তৱধৰ্মী বাজেট, যিখনক বিশ্বৰ অস্থিৰ অৱস্থা তথা বিমুদ্ৰাকৰণৰ দ্বাৰা গোপন ধন আহৰণ প্ৰক্ৰিয়া অব্যাহত থকা সময়ত দাখিল কৰা হৈছে। অৱশ্যে, দুৰ্নীতিমুক্ত ভাৰতবৰ্ষ গঢ়াৰ বাবে ধনৰ লেনদেন ৩ লাখ টকাত সীমাবদ্ধ কৰা আৰু ৰাজনৈতিক দলসমূহৰ পুঁজি সীমিত কৰাৰ কথা ঘোষণা কৰাৰ লগতে চৰকাৰে আন কেতবোৰ দৃঢ় পদক্ষেপ গ্ৰহণৰ কথাও ঘোষণা কৰিব পাৰিলেহেঁতেন। আপাত দৃষ্টিত, এইখন এখন কৰ ভিত্তিক আৰু

**বিশ্বৰ বিশ্বাস জয় কৰিবলৈ চৰকাৰে স্বচ্ছ, শক্তিশালী তথা নিকা ভাৰতবৰ্ষৰ লক্ষ্যক ৰূপায়িত কৰিবৰ বাবে গভীৰভাৱে মনোনিৱেশ কৰিব লাগিব তালিকা (৭)**

**তালিকা-৭ ঃ বিশ্বাসভাজন হোৱাৰ বাবে বাজেটত অন্তৰ্ভুক্ত হোৱা ব্যৱস্থাৱলী**

| সবিশেষ | বিকাশ | হিচাপ বহিৰ্ভূত ব্যয় | আস্থা |
|---|---|---|---|
| ষ্টক এক্সচেইঞ্জত ৰে'লৱেৰ পি এছ আৰ শ্বেয়াৰ | □ | | □ |
| বেংকসমূহৰ পুনৰ মূলধনীকৰণ, ১০,০০০ লাখ কোটি টকাৰ | □ | | □ |
| মুঠ ঘৰুৱা উৎপাদনলৈ ৬০ শতাংশ ঋণ | □ | | □ |
| অনাগত তিনি বছৰৰ বাবে ৩ শতাংশ বিত্তীয় ঘাটি | □ | | □ |
| ৫০ কোটি টকালৈকে বাৰ্ষিক আয়কৰ ৰেহাই | □ | | □ |
| ২০১৭ চনৰ মাৰ্চ মাহৰ ভিতৰত ১০ লাখ টকা নতুন পি অ' এছ টাৰ্মিনেল নিৰ্মাণ | □ | □ | □ |
| ধন লেনদেনৰ সীমা ৩ লাখ টকা ধাৰ্য | □ | □ | □ |
| ৰাজনৈতিক ক্ষেত্ৰৰ পুঁজি সীমিতকৰণ | □ | □ | □ |

উদ্ধৃতি ঃ কেন্দ্ৰীয় বাজেট ভাষণ ২০১৭-১৮, জি অ' আই

নিয়োগমুখী বাজেট। কিন্তু, বাজেটখনৰ মধ্য আৰু দীৰ্ঘকালীন দৃষ্টিভংগী প্ৰত্যয়জনক নহয়। জনগাঁথনিৰ স্পষ্ট নিৰ্ধাৰণ তথা ভাৰতবৰ্ষক ডিজিটেলাইজ কৰাৰ সুস্পষ্ট ধাৰণা এটা বাজেটখনে দিব পাৰিছে বুলি কোৱাটো টান।

### কেন্দ্ৰীয় বাজেটৰ ৰূপায়ণ

**কেন্দ্ৰীয় বাজেটখন বিকাশমুখী তথা নিয়োগ সৃষ্টিমুখী-তালিকা-৬ৰ বিশ্লেষণ ঃ**

**তালিকা-৬ ঃ বাজেটৰ ৰূপায়ণ**

| সবিশেষ | বিকাশ | নিয়োগ | ব্যৱহাৰ | ব্যয় |
|---|---|---|---|---|
| ১০ লাখ টকা কৃষি ঋণ | □ | | | □ |
| দীৰ্ঘম্যাদী জলসিঞ্চন পুঁজি ৪০,০০০ কোটি টকা | □ | | | □ |
| এম জি এনৰেগা ৪৮,০০০ কোটি টকা | □ | □ | □ | |
| গ্ৰাম সেৱক যোজনা ২৭,০০০ কোটি টকা | □ | □ | | □ |
| আৱাস যোজনা ঃ ২৩ হেজাৰ কোটি টকা | □ | □ | | □ |
| ৰে'লৰে ১.৩ লাখ কোটি টকা | □ | □ | | □ |
| পথ নিৰ্মাণ ক্ষেত্ৰ ঃ ৰাষ্ট্ৰীয় ঘাইপথঃ৬৪,৯০০কোটি টকা | □ | □ | | □ |
| যোগাযোগ ক্ষেত্ৰ ঃ ২.৪ লাখ কোটি টকা | □ | □ | | □ |
| মুদ্ৰা যোজনাৰ লক্ষ্য ২.৪ লাখ কোটি টকা | □ | □ | | □ |

সংগ্ৰহ ঃ কেন্দ্ৰীয় বাজেট ২০১৭-১৮ জি অ' আই

**তালিকা (৮) ঃ ভাৰত বৰ্ষত দিবলগীয়া বাধ্যতামূলক কৰৰ তালিকা-সাধাৰণ**

| বৰ্গ | সংখ্যা |
|---|---|
| পৰিকল্পিত খণ্ডত নিয়োজিত ব্যক্তি | ৪.২ কোটি |
| আয়কৰ আদায় দিয়া ব্যক্তি | ১.৭ কোটি |
| অনানুষ্ঠানিক ব্যক্তিগত খণ্ড | ৫.৬ কোটি |
| কৰদাতাৰ প্ৰাপ্য তথ্য সংখ্যা | ১.৮ কোটি |
| পঞ্জীয়নভুক্ত কোম্পানী | ১৩.৯ লাখ |
| কৰ পৰিশোধৰ তথ্য দাখিল কৰা কোম্পানী | ৫.৯ লাখ |
| শূন্য আয় অথবা লোকচান ভৰা বুলি | ২.৮ লাখ |
| তথ্য দাখিল কৰা কোম্পানী | |
| ১ কোটিৰ হাৰত লাভ হোৱা বুলি ঘোষণা কৰা কোম্পানী | ২.৮ লাখ |
| ১ কোটিৰপৰা ১০ কোটি হাৰত লাভ হোৱা বুলি ঘোষণা কৰা কোম্পানী | ২৮,৬৬৭ |
| ১০ কোটিৰো অধিক লাভ কৰা বুলি ঘোষণা কৰা কোম্পানী | ৭,৭৮১ |

সংগ্ৰহ ঃ কেন্দ্ৰীয় বাজেট ভাষণ ২০১৭-১৮, জি অ আই ❐

# ২০১৬-১৭ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা ঃ ভাৰতীয় অৰ্থনীতিৰ বিতং বিৱৰণ

**ৰবীন্দ্ৰ এইছ ঢোলাকিয়া***

চলিত বৰ্ষৰ ৩১ জানুৱাৰীত সংসদত উপস্থাপন কৰা অৰ্থনৈতিক সমীক্ষাই (২০১৬-১৭) ভাৰতীয় অৰ্থনীতিৰ ওপৰত শেহতীয়া বিকাশৰ সন্দৰ্ভত আলোকপাত কৰে আৰু সেই সময়ছোৱাত অৰ্থনীতিয়ে কেনেদৰে কাম সমাপন কৰে তাৰো এটা আভাস দাঙি ধৰে। সমীক্ষাত সমস্যা, প্ৰত্যাহ্বান আৰু তাৰ সম্ভাব্য সমাধান তথা প্ৰত্যাশাৰ বিষয়েও বিশ্লেষণ কৰা হয়। বিস্তৃত গৱেষণা আৰু বাস্তৱ সাক্ষ্য প্ৰমাণেৰে সেই বিশ্লেষণত যুক্তি দাঙি ধৰা হয়। ই এটা ব্যাপক অনুশীলন— য'ত বৃহৎসংখ্যক চৰকাৰী বিষয়া, গৱেষক আৰু পণ্ডিতে বৰঙণি আগবঢ়ায়। এই বছৰৰ সমীক্ষা এটা ভলিউমত উপস্থাপন কৰা হয়— পূৰ্বৰ বছৰবোৰৰ দৰে কেইবাটাও ভলিউমত কৰা নহয়। তাৰ কাৰণ হ'ল ২০১৬-১৭ বৰ্ষৰ কালছোৱাত গ্ৰহণ কৰা পথ নীতিৰ ক্ৰিয়া-প্ৰক্ৰিয়াৰ সবিশেষ বিৱৰণ আৰু প্ৰভাৱ সম্পৰ্কে পিছত আন এটা ভলিউমত উপস্থাপন কৰাৰ পৰিকল্পনা আছে। গতিকে এই সমীক্ষাই অৰ্থনীতিৰ মূল শক্তি, দুৰ্বলতা, সুযোগ-সুবিধা আৰু ভাবুকিৰ ওপৰত আলোকপাত কৰিছে— যাক এক বিশেষ বিশ্লেষণ ৰূপে জনা যায়। সেই বিশ্লেষণক সদ্যহতে কোৱা হয় 'SWOT' বিশ্লেষণ বুলি। ভাৰতীয় অৰ্থনীতিৰ এই বিশ্লেষণ বিভিন্ন উৎসৰদ্বাৰা সমৰ্থিত। সেই উৎসসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— কিতাপ-পত্ৰত উল্লিখিত বিষয়ৰ অধ্যয়ন, ছপা আৰু ভিজুৱেল, অৰ্থাৎ শ্ৰৱণ-দৃশ্য মাধ্যমত আগবঢ়োৱা মন্তব্য আৰু বিৱৰণি আৰু কিছুমান নতুন গৱেষণামূলক কাৰ্য— যিবোৰ বিশেষকৈ চৰকাৰী বিভাগ তথা গৱেষণা প্ৰতিষ্ঠানসমূহত সেই উদ্দেশ্যে হাতত লোৱা হয়। এই প্ৰবন্ধটোত কিছুমান সুকীয়া বিষয়ৰ ক্ষেত্ৰত ভাৰতীয় অৰ্থনীতিৰ সন্দৰ্ভত প্ৰতিফলিত হোৱা লক্ষণীয় দিশসমূহৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে। সেই সুকীয়া বিষয়বোৰ হ'ল 'এছ ডব্লিউ অ' টি' অৰ্থাৎ ভাৰতীয় অৰ্থনীতিৰ শক্তি, দুৰ্বলতা, সুযোগ-সুবিধা আৰু ভাবুকি।

**শক্তি ঃ**

১) ছায়াৰে আছন্ন গোলকীয় অৰ্থনৈতিক পৰিৱেশ আৰু ব্যাপকভাৱে বিস্তাৰিত হোৱা মন্থৰ গতিৰ অধীনত ভাৰতীয় অৰ্থনীতিয়ে এতিয়াও নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিছে আৰু সামগ্ৰিকভাৱে এটা সুন্দৰ কাৰ্যকৰণৰ উজ্জ্বল দিশ উজলাই তুলিছে। যদিও ২০১৬-১৭ বৰ্ষৰ কালছোৱাত সমীক্ষাত বিকাশৰ হাৰ ৬.৫ শতাংশ আৰু ৬.৭৫ শতাংশৰ মাজত স্থিত হ'ব বুলি ভৱিষ্যদ্বাণী কৰে মুদ্ৰা নীতি সমিতিয়ে ইয়াক প্ৰায় ৭ শতাংশ হ'ব বুলি মত পোষণ কৰে। ফলস্বৰূপে এনে বিকাশৰ হাৰে দেশখনক বিশ্বৰ ভিতৰত খৰতকীয়াকৈ বৃদ্ধি লাভ কৰা বৃহৎ অৰ্থনীতি বুলি ক'ব পাৰিব। মুদ্ৰানীতিৰ হাৰ প্ৰায় ৪ৰ পৰা ৫ শতাংশৰ ভিতৰত আৰু এই গতি অৱনমিত পথত আছে। দেয় ধনৰ ভাৰসাম্যৰ ক্ষেত্ৰত চলিত হিচাপ-ঘাটি ১ শতাংশ মুঠ ঘৰুৱা উৎপাদনতকৈ কম, আৰু ইয়াৰ স'তে জড়িত কৰা ডলাৰ তথা টকাৰ বিনিময় হাৰ যথেষ্ট স্থিৰ। বহিঃ ঋণৰ স্থিতি নিৰাপদ সীমাৰ ভিতৰত আছে আৰু যোৱা কেইবছৰমানৰ পৰা অৱলম্বন কৰি অহা বিত্তীয় শৃংখলা তথা দৃঢ়কৰণ ব্যৱস্থাৰ পৰা পিছলি পৰাৰ আশা কৰা নাযায়। এয়া কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰ ক্ষেত্ৰতে প্ৰযোজ্য আৰু 'উজ্জ্বল ডিছকম এছুৰেঞ্চ যোজনা'ৰ (চমুকৈ উদয়) অবিহনেও সেয়া অব্যাহত থাকিব।

*ৰবীন্দ্ৰ ঢোলাকিয়া ১৯৮৫ চনৰ পৰা আহমেদাবাদৰ আই আই এম-ৰ অৰ্থনীতিৰ অধ্যাপক। তেওঁ মণিটেৰী পলিছি কমিটিৰ সদস্য আৰু ভাৰত চৰকাৰৰ ভালেমান উচ্চ শক্তিশালী কমিটিত কাম কৰাৰ অভিজ্ঞতা আছে।

২) বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংস্কাৰ কাৰ্যই ভাৰতে তেনে প্ৰত্যক্ষ বিনিয়োগৰ অন্যতম অন্তঃস্ৰোত লাভ কৰাটো নিশ্চিত কৰিছে। মুঠ ঘৰুৱা উৎপাদন সমানুপাত হাৰৰ হিচাপত ইয়াৰ গতিধাৰা ২০১৫-১৬ বৰ্ষৰ ১.৭ শতাংশৰপৰা ২০১৬-১৭ বৰ্ষৰ ছমাহ কালছোৱাত ৩.২ শতাংশলৈ বৃদ্ধি পায়। লেনদেনৰ ধনৰাশিৰ মজুত ভাণ্ডাৰ ২০১৬ বৰ্ষৰ ডিছেম্বৰত ৩৬০ বিলিয়ন ডলাৰ বৃদ্ধি পায়। এয়া নিৰ্দিষ্ট মানৰ আৱশ্যকীয় পুঁজি পূৰণ কৰাতকৈ অধিক।

৩) ২০১৫ বৰ্ষত সমুদায় বিক্ৰী মূল্য সূচী আৰু গ্ৰাহক মূল্য সূচীৰ জৰিয়তে নিৰ্ণয় কৰি উলিওৱা মুদ্ৰাস্ফীতিৰ হাৰৰ মাজত যি বৃহৎ প্ৰভেদ আছিল তাক এতিয়া সংযোজিত কৰা হৈছে আৰু অৰ্থনীতিৰ ক্ষেত্ৰত থকা আনুষংগিক মূল্যকো স্থিৰ কৰা হৈছে। ইয়াৰ ফলত মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত সামান্যভাৱে বৃদ্ধি গতি পুনৰ অটুট ৰখাত সহায় কৰে আৰু এনে গতি প্ৰদানে চৰকাৰৰ ৰাজহ বৃদ্ধি হোৱাত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

৪) উচ্চ মূল্যৰ নোটৰ সফল বি-মুদ্ৰাকৰণে দুৰ্নীতি হ্ৰাসকৰণৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া লাভ সঞ্চাৰ কৰাৰ সম্ভাৱনা আছে। তেনেদৰে ঘৰুৱা বিত্তীয় সঞ্চয় বৃদ্ধি তথা কৰৰ জালখন পৰিব্যাপ্ত কৰাৰ সম্ভাৱনাও আছে।

৫) সংসদৰদ্বাৰা গৃহীত সামগ্ৰী আৰু সেৱা কৰ বিধেয়ক আৰু ইয়াৰ ৰূপায়ণে একক দেশজোৰা বজাৰৰ সূচনা কৰিব, ভাল কৰৰ ব্যৱস্থাও কৰিব আৰু অধিক বিনিয়োগ তথা বৃদ্ধি আৰু ভাল প্ৰশাসন অভ্যাস গঢ়ি তোলাতো সহায় কৰিব।

৬) বিশ্বৰ প্ৰস্তুত সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতৰ অংশভাগ বৃদ্ধি পাইছে, কাৰণ অধিক মূলধনী অন্তঃস্ৰোত আৰু মুদ্ৰাস্ফীতি সত্ত্বেও দেশখনে প্ৰতিযোগিতামুখী অৱস্থাৰ স্থিতি অক্ষুণ্ণ ৰাখিছে।

৭) ভাৰতত আন্তঃৰাজ্যিক বাণিজ্যৰ-দ্বাৰা সা-সামগ্ৰীৰ ক্ষেত্ৰত যি আভ্যন্তৰীণ গতিশীলতা লাভ কৰিছে সেয়া মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৫৪ শতাংশ আৰু আন্তৰ্জাতিক বাণিজ্যৰ ১.৭ শতাংশ হ'ব। একেদৰে কাম-কাজ সম্পৰ্কিত প্ৰব্ৰজনো যথেষ্ট হয়।

৮) জলবায়ু পৰিৱৰ্তনৰ প্ৰতি দায়বদ্ধতাৰ ক্ষেত্ৰত ভাৰতে পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত কৰ আৰোপ কৰাৰ ক্ষেত্ৰত অন্য সৰহ-ভাগ দেশতকৈ আগবাঢ়ি গৈছে।

৯) জনগাঁথনিৰ ক্ষেত্ৰত অন্য সাদৃশ্য-মূলক দেশবোৰতকৈ ভাৰতৰ এক নিৰ্দিষ্ট লক্ষ্যৰ সুবিধা আছে। বৃহৎ ৰাজ্যবোৰৰ ভিন্ন জনগাঁথনিয়ে অন্য বহুত দেশৰ তুলনাত এইটো নিশ্চিত কৰিব যে ভাৰতক তেনে জনগাঁথনিৰ প্ৰভূত বৰঙণিয়ে দীৰ্ঘকালৰ বাবে গতিশীলতা প্ৰদান কৰি থাকিব।

১০) জন ধন যোজনা, আধাৰ কাৰ্ড আৰু ম'বাইল ফোনৰদ্বাৰা দেশখনত এটা ব্যাপক নেটৱৰ্ক তথা আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে— বিশেষকৈ নিৰ্দিষ্ট লক্ষ্যৰ গোটসমূহ আৰু দূৰ-দূৰণিৰ অঞ্চলবোৰত থকা লোক-সকলক উপযুক্ত আৰু পোনপটীয়াভাৱে যোগাযোগেৰে পোৱাৰ পথ মুকলি কৰিছে।

১১) স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত যিবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই সকলোবোৰে মিলি দেশখনৰ সকলো ৰাজ্যকেই তাৰ সুফলৰে উপকৃত কৰিছে। জীয়াই থকাৰ আয়ুস বৃদ্ধি পাইছে, মহিলাৰ গৰ্ভধাৰণ অৱস্থাৰ উন্নতি সাধন হৈছে, ইত্যাদি।

১২) এই সকলোবোৰ শক্তি বিবেচনা কৰি এইটো ক'ব পৰা যায় যে প্ৰকৃতাৰ্থত ভাৰতীয় অৰ্থনীতি ৮ৰ পৰা ১০ শতাংশলৈ বৃদ্ধি হোৱাৰ সামৰ্থ্য আছে। এই বৃদ্ধিৰ গতি মজলীয়াৰপৰা দীৰ্ঘকাললৈকে থাকিব। এইটোৱেই ভাৰতত বিনিয়োগৰ ক্ষেত্ৰত প্ৰকৃত ফল সূচনা কৰিব। বৰ্তমানে এনে সাদৃশ্য থকা দেশবোৰৰ মাজত ভাৰত হ'ল অতি আকৰ্ষণীয় কেন্দ্ৰস্থল স্বৰূপ।

সমীক্ষাটোত বাদ পৰি যোৱা অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ শক্তিৰ বিষয়টো হ'ল এই যে সকলো স্তৰতে ভাৰত এখন শক্তিশালী গণতান্ত্ৰিক দেশ ইয়াক ভালদৰে স্বীকৃতি প্ৰদান কৰা হৈছে। ইয়াৰ যথেষ্ট উন্নত প্ৰতিষ্ঠান আছে। তাৰ লগতে আছে প্ৰশাসন আৰু সিদ্ধান্ত নিৰ্ণয় প্ৰক্ৰিয়াত জনগণৰ বৃহৎ অংশগ্ৰহণৰ ব্যৱস্থা। এই যোগাত্মক বিষয়টো আন্তৰ্জাতিক বিনিয়োগকাৰী-সকলৰ কাৰণে যথেষ্ট মহত্ত্ব আছে।

**দুৰ্বলতা ঃ**

১) সামৰ্থ্যৰ প্ৰসংগত অৰ্থনীতিৰ এটা ডাঙৰ দুৰ্বলতাৰ বিষয় হ'ল সমাজ ভিত্তিক আদৰ্শ, মানসিক দৃষ্টিভংগী আৰু আয় তথা সম্পত্তিৰ পুনৰবিতৰণৰ সন্দৰ্ভত পোষণ কৰা মতামত, সেৱা বিতৰণ তথা

বজাৰৰ নিয়ামক ব্যৱস্থাৰ অৰ্থে ক্ষমতাৰ গঢ়-গঠন আৰু সম্পত্তিৰ অধিকাৰ তথা ব্যক্তিগত খণ্ডৰ ভূমিকাৰ বিষয়ে সন্দেহ আৱৰ্তক স্থিতিৰ বিৰাজমান। ইতিহাসগত-ভাৱে বিকাশ লাভ এক ন্যস্ত স্বাৰ্থৰ লগতে এনে অৱস্থিতিয়ে অৰ্থ-ব্যৱস্থাৰ পূৰ্ণ অৰ্থনৈতিক সম্ভাৱনা-ৰাজি কামত লগাবৰ বাবে সামাজিক-ৰাজনৈতিক পৰিৱেশৰ ক্ষেত্ৰখনক কম অনুকূলযোগ্য কৰি তুলিছে।

২) কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰ-দ্বাৰা যি পুনৰবিতৰণ নীতি অৱলম্বন কৰিবলৈ লৈছে তাত উপযুক্ত লক্ষ্য নিৰ্দ্ধাৰণৰ অভাৱ আছে। আনকি আৰম্ভ কৰিব লগা সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণৰ কাম সৰ্বাধিক গুণ সম্পন্ন নহে কম মানৰ প্ৰক্ৰিয়াৰদ্বাৰা প্ৰভাৱান্বিত কৰাৰ সম্ভাৱনা আছে আৰু কৰ্মক্ষম কৰি তুলিবৰ কাৰণে ইয়াৰ গাঁথনিও জটিল ধৰণৰ।

৩) ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডসমূহৰ ভূমিকাৰ সন্দৰ্ভত যি আদৰ্শজনক কৰ্মপন্থা অৱলম্বন কৰিব লাগে সেই বিষয়ৰ ক্ষেত্ৰত থকা সন্দেহৰ ভাবে অনুৎপাদনমূলক বিলম্বৰ পথ মুকলি কৰিছে আৰু ভাল সঁহাৰি জনাব নোৱাৰা প্ৰতিষ্ঠানৰ প্ৰস্থান, চৰকাৰী স্বাৰ্থৰ পক্ষ আৰু সপক্ষে নিৰ্বিনিয়োজন, নীতি বিশেষৰ ক্ষেত্ৰত সময় সাপেক্ষে হস্তক্ষেপ কৰা-নকৰা, সম্পত্তিৰ অধিকাৰ ৰক্ষা কৰা ইত্যাদিৰ সন্দৰ্ভত তৰ্কৰ অৱতাৰণাও কৰিছে।

৪) বহু অত্যাৱশ্যকীয় ৰাজহুৱা সেৱাৰ ভিতৰত স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা কাম-কাজে ৰাজ্যসমূহত কোনো ধৰণৰ প্ৰণিধানযোগ্য আৰ্হি যোগান ধৰিব পৰা নাই। এই সেৱাসমূহৰ উপযুক্ত বিতৰণত এটা ডাঙৰ দুৰ্বলতা আছে।

৫) ব্যক্তিগত বিনিয়োগ কম আৰু ৰপ্তানি অধিক হাৰত বৃদ্ধি পাই থকা নাই। এই দুয়োটাই বিকাশৰ এটা বৈশিষ্ট্যপূৰ্ণ উৎস, কিন্তু ভাৰতত এতিয়া ই যথেষ্টভাৱে লেহেমীয়া হৈছে।

৬) কৰ্পোৰেট খণ্ড আৰু বাণিজ্যিক বেংকসমূহে নিজৰ নিজৰ দেওনা-পাওনা ধনৰাশিৰ (বেলেঞ্চ ছীট) বোজাত ভুগিছে। প্ৰতিষ্ঠানসমূহেও নতুনকৈ বিনিয়োগ কৰিবলৈ সমৰ্থৱান হোৱা নাই, কাৰণ নিজেই ঋণ লোৱা ধনৰাশি পৰিশোধ কৰিব নোৱাৰা অৱস্থাত আছে আৰু বেংকসমূহেও অধিক ঋণ প্ৰদান কৰিবলৈ অসমৰ্থ। তাৰ কাৰণ হ'ল এই বেংকবোৰ বিপুল পৰিমাণৰ 'নন পাৰফৰ্মিং এছেট'ৰে ভৰি পৰিছে।

৭) কেন্দ্ৰীয় চৰকাৰৰ কৰ বিহীন ৰাজহৰ ক্ষেত্ৰত লক্ষ্যলাভ কৰিব পৰা নাই। তাৰ কাৰণ হ'ল উক্ত কাম-কাজৰ প্ৰাপ্তিৰাশি তেনে লক্ষ্য সাধনৰ বাবে আশা কৰাতকৈ বহুত কম হয়। তেনেদৰে নিৰ্বিনিয়োজন আৰু চৰকাৰৰ হাতলৈ আহিবলগা লাভ্যাংশও বহু গুণে কম হয়। নিকট ভৱিষ্যতে সেইবোৰ বৃদ্ধি হোৱাৰ আশাও নাই।

৮) ৰাজ্য চৰকাৰৰ বাজেটত বিত্তীয় ঘাটি শেহতীয়াকৈ বৃদ্ধি পাব ধৰিছে। 'উদয়' আঁচনি ৰূপায়ণ কৰাটো হ'ল এটা অন্যতম গুৰুত্বপূৰ্ণ কাৰণ। চলিত বৰ্ষৰপৰা এই অৱস্থা উন্নত হোৱাৰ আশা থাকিলেও ৰাজ্যিক বণ্ডসমূহৰ ক্ষেত্ৰত সুতৰ মূল্য ২০১৬ বৰ্ষৰ অক্টোবৰত সেই বণ্ডসমূহ কৰা নিলামতকৈ ২০১৭ বৰ্ষৰ জানুৱাৰীৰ নিলামত বহুত বৃদ্ধি পায়।

৯) প্ৰাথমিক ঘাটি হ্ৰাস কৰাতকৈ উপাৰ্জনৰ বৃদ্ধি হাৰৰ ওপৰত অধিক নিৰ্ভৰশীল হোৱাটোৱে ঈপ্সিত ফল পোৱাত সহায় নকৰে। তেনে নিৰ্ভৰশীল হোৱা উদ্দেশ্য হ'ল ঋণ তথা মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাতৰ হাৰ হ্ৰাস কৰা। কিন্তু এনে ব্যৱস্থাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উভয়তে ইতিবাচক ফল নাপায়।

১০) জিলাসমূহত মুঠ-মাঠ হিচাপত বিভিন্ন আঁচনিৰ কাৰণে বিতৰণ কৰা ৰাজহুৱা পুঁজি ইমান ত্ৰুটীমূলক যে কিছুমান ঠাইত ইয়াৰ অধিক নাটনি হোৱা দেখা যায়। সেই ঠাইবোৰৰ প্ৰয়োজনীয়তালৈ চাই ভাৰসাম্য ৰক্ষা কৰা আৱশ্যক, কাৰণ তেনেবোৰ স্থানত দুখীয়া লোকৰ সংখ্যাই অধিক।

১১) ভাৰতত কাম কৰা বয়সৰ জনসংখ্যা আৰু কাম নকৰা বয়সৰ জনসংখ্যাৰ মাজৰ সমানুপাতৰ হাৰ ২০২০ বৰ্ষৰ ভিতৰত প্ৰায় ১.৭ হ'বগৈ। এয়া অৱশ্যে অন্য ব্ৰিকছ দেশসমূহৰ সৰ্বাধিক হাৰতকৈ যথেষ্ট কম। ইয়াৰ অৰ্থ হ'ল ভাৰতত জনগাঁথনিগত লাভ্যাংশৰ মাত্ৰা কম। পিছে ভাৰতে অদূৰ ভৱিষ্যতে এনে সৰ্বাধিক সমানুপাত হাৰৰ অভিজ্ঞতা লাভ কৰাৰ সম্ভাৱনা আছে।

১২) সাম্প্ৰতিক বছৰবোৰত দেশখনত বিনিয়োগ আৰু সঞ্চয়ৰ হাৰৰ অৱনতি ঘটিছে।

১৩) ভাৰতত উপাৰ্জন আৰু খৰচৰ ক্ষেত্ৰত ৰাজ্যবোৰত অসমতা বৃদ্ধি পাইছে।

**সা-সুবিধা ঃ**

১) আবদ্ধ হৈ পৰা সম্পদৰাজি মুকলি কৰিবৰ বাবে নিগমসমূহৰ প্ৰস্থানৰ কাৰণে দেউলীয়া নীতি সংশোধন কৰক।

২) আধাৰ কাৰ্ডৰ বাবে ন্যায়ৰ ভিত্তি শক্তিশালী কৰক আৰু ডিজিটেল পদ্ধতিৰ পৰিশোধক উৎসাহ প্ৰদান কৰিবৰ অৰ্থে আন্তঃকাৰ্যকৰণ ব্যৱস্থা চলিবলৈ দিয়ক যাতে সৰ্বাত্মক ৰূপত আৰু সমভাৱে কাম কৰিবৰ কাৰণে চৰকাৰী আঁচনিসমূহ উপযুক্তভাৱে ৰূপায়িত হ'ব পাৰে।

৩) দক্ষতা, বিনিয়োগ আৰু প্ৰযুক্তিৰ বাবে প্ৰতিযোগিতামুখী তথা সমবায়মূলক ফেডাৰেলবাদে অধিক সম্ভাৱনাৰ দিশ উজলাই তোলে।

৪) গাঁথনিগত সংস্কাৰৰ ক্ষেত্ৰত অসমাপ্ত হৈ থকা কাৰ্যসূচী শক্তিশালী ৰাজনৈতিক দায়বদ্ধতাৰে সম্পূৰ্ণ কৰিব পাৰি— বিশেষকৈ উচ্চ মূল্যৰ নোট বি-মুদ্ৰাকৰণ কৰাৰ পিছত। কিয়নো দীৰ্ঘ কালৰ পিছত সংসদত চৰকাৰৰ পূৰ্ণ সংখ্যাগৰিষ্ঠতা আছে।

৫) আমেৰিকাৰ অৰ্থনীতি বিকাশৰ হেতু বৃদ্ধি হোৱা ডলাৰৰ মূল্যই চীনৰ অৰ্থনীতিক ৰপ্তানি হ্ৰাস কৰিবলৈ বাধ্য কৰিব পাৰে আৰু ঘৰুৱা খৰচৰ পক্ষত পুনৰ ভাৰসাম্য অক্ষুণ্ণ ৰাখিবলৈও চিন্তাৰ বাট মুকলি কৰিব পাৰে। ইয়াৰ পৰা ভাৰত তথা বিশ্বৰ বাকী অংশতো এটা ইতিবাচক প্ৰভাৱ পৰিব। ফলস্বৰূপে ভাৰতকে ধৰি দেশসমূহৰ মাজত চীনে খালী কৰা ঠাই অধিকাৰ কৰিবৰ কাৰণে ব্যাপক প্ৰতিযোগিতা হ'ব পাৰে।

৬) আমেৰিকা আৰু জাৰ্মানীৰ দৰে উন্নত দেশবোৰত যি অধিক বিকাশৰ সম্ভাৱনা বিৰাজমান তেনে ভাবধাৰাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দ্বাৰা ভাৰতকে ধৰি বিকাশমুখী দেশবোৰৰ পৰা ৰপ্তানিক পুনৰুজ্জীৱিত কৰাৰ পথ মুকলি কৰিব পাৰে।

৭) ব্ৰেক্সিটৰ পিছত শ্ৰমিক উন্মেষ সাধন ৰপ্তানিক উৎসাহিত কৰা প্ৰসংগত ভাৰতে ব্ৰিটেইন আৰু ইউৰোপীয় দেশবোৰৰ স'তে মুক্ত বাণিজ্য চুক্তিৰ বিষয়ে পুনৰ আলোচনা কৰাৰ সুবিধা আছে আৰু তাৰদ্বাৰাই ৰপ্তানি আৰু নিয়োগ বৃদ্ধি কৰাৰ ক্ষেত্ৰত যথেষ্ট লাভান্বিত হোৱাৰ আশা কৰিব পাৰি।

৮) আঞ্চলিক বাণিজ্য চুক্তিৰ সন্দৰ্ভত আমেৰিকাই সন্তোষজনক স্থিতি গ্ৰহণ নকৰালৈ চাই বিশ্ব বাণিজ্য সংগঠন আৰু বহুমুখিতাবাদৰ প্ৰাসংগিকতা আৰু উপযুক্ততা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে— যিটোৱে মূৰকত ভাৰতক লাভান্বিত কৰিব।

৯) ভাৰতৰ বৃহৎ ৰাজ্যকেইখনমানৰ মাজত জনগাঁথনিৰ ক্ষেত্ৰত বহুত প্ৰভেদ আছে। ৰাজ্যবোৰৰ বহুল-ভাৱে দুটা ভাগত ভগাব পাৰি। এভাগ হ'ল পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, কেৰালা আৰু কৰ্ণাটক। আনভাগ হ'ল মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু বিহাৰ। প্ৰথম ভাগৰ ৰাজ্যবোৰত পিছৰ ৰাজ্যবোৰৰ তুলনাত অধিক বয়সিয়াল জনসংখ্যা আছে। কিন্তু পিছৰ ৰাজ্যকেইখনত, অৰ্থাৎ মধ্যপ্ৰদেশ, ৰাজস্থান আদিত অধিক তৰুণ জনসংখ্যা আছে। এই জনগাঁথনিৰ প্ৰভেদে অধিকতৰ শ্ৰমৰ গতিময়তা প্ৰদানৰ সুযোগ দিয়াটোকে সূচায়— যাৰদ্বাৰাই অধিক বিকাশ আৰু কল্যাণ লাভ কৰিব পাৰি।

১০) সমুদ্ৰতটীয় ৰাজ্যবোৰত জনগাঁথনিৰ লাভ্যাংশ প্ৰায় ২০২০ চনৰ ভিতৰত শীৰ্ষ অৱস্থা পাব আৰু সমুদ্ৰতটৰ দূৰণিত অৱস্থিত ৰাজ্যবোৰত এই শীৰ্ষ অৱস্থা প্ৰায় ২০৪০ বৰ্ষৰ ভিতৰতহে লাভ কৰিব। এনেদৰে দেশখনে জনগাঁথনিৰ লাভ্যাংশ আন প্ৰায়বোৰ দেশতকৈ অধিক কালৰ বাবে উপভোগ কৰিব। এইটোৱে বিভিন্ন ৰাজ্যৰ মাজত থকা অৰ্থনৈতিক প্ৰভেদক দূৰ কৰিবলৈ স্বাভাৱিকভাৱেই এটা সুযোগ প্ৰদান কৰিব। লগতে জনগাঁথনিৰ লাভ্যাংশই প্ৰাসংগিক বিষয়ৰ অৰ্থনৈতিক সংস্কাৰ সাধনৰ বাবে তৎপৰতাৰে কাৰ্য সম্পাদন কৰিবৰ অৰ্থে নিৰ্দিষ্ট সম্ভাৱনাৰ পথ মুকলি কৰিব— যাৰদ্বাৰাই এনে লাভৰ পৰা সৰ্বাধিক সুফল আশা কৰিব পাৰি।

১১) দ্বৈত 'বেলেঞ্চ ছীট' অৰ্থাৎ দেওনা-পাওনা হিচাপৰ সমস্যা সমাধান কৰিবৰ বাবে এটা ৰাজহুৱা খণ্ডৰ 'সম্পত্তি পুনৰ সংস্থাপন সংস্থা' খোলাৰ আৱশ্যক আছে। ইয়াৰ দ্বাৰাই কঠিন বিষয়বোৰ হাতত লৈ কঠিন সিদ্ধান্ত নিৰ্ণয় ব্যৱস্থাৰে তাক সমাধান কৰাৰ সুবিধা আছে।

**ভাবুকি ঃ**

১) বিভিন্ন দেশৰ বছৰজোৰা মূল অৰ্থনৈতিক কাম-কাজৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ তুলনাত আন্তৰ্জাতিক ৰেটিং সংস্থাসমূহেই

তেনে দেশবোৰৰ সন্দৰ্ভত কৰা ৰেটিঙৰ মান অৰ্থাৎ স্থান নিৰ্ণয়ৰ স্থিতি একে ধৰণৰ নহয়। দুৰ্ভাগ্যবশতঃ ভাৰত তেনে ৰেটিং পোৱাৰ পক্ষত থকা যেনেই লাগে, কিয়নো যোৱা সাত বছৰ কালত সেই মান নিৰ্ণয়ৰ স্থিতি প্ৰায় একেদৰেই আছে— যদিও এই দেশখনৰ অৰ্থনৈতিক বিষয়ৰ কাম-কাজ যথেষ্টভাৱে উন্নতি সাধন হৈছে। সেই ৰেটিং স্থিতিয়ে ভাৰতত বিনিয়োগৰ দিশটোক নিৰুৎসাহিত কৰিব পাৰে।

২) ফেডাৰেল গণতন্ত্ৰত প্ৰতিযোগিতা-মূলক জনমুখিতাই বিত্তীয় শৃংখলা আৰু প্ৰশাসনৰ মান হানি কৰিব পাৰে।

৩) দৰমহা পুনৰবৃদ্ধি আৰু উদয় বণ্ডৰ পৰা উদ্ভৱ হোৱা প্ৰত্যাহ্বানে ৰাজ্যসমূহৰ বাবে নিজৰ বিত্তীয় শৃংখলাৰ লক্ষ্য অটুট ৰাখিবৰ কাৰণে যথেষ্ট চিন্তিত বিষয় হৈ পৰিছে।

(৪) আন্তৰ্জাতিক ৰাজনৈতিক শৃংখলা তথা পৰিৱেশ একাষৰীয়া আৰু ৰক্ষণশীলতাৰ পিনে খৰতকীয়াকৈ পৰিৱৰ্তন হ'ব ধৰিছে। সামগ্ৰী, সেৱা আৰু শ্ৰমিকৰ ক্ষেত্ৰত গোলকীয়-কৰণ বিৰোধী ভাবধাৰা অগ্ৰণী অৰ্থনীতিত ঠাই পাইছে। ই ভাৰতৰ কাৰণে ১৫-২০ শতাংশ ৰপ্তানি বৃদ্ধি পোৱাৰ বিকল্প সুবিধাৰ পথ বন্ধ কৰিব পাৰে— যিটোৰদ্বাৰা সামগ্ৰিক বিকাশ হাৰৰ সম্ভাৱনা ৪-১০ শতাংশ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিত আশংকা ঘনীভূত হ'ব পাৰে।

৫) আন্তৰ্জাতিক তেলৰ মূল্য বৃদ্ধি পাইছে আৰু তেনেদৰে বৃদ্ধি পাইছে সা-সামগ্ৰীৰ মূল্যও। কিন্তু সমীক্ষাই এহাতে তেল উৎপাদন কমি অহাৰ সম্ভাব্য সমস্যাসমূহ চিহ্নিত কৰিবলৈ অপাৰগ আৰু আনহাতে আমেৰিকাৰ শ্বেল গেছ উৎপাদনৰ ভাবুকিয়ে যে ক্ৰিয়া কৰিছে তাৰ প্ৰতিও নীৰৱ। এই বিষয়সমূহৰ প্ৰকৃত কাৰণ আৰু তাৰ উপযুক্ত সমাধান ব্যৱস্থাই তেলৰ মূল্য বৃদ্ধি হোৱাত বাধা দিব পাৰে।

৬) আমেৰিকাত অৰ্থনীতিৰ বিকাশৰ পৰিণতি স্বৰূপে উন্নত দেশবোৰত গোলকীয় সুতৰ হাৰ আৰু মুদ্ৰাস্ফীতি হাৰ সবল হোৱাৰ পথত আছে। ভাৰতৰ মূলধনী অন্তঃশ্ৰোত আৰু বহিঃশ্ৰোতৰ ক্ষেত্ৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিব পাৰে আৰু তাৰ ফলত বিনিয়োগৰ পৰিৱেশো আক্ৰান্ত হ'ব পাৰে।

৭) আমেৰিকাৰ অৰ্থনীতিত বিকাশৰ ফলত হোৱা ডলাৰৰ বৃদ্ধিয়ে যদি য়ুআনৰ ক্ষেত্ৰত মুদ্ৰা সংকোচনৰ প্ৰভাৱ পেলায়, তেনেহ'লে ই চীনত যথেষ্টভাৱে গাঁথনিগত ৰূপান্তৰ তথা গতিময়তা ছিন্ন কৰা পথ মুকলি কৰিব পাৰে আৰু এই অৱস্থাই ভাৰতৰ বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত অলপ-অচৰপ বিৰূপ প্ৰভাৱ পেলাব পাৰে। আমেৰিকা আৰু চীনৰ বাণিজ্যৰ এই যুঁজখনে বিশ্ব অৰ্থনীতিক অস্থিৰ কৰি তুলিব পাৰে।

৮) যোৱা ৬ বছৰ কালৰ পৰা বিশ্বৰ ৰপ্তানি আৰু মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাতৰ হাৰ অৱনমিত হ'বলৈ ধৰিছে। এনে এটা আছন্নময় পৰিৱেশত বিশ্বৰ ৰপ্তানি ক্ষেত্ৰখনত ভাৰতৰ ৰপ্তানিৰ অংশভাগ বৃদ্ধি কৰাটো বৰ প্ৰত্যাহ্বানমূলক হোৱাৰেই সম্ভাৱনা আছে।

৯) বিশ্বৰ বজাৰত ভাৰতৰ প্ৰতিযোগিতামুখী ভাবধাৰা কেইখনমান বিকশিত দেশৰদ্বাৰা ভীষণ ধৰণে ভাবুকি স্বৰূপ হৈ পৰিছে। সেই দেশকেইখন হ'ল— ভিয়েটনাম, বাংলাদেশ আৰু ফিলিপাইনছ। এই দেশকেইখনে আমাৰ ৰপ্তানি সামগ্ৰী আৰু সেৱাৰ বহুল পৰিসৰত প্ৰতিযোগী স্বৰূপ হৈ পৰিছে।

১০) 'ৰিয়েল এফেক্টিভ এক্সছেইঞ্জৰ ৰেট'ৰ (আৰ ই ই আৰ) হিচাপত ভাৰতীয় মুদ্ৰা অন্য মুদ্ৰাৰ বিপৰীতে বৃদ্ধি পাইছে আৰু সেয়ে মুঠ হিচাপত ভাৰতীয় সামগ্ৰী আৰু সেৱাই যি প্ৰতিযোগিতাৰ সুবিধা পোৱাটো বাঞ্ছনীয় তাক হেৰুৱাইছে। তেনে বৃদ্ধিৰ মাত্ৰা আন্তৰ্জাতিক মুদ্ৰা নিধিৰ হিচাপ মতে ১৯.৪ শতাংশৰ পৰা ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ মতে ১২ শতাংশ আৰু সমীক্ষাৰ মতে প্ৰায় ৮.৩ শতাংশত স্থিত হয় ২০১৪ বৰ্ষৰ জানুৱাৰীৰপৰা ২০১৬ বৰ্ষৰ অক্টোবৰৰ কালছোৱাৰ ভিতৰত। এই মাত্ৰাৰ হিচাপ ভিন্ন হয়, কিয়নো সংশ্লিষ্ট পৰিমাণৰ স'তে মুদ্ৰাৰ সংগ্ৰহৰ মূল্য ভিন ভিন ধৰণৰ হয়। সি যি কি নহওক, তিনিটা ভিন্ন সংস্থাৰদ্বাৰা কৰা হিচাপৰ পৰিমাণ যিয়েই নহওক ভাৰতীয় টকাৰ বাবে 'আই ই ই আৰ'ৰ বৰ্দ্ধিত গতিধাৰা লক্ষণীয় আৰু সেয়ে গোলকীয় বজাৰত ভাৰতীয় উৎপাদন সামগ্ৰীৰ প্ৰতিযোগিতামূলক স্থিতিৰ ধাৰা অৱনমিত হোৱাটো স্পষ্টকৈ প্ৰতিষ্ঠিত হৈছে।

১১) ভাৰতৰ জনগাঁথনিমূলক লাভাংশ সোনকালেই অৱনমিত হোৱাৰ

সম্ভাৱনা আছে, কিয়নো ২০২০ চনৰ ভিতৰত ই শীৰ্ষ বিন্দুত উপনীত হোৱাৰ সম্ভাৱনা আছে আৰু এই শীৰ্ষ স্থিতি তুলনামূলকভাৱে চীন আৰু ব্ৰাজিলত পোৱাতকৈ কম।

২০১৬-১৭ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত ভাৰতীয় অৰ্থনীতিৰ শক্তি, দুৰ্বলতা, সুযোগ-সুবিধা আৰু ভাবুকিৰ সন্দৰ্ভত সবিস্তাৰে পৰ্যালোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে; আৰু প্ৰত্যাহ্বান তথা দুৰ্বলতাসমূহ সমাধান কৰিবৰ কাৰণেও কিছুমান নিৰ্দিষ্ট সংস্কাৰ আৰু কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা সম্পৰ্কে পৰামৰ্শ আগবঢ়োৱা হৈছে। তাত উপস্থাপনৰ ক্ষেত্ৰত কিছু মতৰ ভিন্নতা থাকিব পাৰে আৰু সমীক্ষাত ব্যৱহাৰ কৰা কিছুমান সাক্ষ্য প্ৰমাণৰ ভিত্তিত মতৰ অমিলো হ'ব পাৰে। তেনেদৰে শক্তি অথবা সুযোগ-সুবিধা সম্বন্ধে যি দৃষ্টিভংগী আৰোপ কৰা হৈছে তাতো সাদৃশ্য নেথাকিব পাৰে। উদাহৰণ স্বৰূপে, সমীক্ষাত এই যুক্তি দাঙি ধৰা হয় — 'ভাৰতত আভ্যন্তৰীণ কাম সম্পৰ্কিত প্ৰব্ৰজন উচ্চ স্তৰত আছে। কিন্তু বাস্তৱিক সাক্ষ্য প্ৰমাণে কেৱল চাৰিখন ৰাজ্যতহে তেনে অৱস্থা বিৰাজ কৰাটো দেখুৱায়। সেই ৰাজ্যকেইখন হ'ল— দিল্লী, মহাৰাষ্ট্ৰ, তামিলনাডু আৰু গোৱা। এই ৰাজ্যকেইখনৰ শতাংশ হাৰ হ'ল মুঠ আন্তঃপ্ৰব্ৰজনৰ ৭৫ শতাংশ। আনপিনে মাত্ৰ চাৰিখন ৰাজ্যত এই শতাংশ হাৰ হ'ল মুঠ বহিৰ্প্ৰব্ৰজনৰ ৬৬ শতাংশ, উক্ত ৰাজ্যকেইখন হ'ল উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড আৰু মধ্য প্ৰদেশ। বাকী ৰাজ্যবোৰে যথেষ্ট সংখ্যকভাৱে প্ৰব্ৰজন কৰিবলৈ নপঠায় কিম্বা লাভো নকৰে। এই ৰাজ্যবোৰত শ্ৰমিকৰ চাল-চলন সিমান অধিক নহয়। এই একেধৰণৰ সীমাবদ্ধতা সামগ্ৰী আৰু মূলধনৰ চাল-চলনৰ ওপৰত আধাৰিত বিশ্লেষণতো প্ৰযোজ্য হয়। গতিকে সামগ্ৰী, শ্ৰমিক আৰু মূলধনৰ খৰতকীয়া আভ্যন্তৰীণ সমন্বয়ৰ সন্মুখত বিভিন্ন ৰাজ্যৰ খৰচ আৰু উপাৰ্জনৰ পৰিণামৰ বিষয়ে সমীক্ষাত যি দোধোৰ -মোধোৰ স্থিতি সৃষ্টি কৰা হৈছে, সেয়া প্ৰকৃতাৰ্থত দোদুল্যমান অৱস্থা নহয়। এয়া বাস্তৱ সাক্ষ্য প্ৰমাণৰ ওপৰা-উপৰিকৈ কৰা বিশ্লেষণৰ পৰাই উদ্ভৱ হৈছে। তৎসত্ত্বেও এইটো কোৱা সমীচীন হ'ব যে ক্ষুদ্ৰ সীমাবদ্ধতাৰ বিষয়টো বাদ দি সমীক্ষাই বেচ ভাল কাম কৰিছে— যিটো সঁচাকৈয়ে শলাগিবলগীয়া। ❒

**(৬ পৃষ্ঠাৰ পৰা)**

**সামগ্ৰিক বিকাশত বাজেটে প্ৰভাৱ পেলাব পাৰেনে? ঃ**

ভাৰতৰ বাবে ৰাজহুৱা নীতিৰ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ এটা হ'ল কেনেকৈ বিকাশ অৰ্জন কৰিব পাৰি য'ত নিযুক্তিৰ সুযোগ অধিক হাৰত সৃষ্টি হয়। ইয়াৰ বাবে প্ৰস্তুতকৰণৰ অংশ ২৫শতাংশলৈ বৃদ্ধি কৰাৰ মধ্যম্যাদী লক্ষ্য স্থিৰ হৈ থকাৰ সময়তে প্ৰস্তুতকৰণৰ বিকাশত পৰিলক্ষিত নেতিবাচক ধাৰাই বৃহত্তৰ প্ৰত্যাহ্বান ৰূপে থিয় দিছে। এই প্ৰেক্ষাপটত বাজেটত সমস্যাটো সমাধানৰ বাবে শ্ৰমিকনিৰ্ভৰ খণ্ড, যেনে—গৃহ নিৰ্মাণ, পৰ্যটন, পথ নিৰ্মাণ আৰু অন্যান্য আন্তঃগাঁথনিত গুৰুত্ব আৰোপ কৰিছে। সি যি কি নহওক, এই বহু প্ৰতীক্ষিত সাংগঠনিক ৰূপান্তৰ বাস্তৱায়িত হ'বলৈ অন্য বিষয়সমূহ, যেনে—ভূমি আৰু শ্ৰম আদিৰ নীতিৰ সংস্কাৰ কৰাটো প্ৰয়োজনীয়। বাজেটত এই প্ৰসংগসমূহৰ উল্লেখ উপেক্ষণীয়।

**সামৰণি ঃ**

সামগ্ৰিকভাৱে ঘৰুৱা আৰু বহিঃ অৰ্থনৈতিক দুয়োটা পৰিৱেশত থকা অনিশ্চয়তাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বাজেটত এনে কেইটামান প্ৰসংগৰ অৱতাৰণা কৰা হৈছে যি দেশত বিকাশ পুনৰুজ্জীৱিত কৰি তুলিব পাৰে। বিশেষকৈ, অতদিনে উদ্‌গনিমূলক সহায় বা সুবিধা প্ৰদানৰ পৰিৱৰ্তে বিকাশৰ প্ৰক্ৰিয়াতহে গুৰুত্ব দি অহাত ডাঙৰ সাফল্য অৰ্জন কৰিব পৰা হোৱা নাছিল। সি যি কি নহওক, এই পদক্ষেপসমূহৰ লগতে আন্তঃৰাজ্যিক স্তৰতো পৰিপূৰক-ভাৱে অধিক সামগ্ৰিক বিকাশ নীতি গ্ৰহণ কৰা আৱশ্যকীয়। মধ্যম্যাদী বিকাশ আৰু উন্নয়নৰ লক্ষ্য অৰ্জনৰ বাবে এয়া সময়ৰ আহ্বান। ❒

# কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ উৎপাদনশীলতা আৰু নিয়োগ বৃদ্ধিৰ উৎকৰ্ষ সাধন

**অৰূপ মিত্ৰ***

চৰকাৰ কৰ্মক্ষেত্ৰৰ দুটা প্ৰধান কাৰ্য হ'ল ঔদ্যোগিক বিকাশ আৰু কৰ্ম সংস্থাপনৰ ব্যৱস্থা। সেইবাবে ভাৰত অথবা যিকোনো উন্নয়নশীল দেশে নিজৰ ঔদ্যোগিক ক্ষেত্ৰখনৰ পুনৰুদ্ধাৰ কৰিব লাগিব, কাৰণ কেৱল চাকৰিৰদ্বাৰা অকৌশলী বা অৰ্দ্ধ-কৌশলী কৰ্মী-সকলক সাঙুৰি লোৱা সম্ভৱ নহয়, আনহাতে কৃষি ক্ষেত্ৰত বহুতো আংশিক নিবনুৱা অৱস্থাৰ উদ্ভৱ হয়। প্ৰযুক্তিৰ উৎকৰ্ষতাৰদ্বাৰা উদ্যোগ খণ্ডত উৎপাদনৰ পূৰ্ণ বিকাশ আৰু বৈশিষ্ট্যপূৰ্ণ বৃদ্ধি সম্ভৱ হ'ব আৰু ইয়াৰদ্বাৰা নিৰেশ নোহোৱাকৈ চলা উদ্যোগসমূহলৈও অৱদান আহিব। যদিও প্ৰযুক্তিৰ উৎকৰ্ষতা ব্যয়বহুল বুলি ভবা হয়, কিন্তু সদ্য সমাপ্ত (ডিভাৰেলী, ২০১৩) গৱেষণাই কৰ্ম সংস্থাপনৰ সুবিধা লাভ কৰিব পৰা বিভিন্ন পথ দেখুৱাইছে। সামগ্ৰীৰ আনুপাতিক হাৰত মূলধন আৰু কেঁচামাল নবঢ়োৱাকৈ আৰু বিস্তৃতভাৱে নতুন প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে উৎপাদিত সামগ্ৰীৰ বিভিন্নতা বঢ়াই নতুন তথা আনুষংগিক সামগ্ৰী উৎপাদনৰদ্বাৰা কৰ্ম সংস্থাপন বৃদ্ধি কৰিব পৰা যাব। সেয়ে উৎপাদনশীলতা বৃদ্ধি আৰু বৰ্দ্ধিত কৰ্ম সংস্থাপন একেলগে লাভ কৰিব পৰা যায়, ইয়াত ব্যৱসায় বৃদ্ধিৰ আৱশ্যকতা নাই। হ্ৰস্বম্যাদী সংশ্লেষ আৰু ইয়াৰ পৰিসীমাৰ ব্যাপকতা বুজি পাবলৈ ২০১৭-১৮ বৰ্ষৰ ৰাষ্ট্ৰীয় বাজেটত চকু ফুৰাও আহক।

মাত্ৰ অলপদিনৰ আগতে বি-মুদ্ৰাকৰণৰ দৰে ঐতিহাসিক ঘটনা ঘটিল। এই ঘটনাই হ্ৰস্বকালীনভাৱে হ'লেও বিকাশত ওলোটা প্ৰভাৱ পেলাই নিৰনুৱা সমস্যা বৃদ্ধি কৰিব বুলি সন্দেহ কৰা হৈছিল। নগৰাঞ্চলত অ-কৃষিজাত বিনিয়োগ আৰু বিকাশত অধিক হাৰত প্ৰভাৱ পেলাব আৰু নিবনুৱা আৰু আংশিক নিবনুৱা অৱস্থাৰ হাৰ বঢ়াব। বিনিয়োগ বিকাশ আৰু কৰ্ম সংস্থাপনৰ ক্ষেত্ৰত সামগ্ৰী বা সেৱা আগবঢ়োৱা মধ্যম আৰু লঘু প্ৰতিষ্ঠান বিলাকে বেছিকৈ কুফল ভুগিব লাগিব। কিন্তু বৃহৎখণ্ডবিলাকো সম্পূৰ্ণ সংকটমুক্ত নহয়, কিয়নো বহুতো প্ৰতিষ্ঠানে নিয়ম-নীতিক আওকাণ কৰি নিজৰ ব্যৱসায় চলাই নিবৰ বাবে ভেটি দিয়াৰ দৰে কুকৰ্ম কৰে। বিনিয়োগ কমোৱাৰ পিছত প্ৰথম নেতিবাচক প্ৰভাৱ শ্ৰমিকৰ ওপৰত পৰে, সংকুচিত বিনিয়োগৰ লগে লগে শ্ৰমিকৰ প্ৰয়োজনীয়তা হ্ৰাস পায়। কাৰণ চুক্তি সম্পন্ন কৰাৰ ক্ষেত্ৰত শ্ৰমিক প্ৰধান সমল, কিন্তু অন্যান্য সমলৰ তুলনাত ই অত্যন্ত তৰল। গতিকে নিম্নগামী বজাৰৰ লগত সমতা ৰক্ষা কৰি চলিবৰ বাবে শ্ৰমৰ ব্যয় কৰ্তন কৰাটোৱেই ব্যৱসায়ীৰ বাবে সকলোতকৈ সহজ উপায় (ইয়াক সংশ্লেষ কৰা সম্ভৱ) গ্ৰামাঞ্চলত নিবনুৱা সমস্যা বৃদ্ধি হোৱা ভয় থাকে, কিয়নো কৃষি ক্ষেত্ৰখনে লক্ষণীয়ভাৱে শ্ৰমিকক সাঙুৰি ল'বলৈ অপাৰগ, সেয়ে বহুতে কৃষি বহিৰ্ভূত ব্যৱসায়লৈ ঢাপলি মেলে —য'ত ব্যৱসায়ৰ বাবে দৈনন্দিন ভিত্তিত নগদ ধনৰ প্ৰয়োজন হয়। গতিকে বি-মুদ্ৰাকৰণৰপৰা গাঁৱৰ কৃষি বহিৰ্ভূত খণ্ডও সাৰি যাব পৰা নাই। কিন্তু এই ঘটনাক হয়তো কিছু অতিৰঞ্জিতভাৱে উপস্থাপন কৰা হৈছে। কিয়নো ব্যৱসায়ত দেশৰ ভিতৰতে বহু ধনৰ লেনদেন হয়— য'ত প্ৰচুৰ সময়ৰ প্ৰয়োজন হয়। সেয়ে অলপ বুজাবুজিৰ মাজেৰে বি-মুদ্ৰাকৰণৰপৰা উদ্ভৱ হোৱা বিকাশত সেমেকা প্ৰভাৱ নোহোৱা কৰিব পৰা যায়। ৭০ৰ দশকত হোৱা বেংক ৰাষ্ট্ৰীয়কৰণৰ দৰেই বি-মুদ্ৰাকৰণো অত্যাৱশ্যকীয় আছিল আৰু এই কাম বহু আগতেই হ'ব লাগিছিল। এই কাম আকস্মিকভাৱে কৰিব লাগিব নহ'লে ইয়াৰ উদ্দেশ্য সফল নহ'লহেঁতেন।

হ্ৰস্বকালীনভাৱে উদ্ভৱ হ'ব পৰা আকস্মিক ঘটনাবোৰৰ লগত সামঞ্জস্য ৰখাৰ বাবে ৰাষ্ট্ৰীয় বাজেটত 'এনৰেগা'ৰ জৰিয়তে সৰ্বাধিক কৰ্ম সংস্থাপনৰ ব্যৱস্থা ৰখা হৈছে। প্ৰতিশ্ৰুতিবদ্ধ কৰ্ম সংস্থাপনক এইদৰে সমালোচনা কৰা হয় যে ই ভৱিষ্যতৰ বাবে বিশেষ সম্পত্তি অৰ্জন কৰাৰ সুবিধা নিদিয়ে। তথাপি বাজেটত এম এনৰেগা আঁচনিৰ অন্তৰ্ভুক্ত কৰ্ম বিতৰণৰ ক্ষেত্ৰত উপগ্ৰহ-প্ৰযুক্তি

***অৰূপ মিত্ৰ দিল্লীৰ ইন্সটিটিউট অৱ ইক'ন'মিক গ্ৰ'থৰ অধ্যাপক আৰু জাপানৰ Nagoya Universityৰ অতিথি অধ্যাপক। তেওঁৰ শেহতীয়া গ্ৰন্থৰাজি সামগ্ৰিক বিকাশ সম্বন্ধীয়।**

ব্যৱহাৰ কৰাৰ প্ৰস্তাৱ ৰখা হৈছে যাতে বিত্তীয় বৰ্ষৰ শেষৰ ফালে যেতিয়া ততাতৈয়াকৈ খৰচ-পাতি কৰিব লগা হয়, তেতিয়া এম এনৰেগাৰ কৰ্ম বিতৰণসমূহ যাতে শেষ সময়লৈকে পৰি নাথাকে। অন্যথাই এই আবণ্টিত পুঁজি ঘূৰাই দিব লাগিব। খৰাঙৰ সৈতে যুঁজিবলৈ ২০১৭-১৮ বৰ্ষত আৰু ৫ লাখ পুখুৰী খন্দা হ'ব। জলসিঞ্চনৰ এই আঁচনিখন যদি এম এনৰেগাৰ সৈতে সাঙুৰি লোৱা হয়, তেনেহ'লে কৃষিৰ বিকাশৰ লগে লগে ই সৰ্বাধিক প্ৰভাৱশালী নীতিত পৰিণত হ'ব। ২০১৭-১৮ বৰ্ষত গ্ৰাম্য, কৃষি আৰু ইয়াৰ মিত্ৰ খণ্ডসমূহৰ বাবে কৰা পৰিকল্পনা যোৱা বছৰৰ তুলনাত অতি উচ্চ নিৰিখৰ আৰু ইয়াৰ জৰিয়তে গ্ৰামীণ নিবনুৱা সমস্যা, আংশিক নিবনুৱা অৱস্থা তথা দাৰিদ্ৰ্যৰ দৰে সমস্যাবিলাক সমাধান কৰাৰ বাবে চৰকাৰৰ ইচ্ছা পৰিস্ফুট হৈছে।

প্ৰধান মন্ত্ৰীৰ কৰ্ম সংস্থাপন আৰু নগদ সাহায্য নিৰূপণ তিনিগুণলৈ বৃদ্ধি পাইছে। পি এম ই জি পি দৰাচলতে এটা ঋণ কৰ্তৃক যোজনা যি আৰ ই জি পি (Rural Employment Generation Programme) আৰু প্ৰধান মন্ত্ৰী ৰোজগাৰ যোজনা (PMRY) দুয়োটাকে একেলগে সাঙুৰি লয়। লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (MOMSME) মন্ত্ৰণালয়ে এই আঁচনি পৰিচালনা কৰে আৰু খাদী আৰু গ্ৰামোদ্যোগ আয়োগে (KVIC) ইয়াক ৰূপায়ণ কৰে। ৰাজ্যিক পৰ্যায়ত খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ কাৰ্যালয়ে এই আঁচনি পৰিচালনা কৰে। স্বনিয়োজন, লঘু উদ্যোগ স্থাপন আৰু অন্যান্য প্ৰকল্পৰদ্বাৰা কৰ্ম সংস্থাপন বৃদ্ধি কৰাই হ'ল এই আঁচনিৰ মূল লক্ষ্য। এই আঁচনিৰ দ্বৈত লক্ষ্য হ'ল— পৰম্পৰাগত গ্ৰামীণ কুটীৰ শিল্পৰ পুনৰুত্থান তথা যিসকল নগৰীয়া যুৱকে কোনো ধৰণৰ চাকৰি বিচাৰি নাপায়, তেওঁলোকক সহায় কৰা। ইয়াৰদ্বাৰা নিৰৱচ্ছিন্নভাৱে কৰ্ম সংস্থাপন দি দীৰ্ঘস্থায়ী ৰূপত উপাৰ্জন ক্ষমতা বৃদ্ধি কৰাটোও এই আঁচনিৰ লক্ষ্য।

সমগ্ৰ দেশকে ডিজিটেল পদ্ধতিৰ আওতাত অনাৰ পৰিকল্পনাৰ লগত খোজ মিলাবৰ বাবে এই কথা বাজেটত জোৰ দি কোৱা হৈছে যে ডিজিটেল পদ্ধতিৰ লেনদেনৰদ্বাৰা ক্ষুদ্ৰ আৰু লঘু প্ৰতিষ্ঠানবিলাকে উচিত ধন লাভ কৰিব পাৰিব। সেয়ে এই গোটসমূহৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰি ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদন (GDP) লৈ অৰ্থসূচক অৱদান অনা আদি হ'ল কিছুমান আশাব্যঞ্জক ফলাফল— যাৰদ্বাৰা এই গোটসমূহে বি-মুদ্ৰাকৰণৰ ওলোটা প্ৰতিক্ৰিয়াৰপৰা হাত সাৰিব পাৰিব। লঘু আৰু ক্ষুদ্ৰ উদ্যোগ সংখ্যাত বহুতো, কিন্তু তেওঁলোকৰ মূল্য সংযোজিত অৱদান তেনেই নগণ্য। পঞ্জীয়নভুক্ত নোহোৱা উৎপাদন ক্ষেত্ৰবিলাকৰে উদাহৰণ ল'লে দেখা যায় যে মূল্য সংযোজিত সম্পূৰ্ণ উৎপাদনত তেওঁলোক মাত্ৰ এক-তৃতীয়াংশৰহে অংশীদাৰ। দেশৰ বৃহৎ মণ্ডলত এইবিলাকক সাঙুৰি লৈ ডিজিটেল পদ্ধতিৰদ্বাৰা এই গোটসমূহক পুনৰুজীৱিত কৰিবলৈ লোৱা পদক্ষেপ সঁচাকৈয়ে আমোদজনক। বিশেষভাৱে এই কথাও বুজা উচিত যে কেৱল সুসংগঠিত নিৰ্মাণ ক্ষেত্ৰই শ্ৰমিকৰ চাহিদা আৰু যোগানৰ মাজৰ বিসংগতি লক্ষণীয়ভাৱে হ্ৰাস কৰিব নোৱাৰে। আৰোপিত কৰৰ পৰা হাত সাৰিবৰ বাবে বহুত ব্যৱসায়িক প্ৰতিষ্ঠানে পঞ্জীয়ন নকৰোৱাৰ সিদ্ধান্ত লয় আৰু তেওঁলোকৰ কাৰ্যক্ষেত্ৰখন বিভিন্ন গোটত ভাগ কৰি পেলায়। কিন্তু ডিজিটেল পদ্ধতিৰদ্বাৰা কৰ সংগ্ৰহ ঘনীভূত তথা সহজসাধ্য হ'ব আৰু মৃতপ্ৰায় গোটসমূহে তেওঁলোকৰ অৰ্থনৈতিক স্থায়িত্ব লাভ কৰিব পাৰিব আৰু তেওঁলোকৰ কাৰ্য সম্পাদনৰ মান উন্নত হ'ব। যিসকলৰ ডেবিট কাৰ্ড বা ম'বাইল ফোন নাই, তেওঁলোকৰ বাবে ব্যৱসায়-সমৰ্থক আধাৰ কাৰ্ডৰদ্বাৰা পৰিশোধৰ ব্যৱস্থা কৰাৰ প্ৰস্তাৱ ৰখা হৈছে।

যিবিলাক লঘু উদ্যোগৰ ব্যৱসায় প্ৰায় ৫০ কোটি বা তাতকৈ কম, সেই বিলাকে কম পৰিমাণৰ কৰ (২৫ শতাংশ) পৰিশোধ কৰিব লাগিব। এনে প্ৰক্ৰিয়াত লঘু উদ্যোগসমূহে বুজন পৰিমাণৰ ধন বিনিয়োগ কৰাৰ সম্ভাৱনা থাকে আৰু সেই পৰিক্ৰমাত ঔদ্যোগিক বিকাশ তথা ঊৰ্দ্ধগামী কৰ্ম সংস্থাপনৰ আশা ৰাখিব পাৰি। আনহাতে বাজেটত উন্নত প্ৰযুক্তিৰ সৈতে আগবাঢ়ি অহা বিদেশী বিনিয়োগৰ ওপৰত যথেষ্ট মনোনিৱেশ কৰা হৈছে। 'প্ৰকৃতাৰ্থত প্ৰত্যক্ষ বিদেশী বিনিয়োগ' (FDI)ৰ শতকৰা ৯০শতাংশ স্বয়ংক্ৰিয়ভাৱে কৰাৰ প্ৰস্তাৱ ৰখা হৈছে, বিদেশী বিনিয়োগ উন্নীতকৰণ পৰিষদ (Foreign Investment Promotion Board) ভঙ্গ কৰা হৈছে। আমোলাতন্ত্ৰৰ শামুকীয়া গতিৰ মাজেৰে যাবলগীয়া নোহোৱাৰ বাবে অৰ্থনৈতিক কাৰ্যক্ৰমণিকা লাহে লাহে ঊৰ্দ্ধগামী হ'ব বুলি আশা কৰা হৈছে। ৩৬ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ (FDI) বৃদ্ধিৰে বিনিয়োগ আৰু কৰ্ম সংস্থাপন লাহে লাহে এটা সন্তোষজনক স্থিতিত উপনীত হ'ব বুলি আশা কৰা হৈছে।

ঔদ্যোগিক ক্ষেত্ৰত উৎপাদিকা শক্তিৰ উন্নতিৰ কাৰক হিচাপে বহুতো

কাৰণ বিচাৰি লোৱা হৈছে। টি এফ পি জি-ৰ ওপৰত কৰা গৱেষণাৰ পৰা এই কাৰকসমূহ বিচাৰি লোৱা হৈছে। ইয়াৰ ভিতৰত ব্যৱসায়ৰ শিথিলতা, অৰ্থনৈতিক সংহতি আৰু তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT) আৰু নতুনত্বৰ সমাৱেশ হৈছে চাৰিটা প্ৰধান কাৰক। নতুনত্বৰ সমাৱেশ হৈছে এনে এটা পৰিৱৰ্তন যি উৎপাদন বৃদ্ধি কৰিব পাৰে। নতুনত্বৰ সমাৱেশৰ জৰিয়তে উচ্চ মানৰ প্ৰযুক্তি লাভ কৰিব পৰা যায় আৰু লগে লগে নিৱেশ নোহোৱাকৈ উৎপাদন হোৱা মিশ্ৰিত উপাদানসমূহৰো বিকাশ সম্ভৱ হয়। বাজেটত নিৰ্মাণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। উদাহৰণ স্বৰূপে, বাহিৰা অৰ্থনীতিৰ পৰিমাপ তথা অন্যান্য কাৰণসমূহৰ সৈতে পৰিপূৰক যোগাযোগ ৰক্ষা কৰি যোগ্য প্ৰযুক্তি আৰু উৎপাদনক্ষমতা বৃদ্ধিৰ বাবে ৰাজহুৱা খণ্ডৰ নিৰ্মাণ এটা গুৰুত্বপূৰ্ণ বিষয় বুলি দৰ্শোৱা হৈছে। শ্ৰমিক নিযুক্তিৰ নিম্নমান বিনিয়োগ তথা কৰ্ম সংস্থাপনৰ বাবে প্ৰধান হেঙাৰ হৈ দেখা দিছে। সময়ৰ লগে লগে নিযুক্তি আৰু কৌশলৰ মাজৰ এই বিসংগতি বাঢ়ি আহিছে, বিশেষকৈ উৎপাদনৰ ক্ষেত্ৰখনত এই বিসংগতি দৃষ্টিগোচৰ হৈছে (মিত্ৰ, ২০১৩)। বাজেটে এই বিসংগতিসমূহ প্ৰণালীবদ্ধভাৱে উল্লেখ কৰিছে। বাজেটত উল্লেখ কৰা অনুসৰি চৰকাৰে ২০১৭-১৮ বিত্তীয় বৰ্ষত ৪০০০ কোটি টকা ব্যয়েৰে 'সংকল্প' নামৰ এখন যোজনা ৰূপায়ণ কৰিব যাৰ আওতাত যুৱকসকলক বজাৰ ভিত্তিক প্ৰশিক্ষণ দিয়া হ'ব। প্ৰধান মন্ত্ৰীৰ কৌশল কেন্দ্ৰসমূহ ৬০০খন জিলালৈ প্ৰসাৰিত কৰিব, ৰাইজৰ সুবিধাৰ বাবে ১০০টা ৰাষ্ট্ৰীয় কৌশল কেন্দ্ৰ খোলা হ'ব গ্ৰামীণ ৰাইজৰ সুবিধাৰ বাবে কৌশল কেন্দ্ৰসমূহ সামাজিক কৌশল কেন্দ্ৰ হিচাপে স্থাপন কৰা হ'ব— য'ত ভাষাৰ প্ৰয়োগশালা, ডিজিটেল পুথিভঁৰাল, মান নিৰ্দ্ধাৰণ আৰু ব্যক্তিগত প্ৰগতিৰ বাট দেখুৱাৰ সুবিধাসমূহ উপলব্ধ হ'ব। এই সকলো বিলাকেই নিয়োগৰ সহায়ক হ'ব বুলি আশা কৰা হৈছে।

ভাৰতীয় ৰাষ্ট্ৰীয় কৌশল কেন্দ্ৰ (IISC) গোটেই দেশতে স্থাপন কৰিবলৈ লোৱা প্ৰচেষ্টা সঁচাকৈয়ে সন্তোষজনক; কিয়নো এই কেন্দ্ৰসমূহে বিদেশী ভাষাত উন্নত প্ৰশিক্ষণ দিব আৰু তাৰদ্বাৰা দেশৰ বাহিৰত চাকৰি কৰিব বিচৰা লোকে সহায় পাব। কিন্তু চৰকাৰে স্থাপন কৰা 'আই টি আই'সমূহত প্ৰদান কৰা প্ৰশিক্ষণৰ মানক সঁচাকৈয়ে কটু সমালোচনা কৰা হৈছে।' পানীৰ নলীৰ কাম কৰা কাৰিকৰ এজনক মধ্য প্ৰাচ্যলৈ চাকৰিৰ সন্ধানত পঠোৱাৰ আগতে পুনৰ প্ৰশিক্ষণ দিব লাগিব, এইক্ষেত্ৰত বৰ্তমান চৰকাৰে হাতত লোৱা কাম অতি উৎসাহজনক, ইয়াৰদ্বাৰা দেশৰ ভিতৰত শ্ৰমিকৰ গতিশীলতা সহজসাধ্য হ'ব, ঘৰুৱা অৰ্থনীতিৰ ওপৰত পৰা অতিৰিক্ত যোগানৰ হেঁচা কমি আহিব, আনহাতে বাহিৰৰ পৰা পঠোৱা ধনৰ পৰা দেশৰ বিদেশী ধনৰ উপাৰ্জন বহু পৰিমাণে বৃদ্ধি পাব। বিদেশত কৰ্মৰতসকলৰ যিসকল আপোন পৰিয়াল দেশত থাকি যায়, তেওঁলোকৰ কুশল জীৱন যাপনৰ বাবে এই পুঁজিয়ে সহায় কৰে। যান্ত্ৰিক প্ৰযুক্তিৰ দ্বাৰা এই বিদেশী ধন কেনেদৰে উপকাৰী সম্পদত পৰিণত কৰিব পৰা যায় তাৰ উপায় উলিওৱাতো ভৱিষ্যতৰ নীতি নিৰ্দ্ধাৰণৰ সূচী হ'ব পাৰে। আন্তৰ্জাতিক মানৰ লগত খাপ খোৱাকৈ শ্ৰমিক শক্তিক তুলি ধৰিবলৈ আৰু তাৰ দ্বাৰা শ্ৰমিকৰ বৰ্দ্ধিত গতিশীলতাক উৎসাহিত কৰিবৰ বাবে চৰকাৰে লোৱা এই প্ৰথম দৃঢ় পদক্ষেপ উল্লেখনীয় আৰু ইয়াতেই চৰকাৰৰ দূৰদৰ্শিতা প্ৰতিফলিত হয়।

নিৰ্মাণৰ বাবে বৃহৎ পৰিমাণৰ ধন আবণ্টন কৰা হৈছে। ই কৰ্ম-সংস্থাপনৰ বাট মোকলাব, কাৰণ বৃহৎ নিৰ্মাণৰ বাবে বৃহৎ মানৱ শক্তিৰ প্ৰয়োজন। কিন্তু এই নিৰ্মাণসূচী যদি আঞ্চলিক ভিত্তিত লোৱা হ'লহেঁতেন, তেনেহ'লে বেছি ফলপ্ৰসূ হ'লহেঁতেন। কিয়নো ৰাজ্যসমূহৰ অৰ্থনৈতিক ক্ষেত্ৰত, এককেন্দ্ৰমুখী আৰু বিপথগামিতাই ঠাই লোৱা সত্ত্বেও আঞ্চলিক অসমতা দিনে দিনে বৃদ্ধি পাইছে। আঞ্চলিক অসমতা দূৰ কৰাৰ ফলপ্ৰসূ উপায় হিচাপে সেইবিলাক ঠাইত নিৰ্মাণৰ কাম আৰম্ভ কৰিব লাগিব যিবিলাক ঠাই এতিয়াও পাছপৰি আছে। আমি বুজি পাওঁ যে একত্ৰীকৰণে সংহত অৰ্থনীতিৰ জন্ম দিয়ে আৰু এই সংহত অৰ্থনীতিৰ সুফল পাবৰ বাবে সেইবিলাক খণ্ডত অধিক বিনিয়োগ কৰিব লাগিব, যিবিলাক ঠাইত মূল ভেটি গঢ়ি ৰখা হৈছে। কিন্তু এনে কৰিবলৈ যাওঁতে কিছু কিছু ঠাই সম্পূৰ্ণ ৰূপে অৱহেলিত হৈ থাকে, উদ্যোগসমূহ অত্যধিক ক্ষেত্ৰ-ভিত্তিক হৈ উঠে— যাৰ পৰা আঞ্চলিক বৈষম্যৰ সৃষ্টি হয়। এইবিলাক সমস্যাৰ মোকাবিলা কৰিবৰ বাবে যিকোনো নিৰ্মাণ কাৰ্যৰ সময়ত অধিক আঞ্চলিক মনোভাব লোৱা উচিত, উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগী-কৰণ এতিয়াও অৱহেলিত হৈ আছে।

তদুপৰি এটা নতুন মে'ট্ৰ' ৰে'ল আঁচনিৰ ঘোষণা কৰা হ'ব বুলি আশা কৰা হৈছে— যাৰদ্বাৰা যুৱকসকলৰ বাবে নতুন চাকৰিৰ সুযোগ ওলাব আৰু নগৰীয়া যুৱকৰ বাবে ই বৰ শান্তিদায়ক আঁচনি হ'ব। মে'ট্ৰ' ৰে'ল নিৰ্মাণৰ বাবে লক্ষণীয়ভাৱে অৱদান যোগাব, যাতায়াত

**(৪২ পৃষ্ঠাত চাওক)**

# নতুন অৱতাৰ ৰূপত ভাৰতীয় ৰে'ল বাজেট

**অৰুণেন্দ্ৰ কুমাৰ***

এখন সুকীয়াকৈ ৰে'ল বাজেট প্ৰদান কৰা ৯৩ বছৰৰ পুৰণি অভ্যাস এই বছৰ অনুসৰণ কৰা নহ'ল। সাধাৰণ বাজেটৰ লগতেই ৰে'ল বাজেটখন সংলগ্ন কৰা হয়। এই বিষয়ে বাহুল্যলৈ যোৱাৰ আগতে দুয়োখন বাজেটৰ প্ৰভেদ আৰু সংলগ্ন কৰাৰ কাৰণ জনাটো উচিত হ'ব।

১৯৯০ চনত ছাৰ উইলিয়াম একৱৰ্থৰ অধ্যক্ষতাত ইষ্ট ইণ্ডিয়ান ৰেলৱে কমিটী গঠন কৰা হৈছিল। সেই কমিটীখনৰ অনুমোদনাৱলীৰ ওপৰত আধাৰ কৰি ৰেলৱেৰ বিত্তীয় বিষয়টো 'এখন সুকীয়া চনদ'ৰদ্বাৰা ১৯২৪ চনত পৃথক কৰা হৈছিল। তাৰ উদ্ধৃতি এনেধৰণৰ ঃ 'ইয়াৰ পুনৰগাঁথনি এনে আকাৰত কৰা হয়— যিটোৱে এটা পদ্ধতিয়ে প্ৰভাৱ বিস্তাৰ কৰি থকা স্থিতিৰপৰা বাণিজ্যিক বিষয়টোক অধিকভাৱে মুক্ত কৰে। সেই পদ্ধতিটোৱে এনে ৰূপ ধাৰণ কৰে, যাৰ ফলত বাণিজ্যৰ বিষয়টো প্ৰত্যেক ৩১ মাৰ্চৰ দিনা নিয়ন্ত্ৰণৰ বাহিৰলৈ যায় আৰু ১ এপ্ৰিলৰ দিনা পুনৰ ন-শক্তিৰে আৰম্ভ হয়। সাধাৰণ ৰাজহৰ ক্ষেত্ৰত ৰেলৱেৰপৰা এটা নিৰ্দিষ্ট পৰিমাণৰ বৰঙণি পাব লাগে আৰু এইটো ৰেলৱেৰ নতুন প্ৰাপ্তিৰ ৰাশিৰ ক্ষেত্ৰত প্ৰথম মাচুল হ'ব লাগিব।' স্বাজোত্তৰ কালছোৱাত ৰেলৱেই ৭৫ শতাংশ ৰাজহুৱা পৰিবহণ আৰু ৯০ শতাংশ মালবস্তু অনা-নিয়া কৰিছিল। গতিকে এখন সুকীয়া বাজেটৰ ব্যৱস্থা কৰা বিষয়টো ন্যায়সংগত যেন লাগিছিল। এতিয়া তাৰ বিপৰীতে ইয়াৰ অংশ ভাগ যথাক্ৰমে ১৫ শতাংশ আৰু ৩০ শতাংশলৈ হ্ৰাস কৰা হয়। বৰ্তমানৰ চৰকাৰখনে এই পৰিৱৰ্তনক স্বীকৃতি দিয়ে আৰু তাৰ ফল স্বৰূপেই সামগ্ৰিকভাৱে এই বিষয়টোক চাবৰ কাৰণে এটা সচেতনমূলক সিদ্ধান্ত গ্ৰহণ কৰে। এই পটভূমিত আমি আন্তঃগাঁথনি শ্ৰেণীৰ অধীনত ৰে'ল বাজেটক সাধাৰণ বাজেটত সামৰি লোৱা দেখিবলৈ পাইছোঁ। বাজেটখনত ভাৰতীয় ৰে'লৱেৰ বিত্তীয় স্বতন্ত্ৰতাক বাধা দিয়া হোৱা নাই আৰু যি স্বাধীনতা উপভোগ কৰি আহিছে তাক ৰখাটো নিশ্চিত কৰা হৈছে।

পৰিবহণৰ ক্ষেত্ৰত যি সমন্বয় সাধন কৰা প্ৰয়োজন সেয়া বাজেটত স্পষ্টভাৱে পৰিস্ফুট হৈছে। কিছুমান নিৰ্বাচিত সামগ্ৰীৰ কাৰণে যিবোৰ সংস্থা আৰু প্ৰতিষ্ঠানে প্ৰাৰম্ভিক তথা অন্তিম অৱস্থাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে সেই কথালৈ লক্ষ্য ৰাখি সা-সামগ্ৰীৰ যথাবিহিত ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত এটা সংহত ভাবধাৰা গঢ়ি তুলি তাক সেই অনুযায়ী ৰে'ল বিভাগে ৰূপায়ণ কৰা আৱশ্যক হয় আৰু অধিক গতি প্ৰদানে উপভোক্তা তথা পৰিবহণকাৰীসকলক লাভান্বিত কৰিব। লগতে ই সা-সামগ্ৰী ৰখাই থোৱা স্থানত মাল দবাবোৰ আবদ্ধ কৰি ৰখাৰ সময় যথেষ্ট হ্ৰাস কৰি আৰু গ্ৰাহক-সকলৰ চিন্তাও বহু পাতলাব।

বৰ্তমানৰ বাজেটখনত ৰে'ল বিভাগে চাৰিটা ডাঙৰ বিষয়ৰ ক্ষেত্ৰত আলোকপাত কৰিবলৈ গুৰুত্ব আৰোপ কৰিছে। সেয়া হ'ল—

(১) যাত্ৰীৰ সুৰক্ষা

(২) পুঁজি আৰু বিকাশমূলক কাম-কাজ।

(৩) পৰিষ্কাৰ-পৰিচ্ছন্নতা।

(৪) বিত্ত আৰু গাণনিক সংস্কাৰ।

**যাত্ৰীৰ সুৰক্ষা ঃ**

যোৱা কেইবছৰমানৰ পৰা এইটো অনুভৱ কৰা হৈছে যে সুৰক্ষা সাধনৰ মান উন্নত কৰিবৰ কাৰণে এক সুকীয়া বিনিয়োগ ব্যৱস্থাৰ আৱশ্যক কিয়নো আভ্যন্তৰীণভাৱে যিমানখিনি বিত্তীয় সম্পদ উদ্ৰেক কৰা হয় সেই ধনৰাশিয়ে সুৰক্ষা পুঁজিৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সমৰ্থৱান নহয়। একে ধৰণৰ প্ৰয়াস পূৰ্বতে তেতিয়াৰ প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বাধীন চৰকাৰৰ দিনত কৰা হৈছিল। ২০০১ বৰ্ষৰ এক এপ্ৰিলত এই সন্দৰ্ভত বিশেষ

*লেখক অৰুণেন্দ্ৰ কুমাৰ ভাৰতীয় ৰে'লৱেৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আৰু ভাৰত চৰকাৰৰ এক্স-অফিচো প্ৰধান সচিব। তেওঁ ৩৯ বছৰ ৰে'ল বিভাগত সেৱা আগবঢ়োৱাৰ পিছত ২০১৪ চনৰ ডিছেম্বৰত অৱসৰ গ্ৰহণ কৰে। ডিজেল একোমটিভ, দবা আৰু ৱেগন তথা সামগ্ৰিক ৰে'ল ব্যৱস্থাপনৰ ক্ষেত্ৰত বহুল অভিজ্ঞতা থকা এগৰাকী মেকানিকেল ইঞ্জিনীয়াৰ। ভাৰতত তীব্ৰবেগী গাড়ীৰ প্ৰচলন, ৰে'লৱেত এফ ডি আই লগ্নী আদিৰ দৰে বহুত নতুন কাম-কাজত আগভাগ লৈছিল তেওঁ। সম্প্ৰতি অতি বেগী, গতিমান এক্সপ্ৰেছৰ প্ৰচলন তেওঁৰ কাৰ্যকালতেই পৰিকল্পনা কৰা হৈছিল। ৰে'লৱে বিষয়ত টেলিভিছন কাৰ্যক্ৰমত (লাইভশ্বো) তেওঁ সৰ্বাধিক দীঘলীয়া অভিলেখৰো গৰাকী।

ৰেলৰে সুৰক্ষা পুঁজি সৃষ্টি কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল অতি পুৰণি সম্পদসমূহ বিশেষকৈ সুৰক্ষা সম্পৰ্কিত বিষয়বোৰৰ ক্ষেত্ৰত পুঞ্জীভূত হৈ পৰা আওপুৰণি সম্ভাৰৰাজিক আঁতৰাই নতুন সম্ভাৰেৰে পূৰণ কৰা। তেনে সম্ভাৰৰাজি হ'ল যেনে— ৰে'ল পথ, দলং, সংকেত প্ৰদান গিয়েৰ আৰু চকা, ধুৰা আদি। ই আছিল অবাৰিত গতিৰ (নন্ লেপ্‌ছেবল) তথা সুতবিহীন পুঁজি আৰু পুঁজিৰ পৰিমাণ আছিল ১৭,০০০ কোটি টকা। চিহ্নিত কাম-কাজবোৰ এখন কিতাপত তালিকাভুক্ত কৰা হৈছিল— যাৰ নাম আছিল 'গ্ৰীণ বুক।' বৰ্তমানৰ বাজেটত সুৰক্ষা সাধনৰ ক্ষেত্ৰত থকা চিন্তিত বিষয়বোৰ নতুনকৈ সমাধান কৰা যে প্ৰয়োজন তাক স্বীকৃতি দিয়া হয় আৰু 'ৰাষ্ট্ৰীয় ৰে'ল সংৰক্ষণ কোষ' স্থাপন কৰাৰ বিষয়ে ঘোষণা কৰা হয়। এই কোষৰ পুঁজিৰ পৰিমাণ পাঁচ বছৰ কালৰ বাবে হ'ল এক লাখ কোটি টকা। চৰকাৰে মূলধনী পুঁজি যোগান ধৰিব আৰু বাকীখিনি ৰে'ল বিভাগে নিজৰ ৰাজহ আৰু অন্য উৎসৰ পৰা যোগাৰ কৰিব। চৰকাৰে কোষৰ পৰা পুঁজি প্ৰদান কৰিব লগা বিভিন্ন সুৰক্ষা সাধনৰ কাম-কাজসমূহ ৰূপায়ণ কৰিবৰ অৰ্থে স্পষ্ট নীতি-নিৰ্দেশনা আৰু সময়-সীমা বান্ধি দিব। সুৰক্ষা সক্ষমতা আৰু সেইটো কেনে ধৰণে অটুট ৰাখিব লাগিব সেই সম্বন্ধীয় কাম-কাজ আৰু অভ্যাসৰাজি পূৰ্ণ কৰিবৰ বাবে আন্তৰ্জাতিক ক্ষেত্ৰৰ বিশেষজ্ঞৰ সহায়ো কামত লগোৱা হ'ব। এয়া হ'ল এটা সাহসী পদক্ষেপ আৰু সময়োচিত চিন্তা। এই কাম হাতত লোৱাৰ এয়েই সময়। কিছুমান বিষয়ৰ ক্ষেত্ৰত কাৰ্য সাধন কৰাৰ প্ৰয়োজন হৈছে। যি 'আই চি এফ' আৰ্হিৰে দবাসমূহ নিৰ্মাণ কৰা হয় তাৰ ঠাইত আধুনিক 'এল এই বি' আৰ্হিৰে তেনে দবা নিৰ্মাণ কৰা, ৰে'ল লাইনত ফাট মেলা আৰু অন্য দোষ-ত্ৰুটী আগতীয়াকৈ ধৰা পেলাবৰ কাৰণে স্বয়ংক্ৰিয় প্ৰযুক্তিৰ প্ৰচলন, দীৰ্ঘকালৰ পৰা অধিক বোজা বহন কৰা কিছুমান দলঙৰ গতি-প্ৰকৃতিলৈ চাই তেনে দলঙৰ ঠাইত নতুন দলঙৰ ব্যৱস্থা কৰা, নিৰাপদজনক ছিগনেলিং অৰ্থাৎ সংকেত প্ৰদান পদ্ধতিৰ ব্যৱস্থা আৰু অতি পুৰণি 'ৰুট (পথ) ৰিলে' ইণ্টাৰলকিং' পদ্ধতিক নতুন কৰা উল্লেখযোগ্য বিষয়। বিগত কেইবছৰমানত বিনা কৰ্মীৰে পৰিচালনা কৰা লেভেল ক্ৰছিংসমূহত যথেষ্টভাৱে দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পায়। বৰ্তমানৰ বাজেটখনত ২০২০ চনৰ ভিতৰত তেনে লেভেল ক্ৰছিং (অৰ্থাৎ বিনা কৰ্মীৰে পৰিচালনা কৰা) সম্পূৰ্ণভাৱে উঠাই লোৱাৰ বিষয়টো ধৰা হৈছে আৰু কৰ্মীৰদ্বাৰা পৰিচালিত লেভেল ক্ৰছিংসমূহত নতুন ব্যৱস্থা গ্ৰহণৰ কাম যথেষ্টভাৱে বৃদ্ধি পাব। তাৰ ঠাইত ৰাস্তাৰ ওপৰৰ দলং আৰু ৰাস্তাৰ তলৰ দলঙেৰে সেই কাম সাধন কৰিব। দবাৰ ভিতৰত নিৰাপত্তা ব্যৱস্থাৰ ক্ষেত্ৰত কিছু উপায় অৱলম্বন কৰাৰো সম্ভাৱনা আছে। দবাৰ ভিতৰত থকা সা-সামগ্ৰীবোৰত যাতে অগ্নি প্ৰতিহত কৰিব পৰা যায় তাৰ উন্নতি সাধনৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰাৰ কথা চিন্তা কৰা হৈছে।

'ৰাষ্ট্ৰীয় ৰে'ল সংৰক্ষণ কোষ'ৰ পুঁজি ৰাজহ তথা মূলধনী ব্যয় উভয়ৰ পৰা যোগান ধৰা হয়। ইয়াৰ বাবে ১,০০০ কোটি টকা ৰাজহ শিতানৰ পৰা ধাৰ্য কৰা হৈছে আৰু ১৯,০০০ কোটি টকা মূলধনী বিত্তৰ ফালৰ পৰা দিয়া হৈছে। কোষৰ আঁচনিসমূহ নিৰ্দিষ্টভাৱে তালিকাভুক্ত কৰা হ'ব।

**পুঁজি আৰু বিকাশমূলক কাম-কাজ ঃ**

বৰ্তমানৰ বাজেটত পৰিকল্পনাৰ আবণ্টন ৰাশি যথেষ্টভাৱে বৃদ্ধি কৰা হৈছে। এই বৃদ্ধিৰ পৰিমাণ হ'ল ১২১,০০০ কোটি টকাৰ পৰা ১৩১,০০০ কোটি টকা। একে সময়তে মুঠ বাজেট সমৰ্থনৰ ধনৰাশিও ৪৬,৩৫৫ কোটি টকাৰ পৰা ৫৫,০০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। অতিৰিক্ত বাজেট সম্পদৰাজি বৃদ্ধি কৰাৰ ক্ষেত্ৰতো আধিক্য আৰোপ কৰা দেখা গৈছে।

**কোটি টকা হিচাবত**

| বৰ্ষ | পৰিকল্পনা আবণ্টন ৰাশি | জি বি এছ | অতিৰিক্ত বাজেট সম্পদৰাজি | আভ্যন্তৰীণ সম্পদ উদ্ৰেক |
|---|---|---|---|---|
| ২০১১-১২ | ৪৫,০৬১ | ২১,০৭৩ | ১৪,৭৯০ | ৯,১৯৮ |
| ২০১২-১৩ | ৫০,৩৮৩ | ২৫,২৩৪ | ১৫,১৪২ | ১০,০০৭ |
| ২০১৩-১৪ | ৫৩,৯৮৪ | ২৮,১৭৪ | ১৫,২২৫ | ১০,৫৯০ |
| ২০১৪-১৫ | ৬৫,৭৯৮ | ৩১,৫৯৬ | ১৭,৭৮৮ | ১৬,৪১৪ |
| ২০১৫-১৬ | ৯৩,৫২০ | ৩৫,০০৭ | ৩৯,০০৬* | ১৯,৪৪৬ |
| ২০১৬-১৭ | ১২১,০০০ | ৪৬,৩৫৫ | ৫৯,৯৩০ | ১৪,৭১৫ |
| ২০১৭-১৮ | ১৩১,০০০ | ৫৫,০০০ | ৬২,০০০ | ১৪,০০০ |

ইয়াত ১৭,১৩৬ কোটি টকাৰ প্ৰতিষ্ঠানমূলক বিত্তত অন্তৰ্ভুক্ত। পুঁজি উদ্ৰেককৰণৰ এই নতুন পদ্ধতি পোন প্ৰথমবাৰৰ বাবে প্ৰয়াস কৰা হৈছিল। তাৰ পিছত ই এক নিয়মীয়া বিষয় হৈ পৰে— যি পৰৱৰ্তী দুটা বছৰৰ সংখ্যাৰ পৰা পৰিলক্ষিত হোৱা দেখা যায়।

## প্ৰাপ্তি আৰু ব্যয়ৰ ক্ষেত্ৰত এক দৃষ্টিপাত

(কোটি টকা হিচাপত)

| ক্ৰমিক সংখ্যা | বিষয় | প্ৰকৃত ২০১৫-১৬ | বাজেট ২০১৬-১৭ | পুনৰবৰ্দ্ধিত ২০১৬-১৭ | বাজেট ২০১৭-১৮ |
|---|---|---|---|---|---|
| | প্ৰাপ্তি | | | | |
| ১ | মুঠ ট্ৰেফিক প্ৰাপ্তি | ১৬৪,৩৩৪ | ১৮৪,৮২০ | ১৭২,১৫৫ | ১৮৮,৯৯৮ |
| ক | যাত্ৰীৰ পৰা প্ৰাপ্তি | ৪৪,২৮৩ | ৬১,০১২ | ৪৮,০০০ | ৫০,১২৫ |
| খ | মাল ভাৰাৰ পৰা প্ৰাপ্তি | ১০৯,২০৮ | ১১৭,৯৩৩ | ১০৮,৯০০ | ১১৮,১৫৭ |
| গ | অন্য দবাৰ প্ৰাপ্তি | ৪,৩৭১ | ৬,১৮৫ | ৫,০০০ | ৬,৪৯৪ |
| ঘ | অন্যান্য কাম-কাজৰ উপাৰ্জন | ৫,৯২৯ | ৯,৫৯০ | ১০,১০০ | ১৪,১২৩ |
| ঙ | ট্ৰেফিক ছাছপেঞ্চ | ৫৪৩ | ১০০ | ১৫৫ | ১০০ |
| ২ | মিশ্ৰিত প্ৰাপ্তি | ৪,০৪৬ | ৪,৪৫১ | ১৫০ | ৫০০ |
| ৩ | মুঠ ৰাজহ প্ৰাপ্তি (১+২) | ১৬৮,৩৮০ | ১৮৯,২৭১ | ১৭২.৩০৫ | ১৮৯,৪৯৬ |
| ৪ | সাধাৰণ ৰাজহৰ পৰা মূলধনী সমৰ্থন | ৩৭,৬০৮ | ৪৫,০০০ | ৪৬,৩৫৫, | ৫৫,০০১ |
| ৫ | মুঠ ৰেলৰে প্ৰাপ্তি+বাজেট সমৰ্থন (৩+৪) | ২০৫,৯৮৮ | ২৩৪,২৭১ | ২১৮,৬৬০ | ২৪৪,৪৯৮ |
| ৬ | অতিৰিক্ত বাজেট সম্পদ | ৩৯,০৬৬ | ৫৯,৩২৫ | ৫৯,৯৩০ | ৬২,০০০ |
| ৭ | মুঠ প্ৰাপ্তি-অঃবাঃ সম্পদকে ধৰি (৫+৬) ব্যয় | ২৪৫,০৫৪ | ২৯৩,৫৯৬ | ২৭৮,৫৯০ | ৩০৬,৪৯৮ |
| ৮ | মুঠ কামৰ ব্যয় ৮কৰ পৰা ৮ গলৈ | ১৪৭,৮৩৬ | ১৬৯,২৬০ | ১৬২,৯৬০ | ১৭৮,৩৫০ |
| ক | সাধাৰণ কাম-কাজৰ ব্যয় | ১০৭,৭৩৬ | ১২৩,৫৬০ | ১২২,৭৬০ | ১২৯,৭৫০ |
| খ | পেঞ্চন পুঁজিলৈ হস্তান্তৰ | ৩৪,৫০০ | ৪২,৫০০ | ৩৫,০০০ | ৪৩,৬০০ |
| গ | মুদ্ৰা অৱনমিত ৰিজাৰ্ভ ফাণ্ডলৈ সমীকৰণ | ৫,৬০০ | ৩,২০০ | ৬,২০০ | ৫,০০০ |
| ৯ | মিশ্ৰিত ব্যয় | ১,৩১৫ | ১,৮০০ | ১,৬৫০ | ২,২০০ |
| ১০ | ৰে'ল ৰাজহৰ পৰা মুঠ ব্যয় (৮+৯) | ১৪৯,১৫১ | ১৭১,০৬০ | ১৬৪,৬১০ | ১৮০,৫৫০ |
| ১১ | ই ডি আৰ আৰু বাজেট সমৰ্থনৰ পৰা হোৱা ব্যয় (৪+৬) | ৭৬,৬৭১ | ১০৪,৩২৫ | ১০৬,২৮৫ | ১১৭,০০০ |
| ১২ | ই বি আৰকে ধৰি মুঠ ব্যয় (১০+১১) | ২২৫,৮২৬ | ১০৪,৩২৫ | ১০৬,২৮৫ | ১১৭,০০০ |
| ১৩ | মুঠ ৰাজহ (৩-১০) | ১৯,২২৮ | ২৭৫,৩৮৫ | ২৭০,৮৯৫ | ২৯৭,৫৫০ |
| ১৪ | পৰিশোধ কৰিব লগা লাভ্যাংশ | ৮,৭২৩ | ১৮,২১১ | ৭,৬৯৫ | ৮,৯৪৮ |
| ১৫ | অতিৰিক্ত/নাটনি (১৩-১৪) | ১০,৫০৬ | ৮,৪৭৯ | ৭,৬৮৫ | ৮,৯৪৮ |
| ১৬ | বিকাশ পুঁজিলৈ সমীকৰণ | ১,২২০ | ২,৫১৫ | ২,৫১৫ | ২,০০০ |
| ১৭ | মূলধনী পুঁজিলৈ সমীকৰণ | ৫,৭৯৮ | ৫,৭৫০ | ৫,১৮০ | ৫,৯৪৮ |
| ১৮ | ঋণ সেৱা পুঁজিলৈ সমীকৰণ | ৩,৪৮৮ | ২১৪ | | |
| ১৯ | ৰাষ্ট্ৰীয় ৰে'ল সংৰক্ষা কোষলৈ সমীকৰণ | | | | ১০০০ |
| ২০ | কাৰ্য চালনাৰ সমানুপাত | ৯০.৫% | ৯২.০% | ৯৪.৯% | ৯৪.৬% |

***টোকা ঃ** উপৰিউক্ত সংখ্যাবোৰত থকা দশমিক পৰৱৰ্তী সংখ্যালৈ ৰূপান্তৰিত কৰা হয়

পিছে আভ্যন্তৰীণ সম্পদ উদ্ৰেকৰ স্তৰ ১৪,০০০ কোটি টকাত ৰখা হৈছে। এয়া যোৱা বছৰৰ ১৪,৭১৫ কোটি টকাতকৈ সামান্য কম। মুঠ বাজেট সমৰ্থন (জিবিএছ), অতিৰিক্ত বাজেট সম্পদৰাজি আৰু আভ্যন্তৰীণ সম্পদ উদ্ৰেক সহ পৰিকল্পনা আবণ্টনৰাশিৰ সৱিশেষ তলত দিয়া হ'ল—

ওপৰত উল্লেখ কৰা তালিকাত এইটো দেখা যায় যে পৰিকল্পনা আবণ্টনৰাশি ২০১৪-১৫ বৰ্ষৰ ৬৫,৭৯৮ কোটি টকাৰ পৰা কালছোৱাত প্ৰায় দুগুণ বৃদ্ধি হয়, আৰু সেই বৃদ্ধিৰ পৰিমাণ হ'ল ১৩১,০০০ কোটি টকা। ইয়াৰ পৰা দেশখনৰ জীৱনৰেখা স্বৰূপ ভাৰতীয় ৰেলৰেৰ ক্ষেত্ৰত বিপুল পৰিমাণে বিনিয়োগ কৰাৰ কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰে। ৰে'ল বাজেটৰ চামিলকৰণে ভাৰতীয় ৰে'লৰেৰ লাভ্যাংশৰ ক্ষেত্ৰত থকা আশংকা বিলোপ কৰে আৰু ইয়াৰদ্বাৰাই প্ৰায় ১০,০০০ কোটি টকাৰ অতিৰিক্ত প্ৰাপ্তৰ ফল সূচায়। এয়া হ'ব বছৰৰ পিছত বছৰ ধৰি পুনঃ পুনঃ পোৱা লাভ ৰাশি।

কামৰ তালিকাখন বেচ মনোগ্ৰাহী আৰু ই ৰে'লৰেৰ বিকাশ সাধনৰ মূল ক্ষেত্ৰবোৰক সামৰি লৈছে। বাজেটৰ লক্ষ্য হ'ল ২০১৬-১৭ বৰ্ষৰ ২৮০০ কিলোমিটাৰ ৰে'ল পথৰ তুলনাত ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ৩৫০০ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণ কৰা। বৈদ্যুতিকৰণৰ ওপৰতো আধিক্য আৰোপ কৰিছে। ২০১৭-১৮ বৰ্ষৰ পুনৰৱৰ্দ্ধিত হিচাপত যি ২০০০ কিলোমিটাৰ ৰে'ল পথত আলোকিত কৰাৰ লক্ষ্য আছিল তাৰ তুলনাত ২০১৭-১৮ বৰ্ষত ৪০০০ কিলোমিটাৰ ৰে'ল পথত এনে ব্যৱস্থা কৰা হ'ব। এইক্ষেত্ৰত অৱলম্বন কৰিবলগা কৌশল পন্থা হ'ল অহা তিনি বছৰৰ ভিতৰত ২০ শতাংশতকৈ 'থ্ৰ' পুট'ৰ মাত্ৰা বৃদ্ধি কৰা। সৰল ভাষাত এই 'থ্ৰ'পুট'ৰ অৰ্থ হ'ল 'টন কিলোমিটাৰ' আৰু 'যাত্ৰী কিলোমিটাৰ' দুয়োটাকে সংযোজন কৰি হিচাপত ধৰা। অন্য এটা বিষয়— যিটোৱে পৰিৱৰ্তন সাধনক প্ৰমাণিত কৰিব— সেয়া হ'ল 'ষ্টেচন ৰিডেভেলপমেণ্ট' অৰ্থাৎ ৰে'ল ষ্টেচনৰ পুনৰ বিকাশ সাধন কৰা। ইয়াৰ আৰম্ভণি ইতিমধ্যে ভূপালৰ ওচৰৰ হবিবগঞ্জ আৰু গান্ধী নগৰত কৰা হৈছে। ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ষ্টেচনৰ পুনৰবিকাশৰ অৰ্থে কমেও ২৫টা ষ্টেচনৰ বাবে ঠিকাৰ কাম প্ৰদান কৰিবলৈ আশা কৰা হৈছে। ৫০০টা ষ্টেচনক লিফ্ট আৰু ইস্কেলেটৰৰ ব্যৱস্থা কৰি 'ভিন্ন ধৰণে সমৰ্থৱান তথা প্ৰিয়' ষ্টেচন কৰি গঢ়ি তোলা হ'ব। মজলীয়া ধৰণৰ সৌৰ শক্তিৰে প্ৰায় ৭০০০টা ষ্টেচনক পৰিপুষ্ট কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এইক্ষেত্ৰত

**(কোটি টকা হিচাপত)**

| বিষয় ভিত্তিক | প্ৰকৃত ধনৰাশি ২০১৫-১৬ | বাজেট ২০১৬-১৭ | পুনৰৱৰ্দ্ধিত ২০১৬-১৭ | বাজেট ২০১৭-১৮ |
|---|---|---|---|---|
| মূলধনী ব্যয় (বাজেট উৎসৰ পৰা) নতুন ৰেলপথ (নিৰ্মাণ) | ১৩,২৪৮ | ১১,৯৬৩ | ১৩,৬৬০ | ১১,৫৩৩ |
| গজ ৰূপান্তৰ | ৩,৪০৭ | ৩,২৭৬ | ৩,৭২১ | ৩,০৯১ |
| দ্বৈত পথ | ২,৯৫০ | ৪,৭৮২ | ১,৪২৩ | ২,৫৪৩ |
| যাতায়াত সুবিধা-য়াৰ্ড ৰিমডেল আৰু অন্যান্য | ৯৮৪ | ১,১২৬ | ১,০৩৬ | ১,৮৫১ |
| চকা, ধুৰা আদি | ৪,২৪০ | ৫,৪৪৮ | ৬,১৫০ | ২,০০৬ |
| লীজত লোৱা সম্পদ-মূলধনী ভাগৰ পেমেণ্ট | ৬,৩২৫ | ৭,০০০ | ৭,০০০ | ৮,০০০ |
| পথ সুৰক্ষাৰ কাম | | | | |
| (ক) লেভেল ক্ৰছিং | ৪৭০ | ৫৫৫ | ৬৭৯ | ৭০৫ |
| (খ) পথৰ ওপৰেদি তথা তলেদি দলং | ২,১৩৩ | ২,৪৪৩ | ৩,০৬৬ | ৪,৫১২ |
| পথ পুনৰনৱীকৰণ | ৫,৫৮৬ | ৪,০০০ | ৬,৭৪০ | ৯,৯৬১ |
| দলঙৰ কাম | ৫২০ | ৫৮৯ | ৫৯২ | ৭৪৬ |
| ছিগনেলিং আৰু টেলিকমৰ কাম | ৮৯৪ | ৯৫৮ | ৯৫৪ | ২,৩৩১ |

**টোকা ঃ** উপৰিউক্ত সংখ্যাবোৰত থকা দশমিক পৰৱৰ্তী সংখ্যালৈ ৰূপান্তৰিত কৰা হয়

৩০০টা ষ্টেচনত ইতিমধ্যে ইয়াৰ কাম আৰম্ভ কৰা হৈছে। ১০০০ মেগাৱাট সৌৰ মিছনৰ অংশ ৰূপে ২০০০টা ৰে'ল ষ্টেচনৰ বাবে কাম হাতত লোৱা হ'ব। পৰ্যটন আৰু তীৰ্থ যাত্ৰীৰ বাবে উছৰ্গিত ৰে'ল সেৱা প্ৰচলন কৰিবলৈও পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই উল্লিখিত সকলোবোৰ এলেকাত ক্ষেত্ৰ পৰ্যায়ৰ কাম হাতত লোৱা পৰিলক্ষিত হৈছে, কিয়নো যোজনাসমূহৰ ৰূপ-ৰেখা প্ৰতিফলিত হ'বলৈ আৰম্ভ কৰিছে। ৰাজ্য চৰকাৰসমূহৰ স'তে যুটীয়া উদ্যোগৰ বাবে স্বাক্ষৰিত কৰি এটা নতুন কৌশল ব্যৱস্থাৰ দিহা কৰা হৈছে। এই ব্যৱস্থাই ৰাজ্য চৰকাৰৰ সমৰ্থনৰে যোজনাৰ পুঁজি আৰু খৰতকীয়া কাৰ্যকৰণৰ বাবে সুবিধা প্ৰদান কৰিব। ৰে'ল বিভাগে ৯ খন ৰাজ্য চৰকাৰৰ স'তে যুটীয়া উদ্যোগ স্থাপন কৰিব। ৭০টা প্ৰকল্প নিৰ্মাণ তথা বিকাশ সাধনৰ বাবে চিহ্নিত কৰা হৈছে।

**পৰিষ্কাৰ-পৰিচ্ছন্নতা ঃ**

ভাৰতীয় ৰেলৱেৰ সন্দৰ্ভত স্বচ্ছ ভাৰত অভিযানৰ অধীনত পৰিষ্কাৰ-পৰিচ্ছন্নতা হ'ল এটা শক্তিশালী আলোকপাতৰ ক্ষেত্ৰ। ভাৰতীয় ৰেলৱেৰ কাৰণে ইয়াৰ অৰ্থ হ'ল 'স্বচ্ছ ৰে'ল'ৰ ওপৰত পুনৰ নকৈ আলোকপাত কৰা। ৰেলৱে প্লেটফৰ্মসমূহৰ ওপৰত আৰু ভ্ৰাম্যমান ৰে'লগাড়ীসমূহত পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা প্ৰয়াসৰ কাম এতিয়া দৃষ্টিগোচৰ হয়। এছ এম এছ ভিত্তিক 'ক্লীন মাই ক'চ ছাৰ্ভিচ'-এ এতিয়া জনপ্ৰিয়তা লাভ কৰিছে। বাজেটত এতিয়া 'ক'চ মিত্ৰ'ৰ সুবিধাৰ সম প্ৰচলন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এয়া হ'ল সকলো যাত্ৰীবাহী ৰে'ল দবা সম্পৰ্কিত প্ৰয়োজনীয়তাসমূহ পঞ্জীয়ন কৰাৰ এটা ছিংগল উইণ্ডো ব্যৱস্থা। ৰেল ষ্টেচনসমূহত গাড়ীৰ পৰা মল ত্যাগ কৰা কাৰ্য হ'ল এটা অতি সৰ্বসাধাৰণ দৃশ্য। ই কেৱল দুখলগা দৃশ্যই উপস্থাপন নকৰে, তদুপৰি ই ৰে'লৰ প্ৰতিও এটা চিন্তাজনক বিষয় হৈ পৰে। এনে দিশবোৰলৈ চাই বাজেটত ২০১৯ চনৰ ভিতৰত সকলোবোৰ দবাতেই বায়'-টয়লেটৰ ব্যৱস্থা কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে এই নতুন পৰীক্ষামূলক কাম সম্পূৰ্ণ হৈ উঠিলে সমগ্ৰ দৃশ্যপটেই পৰিৱৰ্তন হ'ব। এনে প্ৰয়াস অব্যাহত ৰাখিবৰ কাৰণে বাজেটত পৰিৱেশ অনুকূল সংযন্ত্ৰৰ বিষয়েও উল্লেখ কৰা হৈছে। পৰীক্ষা ভিত্তিক এই সংযন্ত্ৰই ত্যাগ কৰা মলবোৰ গত লগোৱা আৰু জৈৱ-পতননাশকসমূহ পেলনীয়া সামগ্ৰীবোৰ (বায়'-ডিগ্ৰেডেবল ওৱাষ্ট) শক্তিলৈ ৰূপান্তৰ কৰাৰ বিষয়েও ভবা হৈছে আৰু এই সন্দৰ্ভত নতুন দিল্লী তথা জয়পুৰ ৰেল ষ্টেচনত তেনে সংযন্ত্ৰ স্থাপন কৰিবলৈ লোৱা হৈছে। এটা পৰিষ্কাৰ ষ্টেচনত জাবৰ নিষ্কাসন ব্যৱস্থাও থাকিব— যাৰদ্বাৰাই ষ্টেচনৰ চাৰিওফালে থকা ঠাইবোৰো চাফ-চিকুণ হৈ থাকিব।

**বিত্ত আৰু গাণনিক সংস্কাৰ ঃ**

সঠিক গণনাভিত্তিক বিত্তীয় বিবৃতিৰ ব্যৱস্থা ২০১৯ চনৰ মাৰ্চৰ ভিতৰত উলিওৱা হ'ব। এই গণনাভিত্তিক ব্যৱস্থাৰ অধীনত উপাৰ্জিত ধনৰাশিৰ আয় বিবৃতি সন্দৰ্ভত ৰাজহৰ বিষয়েও উল্লেখ কৰা হয়। হিচাপ গণনাৰ নগদ ধনৰ আধাৰত যেতিয়া নগদ ধন লাভ কৰা হয়, সেই সম্পৰ্কীয় আয় বিবৃতিত ৰাজহৰ বিষয়েও উল্লেখ থাকে। কিন্তু সঠিক গণনাভিত্তিক ব্যৱস্থাৰ মূল সুবিধাৰ বিষয়টো হ'ল সম্পৰ্কিত ব্যয় ৰাশিৰ স'তে ৰাজহ ভাগৰ ৰিজনিয়ে ঠাই পায়— যাতে এটা কাৰবাৰৰ লেনদেনৰ সম্পূৰ্ণ প্ৰভাৱ একক প্ৰতিবেদনৰ কালৰ ভিতৰতে চাব পাৰি। এই গাণনিক সংস্কাৰ ব্যৱস্থা ৰেলৱেক আগবঢ়োৱা প্ৰতিটো সেৱাৰ মূল্যৰ বিষয়ে সঠিকভাৱে গণনা কৰিবলৈ সমৰ্থনৱান কৰি তুলিব।

এই বাজেটখনত ভাৰা বৃদ্ধি কৰা হোৱা নাই। তাৰ পৰিৱৰ্তে যাত্ৰীসকলৰ মাজত ডিজিটেল অভ্যাসক উৎসাহিত কৰিবৰ কাৰণে 'আই আৰ চি টি চি'ৰ জৰিয়তে বুক কৰা ই-টিকটৰ ওপৰত সেৱা মাচুল উঠাই লোৱা হৈছে। এয়া এটা আদৰণীয় ব্যৱস্থা। ৰেলৱেৰ তিনিটা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ শ্বেয়াৰসমূহ ষ্টক এক্‌চ্চেইঞ্জত তালিকাভুক্ত কৰিবলৈ প্ৰস্তাৱ কৰা হয়। সেই উদ্যোগকেইটা হ'ল— আই আৰ এফ চি, আই আৰ চি অ' এন তথা আই আৰ চি টি চি।

**প্ৰাপ্তি আৰু ব্যয় ঃ**

ৰে'ল বাজেটৰ ক্ষেত্ৰত আলোকপাত কৰিবলগা বিষয়বোৰৰ সম্পৰ্কে আলোচনা কৰাৰ পিছত ২০১৭-১৮ বৰ্ষৰ প্ৰাপ্তি আৰু ব্যয় ৰাশিৰ স্থিতি কেনেধৰণৰ চাওঁ আহক। সেইটো তালিকাত দিয়া হ'ল (সিপিঠিত)।

২০১৭-১৮ বৰ্ষৰ বাজেটৰ আনুমানিক হিচাপত যি মুঠ ১৮৮,৯৮৮ কোটি টকা যান-বাহনৰ (অৰ্থাৎ পণ্য সামগ্ৰী আৰু যাত্ৰী আহ-যাহ কৰা) বাবদ ধৰা হৈছে সেয়া ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ তুলনাত ১৬,৮৪৩ কোটি টকা অধিক। এই পুনৰবৰ্দ্ধিত মূল্যৰ পৰিমাণ আছিল ১৭২,১৫৬ কোটি টকা আৰু ২০১৬-১৭ বৰ্ষৰ আনুমানিক বাজেট হিচাপৰ তুলনাত বৰ্তমানৰ বাজেটখনৰ (আনুমানিক) ধনৰাশি ৪,১৭৮ কোটি টকা অধিক।

যাত্ৰীৰ বাবদ হোৱা উপাৰ্জন ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ তুলনাত ২,১২৫ কোটি টকা অধিক, কিন্তু ২০১৬-১৭ বৰ্ষৰ বাজেটৰ আনুমানিক হিচাপৰ তুলনাত ৮৮৭ কোটি টকাতকৈ কম। সেই একেদৰে বৰ্তমানৰ বাজেটৰ (২০১৭-১৮) আনুমানিক হিচাপত মাল-ভাৰাৰ উপাৰ্জন ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ তুলনাত ৯,২৫৬ কোটি টকা অধিক আৰু ২০১৬-১৭ বৰ্ষৰ বাজেট আনুমানিক হিচাপৰ তুলনাত ২২৪ কোটি টকা অধিক। অন্য বিষয়ত সেৱা আগবঢ়োৱা উপাৰ্জনৰ পৰিমাণ (চলিত বৰ্ষৰ বাজেটত) যথেষ্ট বৃদ্ধিৰ আশা আছে। ইয়াৰ পৰিমাণ হ'ল ১৪,১২২ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ তুলনাত ৪,০৩২ কোটি টকাতকৈ অধিক। উল্লিখিত এই সকলোবোৰ পৰিসংখ্যাৰ পৰা এইটো প্ৰকট হৈ পৰিছে যে উপাৰ্জনৰ ধনৰাশি এটা বাস্তৱ স্তৰত ৰখা হৈছে। অধিক অভিলাষী স্তৰলৈ যোৱা নাই। সৰ্বমুঠ প্ৰাপ্তিৰ পৰিমাণ (মূলধন আৰু ৰাজহকে ধৰি) হ'ল ৩০৬,৪৯৮ কোটি টকা। এয়া ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ মূল্যতকৈ ২৭,৯০৮ কোটি টকাৰ অধিক। তেনেদৰে ২০১৬-১৭ বৰ্ষৰ বাজেটৰ আনুমানিক ধনৰাশিতকৈ অনেক বেছি। সেই ধনৰাশিৰ পৰিমাণ আছিল ১২,৯০৩ কোটি টকা।

ৰাজহ ব্যয়ৰ পৰিমাণ বাস্তৱ সন্মতভাৱেই নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াৰ আনুমানিক পৰিমাণ হ'ল ১৭৮,৩৫০ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত পৰিমাণতকৈ কিছু বৃদ্ধি কৰা হৈছে। সেই পৰিমাণ আছিল ১৫,৩৯০ কোটি টকা। সাধাৰণ কাম-কাজৰ ব্যয়ৰ ক্ষেত্ৰত ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপত ১২২,৭৬০ কোটি টকাৰ ভিতৰত ৰাখি ৰেলৱেই ভাল কৰে। এয়া সেই বছৰৰ বাজেটৰ আনুমানিক হিচাবৰ তুলনাত ৮০০ কোটি টকা কম। ২০১৭-১৮ বৰ্ষৰ বাজেটত সাধাৰণ কাম-কাজৰ ব্যয়ৰ লক্ষ্য পৰিমাণ হ'ল ১২৯,৭৫০ কোটি টকা, ইয়াৰ মুঠ ৰাজহ পৰিমাণৰ লক্ষ্য হ'ল ৮,৯৪৮ কোটি টকা। এয়া ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ তুলনাত ১,২৫৩ কোটি টকাতকৈ অধিক। পিছে এয়া ২০১৫-১৬ বৰ্ষৰ প্ৰকৃত ৰাজহ পৰিমাণতকৈ বহুত কম। তেতিয়াৰ মুঠ ৰাজহ পৰিমাণ আছিল ১৯,২২৮ কোটি টকা। চলিত বৰ্ষৰ বাজেটত কাৰ্যকৰণৰ সমানুপাত হাৰ ৯৪.৬ শতাংশত থিৰ কৰা হৈছে। এয়া ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত সমানুপাত হাৰতকৈ কিছু কম। সেই বৰ্ষটোত এই হাৰ আছিল ৯৪.৯ শতাংশ। কাৰ্যকৰণ ব্যৱস্থা সঠিকভাৱে অটুট ৰখাটো হ'ল এটা প্ৰত্যাহ্বানমূলক কাম। সময়-স্থিতি-পৰিৱেশ আদিলৈ চাই এইটো নিৰ্ভৰ কৰে। যোৱা বছৰ বহু ভাল আছিল। ডিচেম্বৰৰ অন্তত এই সমানুপাতৰ হাৰ আছিল ১০৯.৬ শতাংশ। এতিয়াৰ বাজেটত এই স্থিতিৰ প্ৰতি মনোযোগ দিয়া হৈছে। এই সন্দৰ্ভত এইটো ভৰা হৈছে যে ৰে'লৰ ভাৰা সংক্ৰান্তীয় বিষয় নিৰ্দিষ্ট কৰা হ'ব। তাৰ বাবে খৰচ, গুণগত সেৱা, সামাজিক বাধ্যবাধকতা আৰু অন্যান্য পৰিবহণ ব্যৱস্থাৰ পৰা অহা প্ৰতিযোগিতাৰ বিষয়বোৰ বিবেচনা কৰা হ'ব।

নিৰ্বাচিত গুৰুত্বপূৰ্ণ এলেকাসমূহত ৰেলৱেৰ বিকাশ কাম-কাজৰ মূলধনী ব্যয় তলত দিয়া হ'ল।

তালিকাখনত এইটো পৰিলক্ষিত হয় যে নতুন ৰে'লপথ নিৰ্মাণৰ বাবে কৰা আবণ্টনৰাশিৰ পৰিমাণ কিছু হ্ৰাস পায়। সেই পৰিমাণ হ'ল ১১,৫৩৩ কোটি টকা। গজ ৰূপান্তৰ সাধনৰ ক্ষেত্ৰতো আবণ্টন ৰাশি ৩,০৯১ কোটি টকালৈ হ্ৰাস পায়, কিয়নো গজ ৰূপান্তৰ সাধনৰ কাম সম্পূৰ্ণ কৰিবলৈ বেছি বাকী থকা নাই। দ্বৈত ৰে'লপথ আৰু যাতায়াতৰ সা-সুবিধাৰ ক্ষেত্ৰত আবণ্টন ৰাশিৰ পৰিমাণ বৃদ্ধি পাইছে, কিয়নো এই দুই শ্ৰেণীৰ ব্যৱস্থাই চাল-চলনত অধিক গতিশীলতা প্ৰদান কৰে। দ্বৈত ৰেলপথৰ আবণ্টন ৰাশি হ'ল ২,৫৪৩ কোটি টকা (এয়া ২০১৬-১৭) বৰ্ষৰ পুনৰবৰ্দ্ধিত আবণ্টনৰ পৰিমাণ আছিল ১,৪২৩ কোটি টকা। তেনেদৰে যাতায়াতৰ সা-সুবিধাৰ কাৰণে আবণ্টন ৰাশিৰ পৰিমাণ ১,৮৫১ কোটি টকালৈ বঢ়াই দিয়া হৈছে। এয়া ২০১৬-১৭ বৰ্ষৰ

**সুৰক্ষা সম্পৰ্কিত কাম-কাজৰ ক্ষেত্ৰত ব্যয়**

কোটি টকা হিচাপত

| বিষয় | বাজেট ২০১৬-১৭ | পুনৰবৰ্দ্ধিত ২০১৬-১৭ | বাজেট ২০১৭-১৮ |
|---|---|---|---|
| **ৰাজহ ব্যয়** | | | |
| পথ চোৰা-চিতা আৰু ভালদৰে ৰখা | ১৩,৭১২ | ১৩,৫৩৯ | ১৩,৭৫৯ |
| ল'ক'ম'টিভ | ৬,৩১৮ | ৬,১০৮ | ৬,২০৪ |
| মাল দবা আৰু ওৱেগন | ১৪,৩১২ | ১৪,৩৫১ | ১৪,৭৩৪ |
| সংযন্ত্ৰ আৰু সা-সৰঞ্জাম | ৮,১১২ | ৭,৮৩২ | ৭,৯৪৭ |
| ট্ৰেফিক | ৩৫ | ৩৫ | ৩৫ |
| সৰ্বমুঠ ৰাজহ (সুৰক্ষা) | ৪২,৪৮৯ | ৪১,৮৬৫ | ৪২,৬৭৯ |

পুনৰবৰ্দ্ধিত পৰিমাণতকৈ যথেষ্ট অধিক। তেতিয়াৰ সেই পৰিমাণ আছিল ১,০৩৬ কোটি টকা। পথ সুৰক্ষা সাধন কামৰ বাবেও ধনৰাশিৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰা হয়— বিশেষকৈ পথৰ ওপৰেদি আৰু তলেদি দলং নিৰ্মাণ কৰাৰ ক্ষেত্ৰত। ইয়াৰ আবণ্টনৰাশিৰ পৰিমাণ ৩,০৬৬ কোটি টকাৰ পৰা ৪,৫১২ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ৰেলপথ নৱীকৰণৰ ক্ষেত্ৰত বাজেট আবণ্টনৰ পৰিমাণ যথেষ্টভাৱে বৃদ্ধি কৰা হৈছে। ২০১৬-১৭ বৰ্ষৰ বাজেটত এই আবণ্টন পৰিমাণ আছিল ৪,০০০ কোটি টকা, কিন্তু পুনৰবৰ্দ্ধিত হিচাপত এই পৰিমাণ ৬,৭৪০ কোটি টকালৈ বঢ়াই দিয়া হৈছিল। এতিয়া অৰ্থাৎ ২০১৭-১৮ বৰ্ষৰ বাজেটৰ পৰিমাণ এই শিতানত হ'ল ৯,৯৬১ কোটি টকা। ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে অতি পুৰণি ৰে'লপথসমূহ নতুন কৰাৰ ক্ষেত্ৰত নিষ্ঠাৱান প্ৰয়াস স্পষ্ট হৈ উঠিব। ঠিক তেনেদৰে দলং নিৰ্মাণৰ কাম-কাজৰ আবণ্টন ৰাশিৰ পৰিমাণো ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপত ধাৰ্য কৰা ৫৯২ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষৰ বাজেটত ৭৪৬ কোটি টকা কৰা হয়। ছিগনেলিং অৰ্থাৎ সংকেত প্ৰদান আৰু টেলিকমৰ শিতানতো আবণ্টনৰাশি যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হয়। এই বৃদ্ধিৰ হাৰ প্ৰায় ১৪৫ শতাংশ। ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত ৯৫৪ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষৰ বাজেটত ২,৩৩১ কোটি টকা বৃদ্ধি কৰা হয়।

'ৰাষ্ট্ৰীয় ৰেল সংৰক্ষা কোষ'ৰ বাহিৰে সুৰক্ষা সাধন ব্যৱস্থা উন্নত কৰা অন্যান্য পৰম্পৰাগতভাৱে কৰি অহা প্ৰয়াসসমূহ অব্যাহত থাকিব আৰু উপযুক্তভাৱে ৰূপায়ণো কৰা হ'ব। সুৰক্ষা সম্পৰ্কিত বিষয়বোৰৰ কাৰণে ব্যয় বিভিন্ন শ্ৰেণীৰ অধীনত কৰা হ'ব। তেনে শ্ৰেণীৰ কামবোৰৰ ভিতৰত হ'ল, যেনে— ৰে'লপথ, ল'ক'ম'টিভ, ৰে'লৰ দবা, দলং আৰু ছিগনেলিং সুৰক্ষা সম্পৰ্কিত কাম-কাজ বিষয়ক (ৰাষ্ট্ৰীয় ৰেল সংৰক্ষা কোষৰ অধীনস্থ ব্যয়ৰ পৰা সুকীয়া) ৰাজহৰ অধীনত মুঠ আবণ্টনৰাশিৰ পৰিমাণ ৪২,৬৭৯ কোটি টকা কৰা হৈছে। এয়া ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপত ধৰা পৰিমাণতকৈ ৮১৪ কোটি টকা অধিক। ইয়াৰ সবিশেষ তলত দিয়া হ'ল—

কোটি টকা হিচাপত

| বিষয় | ২০১৫-১৬ | ২০১৬-১৭ | | ২০১৭-১৮ |
|---|---|---|---|---|
| | প্ৰকৃত | আনুমানিক বাজেট | পুনৰবৰ্দ্ধিত | বাজেট |
| পেছেঞ্জাৰ কিঃ মিঃ (নিযুত) | ১,১৪৩,০৩৯ | ১,১৩৭,২৯৮ | ১,১৫৭,৬৩৭ | ১,১৫৯,৯০০ |
| মুঠ ধন কিঃ মিঃ (নিযুত) | ৬৫৪,৪৮১ | ৬৯৪,৬০৭ | ৬২১,২৪৭ | ৬৭৫,৬২২ |

**গতিশীলতাৰ সন্দৰ্ভত দৃষ্টিপাত ঃ**

ৰেলৰে পদ্ধতিত গতিশীলতাৰ উন্নত অৱস্থা 'টন কিলোমিটাৰ' আৰু 'পেছেঞ্জাৰ কিলোমিটাৰ'ৰদ্বাৰা প্ৰতিফলিত হয়। এই দুয়োটা সূচীকেই বৃদ্ধি সাধনৰ বাবে লক্ষ্য কৰা হৈছে। সেইটো তলত উল্লেখ কৰা হ'ল।

বিত্তীয় সম্পদৰাজিয়ে বাজেটৰ চাৰিটা আলোকপাত ক্ষেত্ৰত পৰ্যাপ্তভাৱে সমৰ্থন জনাইছে। নতুনকৈ গঠিত 'ৰাষ্ট্ৰীয় ৰে'ল সংৰক্ষা কোষ'ৰ বাবে যথেষ্ট ব্যৱস্থা আছে। তদুপৰি উপাৰ্জন আৰু ব্যয়ৰ লক্ষ্য তথা বিভিন্ন আঁচনিৰ বাস্তৱিক লক্ষ্য এটা প্ৰকৃত স্তৰত ৰখা হৈছে। নতুন অৱতাৰত বাজেটখনে ভাৰতীয় ৰেলৰেই আগবঢ়োৱা সেৱাসমূহৰ উন্নতি সাধনৰ ক্ষেত্ৰত এটা বৃহৎ ভূমিকা গ্ৰহণ কৰিবলৈ উপক্ৰম কৰিছে, কাৰণ এই ৰেলৰেই হ'ল দেশখনৰ বিকাশ সাধনৰ এটা ইঞ্জিন স্বৰূপ। ❐


**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেট

# আন্তঃগাঁথনি খণ্ডৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্ব

**কৃষ্ণ দেৱ***

২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ ঘাই কাৰ্যসূচী হ'ল ৰূপান্তৰ সাধন, শক্তিশালী আৰু এখন পৰিষ্কাৰ ভাৰত গঢ়ি তোলা। এই কাৰ্যসূচীক আগুৱাই নিবৰ বাবে ছটা নিৰ্দিষ্ট বিষয় সম্পৰ্কে প্ৰস্তাৱ কৰা হৈছে আৰু সেই মতে সেইকেইটা বিষয়ত সমুচিতভাৱে আলোকপাত কৰিবলৈও ভবা হৈছে। সেই বিষয়কেইটাৰ প্ৰধান লক্ষ্য হ'ল কৃষক, গ্ৰাম্য জনগণ, যুৱক, দুখীয়া আৰু অসুবিধাগ্ৰস্ততাত ভোগা লোক, আন্তঃগাঁথনি, বিত্তীয় খণ্ড, ডিজিটেল অৰ্থনীতি, ৰাজহুৱা সেৱা, বিত্তীয় ব্যৱস্থাপনা আৰু কৰ প্ৰশাসন। কাৰ্যসূচী অনুধাৱন আৰু লক্ষ্যত উপনীত হ'বৰ কাৰণে ২০১৭-১৮ বৰ্ষৰ কালছোৱাৰ বাবে ২১,৪৬,৭৩৫ কোটি টকাৰ বাজেট আবণ্টনৰ প্ৰস্তাৱ কৰা হৈছে।

এই বাজেটখনত আন্তঃগাঁথনি খণ্ডৰ ওপৰত অধিকভাৱে আলোকপাত কৰাৰ কাম সুস্পষ্ট— যাৰ লক্ষ্য হ'ল 'কৰ্ম ক্ষমতা, উৎপাদনশীলতা আৰু জীৱনৰ গুণগত দিশৰ উন্নতি সাধা'। ইয়াক লাভ কৰিবৰ বাবে মুঠ আবণ্টনৰ পৰিমাণ ৩,৯৬,১৩৫ কোটি টকা কৰা হৈছে। এয়া হ'ল সৰ্বমুঠ বাজেট আবণ্টনৰ ১৮.৪৫ শতাংশ। পূৰ্বৰ বাজেটতকৈ ১৪ শতাংশ অধিক। যোৱা বছৰ এই আবণ্টনৰাশিৰ পৰিমাণ আছিল ৩,৪৮,৯৫২ কোটি টকা আৰু তাৰ পিছত পুনৰবৰ্দ্ধিত হিচাপত (২০১৬-১৭) ৩,৫৮,৬৩৪ টকালৈ বৃদ্ধি কৰা হৈছিল। বিস্তৃত বিৰৰণ ১নং তালিকাত দিয়া হৈছে।

বিত্ত মন্ত্ৰণালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ (আন্তঃগাঁথনি ডিভিজন) দ্বাৰা ৰাজ পত্ৰিকাত মাননিকৃত কৰা মতে (৮ অক্টোবৰ, ২০১৩ চন) আন্তঃগাঁথনি খণ্ডটোত কেবাটাও বিভাগক সামৰি লোৱা হয়। সেই বিভাগবোৰ হ'ল— পৰিবহন, শক্তি, জল আৰু অনাময়, যোগাযোগ আৰু সামাজিক তথা বাণিজ্যিক আন্তঃগাঁথনি।

**১নং তালিকা ঃ ব্যয়ৰাশিৰ সবিশেষ**

(কোটি টকা হিচাপত)

| ক্ৰমিক সংখ্যা | খণ্ড/শিতান | ২০১৬-১৭ (বাজেট) | ২০১৬-১৭ (পুনৰবৰ্দ্ধিত) | ২০১৭-১৮ (বাজেট) |
|---|---|---|---|---|
| ১ | চলিত বজাৰ মূল্যত (২০১১-১২) মুঠ ঘৰুৱা উৎপাদন | ১,৫০,৭৫,৪২৯ | ১,৫০,৭৫,৪২৯ | ১,৬৮,৪৭,৫৪৪ |
| ২ | মুঠ বাজেট ব্যয় | ১৯,৭৮,০৬০ | ২০,১৪,৪০৭ | ২১,৪৬,৭৩৫ |
| ৩ | আন্তঃগাঁথনি শিতানত | ৩,৪৮,৯৫২ | ৩,৫৮,৬৩৪ | ৩,৯৬,১৩৫ |
| ৪ | পৰিবহণ শিতানত | ২,১৬,২৬৮ | ২,১৬,৯০৩ | ২,৪১,৩৮৭ |

উৎস ঃ বাজেট ডকুমেণ্ট ২০১৭-১৮

**পৰিবহণ ঃ**

(১) চলিত বাজেটত (২০১৭-১৮) ৰে'ল, ৰাস্তা, জাহাজ আৰু বিমান বন্দৰকে ধৰি সামগ্ৰিকভাৱে পৰিবহণ খণ্ডত ২,৪১,৩৮৭ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। এয়া হ'ল মুঠ আন্তঃগাঁথনি খণ্ডৰ আবণ্টিত পৰিমাণৰ ৬১শতাংশ। এই অভিলাষী আৰু বিপুল মাত্ৰাৰ বিনিয়োগে দেশখনত অধিক অৰ্থনৈতিক কাম-কাজ উদ্ৰেক আৰু বহুত চাকৰিৰ সা-সুবিধাও সৃষ্টি কৰিব। যদি এইটোৱেই হয়, তেনেহ'লে ই অৰ্থনীতিৰ সমগ্ৰ দৃশ্যপটৰেই পৰিৱৰ্তন সাধন কৰিব আৰু অৰ্থব্যৱস্থাৰ সমগ্ৰ প্ৰক্ৰিয়াক অধিক বিকাশৰ দিশৰ পিনে সক্ষমতাৰে লৈ যাব আৰু উৎপাদনশীলতা তথা জীৱনৰ গুণগত দিশ উন্নতি সাধন কৰাৰ যি লক্ষ্য আছে তাকো লাভ কৰিব। কিন্তু

*লেখক কৃষ্ণ দেৱ আন্তঃগাঁথনি খণ্ডৰ বিশেষজ্ঞ। সম্প্ৰতি তেওঁ স্বতন্ত্ৰীয়া কনচালটেণ্ট ৰূপে কাম কৰি আছে। পৰিকল্পনা আয়োগৰ কনচালটেণ্ট ৰূপেও তেওঁ কাম কৰাৰ অভিজ্ঞতা আছে আৰু একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা তথা বাৰ্ষিক পৰিকল্পনা যুগুতোৱাৰ ক্ষেত্ৰতো তেওঁ নিকটভাৱে জড়িত আছিল। ৰাষ্ট্ৰীয় পৰিবহণ নীতি বিষয়ক উচ্চ পৰ্যায়ৰ কমিটীৰ স'তেও জড়িত দেৱে পৰিবহণ খণ্ডৰ সন্দৰ্ভত দীৰ্ঘকালীন নীতি যুগুতোৱাৰ কামত সহায় কৰিছিল। তদুপৰি তেওঁ বিশ্ব বেংক আৰু ৰাইটছ্ লিমিটেড্‌ৰ বাবেও কাম কৰিছিল।

| ২নং তালিকা ঃ সংশ্লিষ্ট মন্ত্ৰণালয়/বিভাগসমূহৰ আন্তঃগাঁথনি ব্যয় | | | | | |
|---|---|---|---|---|---|
| ক্ৰমিক সংখ্যা | মন্ত্ৰণালয়/বিভাগ | ২০১৫-১৬ (প্ৰকৃত) | ২০১৬-১৭ (বাজেট) | ২০১৬-১৭ (পুনৰবৰ্দ্ধিত) | ২০১৭-১৮ (বাজেট) |
| ১ | পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয় | ৪৬,৯১৩ | ৫৭,৯৭৬ | ৫২,৪৪৭ | ১,৬৪,৮০০ |
| ২ | ৰে'ল মন্ত্ৰণালয় | | | | |
| ৩ | জাহাজ মন্ত্ৰণালয় | ১,৩২৪ | ১,৫৩১ | ১,৪৫৪ | ১,৭৭৩ |
| ৪ | অসামৰিক বিমান মন্ত্ৰণালয় | ৪,১৬৮ | ২,৫৯০ | ৩,৪৫২ | ২,৭০২ |
| ৫ | বিদ্যুৎ মন্ত্ৰণালয় | ৭,৭৩৫ | ১২,২৫৩ | ১০,৪৭৬ | ১৩,৮৮১ |
| ৬ | পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ | ৩১,২৮৭ | ২৯,১৬০ | ৩০,২৪১ | ২৯,১৫৮ |
| ৭ | | | | | |
| ৮ | খোৰাপানী আৰু অনাময় মন্ত্ৰণালয় | ১১,০৮১ | ১৪,০০৯ | ১৬,৫১২ | ২০,০১০ |
| মুঠ বাজেট ব্যয় | | ১৭,৯০,৭৮৩ | ১৯,৭৮,০৬০ | ২০,১৪,৪০৭ | ২১,৪৬,৭৩৫ |
| চলিত বজাৰ মূল্যত (২০১১-১২) মুঠ ঘৰুৱা উৎপাদন | | ১,৩৬,৭৫,৩৩১ | ১,৫০,৭৫,৪২ | ১,৫০,৭৫,৪২৯ | ১,৬৮,৪৭,৫৪৪ |

আনহাতে বহু বৃহৎ প্ৰত্যাহ্বানো আহে— যিবোৰৰ বিষয়ে ব্যৱস্থা গ্ৰহণ কৰা আৱশ্যক আৰু নিৰ্দিষ্ট সময়-সীমাৰ ভিতৰত এইবোৰ কাম সম্পূৰ্ণ কৰা প্ৰয়োজন।

**(ক) পথ ঃ**

পথ খণ্ডৰ বাবে বৰ্তমানৰ বাজেটত আবণ্টনৰ পৰিমাণ বৃদ্ধি কৰা হয়। ইয়াৰ মূল্য হ'ল ৬৪,৯০০ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ বাজেটৰ পৰিমাণ এই শিতানত আছিল ৫৭,৯৭৬ কোটি টকা। শতাংশ হিচাপত পথ খণ্ডৰ চলিত বাজেটৰ (২০১৭-১৮) পৰিমাণ হ'ল পৰিবহণ খণ্ডত নিৰ্দ্ধাৰিত মুঠ আবণ্টন ৰাশিৰ ২৭ শতাংশ। এই ধনৰাশি বৰ্তমানে চলি থকা বিভিন্ন গুৰুত্বপূৰ্ণ যোজনা আৰু কাৰ্যসূচীসমূহত খৰচ কৰা হ'ব আৰু ইয়াত প্ৰস্তাৱিত নতুন লক্ষ্যৰ কামো অন্তৰ্ভুক্ত কৰা হৈছে। সেয়া হ'ল উপকূলীয় সংযোগ সাধনৰ সৰ্বমুঠ ২,০০০ কিলোমিটাৰ পথ— যাৰ বাবে নিৰ্মাণ তথা বিকাশ সাধনৰ কাৰণে ইতিমধ্যে চিনাক্তকৰণ কৰা হৈছে। এই ব্যৱস্থাই বন্দৰ আৰু দূৰ-দূৰণিৰ গাঁওসমূহৰ স'তে ভাল সংযোগ সাধন কৰিব। তদুপৰি ২০১৪-১৫ বৰ্ষৰ পৰা চলিত বৰ্ষলৈকে প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মিত পথৰ মুঠ দৈৰ্ঘ্য হ'ল প্ৰায় ১,৪০,০০০ কিলোমিটাৰ। এই নিৰ্মিত পথছোৱা পূৰ্বৰ তিনি বছৰ কালত নিৰ্মাণ কৰা পথতকৈ যথেষ্ট ওখ।

তদুপৰি এক উপযুক্ত বহু আৰ্হি পৰিচালনা তথা পৰিবহণ খণ্ডই অৰ্থনীতিক অধিক প্ৰতিযোগিতামুখী কৰি তুলিব। তেনে সকলোবোৰ আনুষংগিক বিষয়ৰ প্ৰয়োজনীয়তা পূৰ কৰা পাৰ্কছৰ বিকাশৰ অৰ্থে এটা নিৰ্দিষ্ট কাৰ্যসূচী তৈয়াৰ কৰি ৰূপায়ণ কৰা হ'ব। ইয়াৰ লগত বহু গুৰুত্বপূৰ্ণ পৰিবহণৰ সা-সুবিধাও থাকিব। এনে পাৰ্ক আৰু পৰিবহনৰ সা-সুবিধাৰ বিষয়টো দীৰ্ঘ দিনৰ পৰা অনুভৱ কৰি অহা হয়, কিন্তু কাৰ্যত পৰিণত কৰিবৰ কাৰণে বহু বছৰ পাৰ হৈ যায়। সেয়ে এতিয়া ইয়াৰ বাবে গ্ৰহণ কৰিব লগা ব্যৱস্থা এটা আদৰণীয় পদক্ষেপ।

প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ কাম আগতকৈও অধিক খৰতকীয়াকৈ কৰিবলৈ লোৱা হৈছে আৰু তাৰ গতিময়তা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এই যোজনাৰ অধীনত পথৰ সংযোগ সাধনৰ কাম প্ৰায় দুগুণ হৈছে আৰু ২০১৬-১৭ বৰ্ষৰ কালছোৱাত প্ৰতিদিনে ১৩৩ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হয়। এয়া বেচ আশাপ্ৰদ কাৰ্য, কিয়নো ২০১১-২০১৪ বৰ্ষৰ কালছোৱাত গড় হিচাপে ৭৩ কিলোমিটাৰ পথহে নিৰ্মাণ কৰা হৈছিল। চৰকাৰে দুৰ্গম অঞ্চলৰ বসতিস্থলকো সংযোগ কৰাৰ কাম হাতত লৈছে। বামপন্থী উগ্ৰবাদৰ কাৰ্যকলাপেৰে আক্ৰান্ত খণ্ডবোৰত এশজন লোকতকৈ অধিক থকা বসতিস্থলসমূহত এনে পথৰ সংযোগৰ কাম আগবাঢ়িছে।

এই যোজনাৰ অধীনত স্থিৰ কৰা লক্ষ্যক ২০১৯ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই অভিলাষী তথা গুৰুত্বপূৰ্ণ কাম সম্পূৰ্ণ কৰিবৰ বাবে বাজেটত ১৯,০০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ৰাজ্যসমূহৰ বৰঙণিকে ধৰি গ্ৰাম চড়ক যোজনাত ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ২৭,০০০ কোটি টকা ব্যয় কৰা হ'ব।

আৰু এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ৰাষ্ট্ৰীয় ঘাইপথ বিকাশ যোজনাৰ ব্যতিক্ৰমমূলক দিশটো। সেয়া হ'ল পথ নেটৱৰ্কৰ বিস্তাৰিত কৰাৰ ওপৰত আলোকপাত কৰা— যাতে নেটৱৰ্কৰ ক্ষমতা বৃদ্ধি কৰাতকৈ সংযোগ সাধন ব্যৱস্থাৰ উন্নতি সাধন হয়। এই খণ্ডটোত সন্মুখীন হ'বলগা ডাঙৰ বাধা-বিঘিনিবোৰ হ'ল— ঠিকা প্ৰদান কৰিবৰ বাবে অসম্ভৱ ধৰণৰ সময় লাগে, মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত দেখা দিয়া জটিলতা, পৰিৱেশৰ ক্ষেত্ৰত সেউজসংকেত লাভ কৰাৰ কঠিনতা আৰু নিৰ্মাণ কাৰ্যৰ ক্ষমতাৰ ক্ষেত্ৰত সঘনে দেখা দিয়া নাটনি।

যিবোৰ পথেদি মটৰ, মালবাহী গাড়ী আদি চলাচল কৰে আৰু অন্য সাধাৰণ বাহন যেনে— চাইকেল, তিনিচকীয়া ৰিক্সা, ঘোঁৰা গাড়ী আদিও অহা-যোৱা কৰে সেইবোৰ পথৰ অৱস্থা সচৰাচৰ ভাল কৰি ৰখাৰ প্ৰয়োজন আৰু সেই বিষয়ত আধিক্য আৰোপ কৰাও দৰকাৰ— বিশেষকৈ সামাজিক প্ৰয়োজনীয়তালৈ চাই পথচাৰীসকলৰ অবাধ চলাচলত যাতে কোনো বাধা নপৰে, পশুধনৰ চাল-চলনো নিৰাপদজনক হয়। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ক্ষেত্ৰত ক'বলৈ গ'লে গ্ৰাম্য এলেকাবোৰ যথেষ্টভাৱে উপকৃত হৈছে; কিয়নো এই আঁচনিখনে যাতায়াতৰ বৰ্দ্ধিত চাহিদা পূৰণ কৰিবৰ বাবে গ্ৰাম্য পথসমূহৰ মান উন্নতি তথা নতুন সংযোগ সাধনত গুৰুত্ব আৰোপ কৰিছে। তথাপি এইক্ষেত্ৰত যি অভাৱ ৰৈ গৈছে, সেয়া হ'ল গ্ৰাম্য পথসমূহত সকলো বতৰতে চলাচল কৰিব পৰা উপযুক্ত মানৰ অভাৱ। নিষ্ঠা সহকাৰে সেই কাৰ্য সাধন কৰাৰ প্ৰয়াস পৰিলক্ষিত হোৱা দেখা নেযায়।

ইতিমধ্যে এই পৰিস্থিতি উন্নত কৰিবলৈ যি প্ৰচেষ্টাৰ প্ৰয়োজন তাতো বহু বাধা আহি পৰে। তেনে বাধাবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— কামত আগবাঢ়িবৰ কাৰণে সেউজ সংকেত প্ৰদানত বিলম্ব, বিভিন্ন কৰ্তৃপক্ষৰ ওপৰা-উপৰি হস্তক্ষেপ, ব্যক্তিগত খণ্ডক কামত নিয়োগ কৰাৰ ক্ষেত্ৰত বিধিসমূহৰ সঘন পৰিৱৰ্তন, অ-ফলদায়ক ভূমি আইন আৰু দক্ষ কৰ্মীৰ নাটনি।

তদুপৰি পথৰ বিকাশ সাধন বিষয়টোক একাষৰীয়াকৈ চোৱা উচিত নহয়, বৰং ইয়াক পৰিবহণৰ এটা সমন্বিত বহু দিশৰ গুৰুত্বপূৰ্ণ পদ্ধতি ৰূপেহে চোৱা বাঞ্ছনীয় আৰু সেই কাৰণে আঞ্চলিক যাতায়াত ব্যৱস্থা তথা পৰিবহণ সন্দৰ্ভত বিস্তৃত জৰীপ কাৰ্য নিয়মীয়াকৈ হাতত লোৱা আৱশ্যক। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে এনে ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়।

**(খ) বিমান বন্দৰ ঃ**

বিমান বন্দৰ খণ্ডৰ বাজেট আবণ্টনৰ পৰিমাণ বৃদ্ধি পায়। ২০১৬-১৭ বৰ্ষৰ ২,৫৯০ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষৰ বাজেটত ২,৭০২ কোটি টকা ধাৰ্য কৰা হৈছে। কিন্তু ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ ধাৰ্য ধনৰাশিক লেখত ধৰিলে চলিত বৰ্ষৰ আবণ্টন পৰিমাণ হ্ৰাস পায়। বিগত বৰ্ষত এই পুনৰবৰ্দ্ধিত পৰিমাণ আছিল ৩,৪৫২ কোটি টকা। এনে বৃদ্ধিয়ে এইটোকেই সংকেত প্ৰদান কৰে যে খণ্ডটোক সৰহ পৰিমাণৰ ধনৰাশি আৱশ্যক, কিয়নো বিভিন্ন কাম-কাজত ইয়াক কামত লগোৱাৰ ক্ষমতা আছে— যিবোৰে তাৰ মান উন্নীত কৰিব পাৰে। যোৱা ২০ বছৰ কালত ভাৰতীয় বিমান উদ্যোগৰ নাটকীয়ভাৱে পৰিৱৰ্তন সাধন হৈছে। নতুন এয়াৰ লাইনছবোৰে নতুন নতুন পথ মুকলি কৰিছে দেশখনৰ ভিতৰত আৰু আন্তৰ্জাতিক ক্ষেত্ৰতো। বিমান বন্দৰসমূহ আধুনিকীকৰণ তথা সম্প্ৰসাৰিত কৰিবলৈ লোৱা হৈছে। ভাৰতীয় বিমানবন্দৰ তথা এয়াৰ লাইনছসমূহত সুৰক্ষা সাধন ব্যৱস্থাৰ মান চলিত আন্তৰ্জাতিক মানৰ স'তে একে।

এয়াৰ নেভিগেশ্বন ছাৰ্ভিচ— যি বিমানৰ সুৰক্ষা প্ৰদানত বিশেষ বৰঙণি যোগায়— তাক নিশ্চিত কৰিবৰ কাৰণে যথেষ্ট পৰিমাণে বিনিয়োগ কৰাৰ আৱশ্যক হ'ব। কিয়নো মেট্ৰোপলিটান মহানগৰবোৰৰ বিমান ক্ষেত্ৰ সদায়েই বিমান আৰু যাত্ৰীৰ আহ-যাহেৰে ব্যস্ত হৈ থাকে, এতিয়া সময়ৰ পৰিৱৰ্তনৰ লগে লগে এনে ব্যস্ততা আৰু অধিক হ'ব, যাত্ৰীৰ সংখ্যা বৃদ্ধি পাব। তাৰ বাবে নতুন প্ৰযুক্তি উদ্ভাৱন কৰিব লাগিব— যাৰদ্বাৰাই টাৰ্মিনেল গেটত যাত্ৰীৰ অহা-যোৱা সুনিয়াৰি কৰিবলৈ ক্ষিপ্ৰতৰ প্ৰক্ৰিয়াক কামত লগাব পাৰি। ইয়াৰ পৰা এইটোৱেই বুজিব পাৰি যে বিমান অৱতৰণ আৰু গমনৰ মাজত থকা প্ৰভেদখিনি কিছু ওচৰ চপাই অনা— যাৰদ্বাৰাই সমগ্ৰ প্ৰক্ৰিয়াক অধিক গতিশীল কৰি জঞ্জালমুক্ত আৰু সুশৃংখলিত কৰিব পাৰি।

২০১৭-১৮ বৰ্ষৰ বাজেটৰ লক্ষ্য হ'ল 'দুই তৰপীয়া চহৰ'ৰ (২ টায়াৰ ছিটিজ্) নিৰ্বাচিত বিমান বন্দৰবোৰ ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিতা ভাবাপন্নৰে কাম-কাজ আৰু তদাৰকতাৰ বাবে লোৱা হ'ব আৰু এইক্ষেত্ৰত 'এয়াৰপোৰ্ট অথ'ৰিটী অব ইণ্ডিয়া এক্ট'খন সংশোধন কৰা হ'ব— যাতে ভূমি-সম্পত্তিৰ অৰ্থনৈতিক দিশটোৰ উপযুক্ত ব্যৱস্থা কৰিব পাৰি আৰু সেই অনুযায়ী ইয়াৰ পৰা উপলব্ধ সম্পদৰাজি বিমান বন্দৰৰ মান উন্নত কৰিবৰ কাৰণে কামত লগোৱা হ'ব।

চৰকাৰে নিশ্চয়েই বিদেশী গৰাকী স্বত্ব আৰু ঘৰুৱা এয়াৰ লাইনছক শাসন কৰিব পৰা স্পষ্ট আৰু স্থিৰ বিধি-নিয়মৰ দিহা কৰিব লাগিব। বিদেশী গৰাকীস্বত্ব অধিকাৰীৰপৰা সুলভ ঋণ বিত্তীয় ব্যৱস্থাৰ প্ৰতি অতিৰিক্ত লাভ সুচলতা আশা কৰিব পাৰে। তেনেদৰে প্ৰযুক্তিৰ হস্তান্তৰ, ব্যৱস্থাপনা কৌশল আৰু আন্তৰ্জাতিক বজাৰৰ প্ৰতি সুচল প্ৰৱেশ ঘটাৰ ক্ষেত্ৰতো আশা কৰিব পাৰে।

খণ্ডটোৰ বিত্তীয় অৱস্থাক সামগ্ৰিকভাৱে উৎসাহিত কৰিবৰ কাৰণে ঘৰুৱা এয়াৰ লাইনছৰ ব্যক্তিগত ইকুইটী আৰু ঋণৰ পুঁজিৰ ক্ষেত্ৰত স্থিৰতা

প্ৰদানৰ অৰ্থে এটা সুচিন্তিত নিয়ামক ব্যৱস্থাৰ দিহা কৰা প্ৰয়োজন।

**(গ) জাহাজ ঃ**

ভাৰতৰ বন্দৰবোৰৰ জাহাজ ৰখোৱা, মাল অনা-নিয়া কৰা আদি বিষয়বোৰৰ সন্দৰ্ভত যিমান ক্ষমতা আছে সেয়া সীমাবদ্ধ আৰু এই সীমিত অৱস্থা নিকট ভৱিষ্যতেও অব্যাহত থাকিব বুলি আশা কৰা যায়। ২০১১-১২ বৰ্ষৰ কালছোৱাত বন্দৰবোৰৰ ব্যৱহাৰ গড় হিচাপে আছিল ৮০ শতাংশ। এয়া গোলকীয় মুদ্ৰা সংকোচন হোৱাৰ পিছত লেহেমীয়া গতিৰ অৱস্থা হোৱা সত্ত্বেও সেই শতাংশ হিচাপ এটা লক্ষণীয় বিষয়। কেৱল সেয়াই নহয়, ১২টা বৃহৎ বন্দৰৰ ভিতৰত চাৰিটা বন্দৰক অধিকভাৱে ব্যৱহাৰ কৰা হৈছিল। শতাংশ হিচাপত ইয়াৰ হাৰ হ'ল ১০০ শতাংশৰো অধিক।

ভাৰতৰ ক্ষেত্ৰত ৰপ্তানি আৰু আমদানি— যাৰ সৰহভাগ কাম সমুদ্ৰ বন্দৰৰ জৰিয়তে কৰা হয়— সেয়া বেচ দৰ্শনীয়। যোৱা দশকটোত ইয়াৰ অভূতপূৰ্ব বৃদ্ধি সাধন হয়। ৰপ্তানি পৰিমাণ 'চি এ জি আৰ' হিচাপত প্ৰায় ২১ শতাংশ আৰু আমদানি ২৫ শতাংশ হাৰত বৃদ্ধি পায়। ভাৰতে জাহাজৰ ভাৰ বহন ক্ষমতা সৃষ্টি কৰাৰ ওপৰত বিপুলভাৱে বিনিয়োগ কৰিব লাগিব। ইয়াৰ বৰ্তমান স্থিতি একেদৰেই আছে; আৰু এই স্থিতি বিশ্বৰ জাহাজৰ ভাৰ বহনৰ ক্ষেত্ৰত বৰ্তমানে অধিকাৰ কৰা অংশভাগৰ স'তে একেই।

জাহাজ খণ্ডক পৰিবহণৰ অতি উপযুক্ত আৰু পৰিৱেশ অনুকূল ৰূপে বিবেচনা কৰা হয়। ২০১৭-১৮ বৰ্ষৰ বাজেটত ইয়াৰ আবণ্টন ৰাশি ১.৭৭৩ কোটি টকা প্ৰস্তাৱ কৰা হৈছে। এয়া যোৱা বছৰৰ বাজেটতকৈ কিছু অধিক। যোৱা বাজেটৰ পৰিমাণ আছিল ১,৫৩১ কোটি টকা আৰু পুনৰবৰ্দ্ধিত হিচাপত ইয়াক ১,৪৫৪ কোটি টকা কৰা হৈছিল।

বন্দৰ আৰু লাইট হাউছবোৰৰ ক্ষেত্ৰত আবণ্টন ৰাশি যথেষ্ট বৃদ্ধি কৰা হয়। শতাংশ হিচাপত এই বৃদ্ধিৰ পৰিমাণ হ'ল ১০ শতাংশ। ২০১৬-১৭ বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ আছিল ৭৩২.৫০ কোটি টকা আৰু এতিয়াৰ বাজেট হ'ল ৮০১.৪০ কোটি টকা। জাহাজ আৰু উত্তৰ-পূব এলেকাৰ বাবে আবণ্টনৰ পৰিমাণ ভালেখিনি বৃদ্ধি কৰা হয়। ২০১৭-১৮ বৰ্ষৰ বাজেটত ইয়াৰ আবণ্টন ৰাশি যথাক্ৰমে হ'ল— ২০৮ কোটি টকা আৰু ১২৬ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ আছিল ১৭২ কোটি টকা আৰু ১০০ কোটি টকা।

আভ্যন্তৰীণ জল পৰিবহণ হ'ল এটা অন্যতম পৰিৱেশ অনুকূল জল পৰিবাহী ব্যৱস্থা। ইন্ধন ব্যয়ৰ ক্ষেত্ৰত ই অতি হিচাপী আৰু ইয়াৰ ধোঁৱা আদি নিৰ্গমনৰ স্তৰ কম। অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশৰ অৰ্থে এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক ক্ষেত্ৰৰ জীৱন ৰেখা ৰূপে সেৱা আগবঢ়াব পৰাৰ সামৰ্থ্য আছে। তাৰ বাবে জলপথ নেটৱৰ্কক সংলগ্ন কৰিলেই সম্ভাব্য ফল লাভ কৰা পথ মুকলি হ'ব বুলি আশা কৰিব পাৰি। অৱশ্যে এই শিতানত বাজেট আবণ্টনৰ ক্ষেত্ৰত ধনৰাশিৰ পৰিমাণ হ্ৰাস পোৱা দেখা যায়। ২০১৭-১৮ বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ হ'ল ২২৫ কোটি টকা। কিন্তু ২০১৬-১৭ বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ আছিল ৩২৬.৪৭ কোটি টকা আৰু পুনৰবৰ্দ্ধিত পৰিমাণ ২৭৮.৪২ কোটি টকা। পশ্চিমঘাট অঞ্চলটোৰ বিষয় হিচাপত ধৰিলে এনে হ্ৰাস পৰিমাণৰ ঘাই কাৰণ হ'ল আভ্যন্তৰীণ জল পৰিবহণৰ জৰিয়তেও কঢ়িয়াই নিয়া কাৰ্গোৰ পৰিমাণ বৰ কম হৈ আছে। এনে কাৰ্গো অৰ্থাৎ কঢ়িয়াই নিয়া সামগ্ৰী হ'ল ঘাইকৈ গোৱাৰ লৌহ আকৰ আৰু সাৰৰ কেঁচা মাল। কিন্তু পৰ্যাপ্ত আন্তঃসংযোগ সাধনেৰে অভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ বিকাশ সাধন কৰিব পাৰিলে সমতলৰ ৰাস্তা আৰু ৰে'লত হোৱা একাধিক বয়বস্তু কঢ়িওৱাৰ বোজা তথা জঞ্জাল ই হ্ৰাস কৰিব পাৰে, আৰু লগতে কাৰ্বনডাই অক্সাইড গেছ নিৰ্গমনৰ মাত্ৰাও হ্ৰাস কৰাত সহায়ক হ'ব।

**(২) যোগাযোগ ঃ**

টেলিকম খণ্ড হ'ল আন্তঃগাঁথনি ইক' পদ্ধতিৰ এটা গুৰুত্বপূৰ্ণ উপাদান। বৰ্তমানে কৰা স্পেক্ট্ৰাম নিলামে দেশখনত স্পেক্ট্ৰাম নাটনি দূৰ কৰিছে আৰু তাৰ ফলস্বৰূপে ই ম'বাইল ব্ৰডবেণ্ড আৰু ডিজিটেল ইণ্ডিয়াৰ প্ৰতি এটা ডাঙৰ উৎসাহ প্ৰদান কৰিব— যাৰ দ্বাৰাই গ্ৰাম্য আৰু দূৰণিবটীয়া অঞ্চলবোৰত বসবাস কৰা লোকসকলক উপকৃত কৰিব। লগতে ই বিপুল সংখ্যাত চাকৰিও সৃষ্টি কৰিব।

এই খণ্ডটোৰ বাবে ২০১৭-১৮ বৰ্ষৰ বাজেটত ২৬,৬৮৭ কোটি টকাৰ মুঠ আবণ্টন প্ৰস্তাৱ কৰা হৈছে। এয়া যোৱা বছৰৰ বাজেটত ধৰা ১৮,৪১৪ কোটি টকাতকৈ ৪৫ শতাংশ অধিক আৰু পুনৰবৰ্দ্ধিত বাজেট পৰিমাণতকৈ ১০ শতাংশ অধিক। সেই পুনৰবৰ্দ্ধিত পৰিমাণ আছিল ২৪,২৭২ কোটি টকা।

ৰাষ্ট্ৰীয়ভাৱে গুৰুত্বপূৰ্ণ এখন আঁচনি হ'ল ভাৰ নেট। এটা অধিক ব্যাপকযোগ্য নেটৱৰ্ক আন্তঃগাঁথনি, কোনো ভিন্নতা ভাব অবিহনে ইয়াক

পোৱা যায়। সকলো ঘৰৰ বাবে বিচাৰিলে বহনক্ষমযোগ্য ব্ৰডবেণ্ড সংযোগ ব্যৱস্থা। নিজ চাহিদাৰ ক্ষমতা অনুযায়ী সকলো প্ৰতিষ্ঠানেই ডিজিটেল ইণ্ডিয়াৰ স্বপ্নক বাস্তবায়িত কৰিব পাৰে। এয়া হ'ব অপ্টিকেল ফাইবাৰ ব্যৱহাৰ কৰা বিশ্বৰ বৃহত্তম গ্ৰাম্য ব্ৰডবেণ্ড সংযোগ যোজনা।

'ভাৰত নেট প্ৰজেক্ট'ৰ বাবে ২০১৭-১৮ বৰ্ষৰ বাজেটত আবণ্টনৰ পৰিমাণ হ'ল ১০,০০০ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ বাজেটৰ পুনৰবৰ্দ্ধিত মূল্য আছিল ৬,০০০ কোটি টকা। অপ্টিকেল ফাইবাৰ হাই স্পীড ব্ৰডবেণ্ড সংযোগ ২০১৭-১৮ বৰ্ষৰ কালছোৱাৰ অন্তত ১,৫০,০০০ ৰো অধিক গাঁও পঞ্চায়তত পোৱা যাব, আৰু তাকো 'ৱাই ফাই হট স্পট' সুবিধাৰে তথা কম মাচুলত ডিজিটেল সেৱাৰ সুচল প্ৰাপ্তিৰে। এই প্ৰকল্পটো, অৰ্থাৎ অপ্টিকেল ফাইবাৰ কেবল ১,৫৫,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ স্থান জোৰাকৈ স্থাপন কৰা হৈছে। তদুপৰি ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে টেলি মেডিচিন, শিক্ষা আৰু দক্ষতা অৰ্জনৰ জ্ঞান প্ৰদান কৰিবৰ কাৰণে এক ডিজিগ্ৰাম প্ৰয়াস কাৰ্যত প্ৰচলন কৰা হ'ব।

**(৩) শক্তি ঃ**

**(ক) বিদ্যুৎ ঃ**

চৰকাৰ ১০০ শতাংশ গ্ৰাম্য বৈদ্যুতিকৰণ লাভ কৰাৰ পথত আছে আৰু এই কাম ২০১৮ চনৰ পহিলা মে'ৰ ভিতৰত সম্পূৰ্ণ কৰি তুলিব। ইয়াৰ বাবে ২০১৭-১৮ বৰ্ষৰ বাজেটত দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ অধীনত ৪,৮১৪ কোটি টকা প্ৰস্তাৱ কৰা হৈছে। সৌৰ শক্তিৰ ক্ষেত্ৰতো অতিৰিক্ত ২০,০০০ মেগাৱাট ক্ষমতাৰ কাৰণে ছ'লাৰ পাৰ্ক বিকাশৰ দ্বিতীয় পৰ্যায়ৰ কাম হাতত ল'বলৈ এতিয়া প্ৰস্তাৱ কৰা হৈছে।

ইলেকট্ৰনিক সা-সামগ্ৰী প্ৰস্তুতকৰণৰ বাবে ভাৰতক এটা গোলকীয় কেন্দ্ৰস্থল স্বৰূপ কৰি গঢ়ি তুলিবলৈ এটা ইক'-পদ্ধতি সৃষ্টি কৰিবলৈ লোৱা হৈছে। যোৱা দুবছৰকালত ইয়াৰ বাবে ২৫০ টাতকৈ অধিক বিনিয়োগৰ প্ৰস্তাৱ পোৱা হয় আৰু এই বিনিয়োগৰ মুঠ পৰিমাণ হ'ল ১.২৬ লাখ কোটি টকা। ভালেকেইটা বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠান আৰু ম'বাইল নিৰ্মাণকাৰীয়ে ভাৰতত উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে। সেয়ে এনে উদগনিমূলক আঁচনিসমূহৰ বাবে আবণ্টন ৰাশি যথেষ্ট বৃদ্ধি কৰা হৈছে। তেনে আঁচনিসমূহ হ'ল— এম এছ আই পি এছ, ই ডি এফ ইত্যাদি। ২০১৭-১৮ বৰ্ষৰ আবণ্টন ৰাশিৰ পৰিমাণ হ'ল ৭৪৫ কোটি টকা— যিটো সৰ্বকালৰ অধিক ধনৰাশি।

**(খ) তেল আৰু প্ৰাকৃতিক গেছ ঃ**

পেট্ৰ'লজাত সামগ্ৰী হ'ল আধুনিক সভ্যতাৰ জীৱন-ৰেখা স্বৰূপ। ইয়েই কৃষি, উদ্যোগ আৰু পৰিবহণ খণ্ডৰ শক্তিৰ উৎস। তাৰ লগতে ই অন্যান্য আৱশ্যকীয় উদ্যোগৰ গাড়ীৰ চকাও আগলৈ ঘূৰাই থাকে। ফলস্বৰূপে, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ খণ্ডৰ বিস্তৃতি সাধন তথা চাকৰিৰ সা-সুবিধা সৃষ্টি কৰিবৰ কাৰণে বহু সুবিধা আছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰত ই হ'ল এটা অন্যতম অতি সংগঠিত আৰু নীতি সমন্বিত খণ্ড। বিগত বৰ্ষবোৰত ইয়াৰ চাহিদা অট'ম'বাইল খণ্ড আৰু ঘৰুৱা কাম-কাজত ইমান বৃদ্ধি পায় যে তালৈ চাই ইয়াৰ উপযুক্ত ব্যৱহাৰ আৰু নিৰন্তৰ গতি অব্যাহত ৰখাৰ ওপৰত আলোকপাত কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। কাৰণ ইয়াৰ লভ্যতা সীমিত আৰু কাৰ্বন গেছ নিৰ্গমনৰ বিষয়টো ইয়াত জড়িত আছে।

শক্তি খণ্ড শক্তিশালী কৰিবৰ বাবে চৰকাৰে 'ষ্ট্ৰেটেজিক ক্ৰুদ অইল ৰিজাৰ্ভ' স্থাপন কৰিবলৈ সিদ্ধান্ত লয়। প্ৰথম পৰ্যায়ত এনে ধৰণৰ তিনিটা মজুতকৰণৰ স্থান প্ৰতিষ্ঠা কৰা হয়। দ্বিতীয় পৰ্যায়ত এতিয়া আৰু দুখন ঠাইত এনে মজুত ভাণ্ডাৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হয়। সেই ঠাই দুখনৰ ভিতৰত এখন হ'ল ওড়িছাৰ ছান্দিখোলে আৰু আনখন হ'ল ৰাজস্থানৰ বিকানীৰ। ইয়াৰ ফলত মজুতকৰণৰ ক্ষমতা ১৫.৩৩ নিযুত মেট্ৰিক টন বৃদ্ধি হ'ব।

২০১৭-১৮ বৰ্ষৰ বাবে ইয়াৰ প্ৰস্তাৱিত আবণ্টন ৰাশিৰ পৰিমাণ হ'ল ২৯,১৫৮ কোটি টকা। এয়া পূৰ্বৰ বছৰৰ বাজেটত ধৰা পৰিমাণতকৈ কম। ২০১৬-১৭ বৰ্ষৰ বাজেটত ইয়াৰ আবণ্টিত পৰিমাণ আছিল ২৯,১৬০ কোটি টকা আৰু পুনৰবৰ্দ্ধিত বাজেটত আছিল ৩০,২৪১ কোটি টকা। এই ধনৰাশিৰ পৰা এইটোকেই বুজা যায় যে আবণ্টন ৰাশিৰ পৰিমাণ বৃদ্ধি কৰা হৈছিল, কিন্তু ২০১৭-১৮ বৰ্ষৰ বাজেটত তাৰ পৰিমাণ হ্ৰাস কৰাৰ কাৰণ উল্লেখ কৰা নাই। অৱশ্যে কেন্দ্ৰই পোষকতা কৰা আঁচনি, যেনে দুখীয়া লোকৰ বাবে এল পি জি সংযোগৰ আবণ্টন ৰাশি ২০১৭-১৮ বৰ্ষৰ বাজেটত ২৫০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ২০১৬-১৭ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ২০০০ কোটি টকা আৰু সেই বছৰৰে পুনৰবৰ্দ্ধিত পৰিমাণৰ স'তে চলিত বৰ্ষৰ একে।

**(৪) জল আৰু অনাময় ঃ**

স্বচ্ছ ভাৰত অভিযান (গ্ৰামীণ) আঁচনিখনে নিৰাপদজনক অনাময় আৰু

**(৭০ পৃষ্ঠাত চাওক)**

# বাজেটত নতুন পৰিৱৰ্তন ঃ গাঁথনিগত আৰু প্ৰক্ৰিয়াগত

হেপী পন্ত*

**পাতনি**

যোৱা দুবছৰত চৰকাৰে গ্ৰহণ কৰা কেইবাটাও সিদ্ধান্তই বাজেটত যে ডাঙৰ পৰিৱৰ্তন আনিব সেইকথাৰ ইংগিত দিছিল। একে সময়তে দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা সমাপ্তিৰ দিশে আগুৱাইছে। ইয়াৰ সৈতে খাপ খুৱাই শাসনাধিষ্ঠিত চৰকাৰৰ চতুৰ্থখন বাজেট ১ফেব্ৰুৱাৰীত দাখিল কৰা হ'ল আৰু ই এই পৰিৱৰ্তনৰ কেতবোৰ পদক্ষেপ কাৰ্যকৰী কৰাৰ বাবে বাট মুকলি কৰি দিলে। ২০১৬-১৭বৰ্ষৰ কেন্দ্ৰীয় বাজেটে বিত্তীয় অৱস্থা সবল-কৰণৰ দিশত সামগ্ৰিক নীতি অব্যাহত ৰাখিলে। বাজেট প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ই কেইবাটাও পৰিৱৰ্তন আনিলে। ৰে'ল বাজেট সাধাৰণ বাজেটত সন্নিৱিষ্ট কৰা হ'ল, পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান দুটাৰ বিলুপ্তি ঘটিল আৰু বাজেট দাখিলৰ তাৰিখ এমাহ আগুৱাই অনা হ'ল।

**সাধাৰণ বাজেটত ৰে'ল বাজেট চামিলকৰণ ঃ**

এই বাজেটত ডাঙৰ পৰিৱৰ্তনটো হ'ল সাধাৰণ বাজেটতে ৰে'ল বাজেট এটা অংশৰূপে উপস্থাপন কৰা হ'ল। নিটি আয়োগৰ পৰামৰ্শ অনুসৰি ৯২বছৰীয়া পৰম্পৰাৰ অৱসান ঘটাই এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ব্ৰিটিছৰ শাসনৰ কালছোৱাত ১৯২০চনৰ প্ৰথমছোৱাত সাধাৰণ বিত্ততকৈ ৰে'ল বিভাগৰ বিত্তীয় হিচাপ সুকীয়াকৈ উত্থাপন কৰা হৈছিল। চামিলকৰণৰ সপক্ষে যুক্তি প্ৰদৰ্শন হৈছে যে ই ৰে'ল বিভাগৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব।

কিছু ক্ষেত্ৰত উদ্বেগ প্ৰকাশ কৰা হৈছে যে এই চামিলকৰণ কেৱল আলংকৰিক পৰিৱৰ্তন; ইয়াতকৈ বেছি গুৰুত্বপূৰ্ণ আছিল দশক পুৰণি ৰাকেশ মোহন সমিতিৰ ৰে'ল বিভাগটোৰ পুনৰ-গঠন সম্পৰ্কীয় পৰামৰ্শাৱলী ৰূপায়ণ কৰা। এই সমিতিখনৰ পৰ্যবেক্ষণ অনুসৰি ভাৰতীয় ৰে'ল বিভাগত কম বিনিয়োগৰ দশা, নাটনি হোৱা উৎসৰ আৱণ্টন, বৰ্দ্ধিত ঋণগ্ৰস্ততা, নিম্নমানৰ গ্ৰাহক সেৱা আৰু দ্ৰুতগতিত অৱনমিত অৰ্থনীতি অব্যাহত আছে। ৰে'ল বিভাগক খেদি ফুৰা প্ৰশ্নটো হ'ল ই বাণিজ্যিক সংগঠন নে সামাজিক উদ্দেশ্যে পূৰণ কৰে? সমিতিখনৰ মতে ভাৰতীয় ৰে'ল বিভাগৰ সংস্কাৰ আৰু আধুনিকীকৰণ জৰুৰীভাৱে আৱশ্যকীয় আছিল; গৌণ কাৰ্যাৱলী বন্ধ কৰা, ব্যৱসায়িক দিশত সহায়ক হোৱাকৈ পুনৰগঠন কৰাৰ লগতে বাণিজ্যিক হিচাপ-পত্ৰৰ পাৰদৰ্শিতা ব্যৱস্থাপনা পদ্ধতি গ্ৰহণ কৰাটো জৰুৰী। কেতবোৰ বিষয়ত ৰে'ল বিভাগে সামাজিক ক্ষেত্ৰত ব্যয় বহন কৰে। কেইবাখনো সমিতিয়ে প্ৰদান কৰা পৰামৰ্শ অনুসৰি এই ব্যয় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে পোনপটীয়াকৈ বহন কৰিব লাগে।

**পৰিকল্পনা আৰু পৰিকল্পনা-বহিৰ্ভূত শ্ৰেণী বিভাজনৰ অৱসান ঃ**

বাজেট ব্যয়ক পৰিকল্পনা আৰু পৰিকল্পনা-বহিৰ্ভূত শিতানত বিভাজন কৰা প্ৰথা প্ৰৱৰ্তন কৰা হয় ১৯৫১চনৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত। পৰিকল্পনা শিতানত ব্যয় কৰিব পৰা প্ৰাক্কলন স্থিৰ কৰে পৰিকল্পনা আয়োগে। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত চৰকাৰী আঁচনি আৰু কাৰ্যসূচীৰ বাবে ধাৰ্য কৰা ব্যয়েই পৰিকল্পনা ব্যয়। ই আঁচনি বা কাৰ্যসূচীৰ সকলো প্ৰকাৰৰ ব্যয়ক সামৰি লয়, বিৰতিহীন (বা ৰাজহ) বা মূলধনী ব্যয়ো ইয়াৰ অন্তৰ্ভুক্ত। উদাহৰণস্বৰূপে, সৰ্বশিক্ষা অভিযানৰ অধীনত শিক্ষকসকলৰ দৰমহাৰ বাবে ব্যয়, সংহত পৰিকল্পনা ৰাজহ ব্যয় আৰু বিদ্যালয় ভৱন নিৰ্মাণত ব্যয়সমূহ হ'ল পৰিকল্পনা মূলধনী ব্যয়। পৰিকল্পনা বহিৰ্ভূত ব্যয়ে পৰিকল্পনা শিতান বা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আওতাৰ বাহিৰত হোৱা চৰকাৰী ব্যয়ক বুজায়। উদাহৰণ স্বৰূপে সুত আদায়, ৰাজসাহায্য, দৰমহা আৰু পেন্সন আদায় (বিভিন্ন খণ্ডৰ নিয়মীয়া কৰ্মচাৰীৰ বাবে), আৰক্ষী, প্ৰতিৰক্ষা আৰু বিভিন্ন খণ্ডৰ আন্তঃগাঁথনি বা সম্পদৰ মেৰামতি/ তত্বাৱধানৰ বাবে হোৱা খৰচেৰে পৰিকল্পনা-বহিৰ্ভূত বাজেট প্ৰস্তুত কৰা হয়। আমি মন কৰা উচিত হ'ব যে

*লেখিকা পেহী পন্ত দিল্লীৰ ছেণ্টাৰ ফৰ্ বাজেট এণ্ড গভাৰণেন্স একাণ্টেবিলিটিৰ এড্‌ভ'কেচি টীমৰ মুৰব্বী। তেওঁ ভাৰতৰ ইউ এন ডি পি-তো কৰ্মৰত

পৰিকল্পনা-বহিৰ্ভূত ব্যয় প্ৰতিৰক্ষা, আৰক্ষী বা সুত আদায় ইত্যাদিৰ বাবে ধাৰ্য কৰা নহয়; গুৰুত্বপূৰ্ণ উন্নয়নমূলক খণ্ড যেনে—শিক্ষা আৰু স্বাস্থ্য নিয়মীয়া চৰকাৰী পদস্থ কৰ্মচাৰীৰ দৰমহা আৰু সম্পদ আৰু আন্তঃগাঁথনিৰ তত্ত্বাৱধানৰ বাবে হোৱা ব্যয় সেইবিলাক খণ্ডৰ বাবে পৰিকল্পনা-বহিৰ্ভূত বাজেটৰ পৰা আহে।

পৰিকল্পনা ব্যয় আৰু পৰিকল্পনা-বহিৰ্ভূত ব্যয়ৰ শ্ৰেণীবিভাজন বুজি পাবলৈ আমি কেইটামান উদাহৰণ ব্যৱহাৰ কৰিব পাৰোঁ। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত পথ নিৰ্মাণৰ বাবে গ্ৰামোন্নয়ন মন্ত্ৰণালয়লৈ পুঁজি যোগান পৰিকল্পনা ব্যয় বুলি ধৰা হয়; কিন্তু এইবোৰৰ মেৰামতি পৰিকল্পনা-বহিৰ্ভূত ব্যয়ৰ সৈতে জড়িত। কেন্দ্ৰীয় বিদ্যালয়, নৱোদয় বিদ্যালয় আৰু অন্যান্য চৰকাৰী বিদ্যালয়ৰ নিয়মীয়া পদস্থ শিক্ষকৰ দৰমহা, চিকিৎসা মহাবিদ্যালয় আৰু স্বাস্থ্য কেন্দ্ৰৰ নিয়মীয়া পদস্থ চিকিৎসকৰ দৰমহাৰ পুঁজি পৰিকল্পনা বহিৰ্ভূত বাজেটৰ পৰা আহে। আনহাতে সৰ্বশিক্ষাৰ অধীনত চুক্তিবদ্ধ শিক্ষক আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (এন এইচ এম)ৰ অধীনত চুক্তিবদ্ধ চিকিৎসকৰ দৰমহা পৰিকল্পনা বাজেটৰপৰা আহে। কেন্দ্ৰীয় বাজেটত এই সকলো ব্যয় একেলগে সন্নিৱিষ্ট কৰা হৈছে।

বাজেটক পৰিকল্পনা আৰু পৰিকল্পনা-বহিৰ্ভূত শিতানৰ দ্বি-বিভাজনে এটা ভুল ধাৰণাৰ উদ্ৰেক কৰে যে পৰিকল্পনা ব্যয় উন্নয়নমূলক আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় উন্নয়নমূলক নহয়। ইয়াৰ ফলত পৰিকল্পনা ব্যয় অত্যধিক মনোযোগ কেন্দ্ৰীভূত হয়, ইয়াৰ পাছতে পৰিকল্পনা-বহিৰ্ভূত তত্ত্বাৱধানৰ দৰে দিশ উপেক্ষিত হয়। পৰিকল্পনা বহিৰ্ভূত আৱশ্যকীয় ব্যয়ৰ প্ৰতি উদ্ৰেক হোৱা উপেক্ষাই অধিক সংখ্যক ৰাজ্যতে বিভিন্ন খণ্ডত নিয়মীয়া পদস্থ কৰ্মচাৰীৰ নাটনিৰ সৃষ্টি কৰে। এই দ্বি-বিভাজনে বাজেটত থকা সম্পদ-সমূহক বিভক্ত কৰে আৰু এই কাৰ্যই কোনো সেৱা প্ৰদানৰ বাবে সম্ভাব্য সামগ্ৰিক ব্যয় নিশ্চিত কৰাৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰে। ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰপৰা সকলো ব্যয় বাজেট নথিত একেলগে দেখুওৱা হ'ব। আশা কৰা হৈছে যে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় একত্ৰিত কৰাৰ ফলত সম্পদৰ বিপৰীতে পুঁজি ধাৰ্য কৰাটো অধিক সহজ হ'ব আৰু পুঁজি আবণ্টন আৰু পুঁজি ব্যয়ক অধিক উন্নতভাৱে সংলগ্ন কৰিব পাৰিব। পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় শিতানৰ চামিলকৰণ পৰীক্ষা কৰিবলৈ গঠিত কাৰ্যকৰী গোটে লক্ষ্য কৰে যে ইয়াৰ ফলত চৰকাৰৰ ব্যয় বাজেটৰ 'অৰ্থ হ'ল বিভিন্ন খণ্ড আৰু মন্ত্ৰণালয়ৰ বাবে বাজেটৰ নিৰ্দ্ধাৰিত পুঁজিৰ সামগ্ৰিক দৃষ্টিৰে সম্পদৰ অনুকূল বিতৰণৰ সুবিধা প্ৰদান কৰা।

দলিতসকলৰ বাবে পৰিকল্পনা শিতানত ১৬.৬ শতাংশ পুঁজি ধাৰ্য কৰি অহা হৈছিল আৰু এই পুঁজি অনুসূচিত জাতি উপ-পৰিকল্পনা (এছ চি এছ পি) শিতানত নিৰ্দ্ধাৰিত আছিল। এইবাৰৰ বাজেটত 'অনুসূচিত জাতিৰ কল্যাণৰ বাবে পুঁজি নিৰ্দ্ধাৰণ'ৰূপে ১০(ক) বিবৃতিযোগে প্ৰকাশ কৰা হৈছে যদিও ই অস্পষ্ট। সেয়ে মন্ত্ৰণালয় আৰু বিভাগসমূহে এছ চি এছ পিৰ অধীনত পুঁজি ধাৰ্য কৰিবলৈ নতুন নীতি-নিয়ম প্ৰস্তুত কৰাটো গুৰুত্বপূৰ্ণ।

কেন্দ্ৰীয় চৰকাৰৰ দৰেই কেইবাখনো ৰাজ্যই পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান চামিলকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যকেইখনে এই দিশত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যাতে কোনো অসুবিধাৰ সন্মুখীন নহয়, সেই কথা কেন্দ্ৰীয় চৰকাৰে নিশ্চিত কৰাটো প্ৰয়োজনীয়।

পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শ্ৰেণী দুটা বাতিল কৰাৰ ফলত 'মূলধন' আৰু 'ৰাজহ' এই দুটা শ্ৰেণীৰ ব্যয়ৰ সন্দৰ্ভত অত্যধিক মনোযোগে স্বাস্থ্য আৰু শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডৰ বাবে সমস্যাৰ সৃষ্টি কৰিব পাৰে— য'ত বৃহৎ অনুপাতৰ চৰকাৰী ব্যয় ৰাজহ ব্যয় ৰূপে দেখুওৱা হয়।

পৰিকল্পনাৰ নতুন গাঁথনি অনুসৰি পৰিকল্পনাৰ, বিশেষকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ তলত ভূমিকা আৰু গুৰুত্ব হ্ৰাস হোৱাটো উচিত নহয়। এইটো স্বীকৃত যে জনগণৰ প্ৰয়োজনৰ কথা মনত ৰাখি উন্নয়নমূলক ব্যৱধানৰ সংযোগ কৰাৰ বাবে বিকেন্দ্ৰীভূত পৰিকল্পনা আটাইতকৈ গুৰুত্বপূৰ্ণ কৌশল। সাংবিধানিক সংস্থা হোৱা সত্বেও জিলা পৰিকল্পনা সমিতি (ডি পি চি) অৱহেলিত হৈ আছে। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পদক্ষেপ অন্ত হোৱাৰ সময়তে জিলা পৰিকল্পনা সমিতিসমূহ জিলা আৰু ৰাজ্যিক স্তৰত নিম্ন পৰ্যায়ৰ পৰাই শক্তিশালী কৰি তোলা বাঞ্ছনীয়।

অধুনালুপ্ত পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰক্ৰিয়াৰ এটা গুৰুত্বপূৰ্ণ অভিপ্ৰায় আছিল পেকেজ ঘোষণাৰে আঞ্চলিক বৈষম্য দূৰীকৰণৰ চেষ্টা। এই দিশটো অৱজ্ঞা কৰিব নালাগে, কেন্দ্ৰীয় মন্ত্ৰণালয়সমূহে পিছপৰা অঞ্চল চিনাক্ত কৰি, অতিৰিক্ত ৰাজহুৱা পুঁজি ধাৰ্য কৰি আঞ্চলিক বৈষম্য হ্ৰাস কৰাৰ বাবে হস্তক্ষেপ অব্যাহত ৰাখিব লাগে।

**বাজেট দাখিল এমাহ আগুৱাই অনা ঃ**

এইবাৰ বাজেট দাখিল কৰা হ'ল ১ ফেব্ৰুৱাৰীত, অৰ্থাৎ নিৰ্দ্ধাৰিত তাৰিখৰ

এমাহ পূৰ্বে। যোৱা বছৰলৈ প্ৰচলিত নিয়ম অনুসৰি, লোকসভাত প্ৰতি বছৰে ফেব্ৰুৱাৰী মাহৰ শেষৰটো কৰ্মদিনত বাজেট দাখিল কৰি অহা হৈছিল। ২০০০চনলৈ আমি ইংৰাজসকলৰ নিয়ম অনুসৰি কেন্দ্ৰীয় বাজেট সন্ধিয়া ৫বজাত দাখিল কৰি অহা দেখিছিলোঁ; পাছত এই সময় পুৰা ১১ বজালৈ আগুৱাই অনা হ'ল।

কেন্দ্ৰীয় বাজেট এমাহ আগুৱাই অনাৰ ফলত নতুন বিত্তীয় বৰ্ষ আৰম্ভ হোৱাৰ পূৰ্বে বাজেটৰ বিধায়িনী অনুমোদনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠিব আৰু ই কেন্দ্ৰীয় আঁচনি আৰু কাৰ্যসূচী-সমূহৰ পুঁজি ৰাজ্যসমূহক বৰ্ষটোৰ প্ৰথম তিনি মাহৰ ভিতৰতে মোকলাই দিয়াতো নিশ্চিতকৰণত সহায় কৰিব। ইতিপূৰ্বে বাজেট অধিৱেশন ফেব্ৰুৱাৰীৰ শেষত সপ্তাহত আৰম্ভ হৈ মাজত বিৰতি লৈ মেইৰ মাজভাগলৈ চলিছিল। অধিগ্ৰহণ বিধেয়ক' বাজেট অধিৱেশনৰ দ্বিতীয়াৰ্দ্ধতহে অনুমোদিত হৈছিল; ইয়াৰ ফলত মাৰ্চত 'ভোট-অন-একাউণ্ট' যোগে চৰকাৰে সংসদৰ অনুমোদন গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল যাতে ২-৩মাহৰ বাবে নিয়মীয়া খৰচৰ জোৰা মাৰিবলৈ দেশৰ সংহত পুঁজিৰ পৰা ধন উঠাব পৰা যায়। ২০১৭-১৮বৰ্ষত কেন্দ্ৰীয় বাজেট দাখিল এমাহ আগুৱাই আনি নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰ পৰাই ৰাজ্যসমূহ আৰু অন্যান্য ৰূপায়ণকাৰী কৰ্তৃপক্ষক পুঁজি মোকলাই দিয়াৰ চেষ্টা চলোৱা হৈছে।

কিন্তু কিছুমান অন্তৰ্নিহিত প্ৰত্যাহ্বান আছে। ১ফেব্ৰুৱাৰীলৈ বাজেট প্ৰস্তুতি আগুৱাই অনাৰ এটা অসুবিধা হ'ল সামগ্ৰিক ৰাজহ আৰু ব্যয়ৰ তথ্যৰ অভাৱ।

যোৱা বছৰলৈ ফেব্ৰুৱাৰীৰ মধ্যভাগত বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়া চূড়ান্ত হোৱাৰ সময়লৈ ৰাজহ-সংগ্ৰহ আৰু খৰচৰ ধৰণৰ তথ্য বিত্তীয় বৰ্ষৰ ৯মাহলৈ পোৱা গৈছিল। মুঠ ঘৰুৱা উৎপাদন খণ্ডভিত্তিক বিকাশৰ তথ্য ব্যৱহাৰ হোৱা এইবাৰৰ বাজেট প্ৰস্তুতিত ২০১৬-১৭ বিত্তীয় বৰ্ষৰ প্ৰথম ছমাহৰ তথ্যহে সন্নিৱিষ্ট হৈছিল। তদুপৰি বাজেট দাখিলৰ তাৰিখ আগুৱাই অনাটো অন্যান্য অসুবিধাৰ দৰেই অন্যতম ৰূপে পৰিগণিত হৈছিল।

**সংহত বাজেট পুঁজি ঃ**

পোন প্ৰথমবাৰৰ বাবে সকলো মন্ত্ৰণালয় আৰু বিভাগসমূহক সামৰি সংহত বাজেট পুঁজিৰ উত্থাপন বাজেট বক্তৃতা ঘোষণা কৰা হ'ল। ৰাজহুৱা ব্যয়ৰ পৰা লাভ কৰা ফলাফল, বিশেষকৈ উন্নয়নমূলক কাৰ্যসূচী আৰু আঁচনিসমূহত অধিক মনোযোগ কেন্দ্ৰীভূত কৰিবলৈ লক্ষ্য স্থিৰ কৰা হ'ল। এই নথিৰ উদ্ভাৱনে চৰকাৰী কাৰ্যসূচীসমূহৰ অধীনত আকাংক্ষিত ফলাফল লাভ কৰিবলৈ ব্যৱহাৰ হোৱা ৰাজহুৱা ধনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সম্ভেদ প্ৰদান কৰিব।

**বাজেট সবলীকৰণৰ বাবে অন্যান্য পদক্ষেপসমূহ ঃ**

বাজেট প্ৰক্ৰিয়াৰ কেইটামানত হোৱা এই পৰিৱৰ্তনসমূহে ৰাজহুৱা ব্যয় ব্যৱস্থাপনা উন্নীত কৰাত গুৰুত্ব প্ৰদান কৰে। গতিকে এই পদক্ষেপ সঠিক দিশতে আগবাঢ়িছে। কিন্তু কেৱল এইসমূহ পদক্ষেপেই সামাজিক খণ্ডত হোৱা চৰকাৰী ব্যয়ৰ পৰা লাভ কৰা ফলাফল উন্নীত কৰিবলৈ যথেষ্ট নহয়। সাংবিধানিকভাৱে গঠিত উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰিবলৈ সক্ষম জিলা পৰিকল্পনা সমিতি সমূহ সৱল কৰাটো গুৰুত্বপূৰ্ণ। সামাজিক খণ্ডৰ কাৰ্যসূচী-সমূহত হোৱা চৰকাৰী ব্যয়ৰ বিক্ষিপ্ত তথ্য লাভ কৰাটো জিলা স্তৰত প্ৰত্যাহ্বানমূলক। ৰাজহুৱা পৰ্যায়ত এই তথ্যসমূহ সময়োপযোগী আৰু সহজ-লভ্য হোৱাকৈ প্ৰকাশ কৰা কাৰ্যই উন্নয়নমূলক আঁচনিসমূহত ৰাজহুৱা নিৰীক্ষণ ব্যৱস্থাটো সবল কৰি তোলে আৰু ৰাজহুৱা ধনৰ ব্যয়ৰ ক্ষেত্ৰত উন্নত ফলাফল লাভ কৰিব পাৰি। বাজেট প্ৰক্ৰিয়াত এই ধৰণৰ গুৰুত্বপূৰ্ণ বিষয়সমূহো সন্নিৱিষ্ট কৰাটো অতি আৱশ্যকীয়। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# কেন্দ্ৰীয় বাজেটত কৃষি খণ্ডলৈ বৃহৎ পৃষ্ঠপোষকতা

**লক্ষ্মী যোশী***
**ভি পি আহুজা***

কৃষি খণ্ডৰ বাবে ২০১৭ৰ বাজেটত কেইবাটাও ঘোষণা কৰা হৈছে। সামগ্ৰিকভাৱে চাবলৈ গ'লে, ভাৰতীয় কৃষকসকলক সকাহ দিবলৈ, প্ৰয়োগ বৃদ্ধি কৰিবলৈ আৰু কৃষি তথা সংশ্লিষ্ট খণ্ডত উন্নয়ন ত্বৰান্বিত কৰিবলৈ এই পদক্ষেপ-সমূহৰ সম্ভাৱনীয়তা আছে।

সাম্প্ৰতিক বাজেটত আন্তঃসম্পৰ্কিত খণ্ড যেনে—উদ্যানশস্য আৰু দুগ্ধজাত সামগ্ৰী খণ্ডৰ বাবে বৃহৎ পৰিমাণৰ ধন ধাৰ্য কৰাৰ ফলত ভৱিষ্যতে উল্লেখনীয় ফল লাভ কৰাটো নিশ্চিত। কৃষি খণ্ডত ২০১৫-১৬ বৰ্ষৰ খৰাং-প্ৰভাৱিত ২ শতাংশ বিকাশৰ হাৰ ক্ৰমাগতভাৱে বৃদ্ধি হৈ ৪.১ শতাংশ হ'বগৈ বুলি প্ৰক্ষেপ কৰা হৈছে। কৃষিৰ বজাৰ সংস্কাৰত বাজেটে গুৰুত্ব প্ৰদান কৰিছে, শস্য বীমাত পুঁজিৰ যোগান বৃদ্ধি কৰাৰ লগতে পামভিত্তিক খেতিৰ বাবে ঋণৰ লক্ষ্য বৃদ্ধি কৰিছে। জলসিঞ্চনৰ সুবিধা প্ৰদানত উন্নতি ঘটোৱা আৰু দুগ্ধজাত সামগ্ৰী খণ্ডৰ বিকাশ কৰিবলৈ আঁচনি ৰূপায়ণৰ বাবে বাজেটে গাঁৱলীয়া বেংক আৰু কৃষি আৰু গ্ৰামোন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (নাবাৰ্ড)ক দায়িত্ব অৰ্পণ কৰিছে।

কৃষিৰ বিকাশ ত্বৰান্বিত কৰিবলৈ ঋণ খণ্ডত ২০১৭-১৮ চনৰ বাজেটত সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাবে ১০ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। এই ধন পূৰ্বতকৈ ১ লাখ কোটি টকা অধিক। এয়া আদৰণীয় পদক্ষেপ, কাৰণ ইয়াৰদ্বাৰা কৃষি খণ্ডত ঋণ গ্ৰহণ কৰাটো বৃদ্ধি পাব।

চৰকাৰে যোৱা দুবছৰত কৃষিৰ বাবে বিভিন্ন পদক্ষেপ ঘোষণা কৰিছে যাতে অহা ৫ বছৰত কৃষকৰ উপাৰ্জন দুগুণ বৃদ্ধি পায়। এই আঁচনিসমূহৰ ভিতৰত অন্যতম প্ৰধান মন্ত্ৰী কৃষি সিচাই যোজনা (পি এম কে এছ ৱাই), প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা (পি এম এফ বি ৱাই) অন্যতম আৰু পামভিত্তিক কৃষিৰ উৎপাদনৰ বাবে ৰাষ্ট্ৰীয় কৃষি বিপণীৰ সৃষ্টি। এই বিপণী e-NAM শীৰ্ষক ইলেক্ট্ৰনিক মঞ্চৰ জৰিয়তে গঢ়ি তোলা হ'ব। ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত নাবাৰ্ডৰ সৈতে ৫০০০ কোটি টকাৰ এটা উৎসৰ্গীকৃত ক্ষুদ্ৰ জলসিঞ্চন পুঁজি গঠনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপ আদৰণীয়, কাৰণ ভাৰতৰ সৰ্বমুঠ ১৪.১ কোটি হেক্টৰ উৰ্বৰ ভূমিৰ ৫৪ শতাংশতে জলসিঞ্চনৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি নাই।

ৰাষ্ট্ৰীয় কৃষি বিপণী (e-NAM)ৰ বিস্তৃতি বৰ্তমানৰ ২৫০ খন কৃষি উৎপাদন বিপণন সমিতি (এ পি এম চি)ৰ পৰা ৫৮৫ খনলৈ বৃদ্ধি কৰা হ'ব। পৰিষ্কৰণ, গ্ৰেড প্ৰদান আৰু পেকেজিং সুবিধা প্ৰদানৰ বাবে প্ৰতিখন e-NAM বিপণীলৈ ৭৫ লাখ টকালৈকে সহযোগিতা আগবঢ়োৱা হ'ব। এই ব্যৱস্থাই কৃষকসকলক তেওঁলোকৰ ফচলৰ মূল্য সংযোজনৰ উন্নতি ঘটাই লাভৱান কৰাৰ সম্ভাৱনা আছে।

চুক্তিবদ্ধ কৃষি সন্দৰ্ভত এখন আদৰ্শ আইন প্ৰস্তুত কৰি ৰাজ্যসমূহৰ মাজত প্ৰচলন কৰিবলৈ বাজেটত চৰ্ত আৰোপ কৰা হৈছে। ফল-মূল আৰু শাক-পাচলি উৎপাদনকাৰী কৃষকক সংহত কৰি কৃষিভিত্তিক সামগ্ৰী প্ৰস্তুতকৰণ গোটৰ সহায়ত উন্নত মূল্য লাভ আৰু কৃষিত পৰৱৰ্তী কালত ক্ষতিৰ পৰিমাণ হ্ৰাস কৰাটো নিশ্চিত কৰিবলৈ এই আইনৰ প্ৰস্তাৱ কৰা হৈছে। সহজতে নষ্ট হ'ব পৰা কৃষিজাত সামগ্ৰী সন্দৰ্ভত কৃষক-সকলক মধ্যভোগীৰ কবলৰ পৰা মুক্ত কৰি নিজাববীয়াকৈ পণ্য বিক্ৰী কৰিবলৈ অনুমতি প্ৰদানৰ বাবে কৃষি উৎপাদন বিপণী সমিতিসমূহক সক্ৰিয় কৰি তুলিবলৈ ৰাজ্য চৰকাৰসমূহক আহ্বান জনোৱা হৈছে।

২০১৬ বৰ্ষৰ খাৰিফ শস্যৰ খেতিৰ কালছোৱাত প্ৰৱৰ্তন কৰা পি এম এফ বি ৱাইৰ ফলত প্ৰথমছোৱা কালতে উল্লেখনীয় প্ৰগতি পৰিলক্ষিত হয়। এই আঁচনিয়ে ৩৬৬.৬৪ লাখ কৃষকক সামৰি লৈছে (অৰ্থাৎ মুঠ খেতিয়কৰ ২৬.৫০ শতাংশ) আৰু ২০১৬-১৭ বৰ্ষত খাৰিফ আৰু ৰবি খেতিক সামৰি ৩০ শতাংশ

**(৫৯ পৃষ্ঠাত চাওক)**

***লক্ষ্মী যোশী নতুন দিল্লীৰ নেশ্বনেল কাউন্সিল অৱ এলাইড ইক'ন'মিক্স ৰিছাৰ্চৰ এছ'ছিয়েট ফেল'। তেওঁ নতুন দিল্লীৰ এন চি এ পি-তো কৰ্মৰত। ভি পি আহুজা কৃষি মন্ত্ৰণালয়ৰ ভূতপূৰ্ব অতিৰিক্ত অৰ্থনৈতিক উপদেষ্টা। তেওঁ এগ্ৰিকালচাৰেল আউটলুক এজেন্টত পৰামৰ্শদাতা হিচাপে বৰ্তমান জড়িত হৈ আছে।**

# দুৰ্বল শ্ৰেণীৰ লোকসকলৰ কল্যাণ আৰু বিকাশ

**শ্ৰীকাৰা নাইক***
**কুমাৰী অঞ্জলি বাঞ্চাল***

২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটে সমাজৰ দুৰ্বল আৰু স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসকলৰ কাৰণে যি ইঙ্গিত প্ৰদান কৰিছে সেয়া বেচ আশাজনক। বাজেটখনৰ সামগ্ৰিক দৃষ্টিভঙ্গীয়েই হ'ল গ্ৰাম্য এলেকা, আন্তঃগাথঁনি আৰু দৰিদ্ৰতা উপশমৰ দিশে পিনে ধাৱমান হোৱা। ই তিনিটা সূত্ৰৰ ওপৰত আধাৰিত। সেয়া হ'ল 'ভাৰতক ৰূপান্তৰ সাধন, শক্তিশালী তথা পৰিষ্কাৰ পৰিচ্ছন্ন কৰি তোলা।" এই তিনিটা বিষয়ৰ সমাজৰ স্পৰ্শকাতৰ তথা দুৰ্বল শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত বিশেষ প্ৰাসঙ্গিকতা আছে। বাজেটত প্ৰশাসনৰ গুণগত দিশৰ ৰূপান্তৰ সাধন কৰাৰ বিষয়টো নিহিত আছে— যিটোৱে জনগণৰ জীৱনৰ গুণগত দিশৰ ওপৰত পোনপটীয়াভাৱে প্ৰভাৱ পেলাব পাৰে। তেনেদৰে বাজেটখনৰ লক্ষ্য হ'ল সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকসকলক সবল কৰি তোলা— বিশেষকৈ স্পৰ্শকাতৰ শ্ৰেণীৰ জনগণক। তেওঁলোকৰ মাজত অন্তৰ্নিহিত হৈ থকা প্ৰকৃত গুণৰাশিক যথাযথ ৰূপত বিকাশ সাধনৰ সুবিধা দি জীৱন নিৰ্বাহৰ অৱস্থা উন্নত কৰা।

অনুসূচিত জাতি, অনুসূচিত জনজাতি, মহিলা, ল'ৰা-ছোৱালী, সংখ্যালঘু আৰু বিশেষভাৱে সমৰ্থ লোকসকলৰ ওপৰত বিশেষ আলোকপাত কৰা প্ৰয়োজন আৰু তেনেদৰে মনোযোগো দিয়া আৱশ্যক। বাজেটত এইসকল লোকৰ স্থিতি উন্নীত কৰিবৰ কাৰণে চৰকাৰৰ অভিপ্ৰায় প্ৰকাশ কৰা হৈছে আৰু তাৰ বাবে তেওঁলোকক আৰ্থ-সামাজিকভাৱে সৱল কৰাৰ কথা ভবা হৈছে। বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত এই সামাজিক গোটবোৰৰ বাবে বাজেটত আৱণ্টনৰাশি যথেষ্টভাৱে বৃদ্ধি কৰা হৈছে। এনে আৱণ্টনৰাশিৰ কিছুমান লেখত ল'বলগা বৃদ্ধি ইয়াত উল্লেখ কৰা হ'ল—

১) অনুসূচিত জাতিৰ কল্যাণ সাধনৰ অৰ্থে আৱণ্টন (পূৰ্বতে ২০১৬-১৭ বৰ্ষলৈকে ইয়াক অনুসূচিত জাতি উপ-আঁচনি ৰূপে জনা গৈছিল) ২০১৬-১৭ বৰ্ষৰ ৩৮,৮৩৩ কোটি টকাৰ পৰা (বাজেট নিৰ্দ্ধাৰণ) ২০১৭-১৮ বৰ্ষত ৫২,৩৯৩ কোটি টকালৈ বাজেট নিৰ্দ্ধাৰণ) বৃদ্ধি কৰা হৈছে। এই বৃদ্ধিৰ হাৰ হ'ল প্ৰায় ৩৫ শতাংশ।

২) অনুসূচিত জনজাতিৰ কল্যাণ সাধনৰ আৱণ্টন (পূৰ্বতে জনজাতীয় উপ আঁচনি ৰূপে জনা গৈছিল) ২০১৭-১৮ বৰ্ষৰ কাল-ছোৱাৰ বাবে ৩১,৯২০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। এয়া আগৰ বছৰৰ পৰিমাণতকৈ ৩৩ শতাংশ অধিক। ২০১৬-১৭ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ২৪,০০৫.৩৯ কোটি টকা।

৩) স্বাস্থ্য আদি বিষয়ক বাজেটৰ আৱণ্টনৰাশি ২০১৬-১৭ বৰ্ষৰ ৯০,৭৬৯.৮০ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষত ১,১৩,৩২৬.৬৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। পূৰ্বৰ বৰ্ষৰ লেখৰ হিচাপত এই বৃদ্ধিৰ হাৰ হ'ল ২৪.৮৫ শতাংশ।

৪) শিশুৰ কল্যাণ সাধনৰ আৱণ্টিত পুঁজি ২০১৭-১৮ বৰ্ষত ৭১,৩০৫.৩৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ২০১৬-১৭ বৰ্ষত এই পৰিমাণ আছিল ৬৫,৭৫৮.৪৫ কোটি টকা। এই বৃদ্ধিৰ হাৰ হ'ল ৮.৪৪ শতাংশ।

৫) ২০১৭-১৮ বৰ্ষৰ বাজেটত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ বাবে আৱণ্টনৰাশি বৃদ্ধি কৰা হৈছে। তাৰ পৰিমাণ হ'ল ৪,১৯৫ কোটি টকা। ২০১৬-১৭ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ৩,৮২৭ কোটি টকা। শতাংশ হিচাপত এই বৃদ্ধি হ'ল প্ৰায় ৮.৭৬।

অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি লোকৰ সন্দৰ্ভত ২৬ টা কেন্দ্ৰীয় মন্ত্ৰণালয় আৰু বিভাগসমূহে অনুসূচীত জাতিৰ কল্যাণ সাধনৰ অৰ্থে আৱণ্টনৰাশি ধাৰ্য কৰিছে আৰু তেনেদৰে অনুসূচিত জনজাতিৰ বাবেও ৩২ টা কেন্দ্ৰীয় মন্ত্ৰণালয় বিভাগে

*শ্ৰীকাৰা নাইক নিটি আয়োগৰ উপদেষ্টা হিচাপে কাম কৰি আছে আৰু সামাজিক ন্যায় আৰু সবলীকৰণ আৰু ভলুনটেৰি একশ্বন ছে'ল ডিভিযনৰ কাম-কাজ চোৱা-চিতা কৰে। অঞ্জলি বাঞ্চাল নিটি আয়োগৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগত কৰ্মৰত।

আৱণ্টনৰ পৰিমাণ ধাৰ্য কৰিছে। সামগ্ৰিক আৱণ্টনৰ ক্ষেত্ৰত পৰিমাণ যথেষ্ট বৃদ্ধি কৰা হৈছে আৰু কিছুমান আঁচনিৰ ক্ষেত্ৰত তাৰ পৰিমাণ মন কৰিবলগা বিষয়ো হ'ব পাৰে। সেই বিষয়বোৰ হ'ল, যেনে—কৃষি, খোৱা পানীৰ যোগান, বাসগৃহ, স্বাস্থ্য, শিক্ষা ইত্যাদি। ইয়াৰ কিছু তথ্য ১নং তালিকা আৰু ২নং তালিকাত সুকীয়াকৈ দেখুওৱা হৈছে আৰু এইবোৰ আঁচনি অনুসূচিত জাতি আৰু জনজাতিৰ বাবেই নিৰ্দ্ধাৰণ কৰা হৈছে।

প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা আৰু প্ৰধান মন্ত্ৰী কৃষি সিঞ্চয় যোজনাত ২০১৭-১৮ বৰ্ষৰ বাবে যি পুঁজি আৱণ্টনত ধৰা হৈছে তাৰ পৰিমাণ পূৰ্বৰ অৰ্থাৎ ২০১৬-১৭ বৰ্ষৰ নিৰ্দ্ধাৰিত পৰিমাণতকৈ ক্ৰমে ৬১ শতাংশ আৰু ৪১ শতাংশ বৃদ্ধি পাব। কৃষকলৈ হ্ৰসম্যাদী ঋণৰ বাবে সুতৰ এখন ৰাজসাহায্য হ'ব নতুন আঁচনি। ইয়াক ২০১৭-১৮ বৰ্ষৰ কালছোৱাত প্ৰচলন কৰা হ'ব। ইয়াৰ আৱণ্টনৰাশিৰ পৰিমাণ হ'ল ১৫০০০ কোটি টকা। ইয়াৰ ভিতৰৰে অনুসূচিত জাতিৰ বাবে আৱণ্টনৰাশি ধাৰ্য কৰা হ'ব ২০৩০ কোটি টকা। অনুসূচিত জাতিৰ বাবে অন্যান্য বৃহৎ আঁচনিবোৰৰ ভিতৰত আৱণ্টন ৰাশি যথেষ্ট পৰিমাণে বৃদ্ধি কৰা আঁচনিকেইখন হ'ল—"স্বচ্ছ ভাৰত মিছন-গ্ৰাম" (৫৫ শতাংশ— "প্ৰধান মন্ত্ৰী আৱাস যোজনা—গ্ৰাম্য)" (৫০ শতাংশ) আৰু 'প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা' (৫১ শতাংশ)। বাজেটত বিশেষ সামাজিক গোটৰ লোকসকলক চোৱাচিতা কৰা মন্ত্ৰালয় আৰু বিভাগবোৰৰ ক্ষেত্ৰতো ব্যয় সম্পৰ্কে বেচ উৎসাহজনক ভাৱে দিয়া কথাটো প্ৰকাশ পাইছে। এই গোটৰ লোকসকল হ'ল—অনুসূচিত জাতি, জনজাতি, অন্যান্য পিছপৰা সম্প্ৰদায়, সংখ্যালঘু, বিশেষভাৱে সক্ষম লোক ইত্যাদি। ৩ নং তালিকাত এই সন্দৰ্ভত বাজেট আৱণ্টনৰ তথ্য দাঙি ধৰা হৈছে।

শিক্ষাৰ অভাৱেই হ'ল অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ অনগ্ৰসৰতাৰ এটা ডাঙৰ কাৰণ। এইটো দেখা যায় যে অনুসূচিত জাতিৰ ছাত্ৰৰ ক্ষেত্ৰত স্কুলত নাম লগাই পাছত পঢ়িবলৈ এৰি দিয়াৰ সংখ্যা ৰাষ্ট্ৰীয় গড় হিচাপতকৈ বহু বেছি। ইয়াৰ এটা কাৰণ হ'ল পৰিয়ালবোৰৰ অৰ্থনৈতিক অৱস্থা শোচনীয়। বহু ক্ষেত্ৰতে ছাত্ৰসকলে স্কুললৈ যাবলৈ এৰি দিয়াৰ কাৰণ হ'ল তেওঁলোকৰ পিতৃ-মাতৃ অধ্যয়নৰ বাবে সহায়-সমৰ্থন আগবঢ়াবলৈ সমৰ্থবান নোহোৱাটো অথবা পৰিয়ালটোক সমৰ্থন জনাবলৈ তেনে ল'ৰাই অতিৰিক্তভাৱে কাম কৰা—যাতে পৰিয়ালৰ বাবে উপাৰ্জন কৰিব পাৰে।

বাজেটত এই বিষয়টোৰ ওপৰত অধিক পৰিমাণে আলোকপাত কৰিবলৈ লোৱা হৈছে—যাতে তেনে সমস্যাবোৰ সমাধান কৰিব পাৰি। উদাহৰণ স্বৰূপে, বাজেটত দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যুগুতোৱা বৃত্তিৰ আঁচনিসমূহ আৱণ্টনৰাশি যথেষ্ট পৰিমাণে বৃদ্ধি কৰা হৈছে। অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰৱেশিকাৰ পৰৱৰ্তী কালৰ বৃত্তিৰ অধীনত আৱণ্টনৰাশি ২০১৭-১৮ বৰ্ষৰ কালছোৱাৰ বাবে ৩৩৪৮ কোটি টকা কৰা হয়। ২০১৬-১৭ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ২৭৯১ কোটি টকা। লেখৰ হিচাপত এই বৃদ্ধিৰ হাৰ হ'ল ২০ শতাংশ।

স্কুলৰ পৰা ঘৰলৈ দূৰত্বৰ বিষয়টো হ'ল আন এটা ঘাই কাৰণ—যাৰ বাবে দুৰ্বল বৰ্গৰ ল'ৰা-ছোৱালী স্কুললৈ যাবলৈ সময়ত এৰি দিয়ে—বিশেষকৈ বালিকা-সকলে। এই সমস্যাটোৰ বিষয়েও ২০১৭-১৮ বৰ্ষৰ বাজেটত দৃষ্টি আৰোপ কৰা হৈছে। তাৰ বাবে অনুসূচিত জাতিৰ ল'ৰা আৰু ছোৱালীৰ কাৰণে হোষ্টেল নিৰ্মাণৰ অৰ্থে আৱণ্টনৰাশিৰ পৰিমাণ পূৰ্বৰ বছৰতকৈ বহুখিনি বৃদ্ধি কৰা হৈছে। ২০১৬-১৭ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ৪৫ কোটি টকা (বাজেট নিৰ্দ্ধাৰণ), কিন্তু ২০১৭-১৮ বৰ্ষৰ বাজেটত ১৫৫ কোটি টকা ধাৰ্য কৰা হয়। ইয়াৰ বাহিৰেও অনুসূচিত জাতিৰ ল'ৰা-ছোৱালীৰ বাবে উচ্চ শিক্ষা গ্ৰহণৰ অৰ্থে অন্য আঁচনিও প্ৰস্তুত কৰা হয়। ৰাষ্ট্ৰীয় ফেল'শ্বিপ আঁচনিৰ বাবে আৱণ্টনৰ পৰিমাণ ২০১৬-১৭ বৰ্ষৰ ২০০ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষত ২৩০ কোটি টকা কৰা হয়।

'প্ৰধান মন্ত্ৰী ৰিছাৰ্চ ফেল'শ্বিপ' হ'ল এখন নতুন আঁচনি। উচ্চ শিক্ষা বিভাগৰ দ্বাৰা ইয়াক ৰূপায়িত কৰা হ'ব। আঁচনিখনত অনুসূচিত জাতিৰ অনুভাগ থাকিব আৰু তাৰ বাবে চলিত বাজেটত পৰিমাণ হ'ব ১২ কোটি টকা। অনুসূচিত জাতিৰ নাগৰিক অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। এই সকল লোকে তথাকথিত উচ্চ বৰ্ণৰ লোকৰ পৰা বিভিন্ন ধৰণে অত্যাচাৰ-অনাচাৰ সাধাৰণতে ভুগিব লগা হয়; আৰু এই বিষয়টোৰে কেন্দ্ৰীয় চৰকাৰৰ বাজেটত (২০১৭-১৮) তাৰ প্ৰতিকাৰৰ বাবে বিশেষ গুৰুত্ব লাভ কৰিছে। নাগৰিক অধিকাৰ আইন, ১৯৯৫ আৰু আতিশয্য প্ৰতিৰোধ আইন, ১৯৮৯ ক উপযুক্ত কাৰ্য ব্যৱস্থাৰে শক্তিশালী কৰিবৰ কাৰণে আঁচনিৰ আৱণ্টনৰাশি ২০০ শতাংশ বৃদ্ধি কৰা হৈছে। লেখৰ হিচাপত ইয়াৰ পৰিমাণ হ'ল ২০১৬-১৭

১ নং তালিকা ঃ অনুসূচিত জাতিৰ কল্যাণৰ বাবে বৃহৎ আঁচনিসমূহৰ আবণ্টন

| মন্ত্ৰণালয়/বিভাগ | আঁচনি | বাজেট নিৰ্দ্ধাৰণ ২০১৬-১৭ | বাজেট নিৰ্দ্ধাৰণ ২০১৭-১৮ | বাজেট নিৰ্দ্ধাৰণ বৃদ্ধি |
|---|---|---|---|---|
| কৃষি, সহযোগ আৰু কৃষক কল্যাণ | প্ৰধান মন্ত্ৰী ফচল যোজনা | ৯২১.০০ | ১৪৮৪.৬৭ | ৬১.২০ |
| কৃষি, সহযোগ আৰু কৃষক কল্যাণ | কৃষকলৈ হ্ৰস্ব-ম্যাদী ঋণৰ বাবে সুত ৰাজসাহায্য | | ২৪৩০.০০ | নতুন আঁচনি |
| কৃষি, সহযোগ আৰু কৃষক কল্যাণ | প্ৰধান মন্ত্ৰী কৃষি সিঞ্চই যোজনা | ৩৯১.৩২ | ৫৫০.৮০ | ৪০.৭৫ |
| খোৱা পানী আৰু অনাময় | স্বচ্ছ ভাৰত মিছন-গ্ৰাম্য | ১৯৮০.০০ | ৩০৬৮.৬২ | ৫৪.৯৮ |
| খোৱাপানী আৰু অনাময | ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱাপানী মিছন | ১১০০.০০ | ১৩৩১.০০ | ২১ |
| স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য মিছন | ৩৯৩১.০২ | ৪২৭২.৯৩ | ৮.৬৯ |
| গ্ৰাম্য বিকাশ | প্ৰধান মন্ত্ৰী আৱাস যোজনা-গ্ৰাম্য | ৫১১৬.৭৪ | ৭৬৫২.৭২ | ৪৯.৫৬ |
| দক্ষতা বিকাশ | প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা | ৩১১.০০ | ৪৭০.০০ | ৫১.১২ |
| স্কুলীয়া শিক্ষা আৰু সাক্ষৰতা | নৱোদয় বিদ্যালয় সমিতি | ৩৮০.০০ | ৪১৮.২৭ | ১০.০৭ |

বৰ্ষৰ ১৫০ কোটি টকাৰ ঠাইত ২০১৭-১৮ বৰ্ষৰ বাবে ৩০০ কোটি টকা।

অনুসূচিত জনজাতিৰ লোকৰ বাবেও একে ধৰণৰ প্ৰয়াস অব্যাহত আছে। প্ৰৱেশিকাৰ পৰৱৰ্তী বৃত্তি আঁচনিৰ অধীনত আৱণ্টনৰাশি বৃদ্ধি কৰা হৈছে। ২০১৭-১৮ বৰ্ষৰ বাজেটত এই আঁচনিৰ অধীনত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ১৩৪৭ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ২০১৬-১৭ বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ আছিল ১২০০ কোটি টকা। শতাংশ হিচাপত এই বৃদ্ধিৰ হাৰ হ'ল ১২.২৫ শতাংশ অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় ফেল'শ্বিপ তথা বৃত্তি আঁচনিৰ অধীনত বাজেট আৱণ্টনৰাশি ২০১৬-১৭ বৰ্ষৰ ৫০ কোটি টকাৰ পৰা চলিত বৰ্ষৰ বাজেটত ১২০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। পূৰ্বৰ বছৰৰ তুলনাত এই বৃদ্ধি হ'ল ১৪০ শতাংশ। জনজাতীয় গৱেষণা প্ৰতিষ্ঠানসমূহক উৎসাহিত কৰিবৰ কাৰণে চৰকাৰৰ অভিপ্ৰায় বাজেটত প্ৰতিফলিত হৈছে। জনজাতীয় লোকৰ বিকাশৰ অৰ্থে বিভিন্ন নীতি আৰু কাৰ্যসূচী যুগুতাই সেইবোৰ উপযুক্ত উৎস ৰূপে বৰঙণি যোগোৱাৰ বিষয়ে চিন্তা কৰা হৈছে। এই গৱেষণা প্ৰতিষ্ঠানসমূহৰ বাবে বাজেটত ৮০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ২০১৬-১৭ বৰ্ষত ইয়াৰ পৰিমাণ আছিল ২১ কোটি টকা। লেখৰ হিচাপত প্ৰায় পাঁচগুণ বৃদ্ধি হৈছে।

সংখ্যালঘু সকলৰ কাৰণে বাজেটত তেওঁলোকৰ শিক্ষাগত অৰ্হতা আৰু দক্ষতা বিকাশৰ ওপৰত আলোকপাত কৰা হৈছে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰণালয়ৰ বাবে ২০১৭-১৮ বৰ্ষৰ বাজেটত যি আবণ্টন কৰা হৈছে তাৰ পৰিমাণ হ'ল ৪১৯৫ কোটি টকা। এয়া পূৰ্বৰ বছৰৰ বাজেটতকৈ ৯.৬ শতাংশ অধিক। ২০১৬-১৭ বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ আছিল ৩৮২৭ কোটি টকা। “সংখ্যালঘুসকলৰ শিক্ষাগত সবলীকৰণৰ” বাবে সামগ্ৰিক আৱণ্টনৰাশি ২০৫৪ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। আগৰ বছৰটোত (২০১৬-১৭) ইয়াৰ পৰিমাণ আছিল ১৯৪৯ কোটি টকা। চলিত বৰ্ষৰ বাবে এই বৃদ্ধিৰ পৰিমাণ হ'ল ১০৫ কোটি টকা। একেদৰে “দক্ষতা বিকাশ আৰু জীৱিকা নিৰ্বাহ”ৰ বাবে আবণ্টনৰ পৰিমাণ ২০১৬-১৭ বৰ্ষৰ ৫৪২ কোটি টকাৰ ২০১৭-১৮ বৰ্ষৰ কালছোৱাৰ বাবে ৬৩৫ কোটি টকা বৃদ্ধি কৰা হৈছে। এই বৃদ্ধিৰ হাৰ হ'ল ১৭ শতাংশ।

বিশেষভাৱে সমৰ্থ লোকৰ সবলীকৰণ বিভাগৰদ্বাৰা চোৱাচিতা কৰা “দিব্যাংগসকল” হ'ল এটা সামাজিক গোট— .যাৰ জৰিয়তে তেনে লোকসকলক সহায় সমৰ্থন আৰু উৎসাহ প্ৰদান কৰিবলৈ চোৱা হয়। চৰকাৰে এনে ধৰণৰ গোট আৰু প্ৰতিষ্ঠানসমূহৰ ওপৰত বিশেষ আলোকপাত কৰিবলৈ লৈছে। উক্ত বিভাগটোৰ আবণ্টনৰাশি ১০ শতাংশ বৃদ্ধি কৰা হ'ব। ২০১৬-১৭ বৰ্ষত ইয়াৰ আবণ্টনৰ পৰিমাণ আছিল ৭৮৪ কোটি টকা। চলিত বিত্তীয় বৰ্ষৰ বাজেটত ইয়াৰ পৰিমাণ হয়গৈ ৮৫৫ কোটি টকা।

প্ৰত্যেক ব্যক্তিৰ ঘৰ এখন ভালদৰে থাকিবৰ কাৰণে সাজি উলিওৱাৰ ক্ষেত্ৰত চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে লৈছে আৰু তাক বাস্তৱায়িত কৰি তুলিবৰ

কাৰণে “প্ৰধান মন্ত্ৰী আৱাস যোজনা—গ্ৰাম্য”ৰ অধীনত ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। এই যোজনাৰ অধীনত অনুসূচিত জাতিৰ বাবে ৫০ শতাংশ আবণ্টন বৃদ্ধি কৰা হৈছে। অনুসূচিত জনজাতিৰ বাবেও ৩৯ শতাংশ বঢ়াই দিয়া হৈছে।

দুখীয়া লোকসকলৰ বাবে বিনামূলীয়া এল পি জি অৰ্থাৎ ৰন্ধন গেছ সংযোগ কৰাটো বৰ গুৰুত্বপূৰ্ণ বিষয় আৰু সেই মৰ্মে চৰকাৰে ইয়াৰ কাৰণে সফল আৰম্ভণি কৰিছে। এই প্ৰয়াস অব্যাহত ৰাখিবৰ বাবে “প্ৰধান মন্ত্ৰী উজ্বলা যোজনা”ৰ অধীনত আবণ্টনৰ পৰিমাণ ২০ কোটি টকা বৃদ্ধি কৰা হৈছে। ২০১৬-১৭ বৰ্ষৰ ৫০০ কোটি টকাৰ পৰা ২০১৭-১৮ বৰ্ষৰ বাবে ৫২০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হয়। ইয়াৰ লক্ষ্য হ'ল দুবছৰৰ ভিতৰত ৫ কোটি ঘৰলৈ এনে ইন্ধন গেছৰ সংযোগ সাধন কৰা।

বাজেটত সন্নিৱিষ্ট কৰা আন এটা বিষয় হ'ল অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ যুৱকসকললৈ নিয়োগ তথা ঔদ্যোগিক ভাৱধাৰা গঢ়ি তোলাৰ সা-সুবিধাৰ যোগান ধৰা। অন্যান্য সামাজিক গোটবোৰকো ইয়াত সামৰি লোৱাৰ কথা ভবা হৈছে। নিয়োগ বৃদ্ধি কৰিবৰ কাৰণে গ্ৰহণ কৰা ব্যৱস্থাসমূহ ইয়াত উল্লেখ কৰা হ'ল—

★ অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ মাজত ঔদ্যোগিক ভাৱধাৰাৰ গুণ সঞ্চাৰিত কৰি দক্ষতাৰ বিকাশেৰে দেশখনক আগুৱাই লৈ যোৱা —যাতে সৰ্ব প্ৰকাৰে জনগণৰ উন্নতি সাধন হয় আৰু দেশৰো মঙ্গল হয়। এই উদ্দেশ্যে যি আঁচনি আছে তাৰ বাজেট নিৰ্দ্ধাৰণৰ পৰিমাণ ২০১৭-১৮ বৰ্ষৰ বাবে ৫২০ কোটি টকালৈ বৃদ্ধি কৰা হয়। আগৰ বছৰটোত ইয়াৰ পৰিমাণ আছিল ৫০০ কোটি টকা।

★ ঔদ্যোগিক মূল্যৰ বৃদ্ধি সাধনৰ বাবে দক্ষতা বিকাশৰ পৰৱৰ্তী পৰ্যায় আৰম্ভ কৰিবলৈ ২০১৭-১৮ বৰ্ষৰ কালছোৱাৰ কাৰণে ২,২০০ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰ উদ্দেশ্য হ'ল আই আই টি সমূহত গুণ তথা বজাৰৰ প্ৰাসঙ্গিক বুনিয়াদী প্ৰশিক্ষণক উন্নত কৰা আৰু উদ্যোগ গঢ়ি তুলি —‘এপ্ৰেণ্টিছশ্বিপ প্ৰ'গ্ৰাম’ অৰ্থাৎ কাম-কাজ শিকাৰ কাৰ্যসূচীসমূহক সবল কৰা।

★ জীৱিকা নিৰ্বাহৰ উৎসাহিতকৰণ কাৰ্যসূচীৰ বাবে দক্ষতা আহৰণ তথা জ্ঞান সজাগতাৰ কামো ২০১৭-১৮ বৰ্ষত হাতত লোৱা হ'ব আৰু তাৰ বাবে পুঁজিৰ পৰিমাণ হ'ল ৪,০০০ কোটি টকা। ইয়াৰ জৰিয়তে ৩.৫ কোটি যুৱকক বজাৰৰ প্ৰাসঙ্গিক বিষয় সম্বন্ধে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

★ নাবাৰ্ডত এটা ডেইৰী প্ৰছেছিং এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপ্মেণ্ট ফাণ্ড স্থাপন কৰা হ'ব। দেশখনত দুগ্ধ বিকাশৰ কাম-কাজক উৎসাহিত কৰিবৰ কাৰণে ৩ বছৰ কালৰ বাবে ৮,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। প্ৰাৰম্ভিক অৱস্থাত ২০০০ কোটি টকা পুঁজিৰে কাম আৰম্ভ কৰা হ'ব।

সমাজৰ সীমিত অৱস্থাৰ লোকসকলৰ কাৰণে বাজেটত অন্য কিছুমান গুৰুত্বপূৰ্ণ কাম হাতত লোৱাৰ বিষয়ে উল্লেখ কৰা হৈছে। তাৰে কেইটামান তলত দিয়া হ'ল—

১। জ্যেষ্ঠ নাগৰিকসকলৰ বাবে আধাৰ ভিত্তিক স্মাৰ্ট কাৰ্ডৰ প্ৰচলন। সেই কাৰ্ডত তেওঁলোকৰ স্বাস্থ্যৰ বিষয়ে সবিশেষ থাকিব। পৰীক্ষামূলক ভিত্তিত ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ১৫ খন জিলাত ইয়াক আৰম্ভ কৰা হ'ব।

২। ২০১৯ চনৰ ভিতৰত এক কোটি ঘৰৰ লোকক দৰিদ্ৰ অৱস্থাৰ পৰা মুক্ত কৰিবলৈ “মিছন আন্ত্যোদয়া” আঁচনি হাতত লোৱা হ'ব আৰু সেই উল্লিখিত বৰ্ষৰ ভিতৰতে ৫০,০০০ গাঁও পঞ্চায়তক দৰিদ্ৰ মুক্ত কৰা হ'ব। এয়া মহাত্মা গান্ধীৰ ১৫০

৩ নং তালিকা ঃ সামাজিক মন্ত্ৰণালয়/বিভাগসমূহৰ ব্যয়ৰ লেখ (২০১৭-১৮)

কোটি টকা হিচাপত

| মন্ত্ৰণালয়/বিভাগ | ২০১৬-১৭ (বাজেট নিৰ্দ্ধাৰণ) | ২০১৭-১৮ (বাজেট নিৰ্দ্ধাৰণ) | শতাংশ হাৰত বৃদ্ধি |
|---|---|---|---|
| সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ | ৬৫৬৬.৯৫ | ৬৯০৮.০০ | ৫.২০ |
| জনজাতীয় পৰিক্ৰমা মন্ত্ৰণালয় | ৪৮২৭.০০ | ৫৩২৯.০০ | ১০.৩৯ |
| সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰণালয় | ৩৮২৭.০০ | ৪১৯৫.০০ | ৯.৬১ |
| বিশেষভাৱে সক্ষম লোকৰ সবলীকৰণ বিভাগ | ৭৮৪.০০ | ৮৫৫.০০ | ৯.০৫ |

সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে সাধন কৰা হ'ব। উক্ত মিছন কাৰ্যত প্ৰত্যেক বঞ্চিত ঘৰৰ লোকৰ বাবে জীৱিকা নিৰ্বাহৰ উপায়ৰ ব্যৱস্থা কৰিবৰ অৰ্থে সৰু সৰু আঁচনিৰ ওপৰত আলোকপাত কৰা হ'ব।

৩। প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত বাজেটত ২০১৫-১৬ বৰ্ষৰ যি ঋণ প্ৰদানৰ লক্ষ্য আছিল তাক দুগুণ কৰিবলৈ ভবা হৈছে। ২০১৭-১৮ বৰ্ষৰ বাবে থিৰ কৰা লক্ষ্য কামত লগাবলৈ ২.৪৪ লাখ কোটি টকাৰ দিহা কৰা হৈছে আৰু এই পুঁজিৰ পৰাই দলিত, জনজাতি, পিছপৰা শ্ৰেণী, সংখ্যালঘু আৰু মহিলা-সকললৈ ঋণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব—যাতে তেওঁলোকে ক্ষুদ্ৰ আকাৰত ব্যৱসায় আৰু সৰু-সুৰা উদ্যোগৰ কাম আৰম্ভ কৰিব পাৰে।

মুঠৰ ওপৰত ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত সামগ্ৰিকভাৱে যিবোৰ বিষয়ত আলোকপাত কৰা হৈছে, সেই সকলো মূল আৰু গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ সন্দৰ্ভত নিশ্চিত স্থিতিত উপনীত হোৱা। তেনে ক্ষেত্ৰবোৰ হ'ল শিক্ষা, বহনক্ষম বাসগৃহ, দক্ষতাৰ বিকাশ, বিত্তীয় সাহায্য ইত্যাদি। বাজেটত নিৰ্দ্ধাৰণ কৰা আবণ্টনৰাশিয়েই হ'ল চৰকাৰৰ কাৰ্যক্ৰমণিকাৰ একোটা ইঙ্গিতবিশেষ। উৎপাদন আৰু তাৰ পৰা পাব পৰা ফলাফলৰ সন্দৰ্ভত কৰা পুনৰীক্ষণৰ উপযুক্ত ব্যৱস্থা গ্ৰহণেৰে চৰকাৰে ইতিমধ্যে অধিক মনোযোগ দিয়াটোৱে এটা ইতিবাচক দিশৰেই তাৎপৰ্য বহন কৰে; আৰু তাৰ দ্বাৰাই সমাজৰ দুৰ্বল তথা স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসকলৰ জীৱনৰ গুণগত দিশৰ যথেষ্ট উন্নতি সাধন হোৱাটো আশা কৰিব পাৰে। ❐

---

**(২১ পৃষ্ঠাৰ পৰা)**

সুবিধাজনক হোৱাৰ লগতে কৰ্ম দক্ষতাও বাঢ়িব। গাঁৱৰ পৰা চহৰলৈ হোৱা প্ৰব্ৰজনৰ বাবে, বাঢ়ি অহা নগৰীয়া জনসংখ্যাৰ বাবে আৰু অধিক এনে কৰ্মমুখী আৰু নগৰমুখী আঁচনি গ্ৰহণ কৰা বাঞ্ছনীয়।

যদি উদ্যোগৰদ্বাৰাই বিকাশ কৰা অভিলাষ হয়, তেনেহ'লে উৎপাদন-শীল ক্ষেত্ৰৰ বাবে আৰু অধিক প্ৰযত্ন কৰিব লাগিছিল। 'মেইক্ ইন ইণ্ডিয়া'ৰ উৎসাহজনক অংশ হিচাপে চামৰা, গ্ৰহৰত্ন আৰু গহনাৰ দৰে শ্ৰমিক প্ৰধান উদ্যোগবিলাকৰ বাবে চৰকাৰে উৎসাহজনক কৰৰ প্ৰস্তাৱ ৰাখিব লাগিছিল যাতে এই উদ্যোগসমূহে উৎপাদন বৃদ্ধি কৰিব পাৰে, কৰ্মসংস্থাপনৰ সুযোগ উলিয়াব পাৰে আৰু ৰপ্তানি পুনৰুদ্ধাৰ কৰিব পাৰে। 'স্মাৰ্ট ছিটি' আঁচনিৰ অধীনত চীন দেশৰ আৰ্হিত বৃহৎ ঔদ্যোগিক চহৰ গঠন কৰা উচিত— য'ত উৎপাদনশীল ক্ষেত্ৰ, জনসুবিধা, আৱাসিক ক্ষেত্ৰ, বিদ্যালয় আৰু চিকিৎসালয়ৰ দৰে সুবিধাসমূহ থাকিব। কিন্তু ২০১৭ বৰ্ষৰ বাজেটত এনে আঁচনিৰ বাবে কোনো উল্লেখনীয় ৰাজহ আগবঢ়োৱা নহ'ল। শ্ৰমিক প্ৰধান উদ্যোগৰ উন্নতিকৰণৰ বাবে বিশেষ মনোযোগ দিয়া দেখা নগ'ল। বৰঞ্চ বাজেটখন অধিক কৃষিমুখী আৰু গ্ৰাম্যমুখী হৈ পৰিছে। ইও এটা আশ্বাসযোগ্য কথা। কিয়নো আমাৰ মুঠ জনসংখ্যাৰ অধিক সংখ্যকেই এতিয়াও গাঁৱতে বসবাস কৰে আৰু এই মানৱশক্তিৰ পৰা অৰ্দ্ধেক সংখ্যকেই কৃষিৰ লগত জড়িত হৈ আছে। তথাপি শ্ৰমিক প্ৰধান উদ্যোগসমূহৰ আধুনিকীকৰণৰ জৰিয়তে এই গোটসমূহক বৰ্দ্ধিত হোৱাত সহায় কৰি ইয়াৰ দ্বাৰা বিকাশ তথা কৰ্ম সংস্থাপনৰ সুবিধা উলিওৱা আদি কথাবোৰ বিশেষ গুৰুত্বপূৰ্ণ আছিল যদিও এইক্ষেত্ৰ এইবিলাকে পিছৰ সূচীপত্ৰতহে স্থান পাইছে। পুতৌজনক প্ৰযুক্তিৰ আমদানিৰ সলনি উৎপাদন আৰু কৰ্মসংস্থাপন বৃদ্ধি কৰিব পৰা নতুনত্বৰ সমাৱেশ কেনেকৈ আনিব পাৰি এই বিষয়সমূহ ভৱিষ্যতৰ বাবে অধ্যয়নযোগ্য। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# ৰাজহ ব্যৱস্থা উজ্জীৱিতকৰণৰ প্ৰয়াস আৰু ২০১৭-১৮ বৰ্ষৰ বাজেট

মালিনী চক্ৰৱৰ্তী*

**পাতনি ঃ**

চৰকাৰে গ্ৰহণ কৰা বি-মুদ্ৰাকৰণ ব্যৱস্থা আৰু তাৰ ফলত বৃহৎ সংখ্যক লোক সন্মুখীন হোৱা কঠিনতালৈ চাই ২০১৭-১৮ বৰ্ষৰ বাজেটখনে বহু আশাৰ বতৰা কঢ়িয়াই আনিব বুলি বহুতেই আশা কৰিছিল। তেওঁলোকৰ ধাৰণা আছিল যি বাজেটখনে কৰৰ হাৰ হ্ৰাস আৰু কৰ প্ৰয়োগৰ সীমাৰ ইফাল-সিফাল, কৰ ৰেহাই আদিৰ ক্ষেত্ৰত এটা ডাঙৰ পৰিৱৰ্তন আনিব। কিন্তু আনপিনে চৰকাৰৰ বাবে কৰৰ হাৰ হ্ৰাস কৰাটো এটা কঠিন কাম; কিয়নো ভাৰত হ'ল বৃহৎ বিকাশমুখী দেশসমূহৰ মাজত কৰ-তথা মুঠ ঘৰুৱা উৎপাদন সমানুপাত হিচাপত এটা অন্যতম কম হাৰৰ স্থিতি অটুট ৰাখিব পৰা দেশ।

তথাপি এই বছৰৰ বাজেটত কৰৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন অনা হৈছে— ঘাইকৈ প্ৰত্যক্ষ কৰৰ সন্দৰ্ভত আৰু সেই ঘাই পৰিৱৰ্তনৰ অন্যতম বিষয় হ'ল ব্যক্তিগত আয়কৰ ৰেহাইৰ ব্যৱস্থা। যিসকল লোক ন্যূনতম কৰ বন্ধনীৰ ভিতৰত পৰে, অৰ্থাৎ ২.৫ লাখ টকাৰ পৰা ৫ লাখ টকা উপাৰ্জন কৰোঁতাসকলৰ বাবে এই ৰেহাইৰ হাৰ হ'ল ১০ শতাংশৰ পৰা ৫ শতাংশ। পিছে একে সময়ত এনে বাৰম্বাৰ লাভৰ পৰা এৰাই চলিবৰ কাৰণে ৫ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰা ব্যক্তিসকলৰ ক্ষেত্ৰত পূৰ্বতে যি সৰ্বাধিক ৫০০০ টকালৈকে (৮৭ক ধাৰাৰ অধীনত) ৰেহাইৰ সুবিধা আছিল সেয়া এতিয়া ২,৫০০ টকালৈ হ্ৰাস কৰা হৈছে। এই লাভৰ সুবিধা আহৰণ কৰিবৰ কাৰণেও ব্যৱস্থা সলনি কৰা হৈছে আৰু সেই অনুযায়ী এতিয়া ৩.৫ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰা ব্যক্তিসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। তদুপৰি আয়কৰৰ দাখিলনামা পূৰণ কৰা পদ্ধতিও সহজ কৰা হ'ব। মাত্ৰ এক-পৃষ্ঠাৰ প্ৰ-পত্ৰৰ প্ৰচলনে বিষয়টো সৰল কৰি তুলিব। ব্যক্তিৰ ক্ষেত্ৰত ব্যৱসায়ৰদ্বাৰা কৰা উপাৰ্জনৰ বাহিৰে অন্য বিষয়ত ৫ লাখ টকা পৰ্যন্ত কৰযোগ্য উপাৰ্জনৰ বাবে উক্ত প্ৰ-পত্ৰৰে আয়কৰ দাখিলনামা জমা দিব পাৰিব। কৰ হাৰ হ্ৰাসৰ লগতে সহজ-সৰল কৰ দাখিল পদ্ধতিয়ে অধিক সংখ্যক লোকক এনে ব্যৱস্থা গ্ৰহণৰ প্ৰতি আকৰ্ষিত কৰাৰ আশা আছে।

ব্যক্তিগত আয়কৰ স্তৰৰ সৰ্বোচ্চ সীমাত এটা আদৰণিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু সেয়া হ'ল ৫০ লাখ টকা তথা ১ কোটি টকাৰ মাজৰ বাৰ্ষিক কৰযোগ্য আয়ৰ ক্ষেত্ৰত কৰ পৰিশোধ কৰিব লগা ধনৰাশিৰ ওপৰত ১০ শতাংশ ছুৰচাৰ্জ অৰ্থাৎ উপ-কৰ আৰোপ কৰাটো। ১ কোটি টকাতকৈ অধিক বাৰ্ষিক কৰযোগ্য উপাৰ্জন থকা ব্যক্তিসকলৰ বাবে কৰ পৰিশোধ কৰিব লগা যি ১৫ শতাংশ উপ-কৰ ব্যৱস্থা আছে সেয়া চলি থাকিব।

ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত সাধন কৰা এই পৰিৱৰ্তনৰ উপৰিও অন্য প্ৰত্যক্ষ কৰৰ সন্দৰ্ভতো কিছু পৰিৱৰ্তন কৰা হৈছে। উদাহৰণ স্বৰূপে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগৰ বাবে থকা কৰ্পোৰেট আয়কৰৰ হাৰ ৫ শতাংশ পইণ্ট হ্ৰাস কৰা হৈছে। এই হ্ৰাসৰ পৰিমাণ হ'ল ৩০ শতাংশৰ পৰা ২৫ শতাংশলৈ— যাতে সৰু সৰু কোম্পানীবোৰে স্ব-নিৰ্ভৰশীল অৱস্থাৰ উন্নতি সাধন কৰিব পাৰে। ৫০ কোটি টকা পৰ্যন্ত বাৰ্ষিক লেনদেনৰ ক্ষেত্ৰত এই ব্যৱস্থা কৰিবলৈ লোৱা হৈছে। মাটি আৰু ভৱনৰ ক্ষেত্ৰত থকা দীৰ্ঘকালীন মূলধনী লাভ ব্যৱস্থাতো কিছু সলনি কৰা হৈছে। ইয়াৰ বাবে এনে ৰেহাইমূলক মূলধনী লাভৰ কৰৰ সুবিধা লাভ কৰিবৰ বাবে স্থাৱৰ সম্পত্তিৰ গৰাকী স্বত্বৰ সময় সীমা তিনি বছৰৰ ঠাইত দুবছৰলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ অতিৰিক্ত স্থাৱৰ সম্পত্তিকে ধৰি সকলো শ্ৰেণীৰ সম্পদৰ বাবে ভিত্তি বৰ্ষ ১৯৮১ চনৰ ১ এপ্ৰিলৰ ঠাইত ২০০১ চনৰ ১ এপ্ৰিল কৰা হৈছে।

সীমা শুল্ক, আবকাৰী শুল্ক আদিৰ দৰে পৰোক্ষ কৰৰ ক্ষেত্ৰতো কিছু পৰিৱৰ্তন সাধন কৰা হৈছে। এনে পৰিৱৰ্তনৰ লক্ষ্য হ'ল ঘৰুৱা পৰ্যায়ত মূল্য সংযোজিত সামগ্ৰী উৎপাদন কাৰ্যত উদগনি যোগোৱা, ঘৰুৱা উদ্যোগক পৰ্যাপ্তভাৱে সুৰক্ষিত কৰা, নগদবিহীন লেনদেনক উৎসাহ প্ৰদান কৰা আৰু ঘৰুৱা প্ৰস্তুত কাৰ্যত ব্যৱহৃত পদ্ধতি তথা উপায়সমূহক অধিক প্ৰয়োগৰ বাবে অনুপ্ৰাণিত কৰা।

***লেখিকা মালিনী চক্ৰৱৰ্তী নতুন দিল্লীৰ নীতি গৱেষণা সংগঠন "ছেণ্টাৰ ফৰ বাজেট এণ্ড গভৰ্ণেঞ্চ একাউণ্টেবিলিটি"ৰ সৈতে জড়িত।**

**কৰদাতাসকলৰ ক্ষেত্ৰত সম্ভাব্য প্ৰভাৱ**

সৰ্বনিম্ন কৰ পৰিশোধৰ পৰ্যায়ৰ কাৰণে ব্যক্তিগত আয়কৰ হ্ৰাসকৰণ, আনকি আন ধাৰ পৰিশোধৰ হাৰ অব্যাহত ৰখাৰ ক্ষেত্ৰতে সকলো কৰদাতাৰ বাবে যাৰ বাৰ্ষিক কৰযোগ্য আয় ৫০ লাখ টকাতকৈ কম তেনে ক্ষেত্ৰত কৰ ভৰিব লগা আশংকা হ্ৰাস কৰিব বুলি আশা কৰা যায়। ইয়াত উল্লেখ কৰা ১নং তালিকাত দেখা যায় যে ৩.৫ লাখ টকা পৰ্যন্ত কৰযোগ্য আয় থকা কৰদাতাসকলৰ বাবে বাৰ্ষিক লাভ হ'ব ২,৫৭৫ টকা আৰু লাভৰ পৰিমাণ উপাৰ্জনৰ জখলাত ওপৰলৈ যোৱাৰ লগে লগে ১২,৮৭৫ টকা পৰ্যন্ত লাভৰ মাত্ৰা বৃদ্ধি হ'ব। সম্ভৱতঃ ব্যক্তিগত আয়কৰৰ হাৰৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰভাৱ ৫০ লাখ টকাতকৈ অধিক কৰযোগ্য উপাৰ্জন থকা ব্যক্তিসকলৰ ক্ষেত্ৰত আশান্বিত প্ৰভাৱ পৰা বিষয়টো। ১০ শতাংশ উপ-কৰ আৰোপ ব্যৱস্থাই এই শ্ৰেণীৰ ব্যক্তিসকলৰ কাৰণে মুঠ কৰৰ বোজা বৃদ্ধি (১নং তালিকা দ্ৰষ্টব্য) কৰিব বুলি ভৱিষ্যদ্বাণী কৰিব পৰা যায়। এই কথা এইটো বিষয়ৰ পৰা ক'ব পৰা যায় যে ১০ শতাংশ উপ-কৰ ন্যূনতম কৰ স্তৰত কৰ্তন কৰা হাৰৰ ফলত হোৱা লাভতকৈ অধিক হ'ব। আন কথাত ক'বলৈ গ'লে ইয়াৰ অৰ্থ হ'ল "ছুপাৰ-ৰিচ্" অৰ্থাৎ অধিক ধনী লোকসকলৰ কৰৰ বোজা বৃদ্ধি পাব।

তালিকাত উল্লেখ কৰা "দীৰ্ঘকালীন মূলধনী লাভ" কৰ ব্যৱস্থাত যি পৰিৱৰ্তন কৰা হৈছে সেইটোৱে সম্পত্তিৰ অধিকাৰীসকলকো উপকৃত কৰাৰ সম্ভাৱনা আছে। স্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰত অধিকাৰ ৰক্ষাৰ কাল হ্ৰাসকৰণৰ ফলত দীৰ্ঘকালীন সম্পদৰ স্থিতিত উপনীত

১নং তালিকা ঃ **২০১৭-১৮ বৰ্ষৰ বাজেটত ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ প্ৰভাৱৰ এক লেখ**

| বাৰ্ষিক কৰযোগ্য আয় | বৰ্তমানে থকা কৰ | নতুন কৰ | লাভ/লোকচান |
|---|---|---|---|
| ২.৫ লাখ টকা | — | — | — |
| ৩.৫ লাখ টকা | ৫,১৫০ | ২,৫৭৫* | (+) ২৫৭৫ |
| ৫ লাখ টকা | ২০,৬০০ | ১২,৮৭৫* | (+) ৭২২৫ |
| ১০ লাখ টকা | ১,২৮,৭৫০ | ১,১৫,৮৭৫ | (+) ১২৮৭৫ |
| ৫০ লাখ টকা | ১৩,৬৪,৭৫০ | ১৩,৫১,৮৭৫ | (+) ১২৮৭৫ |
| ৬০ লাখ টকা | ১৬,৭৩,৭৫০ | ১৮,২৬,৯৬৩ | (-) ১,৫৩,২১৩ |
| ৭৫ লাখ টকা | ২১,৩৭,২৫০ | ২৩,৩৬,৮১২.৫ | (-) ১,৯৯,৫৬২.৫ |

**টোকা ঃ** *পূৰ্বে উল্লিখিত ৮৭-ক ধাৰাৰ অধীনত কৰা পৰিৱৰ্তন অন্তৰ্ভুক্ত

হোৱাত সুবিধা হ'ব। ইয়াৰ অৰ্থ হ'ল সম্পত্তিৰ গৰাকীয়ে দুবছৰ কালৰ পিছত তেনে সম্পত্তি বিক্ৰী (৩ বছৰৰ কাৰণে অপেক্ষা কৰাৰ পৰিৱৰ্তে) কৰিব পাৰে আৰু সেই নিম্ন মূলধনী লাভ কৰৰ (অধিক দীৰ্ঘকালীন মূলধনী লাভ কৰৰ তুলনাত) সুবিধা পাব। দ্বিতীয়তঃ বহু বছৰৰ পূৰ্বতে আহৰণ কৰা সম্পত্তি বিক্ৰী কৰিবৰ কাৰণে ভিত্তি বৰ্ষ সলনি ক্ৰমে মূলধনী লাভ কৰৰ আশংকাৰ মাত্ৰাও হ্ৰাস পাব। কিয়নো অধিগ্ৰহণ কৰা তাৰিখ আৰু ২০০১ চনৰ এপ্ৰিলৰ মাজৰ সময়ছোৱাত যি মূল্য চলি আছিল সেয়া এতিয়া সম্পূৰ্ণৰূপে কৰমুক্ত হ'ব।

অন্য এটা উল্লেখনীয় বিষয় হ'ল সৰু সৰু কোম্পানীবোৰক নিজৰ সামৰ্থ্য বৃদ্ধি কৰিবৰ কাৰণে যি কৰ ৰেহাই দিয়া হৈছে সেয়া এটা ইতিবাচক দিশ। অৱশ্যে এইটো কথাও মনত ৰখা আৱশ্যক যে যিসকল অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ তথা মজলীয়া উদ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কেৱল এয়া প্ৰযোজ্য, সেই কাৰণে এনেবোৰ কোম্পানীৰ সৰহ সংখ্যকেই এই ব্যৱস্থাৰ পৰা অধিক উপকৃত নহ'ব পাৰে; কিয়নো বহুতেই নিজৰ ব্যয়ৰাশিক সামৰি ল'বৰ বাবে যথেষ্ট উপাৰ্জন কৰে।

**ৰাজহ প্ৰেক্ষাপণ তথা কৰ মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত**

কিছুমান কৰৰ হাৰ হ্ৰাস তথা ৰাজহৰ ক্ষেত্ৰত ক্ষতিৰ মুখ দেখিলেও ২০১৭-১৮ বৰ্ষৰ বাজেটে ৰাজহৰ সন্দৰ্ভত যথেষ্ট বৃদ্ধি হোৱা বিষয়টো প্ৰেক্ষাপণ কৰিছে। ২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপৰ লগত তুলনা কৰিলে ২০১৭-১৮ বৰ্ষৰ বাজেট হিচাপত ২,০০,০০০ কোটি টকাতকৈ অধিক কৰ ৰাজহ (অৰ্থাৎ মুঠ কেন্দ্ৰীয় কৰ) বৃদ্ধি পাব। তদুপৰি কৰ ৰাজহৰ ক্ষেত্ৰত প্ৰক্ষেপিত বৃদ্ধিৰ সৰহ অংশ প্ৰত্যক্ষ কৰৰ পৰা আহিব। ইয়াত ব্যক্তিগত আয়কৰৰ মাত্ৰা কেন্দ্ৰীয় মুঠ কৰ ৰাজহত সৰহখিনিয়েই বৰঙণি যোগাব (২নং তালিকা দ্ৰষ্টব্য)।

এই প্ৰেক্ষাপণৰ ভিত্তিত কেৱল মুঠ কেন্দ্ৰীয় কৰ-তথা-মুঠ ঘৰুৱা উৎপাদনৰ আনুপাতিক হাৰ ১৯ শতাংশ চিহ্ন অতিক্ৰম কৰিব বুলিয়েই নিৰ্ণীত কৰা হোৱা নাই, তাৰ উপৰি প্ৰত্যক্ষ কৰ-তথা-

২নং তালিকা ঃ **২০১৬-১৭ বৰ্ষৰ পুনৰবৰ্দ্ধিত হিচাপতকৈ ২০১৭-১৮ বৰ্ষৰ বাজেট নিৰ্দ্ধাৰণত প্ৰক্ষিপত কৰ প্ৰাপ্তিৰাশি বৃদ্ধি** (কোটি টকা হিচাপত)

| কৰ অনুভাগ | বৃদ্ধি |
|---|---|
| মুঠ কৰ ৰাজহ | ২,০৮,৩৩৬.৫ |
| নিগম কৰ | ৪৪,৮২১.২ |
| আয়ৰ ওপৰ আৰোপিত কৰ | ৮৮,০৮১.৬ |
| শুল্ক | ২৮,০০০.০ |
| কেন্দ্ৰীয় আবকাৰী শুল্ক | ১৯,৫৩১.৪ |
| সেৱা কৰ | ২৭,৫০০.০ |
| কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰোপিত কৰ | ৪০২.৩ |

**উৎস ঃ** কেন্দ্ৰীয় বাজেট ২০১৭-১৮

মুঠ ঘৰুৱা উৎপাদনৰ আনুপাতিক হাৰ (কেন্দ্ৰীয় কৰসমূহৰ ভিতৰত) বহু বছৰৰ ভিতৰত অন্যতম সৰ্বাধিক পইণ্টত উপনীত হ'ব বুলি অনুমান কৰা হৈছে। পিছে এনে আশাপ্ৰদ প্ৰেক্ষাপণ সত্ত্বেও ভাৰতৰ কৰ পদ্ধতিত প্ৰগতিশীল গতিৰ অভাৱৰ বিষয়টো চিন্তাৰ কাৰণ হৈ আছে। এইটো সুবিদিত যে ভাৰতৰ কৰ গাঁথনি সিমান গতিশীল অৱস্থাৰ নহয়। মাত্ৰ মুঠ যি কৰ সংগ্ৰহ কৰা হয় (কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ সংগৃহীত কৰকে ধৰি) সেয়া প্ৰায় দুই-তৃতীয়াংশহে। তাকো পৰোক্ষ কৰৰ দ্বাৰাইহে সেয়া পৰিপুষ্ট হয়। পিছে কেন্দ্ৰীয় চৰকাৰে প্ৰায়ভাগ পৰোক্ষ কৰ সংগ্ৰহ কৰাৰ কাৰণে সাধাৰণভাৱে ক'বলৈ গ'লে এই চৰকাৰৰ কৰ গাঁথনি অধিক প্ৰগতিশীল হোৱাৰ উপক্ৰমত আছে। কিন্তু ইয়াত উল্লিখিত ৩নং তালিকাখনৰ পৰা এইটো পৰিস্ফুট যে কেন্দ্ৰীয় চৰকাৰে কৰ সংগ্ৰহ কৰিলেও প্ৰত্যক্ষ কৰ-তথা-মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত আৰু পৰোক্ষ কৰ-তথা-মুঠ ঘৰুৱা উৎপাদনৰ আনুপাতিক হাৰৰ মাজত যোৱা কেইবছৰমানত তাৰ মাত্ৰা হ্ৰাস পোৱা দেখা যায়। তাৰ অৰ্থ হ'ল আনকি যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ কৰ প্ৰাপ্তিৰ বিষয়টো বিবেচনা কৰা হয়, তেনে কৰৰ প্ৰগতিশীল গতিধাৰাক ধৰি ৰাখিব পৰা নাই, অৱনমিতহে হোৱা পৰিলক্ষিত হয়। এই ক্ষেত্ৰত বৈশিষ্ট্যপূৰ্ণ বিষয়টো হ'ল এই যে ২০১৭-১৮ বৰ্ষৰ কালছোৱাত প্ৰত্যক্ষ কৰ সংগ্ৰহৰ কাৰণে বহুত বেছি প্ৰেক্ষাপণ কৰিলেও এই দৃশ্যপট বিশেষভাৱে সলনি হোৱাৰ সম্ভাৱনা নাই। সেয়েহে প্ৰক্ষেপিত প্ৰত্যক্ষ কৰ-তথা-মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত (কেন্দ্ৰীয় কৰসমূহৰ ভিতৰত) বহু বছৰৰ ভিতৰত অন্যতম সৰ্বাধিক বুলি থিৰ কৰিলেও কেন্দ্ৰীয় চৰকাৰৰ কৰ গাঁথনিত বহুত উন্নতি হ'ব বুলি আশা কৰিব পৰা নাযায়। আনহাতে যদি প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত যি প্ৰেক্ষাপণ কৰা হৈছে সেইটো যদি প্ৰকৃততে কাৰ্যত পৰিণত নহয়, তেনেহ'লে পৰিস্থিতি আনকি আৰু অধিক বেয়াৰ পিনে ঢাল খোৱাৰ আশংকা আছে।

এটা অৰ্থত ক'বলৈ গ'লে ৰাজহ সন্দৰ্ভত যি প্ৰেক্ষাপণ কৰা হৈছে সেয়া হয়তো অধিক আশাপ্ৰদ হ'ব পাৰে বুলি বিশ্বাস কৰাৰ বহুতো কাৰণ আছে। অতীত অভিজ্ঞতাৰ পৰা এইটো দেখা যায় যে বাজেট নিৰ্দ্ধাৰণৰ তুলনাত কৰ সংগ্ৰহৰ পুনৰবৰ্দ্ধিত হিচাপত সদ্যহতে ধনৰাশিৰ নাটনি হয়। অৱশ্যে পূৰ্বৰ বৰ্ষ অৰ্থাৎ ২০১৬-১৭ বৰ্ষৰ ব্যতিৰেকে পুনৰবৰ্দ্ধিত হিচাপ বাজেট নিৰ্দ্ধাৰণৰ পৰিমাণৰ সৈতে একে সমান হয়। কিন্তু এইটো পৰিষ্কাৰ নহয় যে কেনেকৈ বাজেট নিৰ্দ্ধাৰণ আৰু পুনৰবৰ্দ্ধিত হিচাপৰ পৰিসংখ্যা একে সমান হয়— যি ক্ষেত্ৰত এনে নিৰ্ণয় সাধনৰ বাবে চলিত বৰ্ষৰ কাৰণে চৰকাৰৰ হাতত কম তথ্যহে আছিল (কাৰণ কেন্দ্ৰীয় বাজেট উপস্থাপন এমাহৰ আগতেই কৰা হৈছিল)। প্ৰত্যক্ষ কৰ সংগ্ৰহৰ ক্ষেত্ৰত যিখিনি পৰিমাণ হিচাপত ধৰা হয় সেয়া বোধহয়

৩নং তালিকা ঃ **মুঠ কেন্দ্ৰীয় কৰ-তথা-মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত** (শতকৰা হিচাপত)

| বৰ্ষ | মুঠ কৰ-মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত | প্ৰত্যক্ষ কৰ-মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত | পৰোক্ষ কৰ-মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত |
|---|---|---|---|
| ২০১২-১৩ (প্ৰকৃত) | ১০.৪ | ৫.৬ | ৪.৮ |
| ২০১৩-১৪ (প্ৰকৃত) | ১০.১ | ৫.৭ | ৪.৪ |
| ২০১৪-১৫ (প্ৰকৃত) | ১০.০ | ৫.৬ | ৪.৪ |
| ২০১৫-১৬ (প্ৰকৃত) | ১০.৬ | ৫.৪ | ৫.২ |
| ২০১৬-১৭ (বাজেট নিৰ্দ্ধাৰণ) | ১০.৮ | ৫.৬ | ৫.২ |
| ২০১৬-১৭ (পুনৰবৰ্দ্ধিত নিৰ্দ্ধাৰণ) | ১১.৩ | ৫.৬ | ৫.৭ |
| ২০১৭-১৮ (বাজেট নিৰ্দ্ধাৰণ) | ১১.৩ | ৫.৮ | ৫.৫ |

**টোকা ঃ**

(১) সম্পত্তি শুল্ক, উপহাৰ কৰৰ দৰে প্ৰত্যক্ষ কৰসমূহক হিচাপত ধৰা হোৱা নাই, কিয়নো সেইবোৰৰ পৰিমাণ অতি নগণ্য;

(২) কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰ কৰসমূহকো এই হিচাপত ধৰা হোৱা নাই।

**উৎস ঃ** কেন্দ্ৰীয় বাজেট নথিৰ বিভিন্ন বৰ্ষৰ পৰা যুগুতাই উলিওৱা হৈছে।

অগ্ৰিম কৰ আদায় দিবৰ কাৰণে বি-মুদ্ৰাকৰণ ব্যৱস্থাৰদ্বাৰা ব্যাখ্যা আগবঢ়াব পৰা যায় আৰু এয়ে যদি সঁচা হয়, তেনেহ'লে সমগ্ৰ বছৰটোৰ কাৰণে কৰ সংগ্ৰহৰ বিষয়ত কৰা তেনে প্ৰেক্ষাপণক এটা আধাৰ ৰূপে ল'ব নোৱাৰি।

৪নং তালিকা ঃ **বাজেট নিৰ্দ্ধাৰণ আৰু নিৰ্বাচিত প্ৰত্যক্ষ কৰ প্ৰাপ্তিৰ পুনৰবৰ্দ্ধিত হিচাপৰ তুলনা** (কোটি টকা হিচাপত)

| বৰ্ষ | কৰ্পোৰেট কৰ | উপাৰ্জনৰ আৰোপিত কৰ |
|---|---|---|
| ২০১৩-১৪ (বাজেট নিৰ্দ্ধাৰণ) | ৪,১৯,৫২০ | ২,৪০,৯১৯ |
| ২০১৩-১৪ (পুনৰবৰ্দ্ধিত নিৰ্দ্ধাৰণ) | ৩,৯৩,৬৭৭ | ২,৩৬,১৯৪ |
| ২০১৪-১৫ (বাজেট নিৰ্দ্ধাৰণ) | ৪,৫১,০০৫ | ২,৭৮,২৭৫ |
| ২০১৪-১৫ (পুনৰবৰ্দ্ধিত নিৰ্দ্ধাৰণ) | ৪,২৬,০৭৯ | ২,৭২,৬০৭ |
| ২০১৫-১৬ (বাজেট নিৰ্দ্ধাৰণ) | ৪,৭০,৬২৮ | ৩,২৭,৩৬৭ |
| ২০১৫-১৬ (পুনৰবৰ্দ্ধিত নিৰ্দ্ধাৰণ) | ৪,৫২,৯৭০ | ২,৯৯,০৫১ |
| ২০১৬-১৭ (বাজেট নিৰ্দ্ধাৰণ) | ৪,৯৩,৯২৩.৫ | ৩,৫৩,১৭৩.৭ |
| ২০১৬-১৭ (পুনৰবৰ্দ্ধিত নিৰ্দ্ধাৰণ) | ৪,৯৩,৯২৩.৫ | ৩,৫৩,১৭৩.৭ |
| ২০১৭-১৮ (বাজেট নিৰ্দ্ধাৰণ) | ৫,৩৮,৭৪৪.৭৩ | ৪,৪১,২৫৫.৩ |

**উৎস ঃ** বিভিন্ন বৰ্ষৰ কেন্দ্ৰীয় বাজেট নথিৰ পৰা যুগুতাই উলিওৱা হৈছে।

তেনেদৰে আনকি ২০১৭-১৮ বৰ্ষৰ বাবে ৰাজহৰ ক্ষেত্ৰত কৰা প্ৰেক্ষাপণ বহু বেছি আশাজনক যেন লাগে— বিশেষকৈ প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত। উদাহৰণ স্বৰূপে, মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ গতি লেহেমীয়া হোৱাৰ ক্ষেত্ৰত বি-মুদ্ৰাকৰণৰ প্ৰভাৱ কি সেয়া এতিয়াও স্পষ্ট হোৱা নাই আৰু সেই প্ৰভাৱক সঠিকভাৱে এতিয়াও আয়ত্ত কৰিবলৈ বাকী আছে বুলি ধৰি ল'লে ব্যক্তিগত আয়কৰৰ সন্দৰ্ভত অন্য কিছুমান বিষয়কে ধৰি ৰাজহ প্ৰেক্ষাপণ উচ্চ পক্ষত স্থিত হোৱাৰেই সম্ভাৱনা থাকে।

আনপিনে পৰোক্ষ কৰ সংগ্ৰহৰ প্ৰেক্ষাপণ কম অভিলাষী হৈ দেখা দিয়ে— বিশেষকৈ কেন্দ্ৰৰ আবকাৰী শুল্কৰ ক্ষেত্ৰত; কিয়নো যিমান সংগ্ৰহৰ পৰিমাণ এই উৎসৰ পৰা আশা কৰা হৈছিল সেয়া জিডিপি, অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হাৰতকৈ বহু পৰিমাণে কম হয়। এইটো এই কাৰণে হ'ব পাৰে যে যোৱা বছৰ আবকাৰী শুল্ক সংগ্ৰহৰ এটা বৃহৎ অংশ পৰি আছে গোলকীয় স্তৰত তেলৰ মূল্য অধিক হোৱাৰ বাবে সৃষ্টি হোৱা পৰিৱেশৰ হেতু। বি-মুদ্ৰাকৰণৰ পৰৱৰ্তী কালছোৱাত অৰ্থনীতিৰ লেহেমীয়া গতিয়ে সেই উৎসৰ পৰা কৰ সংগ্ৰহৰ গতি পৰি অহাৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে।

ওপৰত প্ৰক্ষেপিত কৰ ৰাজহৰ সম্পৰ্কে আলোচনা কৰা হ'লেও মিশ্ৰিত মূলধন প্ৰাপ্তিৰাশিৰ প্ৰেক্ষাপণ উচ্চ পক্ষত থাকিব যেনেই লাগে আৰু সেই প্ৰাপ্তিৰাশিৰ ভিতৰত উল্লেখযোগ্য হ'ল— নিৰ্বিনিয়োজন প্ৰাপ্তিৰাশি, কৌশলাত্মক দিশৰ নিৰ্বিনিয়োজন তথা অন্য প্ৰাপ্তিৰাশি (বীমা কোম্পানীসমূহক ধৰি)। তেনে স্থিতি বাহাল থকাৰ সম্ভাৱনা হ'ল ২০১৬-১৭ বৰ্ষৰ বাজেট নিৰ্দ্ধাৰণত যি কৌশলাত্মক দিশৰ নিৰ্বিনিয়োজনৰ বিষয়ে প্ৰেক্ষাপণ কৰা হৈছিল তাৰ মাত্ৰ এটা ক্ষুদ্ৰ অংশহে সেই বছৰৰ পুনৰবৰ্দ্ধিত হিচাবত প্ৰকৃততে বিলীন হৈ যায় (৫নং তালিকা দ্ৰষ্টব্য)।

৫নং তালিকা ঃ **কেন্দ্ৰীয় চৰকাৰৰ মিশ্ৰিত মূলধন প্ৰাপ্তিৰাশি** (কোটি টকা হিচাপত)

| বৰ্ষ | ২০১৫-১৬ (প্ৰকৃত) | ২০১৬-১৭ (বাজেট নিৰ্দ্ধাৰণ) | ২০১৬-১৭ (পুনৰবৰ্দ্ধিত) | ২০১৭-১৮ (বাজেট নিৰ্দ্ধাৰণ) |
|---|---|---|---|---|
| নিৰ্বিনিয়োজন | ৪২,১৩১.৭ | ৩৬,০০০ | ৪০,০০০ | ৪৬,৫০০ |
| প্ৰাপ্তি | | | | |
| কৌশলাত্মক নিৰ্বিনিয়োজন | — | ২০,৫০০ | ৫,৫০০ | ১৫,০০০ |
| অন্যান্য (বীমা কোম্পানীসমূহৰ) তালিকাকৰণ | — | — | — | ১১,০০০ |
| মুঠ | ৪২,১৩১.৭ | ৫৬,৫০০ | ৪৫,৫০০ | ৭২,৫০০ |

**উৎস ঃ** বিভিন্ন বৰ্ষৰ কেন্দ্ৰীয় বাজেট নথিৰ পৰা যুগুতাই উলিওৱা হৈছে।

**(৫০ পৃষ্ঠাত চাওক)**

# ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত স্বাস্থ্য খণ্ডৰ বিকাশ

**ৰঞ্জীৱ আহুজা***

২০১৭-১৮ কেন্দ্ৰীয় বাজেটত স্বাস্থ্য খণ্ডৰ পুঁজি ৫০,২৪৩ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ই পূৰ্বৰ বাজেটত ধাৰ্য কৰা পুঁজি ৩৯,৫৩৩ কোটি টকাতকৈ প্ৰায় ২৭ শতাংশ অধিক।[১] ২০১৭-১৮ বৰ্ষৰ বাজেটত হোৱা স্বাস্থ্য খণ্ডৰ এই বৰ্ধিত হাৰ যোৱা ১৫ বছৰ বা অধিক কালৰ পুঁজিৰ তুলনাত সন্তোষজনকভাৱে অধিক। ইয়াৰ সৈতে সংলগ্ন গ্ৰাফ চালে বুজাত সহজ হ'ব। সঁচা অৰ্থত ক'বলৈ হ'লে, স্বাস্থ্য খণ্ডত দেখা দিয়া মুদ্ৰাস্ফীতিয়ে আগন্তুক বিত্তীয় বৰ্ষত ভাৰসাম্য অটুট ৰাখিব পৰাকৈ পুঁজিৰ বিনিয়োগ হ'লে এই বৰ্ধিত হাৰ বিকাশ সন্মত বুলি ক'ব পৰা যাব।

স্বাস্থ্য খণ্ডৰ পুঁজিৰ বৰ্ধিত হাৰৰ ক্ৰম সিপিঠিৰ গ্ৰাফ চালে বুজাত সহজ হ'ব।

ইয়াত দেখুওৱা গ্ৰাফে ২০০৪-০৫ৰ পৰা ২০১৭-১৮ চনলৈকে স্বাস্থ্য খণ্ডৰ কেন্দ্ৰীয় পুঁজিৰ বৰ্ধিত হাৰৰ এখন ছবি দাঙি ধৰিছে। এইখিনিতে উনুকিয়াই থোৱা উচিত হ'ব যে, এই সময়ছোৱাত ৰাজহুৱা খণ্ডত পুঁজি আবণ্টন তথা ব্যয়ৰ হাৰ (সামান্য নিৰিখত), কেৱল নিম্নই নহয় বৰং ৰাজহুৱা স্বাস্থ্য খণ্ডত হোৱা ব্যয় নিম্নগামী হৈছে। নিম্নগামী এই ব্যয় উৰ্ধগামী কৰাৰ হেতু ২০০৫-০৬ বৰ্ষত ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান ৰূপায়ণ কৰা হয়। এই কাম এনে সময়ত কৰা হ'ল যি সময়ত দেশৰ আৰ্থিক অৱস্থা উন্নত আছিল, লগতে চৰকাৰৰ ৰাজহ সংগ্ৰহো সন্তোষজনক হৈছিল। দেখা যায়, যোৱা তিনি বছৰৰ অৰ্থাৎ ২০১৩-১৪ৰ পৰা ২০১৫-১৬ লৈকে এই তিনি বছৰৰ বাহিৰে ২০০৪-০৫ৰ পৰা ২০১৭-১৮ বৰ্ষত স্বাস্থ্য খণ্ডত কেন্দ্ৰীয় পুঁজি আৱণ্টন বছৰি ১০ শতাংশ হাৰত বৃদ্ধি হৈ আহিছে। কিয়নো, এই সময় ছোৱাত কেন্দ্ৰত প্ৰশাসন সলনি হৈছিল আৰু চতুৰ্থ বিত্তীয় আয়োগৰ পৰামৰ্শ অনুসৰি ৰাজ্যসমূহৰ কৰৰ বোজা বৃদ্ধি কৰা হৈছিল। ৰাজ্যসমূহে যাতে তেওঁলোকৰ প্ৰয়োজনীয় কাম-কাজ চৰ্তবিহীন বিশাল পুঁজিৰে কৰিব পাৰে তাৰ বাবে ৰাজ্যসমূহলৈ ক্ষমতা হস্তান্তৰ কৰা হৈছে। ইয়াৰে অন্যতম ক্ষেত্ৰ হ'ল স্বাস্থ্য সেৱা।

কেন্দ্ৰীয় স্বাস্থ্য পুঁজিৰ বৰ্ধিত হাৰে বৰ্ধিত ব্যয়কো সামৰি লৈছে, যি সময়ত ২০১০-১১ চনলৈকে বিকাশৰ হাৰ ১০ শতাংশলৈ নিম্নগামী হৈছিল আৰু এই ধাৰা ২০১৫-১৬ চনলৈকে অব্যাহত আছিল। ২০১৬-১৭ বৰ্ষৰ সংখ্যা এতিয়াও লাভ কৰা হোৱা নাই যদিও সংশোধিত পুঁজিৰ খতিয়ান চালে দেখা যায় যে, চলিত বছৰত স্বাস্থ্য খণ্ডৰ ব্যয়ৰ বিকাশৰ হাৰ প্ৰায় ১৭ শতাংশ হ'বগৈ। আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল, যদিও ২০১৫-১৬ বৰ্ষত স্বাস্থ্য খণ্ডত পুঁজি আৰণ্টন ১৫ শতাংশলৈ বৃদ্ধি পালে (বিকাশৰ হাৰ ১৫ শতাংশ), স্বাস্থ্য খণ্ডৰ ব্যয় ৯ শতাংশৰো অধিক আৰু এই হাৰ বাজেটৰ মধ্যৱৰ্তী কালীন সংশোধনীত আৰু উন্নত কৰিবলগীয়া হ'লগৈ।

এনেবিলাক বাধা সত্বেও ২০১৭-১৮ চনৰ বাজেটত স্বাস্থ্য খণ্ডত ২৭ শতাংশ বৰ্ধিত হাৰে বিকাশৰ এটা সন্তোষজনক স্থিতিকে সূচাইছে। পৰিকল্পনা কৰা ধৰণে যদিহে ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় স্বাস্থ্য খণ্ডৰ ব্যয় অব্যাহত থাকে তেন্তে স্বাস্থ্য খণ্ডৰ অন্যান্য ব্যয়ৰো বিকাশ সূচাব। স্বাস্থ্য খণ্ডৰ ব্যয় স্বাস্থ্য খণ্ডৰ আৱণ্টিত পুঁজিৰ সৈতে খাপ খাব বুলি আমি কিয় ভাবিব পাৰো? কিয়নো, যোৱা দুবছৰে বাজেট পুঁজিৰ ব্যৱহাৰৰ উন্নতিয়ে আমাক আস্থা প্ৰদান কৰিছে। ইয়াত সংলগ্ন তালিকা চাওক—


**বাজেটত পুঁজি আৰণ্টন ঃ এটি সূক্ষ্ম দৃষ্টি**

২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত আৱণ্টিত পুঁজি, যি নেকি বাজেট খনৰ ৮৪ শতাংশ, তাক ভাল দৰে চালে

[১] বিশ্লেষণৰ স্বাৰ্থত স্বাস্থ্য খণ্ডৰ পুঁজি আৰণ্টনত স্বাস্থ্য পৰিয়াল কল্যাণ মন্ত্ৰণালয় (এম.'অ, এই এচ এফ ডব্লিউ) আৰু আয়ুস (আয়ুস মন্ত্ৰণালয়)ক অন্তৰ্ভুক্ত কৰা হৈছে। ২০১৪-১৫ চনত আয়ুস, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ অধীনস্থ আছিল। পৰ্যায় ক্ৰমে ইয়াক সুকীয়া মন্ত্ৰণালয় হিচাপে ঘোষণা কৰা হয়। পুঁজিৰ আৰণ্টন আৰু ব্যয়ৰ তুলনা কৰিবলৈ এই বিশ্লেষণত আয়ুস মন্ত্ৰণালয়ৰ অন্তৰ্ভুক্তি আৱশ্যক। আয়ুসত মন্ত্ৰণালয়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ তথা স্বাস্থ্য গৱেষণা বিভাগৰ পুঁজি অন্তৰ্ভুক্ত কৰা হৈছে।

**লেখক এজন প্ৰগতিশীল অৰ্থনীতিবিদ তথা পূৰ্বে বিল এণ্ড মেলিণ্ডা গেইটছ আৰু বিশ্ব বেঙ্কৰ সৈতে জড়িত আছিল।**

কেন্দ্ৰীয় স্বাস্থ্য বাজেটৰ বিকাশ




**সংগ্ৰহ ঃ** ভিন ভিন বৰ্ষৰ বাজেটৰ তথ্য

কেতবোৰ আকৰ্ষণীয় দিশ চকুত পৰে (তালিকা খনত দেখুওৱা হৈছে)—

★ বাজেটখনক সৰল তথা সহজ ৰূপে বুজিব পৰাকৈ বাজেট খনৰ শিতান-সমূহ চিনাক্ত কৰা হৈছে।

★ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান তথা ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি আদি কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ জৰিয়তে বাজেটৰ প্ৰায় ৫৯ শতাংশ পুঁজি ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চল-সমূহলৈ হস্তান্তৰ কৰা হৈছে।

★ ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দৰে প্ৰতিষ্ঠান স্থাপন তথা চিকিৎসা মহাবিদ্যালয়সমূহৰ উন্নীতকৰণৰ বাবে প্ৰণয়ন কৰা প্ৰধান মন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাকে ধৰি অন্যান্য কেন্দ্ৰীয় পৰ্যায়ৰ আঁচনিত কেৱল ১৫ শতাংশ পুঁজিহে ধাৰ্য কৰা হৈছে।

★ বাজেটত, স্বাস্থ্য তথা চিকিৎসা শিক্ষাৰ বাবে মানৱ সম্পদ বিভাগত আটাইতকৈ অধিক ধনৰ আৱণ্টন দিয়া হৈছে (৩৪২৫ কোটি টকাৰ বৃদ্ধি), তাৰ পাছতে বৃদ্ধি পাইছে ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান (৩১০০ কোটি টকা) আৰু প্ৰধান মন্ত্ৰী স্বাস্থ্য সুৰক্ষা অভিযানত (১৫২৫ কোটি টকা)। স্বাস্থ্য খণ্ডত আৱণ্টিত বৰ্ধিত পুঁজিৰ প্ৰায় ৮০ শতাংশ এই তিনিটা বিভাগে লাভ কৰিছে।

★ স্বাস্থ্য কৰ্মীৰ, বিশেষকৈ বিশেষজ্ঞ চিকিৎসকৰ অভাৱৰ বাবে চৰকাৰৰ কাৰ্যসূচীত, স্বাস্থ্য সেৱাৰ বাবে মানৱ সম্পদ গঢ়াত অগ্ৰাধিকাৰ দিয়া হৈছে। বিত্ত মন্ত্ৰীয়ে নিজৰ বাজেট ভাষণত, প্ৰতি বছৰে অতিৰিক্ত ৫,০০০ খন আসন স্নাতকোত্তৰ শ্ৰেণীৰ বাবে সৃষ্টি কৰা হ'ব বুলি উল্লেখ কৰিছে। এই বাজেটত স্বাস্থ্য তথা চিকিৎসা শিক্ষাৰ কাৰণে মানৱ সম্পদৰ বৃদ্ধিয়ে সৰ্বাধিক পুঁজি লাভ কৰাটো কিছু আচৰিত হ'ব লগীয়া কথা ।

★ স্বাস্থ্য বাজেটত, ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান আঁচনিৰ বাবে সৰ্বাধিক পুঁজি আৱণ্টন কৰা হৈছে, ই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বাবে ধাৰ্য কৰা পুঁজিৰ প্ৰায় ৪৫ শতাংশ। সি যি কি নহওক, ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানত পুঁজি আৱণ্টনৰদ্বাৰা এই অভিযানৰ অধীনত স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। বাজেটত, মূলধনী ব্যয়, ২০১৬-১৭ চনৰ ১৭৬০ কোটি টকাৰ পৰা ৩৫১০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰে অধিকাংশ, ৰাজহুৱা খণ্ডৰ চিকিৎসালয় আৰু প্ৰধান মন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাৰ বাবে ব্যৱহৃত হ'ব।

### অধিক যেতিয়া কম যেন লাগে

স্বাস্থ্য খণ্ডত অৱশ্যে, ২৭ শতাংশ বৃদ্ধিয়ে অংশীদাৰসকলক সন্তুষ্ট কৰিব পৰা নাই, কিয়নো তেওঁলোকে ইয়াতকৈও অধিক বৃদ্ধি আশা কৰিছিল। বাজেট খনৰ পৰা অধিক আশা কৰিব

**তালিকা নং-১**

| বাজেট পুঁজি ব্যৱহাৰৰ নিৰিখ | ২০১০-১১ | ২০১১-১২ | ২০১২-১৩ | ২০১৩-১৪ | ২০১৪-১৫ | ২০১৫-১৬ | ২০১৬-১৭ |
|---|---|---|---|---|---|---|---|
| বাজেটৰ সংশোধিত পুঁজিৰ অংশ | ৯৯.৬ | ৯২.৯ | ৮৪.৯ | ৮২.৬ | ৮১.৫ | ১০৫.০ | ১০৩.৭ |
| বাজেটৰ প্ৰকৃত পুঁজিৰ অংশ | ৯৭.২ | ৮৫.০ | ৮০.৯ | ৮০.৭ | ৮১.৯ | ১০৫.৭ | |

সংগ্ৰহ ঃ ভিন ভিন বৰ্ষৰ বাজেটৰ তথ্যপাতি

পৰাকৈ কি ভেটি আছে? প্ৰথমে ভাৰতবৰ্ষত জনস্বাস্থ্য শিতানত অতি কম বিনিয়োগ আৰু দ্বিতীয়তে, ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনিৰ বিশেষ কাৰ্যসূচীৰ কোনো উল্লেখ নথকাৰ লগতে, শেহতীয়াকৈ ঘোষণা কৰা কেতবোৰ কাৰ্যসূচীৰ বাবে পুঁজি ধাৰ্যৰ কোনো স্পষ্ট উল্লেখ নথকাটো। অলপ বিশদভাৱে নিৰীক্ষণ কৰিলে দেখা যায় যে, এই কাৰক দুটাই বাজেটখনৰ পৰা আৰু অধিক আশা সৃষ্টি কৰিব পাৰে।

**ভাৰতবৰ্ষত ৰাজহুৱা স্বাস্থ্য খণ্ডত নিম্ন হাৰৰ বিনিয়োগ ঃ**

মুঠ ঘৰুৱা উৎপাদনৰ অংশ (২০১৪-১৫ চনৰ ১.৩ শতাংশ) হিচাপে অথবা, চৰকাৰৰ মুঠ ব্যয়ৰ অংশ (২০১৪-১৫ চনৰ ৪.৮ শতাংশ) উৎপাদন হিচাপে বা জনমূৰি ব্যয়ৰ অংশ (২০১৩-১৪ বৰ্ষৰ ২০ মাৰ্কিন ডলাৰতকৈও কম) হিচাপে হওক ভাৰতে ইয়াৰ যোগ্য প্ৰতিদ্বন্দ্বী দেশসমূহৰ তুলনাত অতি দুখ লগা স্থানত অৱস্থান কৰিছে। অৱশ্যে, ভাৰতবৰ্ষত স্বাস্থ্য খণ্ডৰ চৰকাৰী ব্যয় ঐতিহাসিক-ভাৱে নিম্ন। সেয়ে, কেইখনমান বাৰ্ষিক বাজেটৰ জৰিয়তে এই ঐতিহাসিক অৱনতি বা ভাৰসাম্যহীনতা দূৰ কৰিব পৰা যাব বুলি ভবাটো ভুল হ'ব কিয়নো ই এটা পৰম্পৰাগত নিয়মত পৰিণত হৈছে। তদুপৰি, স্বাস্থ্য খণ্ডৰ মুঠ চৰকাৰী ব্যয়ৰ ১/৩ ভাগহে কেন্দ্ৰীয় চৰকাৰে ব্যয় কৰে। ইয়াৰ অৰ্থ হ'ল, ব্যয়ৰ গুৰু ভাগ (২/৩) ৰাজ্যসমূহে বহন কৰে। গতিকে, ভাৰতবৰ্ষত স্বাস্থ্য খণ্ডৰ বিনিয়োগ বৃদ্ধি কৰাত ৰাজ্যসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। চতুৰ্থ বিত্তীয় আয়োগৰ ৰূপায়ণে, স্বাস্থ্য খণ্ডত ৰাজ্যসমূহৰ বিনিয়োগৰ হাৰ বৃদ্ধিহে কৰিলে।

ৰাজ্যিক পৰ্যায়ত, স্বাস্থ্য খণ্ডৰ বিষয়টো কেৱল ধন বিনিয়োগেই নহয়। ৰাজ্যসমূহ, স্বাস্থ্য সেৱা আগবঢ়োৱাৰ বাবে দায়বদ্ধও। জন স্বাস্থ্য যতন আগবঢ়োৱা ব্যৱস্থাত থকা ব্যৱধান সৰ্বজন বিদিত। ৰাজ্যসমূহে ভালদৰে জানে যে, স্বাস্থ্য খণ্ডৰ সেৱা তথা বিনিয়োগ স্বাস্থ্য যতন ৰথখনৰ দুটা চকাৰ লেখিয়া, কিয়নো, তেওঁলোকহে ইয়াৰ ৰূপায়ণ কৰ্তা আৰু এই তথ্য তেওঁলোকে ভালকৈ পৰ্যবেক্ষণ কৰিছে। দুয়োটা চকৰি তেওঁলোকেই ভালদৰে পৰিচালনা কৰিব লাগিব।

স্বাস্থ্য সেৱাত অতি তাৎপৰ্যপূৰ্ণ-ভাৱে ৰাজ্যসমূহে ব্যয় কৰিলে স্বাস্থ্য সেৱাৰ উন্নতি সাধন হ'বই। স্বাস্থ্য সেৱাৰ উন্নয়ন মানে সেৱা আগবঢ়াই যোৱাই নহয়, বৰং এই ক্ষেত্ৰত থকা আসোঁৱাহ সমূহ দূৰ কৰাও। এই সেৱা আগবঢ়াবলৈ সমগ্ৰ পদ্ধতিটোৰ আসোঁৱাহ চমক লগাকৈ দূৰ কৰিব লাগিব, যাতে জনসাধাৰণে ইয়াক গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে। কিয়নো, জনস্বাস্থ্যৰ অৱনতি ৰোধ কৰাৰ দায়িত্ব এতিয়া ৰাজ্য সমূহৰ আৰু সেয়ে ইয়াৰ আসোঁৱাহ দূৰ কৰি ব্যৱস্থাপনাৰ উন্নয়ন সাধন কৰাটো জৰুৰী। গাঁথনিগত সংশোধনৰ বাবে প্ৰতিখন ৰাজ্যত ৰাজনৈতিক নেতা-সকলৰ অঙ্গীকাৰ, বলিষ্ঠ নেতৃত্বৰ প্ৰয়োজন হ'ব।

**ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি (এন এইচ পি এছ) ঃ**

২০১৬ চনৰ আগষ্ট মাহৰ স্বাধীনতা দিৱসৰ ভাষণত প্ৰধান মন্ত্ৰীয়ে উল্লেখ কৰিছিল যে, দৰিদ্ৰ লোকসকলৰ বাবে এক লাখ টকা পৰ্য্যন্ত স্বাস্থ্য বীমা আঁচনিৰ বিষয়ে চৰকাৰে বিবেচনা কৰি আছে। ২০১৬ চনৰ বাজেট ভাষণত বিত্ত মন্ত্ৰীয়েও, চিকিৎসালয়ত ভৰ্তি হোৱাসকললৈ অধিক আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগে লগে ব্যাপক হাৰত জনসাধাৰণক সামৰি লোৱাৰ বাবে এন এইচ পি এছ ৰূপায়ণ কৰাৰ কথা চিন্তা কৰা হৈছে বুলি উল্লেখ কৰিছিল। এই আঁচনিৰ ক্ষেত্ৰত পিচ পৰি থকাৰ বাবেই ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ইয়াৰ উল্লেখ থাকিব বুলি আশা কৰা হৈছিল। বিত্ত মন্ত্ৰীগৰকীয়ে এনে নকৰাৰ বাবে ৰাইজৰ আশাত চেঁচা পানী পৰিল।

আশা কৰা যায় যে, এই আঁচনিখনৰ ঘোষণা বাদ দিয়া হোৱা নাই বৰং বিভিন্ন কাৰণত পিচুৱাইহে থোৱা হৈছে। ৫ খন ৰাজ্যৰ বিধান সভা নিৰ্বাচনৰ বাবে এনে কৰাটো হয়তো উচিত নহ'ব বুলি ভবা হৈছে। যিহেতু, এনে ঘোষণা নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৰাজ্য সমূহৰ নিৰ্বাচনী প্ৰচাৰ যেন লাগিব পাৰে সেয়ে, চৰকাৰে এটা নিৰাপদ স্থানত অৱস্থান কৰিছে।

একেদৰে, ভালেমান নতুন আঁচনিৰ বাবে পুঁজি আৱণ্টন ঘোষণাও স্পষ্ট নহয়। উদাহৰণ স্বৰূপে সন্তান সম্ভৱা মাতৃৰ প্ৰসৱ তথা টীকাকৰণ হাস্পাতালত হ'লে ৬০০০ হেজাৰ টকাকৈ প্ৰদান আৰু লগতে ২০১৭ বৰ্ষৰ ভিতৰত ক'লা-জ্বৰ আৰু ফাইলেৰিয়া, ২০১৮ বৰ্ষৰ ভিতৰত কুষ্ঠ ৰোগ, ২০২০ বৰ্ষৰ ভিতৰত সৰু আই আৰু ২০২৫ বৰ্ষৰ ভিতৰত যক্ষ্মা ৰোগ নিৰ্মূল কৰণ আদি। এই অভিলাসি ফলপ্ৰসুতা আঁচনি ৰূপায়ণৰ বাবে ধন বিনিয়োগৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ দক্ষতা ওপৰত নিৰ্ভৰ কৰে। সি যি কি নহওঁক ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি কেতিয়া আৰু ক'ৰ পৰা যোগাৰ হ'ব সেই কথাও তৎকালীনভাৱে স্পষ্ট নহয়।

তদুপৰি বিত্ত মন্ত্ৰীয়ে দেশৰ আটাইবোৰ স্বাস্থ্য উপ-কেন্দ্ৰক স্বাস্থ্য

### তালিকা নং-২

| স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বাজেট | | | | |
|---|---|---|---|---|
| | | | কোটিৰ হিচাপত | |
| | বাজেট ২০১৬-১৭ এ | বাজেট ২০১৭-১৮ বি | সৰ্বমুঠ পৰিৱৰ্তন বি-এ | শতকৰা পৰিৱৰ্তন % |
| ১। কেন্দ্ৰৰ প্ৰতিষ্ঠাৰ ব্যয় | ৩৮০৪ | ৪৭৩১ | ৯২৭ | ২৪.৪ |
| ২। কেন্দ্ৰীয় খণ্ডৰ আঁচনি/প্ৰকল্প | ৪৭৮৯ | ৬৯৬৭ | ২১৭৮ | ৪৫.৫ |
| প্ৰধান মন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনা | ২৪৫০ | ৩৯৭৫ | ১৫২৫ | ৬২.২ |
| ৩। কেন্দ্ৰীয় খণ্ডৰ অন্যান্য ব্যয়, তাৰে | ৬৬০৭ | ৭৯৬৫ | ১৩৫৮ | ২০.৬ |
| বিধিগত তথা নিৰাময়ক গোট | ১০০ | ১৭১ | ৭১ | ৭১.০ |
| স্বায়ত্ব শাসিত গোট | ৫১৭৪ | ৬০৮৮ | ৯১৪ | ১৭.৭ |
| অন্যান্য | ১৩৩৩ | ১৭০৬ | ৩৭৩ | ২৮.০ |
| ৪। কেন্দ্ৰৰ পৃষ্ঠপোষক আঁচনি (এ+বি) | ২১৮৬২ | ২৭৬৯১ | ৫৮২৯ | ২৬.৭ |
| (ক) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান | ২০৩৬২ | ২৬৬৯১ | ৬৩২৯ | ৩১.১ |
| ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ বাবে | ১৮০৮৭ | ২১১৮৯ | ৩১০২ | ১৭.২ |
| ৰাষ্ট্ৰীয় চহৰ স্বাস্থ্য অভিযানৰ বাবে | ৯৫০ | ৭৫২ | -১৯৮ | -২০.৮ |
| তৃতীয় পৰ্য্যায়ত যতন কাৰ্যসূচী | ৭২৫ | ৭২৫ | ০.০ | ০.০ |
| স্বাস্থ্য তথা চিকিৎসা শিক্ষাৰ এইচ, আৰ বাবে | ৬০০ | ৪০২৫ | ৩৪২৫ | ৫৭০.৮ |
| (খ) ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা আঁচনি | ১৫০০ | ১০০০ | -৫০০ | -৩৩.০৩ |
| মুঠ ঃ | ৩৭০৬২ | ৪৭৩৫৪ | ১০২৯২ | ২৭.৮ |

আৰু কুশল কেন্দ্ৰলৈ উন্নীত কৰা হ'ব বুলি ঘোষণা কৰিছিল। ইয়াৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত উপ-কেন্দ্ৰসমূহৰ বাবে ধাৰ্য কৰা ১.৫ লাখ টকা খৰচৰ কোনো সময় সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাই পুঁজিৰ যোগান ধৰাৰ বিষয়েও উল্লেখ নাই। বোধহয়, অহা কেই বছৰমানৰ ভিতৰতে ইয়াৰ বাবে ধন আহৰণৰ বাট প্ৰশস্ত হ'ব বুলি ধাৰণা কৰা হৈছে। শেষত দেখা যায় যে, বাজেটত কৰা কেতবোৰ যোঘণা যেনে, উচিত দৰত ঔষধ প্ৰাপ্তি আৰু আৰু পৰম্পৰাগত ঔষধৰ উৎপাদনক উৎসাহিত কৰা লগতে, চিকিৎসা সামগ্ৰীৰ নীতি-বিধি নিশ্চিত কৰাৰ বাবে ঔষধ আৰু প্ৰসাধন নীতিৰ একো ইংগিত নাই।

সামগ্ৰিকভাৱে কেন্দ্ৰীয় স্বাস্থ্য বাজেটখন যথেষ্ট সন্তোষজনক। অনাগত মাহবোৰত ৰাজ্যসমূহে দাখিল কৰিবলগীয়া বাজেটত ওপৰতেই এতিয়া আটাইৰে দৃষ্টি নিবন্ধ হৈ আছে দেখা যাওঁক, স্বাস্থ্য খণ্ডত ধন বিনিয়োগ তথা উন্নত সেৱা আগবঢ়োৱাৰ দিশত ৰাজ্য-সমূহে কেনে ভূমিকা পালন কৰে। ❐

**(৪৬ পৃষ্ঠাৰ পৰা)**

**কৰ প্ৰশাসন**

ইতিমধ্যে উল্লেখ কৰা প্ৰত্যাহ্বানবোৰলৈ চাই প্ৰক্ষেপণ কৰা ৰাজহৰ পৰিমাণ কেনেদৰে বৃদ্ধি কৰা যাব তাক পোনচাটেই মানি ল'বলৈ অন্তৰ্নিহিত বিষয়বোৰ পৰিষ্কাৰ হৈ মানসপটত ধৰা দিয়া নাই। অৱশ্যে এইটো যুক্তি দৰ্শাব পৰা যায় যে ২০১৭-১৮ বৰ্ষৰ বাজেটত প্ৰেক্ষাপণ কৰা ৰাজহৰ একাংশ বি-মুদ্ৰাকৰণৰ পিছত গ্ৰহণ কৰা উন্নত কৰ ব্যৱস্থাৰদ্বাৰা বৃদ্ধি কৰিব পৰা যাব পাৰে। এই প্ৰসঙ্গত এইটো উল্লেখ কৰা প্ৰয়োজন যে কৰ প্ৰশাসনৰ বাবে মানৱ সম্পদে কৰ ব্যৱস্থাৰ উন্নতি সাধন কৰাত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিন্তু আয়কৰ বিভাগত তেনে সম্পদৰ নাটনি যথেষ্ট আছে। সামগ্ৰিকভাৱে অনুমোদন জনোৱা অনুসৰি যিমান কৰ্মচাৰী হ'ব লাগে তাৰ ভিতৰত ৩০ শতাংশ পদ খালী হৈ আছে। এনে ব্যৱস্থাই উদ্দেশ্য সাধনত যতি পেলাব পাৰে আৰু তাৰ ফলস্বৰূপে কৰ সংগ্ৰহৰ ক্ষেত্ৰতো সুফল লাভ নহ'ব পাৰে। সেয়ে চৰকাৰে যদি এইবোৰ প্ৰত্যাহ্বানমূলক সমস্যা সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে, তেনেহ'লে সামগ্ৰিক প্ৰাপ্তিৰাশি আৰু প্ৰত্যক্ষ কৰ সংগ্ৰহৰ ক্ষেত্ৰত যি বিপুল মাত্ৰাত বৃদ্ধি হোৱাৰ আশা কৰা হৈছে তাৰ সুফল লাভ কৰিব নোৱাৰিবও পাৰে। ❐

# যুৱ প্ৰজন্মৰ বাবে এখন বাজেট

**এছ এছ মান্থা***

ৰাষ্ট্ৰসংঘই ২০১৬ চনত বিশ্বৰ জনসংখ্যাৰ ভিত্তিত প্ৰকাশ কৰা এখন প্ৰতিবেদনত দেখা গৈছে যে ভাৰতৰ জনসংখ্যা হ'ল ১৩০ কোটি আৰু ইয়াৰ বাবেই ভাৰত আজি দ্বিতীয় সৰ্বাধিক জনসংখ্যাৰ দেশত পৰিণত হৈছে। শতকৰা ১.২ৰ বৰ্দ্ধিত অনুপাতত ২০২২ চনলৈকে ভাৰতবৰ্ষই জনসংখ্যাৰ ক্ষেত্ৰত চীনদেশক অতিক্ৰম কৰি যাব আৰু প্ৰথম বৃহৎ গণতন্ত্ৰ হিচাপে পৰিগণিত হ'ব যিখন হ'ব— ১.৫ লাখ কোটি লোকৰ বাসস্থান। বৰ্তমান ভাৰতৰ জনসংখ্যাৰ ৬০ শতাংশৰো অধিক লোকৰ বয়স ৩৫ বছৰৰ কম আৰু ২০২০ চনলৈকে এজন ভাৰতীয়ৰ গড় হিচাপত বয়স হ'বগৈ ২৯ বছৰ। ইয়াৰ তুলনাত চীনদেশৰ বয়সৰ গড় ৩৭ বছৰ আৰু জাপানৰ ৪৮ বছৰ।

যিমানেই আমি ২০২০ চনৰ ফালে আগবাঢ়িছোঁ, সিমানেই এই পৰিঘটনা তথা পৰিসংখ্যাসমূহে আমাৰ সন্মুখত এটা কৰুণ প্ৰশ্নৰ অৱতাৰণা কৰিছে — "আমি এই বৰ্দ্ধিত সংখ্যা আৰু চিন্তনীয় অৱস্থাৰ সন্মুখীন হ'বলৈ প্ৰস্তুতনে?" এখন উন্নতিকামী দেশত শিক্ষা, বিকাশ আৰু লাভজনক কৰ্ম সংস্থাপন আগবঢ়োৱাৰ যি প্ৰত্যাহ্বান তাৰ সন্মুখীন হ'বলৈ প্ৰয়োজন সম্পূৰ্ণ পৰিকল্পনা, কাম কৰাৰ এটা সুনিৰ্দিষ্ট ধৰণ আৰু এটা অতিৰিক্ত নীতি, আৰু এইবিলাকেই আমাক সদ্য উত্থাপিত ৰাষ্ট্ৰীয় সাধাৰণ বাজেটৰ ঘোষণাসমূহৰ কাষলৈ লৈ যায়।

ৰূপান্তৰকৰণ, সক্ৰিয়কৰণ আৰু বিশুদ্ধিকৰণ ভাৰত শিৰোনামেৰে নামকৰণ কৰা এখন আঁচনিৰদ্বাৰা শাসন তথা জীৱনধাৰণৰ মান সলনি কৰিব বিচৰা হৈছে। এই দীঘলীয়া কাৰ্যসূচী কাৰ্যকৰী কৰিবৰ বাবে ভালেমান সঠিক নীতি হাতত লোৱা হৈছে, ইয়াৰ ভিতৰত গঞা জনসংখ্যাৰ ওপৰত দিয়া প্ৰাধান্য, গৃহ নিৰ্মাণ আঁচনি, কৰ্মসংস্থাপনৰ আঁচনি, সুৰক্ষা, সহজলভ্য আৱাসিক যোজনা আৰু অৰ্থনীতিৰ প্ৰখৰতা বৃদ্ধিৰ নীতি আৰু ডিজিটেল অৰ্থনীতিৰ সুদৃঢ়কৰণ আদি উল্লেখনীয়।

উৰুগুৱেৰ ঔপন্যাসিক 'এডুৱাৰ্ডো গালিয়ানো'-এ এবাৰ কৈছিল যে— 'মই বদান্যতাত বিশ্বাস নকৰো, কিন্তু ঐক্যত বিশ্বাস কৰো। বদান্যতা হ'ল লম্বৰ দৰে। ই ওপৰৰ পৰা তললৈ যায় আৰু ই হীনমন্যতা আনে। ঐক্য হ'ল দিগন্ত প্ৰসাৰী। ই আনক সন্মান কৰে আৰু আনৰ পৰা শিকে। মোৰ আন মানুহৰ পৰা বহুত শিকিব লগা আছে।'

গ্ৰাম্য ভাৰতৰ বৰ্তমান তিনিটা প্ৰধান সমস্যা— সকলো ধৰণৰ সা-সুবিধা অত্যন্ত সীমিত, উৎসৰ অভাৱ আৰু ৰাইজৰ মনত বহি যোৱা গভীৰ মতাদৰ্শ— যাক সলনি কৰা বা নতুনকৈ ৰূপ দিয়া অতি কঠিন। এনে পৰিস্থিতিত কেৱল শিক্ষাইহে কাম কৰিব পাৰে। গেলিয়ানোৰ সুৰতে সুৰ মিলাই মাৰ্কিন লেখক আৰু ভৱিষ্যদৰ্শী এলভিন টফলাৰে কৈছিল যে বৰ্তমান প্ৰজন্মক চাৰিওফালৰ পৰা ঘেৰি থকা সমাজৰ পৰা তেওঁলোককৈ গোপনে এটা বাৰ্তা প্ৰেৰণ কৰা হয় যে সুদূৰ ভৱিষ্যতত যুৱ প্ৰজন্মই নিজেই ক্ষমতাৰ বাঘজৰী খামুচি নধৰালৈকে সমাজত তেওঁলোকৰ কোনো প্ৰয়োজন নাই, সমাজখন নিজেই নিয়াৰিকৈ পৰিচালিত হৈ থাকিব। দৰাচলতে সমাজখন নিয়াৰিকৈ চলি থকা নাই। আমাৰ সমাজৰ অসুবিধাবিলাক দূৰ কৰিবলৈ আমাক যুৱ শক্তিৰ প্ৰয়োজন, তেওঁলোকৰ তীক্ষ্ণতা আৰু দক্ষতাইহে আমাক সহায় কৰিব পাৰিব।

সেয়ে এই ক্ষেত্ৰত শিক্ষাই এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মনৰ ভাব আৰু উৎসাহৰ স্বকীয়তা বঢ়োৱাত সহায়কৰ ভূমিকা লৈ শিক্ষাই অনুভৱ শক্তি আৰু উপলব্ধিক শোধন কৰি সামাজিকতা, ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ মূল্যবোধক অৱগত কৰোৱায়। অৰ্থনীতিৰ বিকাশৰ বিভিন্ন ক্ষেত্ৰত শিক্ষাই মানৱশক্তিৰ বিকাশ ঘটায় আৰু ৰাষ্ট্ৰৰ স্বনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত গৱেষণাৰদ্বাৰা নিশ্চয়তা প্ৰদান কৰে। ৰাষ্ট্ৰৰ আঁচনিত ফহিয়াই দিয়া মতে শিক্ষাৰ মান হ'ল— 'সকলোৰে বাবে শিক্ষা'। ২০১০ চনত আৰম্ভ কৰা শিক্ষাৰ

***লিখক এছ এছ মান্থা প্ৰসিদ্ধ শিক্ষায়তনিক। তেওঁ মানৱ সম্পদ মন্ত্ৰণালয়ৰ অল্ ইণ্ডিয়া কাউন্সিল ফৰ টেক্‌নিকেল এডুকেশ্বন (AICTE)ত ২০০৯-২০১৫ চনলৈকে অধ্যক্ষ আছিল। বৰ্তমান তেওঁ বেংগালুৰুৰ এন আই এ এছ-ৰ সংলগ্ন অধ্যাপক হিচাপে কাম কৰি আছে।**

অধিকাৰ (Right to Education) এই দিশত দিয়া এটা বলিষ্ঠ পদক্ষেপ।

কিন্তু প্ৰগতিৰ পথত সদায়েই কিছু হেঙাৰ থাকে। এনে এটা হেঙাৰ হ'ল দুৰ্বল নিৰ্মাণ কাৰ্য তথা আন্তঃগাঁথনি। গাঁওসমূহত ভাল শিক্ষকৰ অভাৱ, যিকোনো সামগ্ৰীৰ উপলব্ধতা সীমিত, দৰিদ্ৰতা, শিশু শ্ৰমিক, আধাতে পঢ়া-শুনা এৰি দিয়া আৰু নিৰক্ষৰতা আদি হৈছে কিছুমান প্ৰাথমিক আৰু প্ৰধান অন্তৰায়। এই সমস্যাসমূহ দূৰ কৰিবৰ বাবে নতুন প্ৰযুক্তি গ্ৰহণ কৰাটোৱেই হ'ল একমাত্ৰ উপায়।

ডিজিটেল প্ৰযুক্তিয়ে মাত্ৰ কেইটামান মুহূৰ্তৰ ভিতৰতে ধাননি পথাৰখনকে এটা শ্ৰেণী কোঠালৈ পৰিৱৰ্তিত কৰিব পাৰে। পুৰণি দিনত গুৰুকুলসমূহে যিদৰে ছাত্ৰসকলক নিজৰ পৰিয়ালৰপৰা দূৰত ৰাখি জীৱনৰ জ্ঞান দিছিল সেইদৰে আজিৰ দিনত এটা ডিজিটেল গুৰুকুল স্থাপনৰদ্বাৰা অসাধ্য সাধন কৰিবপৰা যায়। এই নতুন পদ্ধতিৰদ্বাৰা শিশুসকলে শিক্ষা গ্ৰহণ কৰাৰ লগতে নিজৰ পৰিয়ালকো সহায় কৰিব পাৰে আৰু কোমল বয়সতে কৰ্ম আৰু শিক্ষাৰ সমতা স্থাপন কৰাৰ অৰ্হতা লাভ কৰে। শিক্ষাৰ পদ্ধতি সলনি কৰাৰ এই বৃহৎ প্ৰচেষ্টাক আকাৰ দিবৰ বাবে গাঁওসমূহলৈ কিছু উৎসাহী প্ৰযুক্তিবিদ পঠাব লাগিব যিসকলে গাঁৱত ৱাই-ফাই অঞ্চল গঠন কৰিব আৰু দূৰদৰ্শন (টেলিভিচন), ৰেডিঅ' আৰু কম্পিউটাৰক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিব। নিশ্চিতভাৱে ই সফলতাৰ এটা বৃহৎ পদক্ষেপ ৰূপে পৰিগণিত হ'ব। তদুপৰি সামূহিক অনুপাতত শতকৰা ৯৫ জনক প্ৰাথমিক শিক্ষা দিয়াৰ ক্ষেত্ৰত বহু দিশ এতিয়াও সামৰি ল'ব পৰা হোৱা নাই। চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ অভাৱ আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত থকা শিক্ষাদানৰ পদ্ধতিয়ে শিশুৰ পৰা আহিব লগা উৎকৰ্ষতা ধ্বংস কৰিছে।

এই পৰিস্থিতি অনুধাৱন কৰি চৰকাৰে বাজেটত এটা নতুন পদ্ধতিৰ পৰিচয় কৰোৱাইছে, যাৰদ্বাৰা বছৰেকীয়াভাৱে শিক্ষাগ্ৰহণৰ মান জোখ-মাখ লোৱা হ'ব আৰু ইয়াৰ বাবে 'মাধ্যমিক শিক্ষাৰ বাবে উৎকৰ্ষ পুঁজি' আগবঢ়াইছে যিয়ে স্থানীয় উৎকৰ্ষতাক উদগনি দিব। তদুপৰি শিক্ষাগতভাৱে পাছপৰা দেশৰ ৩৪৭৯ খন জিলাক একেই পদ্ধতিৰে সাঙুৰি লোৱাৰ সিদ্ধান্ত এটা সঠিক আৰু বলিষ্ঠ পদক্ষেপ আৰু দেশক আগুৱাই নিবৰ বাবে দেশৰ সকলো জিলালৈকে ইয়াক প্ৰসাৰিত কৰা প্ৰয়োজন। বাৰ্ট্ৰেণ্ড ৰাছেলে কৈছিল— "আধুনিক শিক্ষা কাচিৎহে বৃহৎ আশাৰদ্বাৰা প্ৰভাৱিত হয় আৰু সেয়ে ইয়াৰপৰা কাচিৎহে ভাল ফলাফল পাব পৰা যায়।" শিশুসকলক শিক্ষিত কৰাৰ দায়িত্ব যিসকলে লৈছে, তেওঁলোকৰ মনত ভৱিষ্যৎ গঠন কৰাতকৈ অতীত সংৰক্ষণ কৰাৰ ইচ্ছাই বেছিকৈ শিপাইছে, আৰু ইয়াৰ বাবেই আমাক সময়ে শিক্ষাৰ আনটো ধাপলৈ লৈ যায়— যাৰ নাম 'বিশ্ববিদ্যালয়।'

উচ্চশিক্ষাৰ বাবে স্থাপন কৰা বিশ্ববিদ্যালয়সমূহে শিক্ষাদান কৰাৰ লগতে ডিগ্ৰী আৰু ডিপ্লোমা প্ৰদান কৰে। 'শিক্ষাগ্ৰহণৰ বাবে বা শিকাৰ বাবে থকা আগ্ৰহ, বিতৰ্ক আৰু যদি নহয়' আদি প্ৰশ্নৰ উত্তৰ বিচৰাই হ'ল শিক্ষাৰ মূলমন্ত্ৰ। শিক্ষা গ্ৰহণৰ পৰিৱেশ অধ্যৱসায়িকভাৱে তৈয়াৰ কৰিব লাগে আৰু সংৰক্ষণ কৰিব লাগে। কাৰণ মুকলি উদ্যম আৰু বিভিন্ন ক্ষেত্ৰত জ্ঞান থকা পণ্ডিতসকলৰ সৈতে পাৰস্পৰিক বাৰ্তালাপৰ দ্বাৰাহে সৰ্বোত্তম শিক্ষা লাভ হয়। সেয়ে কিছুমান নামজ্বলা বিশ্ববিদ্যালয়ে প্ৰায় সকলো ধৰণৰ শিক্ষাকে উদগনি দিয়ে। এই বিশ্ববিদ্যালয়সমূহ সুকুমাৰ কলাৰ পৰা সমাজ বিজ্ঞান আৰু সাধাৰণ বিজ্ঞানৰ পৰা ব্যৱহাৰিক বিজ্ঞানলৈকে সকলো বিভাগৰদ্বাৰা পৰিপুষ্ট।

ভাৰতত বিস্তৃত কলেজৰৰ সৈতে বাঢ়ি অহা বিশ্ববিদ্যালয়সমূহক সু-নিয়োজিত কৰিবৰ বাবে বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত থকা পৰিসীমাৰ নিয়মাৱলীৰ সাল-সলনি ঘটোৱা হৈছে। সামূহিক মানৰ অভাৱ আৰু অনুকূল পুঁজিৰ অভাৱৰ বাবে মান্যতা প্ৰদানৰ পদ্ধতি এটা পুতৌলগা অৱস্থালৈ ঢাল খাইছে আৰু বছৰ বছৰ ধৰি একেদৰেই আছে। যিহেতু মান্যতা প্ৰদানৰ পদ্ধতি পৰিচালনা কৰিব নোৱাৰাকৈ বৃদ্ধি পাইছে, সেয়ে বিশ্ববিদ্যালয়সমূহে শিক্ষা বিলোৱাৰ সলনি শাসন সম্বন্ধীয় কাৰ্যত জোৰ দিছে। ফলাফল ঘোষণা কৰা কাৰ্যই যিহেতু প্ৰাধান্য লাভ কৰিছে বিশ্ববিদ্যালয়সমূহে মানৱসম্পদ আৰু বিষয়বস্তুৰ মাজত সন্তুলন ৰক্ষা কৰিব নোৱাৰি পাৰস্পৰিক বাৰ্তালাপৰ কাৰ্যসূচী বন্ধ কৰি দিছে। তদুপৰি পৰিচালনা পৰিষদ, কাৰ্যনিৰ্বাহক, শিক্ষা পৰিষদৰ দৰে আন্তঃগাঁথনি সমূহ বিভিন্ন ৰাজনৈতিক দলৰ কৱলত পৰাৰ বাবে শিক্ষাৰ বাবে সময় কমি আহিছে; কিন্তু এই শিক্ষাৰ ওপৰতেই বিশ্ববিদ্যালয়ৰ মূল ভেটি নিৰ্মিত হৈছে।

এই অচলাৱস্থা দূৰ কৰিবৰ বাবে শিক্ষানুষ্ঠানসমূহক স্বায়ত্তশাসন দিয়াৰ প্ৰয়োজন। সন্মানীয় নেতাসকলে শিক্ষাৰ পৰিৱেশ উদ্ধাৰ কৰি বিশ্ববিদ্যালয় সমূহক বিশ্বাস কৰিবলৈ চেষ্টা কৰা উচিত আৰু শিক্ষাৰ পৰিৱেশক শাসন পদ্ধতিৰ পৰা পৃথক কৰিব লাগে। কিন্তু এখন বিশ্ববিদ্যালয় পৰিচালনা কৰি নিবৰ

বাবে যিবিলাক সতৰ্কতামূলক বিধি আছে সেইবিলাকৰ আমূল পৰিৱৰ্তন কৰাও জৰুৰী। ওপৰোক্ত কথাখিনি চৰকাৰে সঠিকভাৱে অনুধাৱন কৰিব পাৰিছে আৰু সেয়ে উচ্চ শিক্ষাৰ উন্নতমানৰ অনুষ্ঠানসমূহক শাসন আৰু শিক্ষণৰ বাবে স্বায়ত্ততা প্ৰদান কৰিছে।

জীৱনজোৰা জ্ঞান, ফলপ্ৰদ জ্ঞান বা মিশ্ৰিত জ্ঞান আহৰণৰদ্বাৰা আজিৰ দিনত বহুতো জীৱনলৈ পৰিৱৰ্তন আহিছে। শ্ৰেষ্ঠ বিশ্ববিদ্যালয়সমূহত উপলব্ধ হোৱা শিক্ষা অনলাইন বা অফলাইন পদ্ধতিৰে আহৰণ কৰাৰ ব্যৱস্থা কৰিব পৰা যায়। চৰকাৰে 'স্বয়ম' নামৰ এখন ফলপ্ৰসূ আঁচনিৰদ্বাৰা তথ্য আৰু প্ৰযুক্তিৰ জৰিয়তে অন্ততঃ ৩৫০ প্ৰকাৰৰ অনলাইন পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে বিধিগত ব্যৱস্থা হাতত লৈছে। ইয়াৰদ্বাৰা যিকোনো লোকেই জীৱনজোৰা জ্ঞানৰ বাবে সুবিধা অনুযায়ী বৰঙণি দি ফলদায়ক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হ'ব পাৰে।

বিকল্প ব্যৱস্থা হিচাপে 'ৰাষ্ট্ৰীয় পৰীক্ষা সমিতি' গঠন কৰাৰ প্ৰস্তাৱ বাজেটত ৰখা হৈছে। এই সমিতিক এটা স্বায়ত্ত শাসিত আৰু স্ব-নিৰ্ভৰশীল প্ৰধান পৰীক্ষণ অনুষ্ঠান হিচাপে গঢ় দিয়া হ'ব যি সকলো উচ্চশিক্ষাৰ অনুষ্ঠানৰ বাবে প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিব। যিসকল অভিভাৱক আৰু ছাত্ৰই প্ৰৱেশ পত্ৰৰ জটিলতাৰ মাজেৰে আৰু বিভিন্ন পৰীক্ষাৰ খা-খবৰ লোৱাৰ যন্ত্ৰনাদায়ক পদ্ধতিৰ মাজেৰে আগবাঢ়ি অন্ততঃ কেইটামান পৰীক্ষাত সুফল পাবলৈ বিমূঢ়তাৰে আগবাঢ়িব লাগে, তদুপৰি সন্তানৰ সুন্দৰ ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় অৰ্থনৈতিক সমৰ্থন দিব লাগে তাৰ ফলত অভিভাৱক আৰু ছাত্ৰৰ ওপৰত পৰা মানসিক হেঁচা এই নতুন পৰীক্ষা পদ্ধতিয়ে বহুত লাঘৱ কৰিব।

এই সন্ধিক্ষণত মই নিশ্চয় আশা কৰিম যাতে ফ্ৰনহুপাৰৰ আৰ্হিৰে অনুপ্ৰাণিত হৈ কিছু অনুষ্ঠান গঢ়াৰ আঁচনি চৰকাৰে হাতত লয়। এই আৰ্হিত সমাজে (আমাৰ ক্ষেত্ৰত চৰকাৰী আৰু বে-চৰকাৰীৰ খণ্ডেৰে গঠিত সমাজ) নিজৰ উপাৰ্জনৰ ৭০ শতাংশ উদ্যোগ সমূহৰ যোগেদি অথবা কিছুমান বিশেষ চৰকাৰী প্ৰকল্পৰ জৰিয়তে অৰ্জন কৰে আৰু আন ৩০ শতাংশ ৯ঃ১ অনুপাতত একে মতাদৰ্শৰ অন্য ৰাজ্যৰ সৈতে থকা যুটীয়া অনুদান আৰু ৰাজ্য চৰকাৰৰ (ভূমি) অনুদানৰপৰা অৰ্জন কৰে আৰু এই ধন প্ৰাথমিক গৱেষণাৰ বাবে ব্যৱহাৰ কৰা হয়। সেয়ে, বিভিন্ন পৰিষদৰপৰা আহৰণ কৰিব পৰা ধনৰ ওপৰতে সমাজৰ বাজেটৰ আকাৰ নিৰ্ভৰ কৰিব। এই পুঁজি সংগ্ৰহৰ আৰ্হি কেৱল প্ৰধান সমাজৰ বাবেই নহয়, বৰঞ্চ ব্যক্তিগত প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো প্ৰযোজ্য। এই পদ্ধতিয়ে ফ্ৰনহুপাৰৰ কৌশলী দিহাৰ জৰিয়তে ব্যৱহাৰিক গৱেষণাত আগৰণুৱা হোৱাৰ আগ্ৰহ অনাৰ লগতে গৱেষণিক প্ৰাধান্যৰদ্বাৰা সমাজলৈ পৰিৱৰ্তনশীলতা, স্বায়ত্তৰ শাসনৰ মনোভাব আৰু ব্যৱসায়িক মানোবৃত্তি আনিব।

ইয়াৰ বাহিৰেও ভাৰতত মেক্স প্লেন্‌কৰ দৰে অনুষ্ঠানৰ প্ৰাথমিক আৰম্ভণিৰেও সুদূৰ প্ৰসাৰতা আনিব। মেক্স প্লেন্‌ক সমাজৰ আওতাত থকা ৮৩ খন মেক্স প্লেন্‌ক প্ৰতিষ্ঠানে গৱেষণাৰ শ্ৰেষ্ঠতাৰ ওপৰত মনোনিৱেশ কৰে আৰু প্ৰকৃতি, জীৱন, সমাজবিজ্ঞান, কলা আৰু সাহিত্যৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠানসমূহে চলোৱা মৌলিক গৱেষণাৰ মাৰ্গদৰ্শন কৰোৱা হ'ল এই সমাজৰ প্ৰধান লক্ষ্য। এই প্ৰতিষ্ঠানসমূহে বিশ্ববিদ্যালয়ৰ নিকট সহযোগিতাত স্বাধীনভাৱে কাম কৰে। যিবিলাক গৱেষণা বিশ্ববিদ্যালয়ৰ ভিতৰত থকা শৃংখলাবদ্ধতা অথবা পাৰস্পৰিক নীতি অটুট ৰাখিবৰ বাবে বিশ্ববিদ্যালয়ৰ আওতাত আনিব নোৱাৰি অথবা এই গৱেষণাবিলাকত এনে কিছুমান সা-সামগ্ৰীৰ প্ৰয়োজন হয়— যিবিলাক ৰাজ্যিক বিশ্ববদ্যালয়ৰ বাবে যোগান ধৰা কঠিন, মেক্স প্লেনকৰ সমাজ বা অনুষ্ঠানে তেনে আৱিষ্কাৰিক গৱেষণাৰ ওপৰত আলোকপাত কৰে।

ভাৰতৰ যুৱ-প্ৰজন্মক সহায় কৰিব পৰা এটা গ্ৰহণযোগ্য পৰিৱেশৰ প্ৰয়োজন আহি পৰিছে। ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ উদ্যোগৰ প্ৰয়োজন যাৰদ্বাৰা আন্তৰ্জাতিক মানসম্পন্ন কৌশলৰ বিকাশ সম্ভৱ হ'ব। গোটেই দেশতে কৌশলগত প্ৰশিক্ষণ দিয়াৰ এটা আন্তঃগাঁথনিৰো অতি প্ৰয়োজন বহুৰঙী যেনে— পাতল ৰঙা, নীলা, ধূসৰ আৰু বগা) ক'লাৰ পৰিহিত কৰ্মশক্তি সম্পন্ন দল গঠন কৰিব পাৰে, যিয়ে কৰ্মৰ মান উৰ্দ্ধগামী হোৱাত সহায়ক হ'ব। ইয়াৰ পৰাই আমাৰ আলোচনাৰ দ্বিতীয় পৰ্যায়ৰ সূচনা হয়— ই হ'ল কাৰিকৰী শিক্ষা আৰু কৌশল উন্নিতকৰণৰ বাবে প্ৰয়োজনীয় প্ৰতিষ্ঠান।

কাৰিকৰী শিক্ষা আৰু প্ৰশিক্ষণ হ'ল দেশৰ শিক্ষা পদ্ধতিৰ এটা গুৰুত্বপূৰ্ণ অংগ। পৰিৱৰ্তিত ৰাষ্ট্ৰীয় পটভূমিত কাৰিকৰী শিক্ষাই নিজৰ ভূমিকা নিষ্ঠাৰে পালন কৰিবৰ বাবে, বিশেষকৈ ভাৰতত জনসংখ্যাৰ অংশীদাৰিত্বৰ সুফল পাবৰ বাবে কাৰিকৰী শিক্ষা প্ৰদানৰ দোষ-গুণ বিচাৰ কৰি, ইয়াক সাল-সলনি কৰিব পৰা, সমসাময়িক, প্ৰাসঙ্গিক আৰু অন্তৰ্নিহিত আৰু ফলপ্ৰসূ কৰি তুলি এই শিক্ষা প্ৰদানৰ সংজ্ঞা নতুনকৈ লিখাৰ প্ৰয়োজনীয়তা চৰকাৰে উপলব্ধি কৰিছে।

বাজেটে এই আদৰ্শ বহুখিনি কামত লগাইছে আৰু সেয়ে গোটেই দেশৰে

৬০০ তকৈও অধিক জিলাত 'প্ৰধান মন্ত্ৰী কৌশল কেন্দ্ৰ' স্থাপন কৰা হৈছে। বাজেটত ১০০ খন আন্তৰ্জাতিক কৌশল কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ ৰখা হৈছে আৰু ৪০০০ কোটি টকা ব্যয়েৰে জীৱন-জীৱিকাৰ উন্নতিকৰণৰ বাবে 'সংকল্প' নামৰ আঁচনি হাতত লোৱা হৈছে। ইয়াত কৌশল আয়ত্ত কৰা আৰু জ্ঞানৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ শিকোৱাৰ উপৰি ৩.৫ কোটি যুৱকক বজাৰ সম্বন্ধীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনে কিছু পৰিসংখ্যাৰ ওপৰত চকু ফুৰাও আহক—

★ ২০১২ চনত ভাৰতত ৪৭৪.১ নিযুত কৰ্মী আছিল। চীনদেশৰ পিছতেই ভাৰত এই ক্ষেত্ৰত দ্বিতীয় স্থানত আছে।

★ ৯৪ শতাংশতকৈও অধিক কাম, সন্নিৱিষ্ট নোহোৱাকৈ, সুসংগঠিত নোহোৱাকৈ কৰা হয়। এই কামসমূহৰ মাজত ঠেলা গাড়ীত বয়-বস্তু বিক্ৰী কৰাৰ পৰা আৰম্ভ কৰি ঘৰে ঘৰে গৈ গ্ৰহৰত্ন পালিচ কৰালৈকে সকলো কাম সোমাই থাকে। এইবিলাক হ'ল এনে কৰ্মক্ষেত্ৰ, যিবিলাকে সামাজিক সুৰক্ষা আৰু জীৱিকাৰ অন্যান্য লাভসমূহ প্ৰদান নকৰে।

★ সু-সংগঠিত ক্ষেত্ৰসমূহৰ ভিতৰত চৰকাৰীভাৱে নিযুক্তি পোৱা কৰ্মচাৰী তথা ৰাজ্য চৰকাৰ আৰু ব্যক্তিগত খণ্ডৰ ব্যৱসায়িক ক্ষেত্ৰত কাম কৰা কৰ্মচাৰী আছে।

★ ভাৰতৰ কৰ্মশক্তিৰ ৬০ শতাংশই স্ব-নিয়োজিত, তাৰ ভিতৰত সৰহ সংখ্যক অতি দৰিদ্ৰ হৈ থাকে।

★ ৩০ শতাংশ হ'ল অনিয়মীয়া কৰ্মচাৰী আৰু মাত্ৰ ১০ শতাংশহে নিয়মীয়া কৰ্মচাৰী। যাৰ মাজত পাঁচ ভাগৰ ২ ভাগ হ'ল ব্যক্তিগত খণ্ডৰ জীৱিকাত নিয়োজিত।

★ ভাৰতৰ জনমূৰি আয় আৰু উৎপাদন ক্ষমতা অতি নিম্নমানৰ। জাপানৰ জনমূৰি আয় ৩০,০০০ ডলাৰ, শ্ৰীলঙ্কাৰ ৮৭৯ ডলাৰ। কিন্তু ভাৰতৰ জনমূৰি আয় মাত্ৰ ৪৩৩ ডলাৰ। উন্নত দেশৰ জনমূৰি আয়ৰ মাত্ৰ ৭.৫ শতাংশহে ভাৰতৰ জনমূৰি আয়। বিশেষজ্ঞসকলৰ মতে অনাগত দিনত এই হাৰ ৮০ শতাংশলৈ বৃদ্ধি কৰিব লাগিব।

★ ভাৰতৰ জনসংখ্যাৰ প্ৰায় ৫৫ শতাংশ কৃষি কৰ্মত নিয়োজিত। মুঠ ঘৰুৱা উৎপাদন প্ৰয়োগৰ পিছত কৃষিক্ষেত্ৰখন লাহে লাহে নিম্নস্তৰলৈ গতি কৰিছে। গাঁৱৰ পৰা চহৰলৈ হোৱা প্ৰব্ৰজনেও এটা বিশেষ সমস্যাৰ সৃষ্টি কৰিছে।

এই সময়ত, এই সমস্যাসমূহৰ ফলপ্ৰসূ সমাধানৰ বাবে 'সংকল্প' আঁচনিখন সুপৰিকল্পিতভাৱে কামত লগাব লাগিব। ২০১৭-১৮ বৰ্ষত ২,২০০ কোটি টকা ব্যয়েৰে আৰম্ভ কৰিব লগা এছ টি আৰ আই ভি ই (STRIVE) আঁচনিখন কাৰ্যকৰী কৰিব লাগে আৰু এম এছ এম ই (MSME) খণ্ডত কোনো সুৰুঙা নোহোৱাকৈ এই টকা অধিক মাত্ৰাত বিনিয়োগ কৰিব লাগে। এই আঁচনিৰ কিছু উল্লেখনীয় দিশ হ'ল বস্ত্ৰ উদ্যোগৰ লগতে চামৰা আৰু পাদুকা উদ্যোগত কৰ্ম সংস্থাপনৰ সুবিধা কৰা আৰু পৰ্যটনৰ ক্ষেত্ৰ প্ৰসাৰ কৰিবলৈ আৰু থলুৱা লোকৰ জীৱিকাৰ সুযোগৰ বাবে 'অমূল্য ভাৰত ২.০' প্ৰচাৰক বিশ্বব্যাপী প্ৰসাৰিত কৰা ইত্যাদি।

বেছিভাগ উন্নয়নশীল অৰ্থনীতিত কিছু বয়োজ্যেষ্ঠ লোক থাকে আৰু তেওঁলোক কৰ্মশক্তিৰ পৰা আঁতৰি থাকে বাবে সুযোগৰ ক্ষেত্ৰত বহুতো সুৰঙাৰ সৃষ্টি হয়। এই সুৰঙাবিলাক নোহোৱা কৰাত ভাৰতে আগৰণুৱাৰ ভূমিকা ল'ব লাগে। বাতৰি কাকতত প্ৰকাশিত এটা সমীক্ষাৰ মতে অনাগত বৰ্ষত বয়োজ্যেষ্ঠৰ জনসংখ্যা জাপানত হ'বগৈ ৮ নিযুত, যুক্তৰাষ্ট্ৰত হ'বগৈ ১৭ নিযুত আৰু সমগ্ৰ ইউৰোপৰ জনসংখ্যাৰ ৪ শতাংশ এই জনসংখ্যাত সোমাই পৰিব। ভাৰতে এই তথ্যক আওকাণ কৰা উচিত নে? আমি চীনদেশ, শ্ৰীলঙ্কা আৰু এছিয়াৰ অন্যান্য উন্নতশীল দেশৰ ওচৰত তেনেহ'লে আমি এই সুযোগ হেৰুৱাব পাৰোঁ।

**সামৰণি মন্তব্য**

ভাৰতত ব্যৱসায়, বিশেষকৈ মূল্যবোধৰ যি পদ্ধতি, ইয়াৰ পিছত প্ৰধান মন্ত্ৰী মোডীয়ে ঘোষণা কৰা ডিজিটেল ভাৰতে নিশ্চিতৰূপে যুৱ প্ৰজন্মৰ ওপৰত এটা বিপ্লৱী প্ৰভাৱ পেলাব। বাজেটৰ কিছুমান ইতিবাচক পদক্ষেপ হ'ল— ডিজিটেল অৰ্থনীতিৰ সুযোগ, যেনে 'ভীম এপ' আৰু ব্যক্তিৰ বাবে আৰোপ বানচৰ আঁচনি, ব্যৱসায়ীৰ বাবে ধন ঘূৰাই পোৱাৰ আঁচনি, আধাৰ কাৰ্ডৰদ্বাৰা নগদ পৰিশোধ আদি। ২০১৭-১৮ বৰ্ষত 'UPI, USSD', আধাৰৰ দ্বাৰা পৰিশোধ, 'IMPS' আৰু ডেবিট কাৰ্ডৰদ্বাৰা পৰিশোধ বা প্ৰাপ্তিৰ লেনদেন ২,৫০০ কোটিলৈ বঢ়োৱাৰ লক্ষ্য ৰখা হৈছে। চৰকাৰী প্ৰাপ্তিসমূহ ডিজিটেল পদ্ধতিৰে কৰাটো বাধ্যতামূলক কৰাৰ বাবে কেৱল চৰকাৰী বিভাগসমূহতে নহয়, বৰঞ্চ ব্যক্তিগত খণ্ডতো স্বচ্ছতা আহিব আৰু কৰ্মৰ খতিয়ান পোৱাত সহায়ক হ'ব। তদুপৰি ইয়াৰদ্বাৰা নতুন কৰ্মসংস্থাপন আৰু কৌশল প্ৰয়োগৰ সুবিধা ওলাব।

**(৬৩ পৃষ্ঠাত চাওক)**

# কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ এটা চমু অৱলোকন

**ৰাণী মুদিয়াৰ ডেকা***

বিত্ত মন্ত্ৰী অৰুণ জেইটলীয়ে ২০১৭-১৮ বৰ্ষৰ বাবে সদনত দাখিল কৰা কেন্দ্ৰীয় বাজেটখন কেইবাটাও দিশৰ পৰা নতুনত্বপূৰ্ণ। ফেব্ৰুৱাৰী মাহৰ শেষৰ কৰ্মদিনটোত বাজেট দাখিলৰ পৰম্পৰা ভংগ কৰি এইবাৰ ১ ফেব্ৰুৱাৰীৰ দিনাই বাজেট দাখিল কৰা হৈছে। দ্বিতীয়তে, এইবাৰ এই সাধাৰণ বাজেটৰ লগতেই ৰেল বাজেটখনকো সামৰি একত্ৰিতভাৱে দাখিল কৰা হৈছে। ইয়াৰ দ্বাৰা ১৯২৪ চনৰেই পৰা প্ৰচলিত হৈ থকা ঔপনিৱেশিক পৰম্পৰা ভংগ কৰি নতুন পদক্ষেপ লোৱা হৈছে। তৃতীয়তে, পূৰ্বৰ দৰে বাজেটত এইবছৰ পৰিকল্পিত ব্যয় (Plan-expenditure) আৰু অপৰিকল্পিত ব্যয় (Non-plan expenditure)ৰ মাজত কোনো ব্যৱধান ৰখা হোৱা নাই। দেশৰ পৰিকল্পনা আয়োগক পুনৰ গঠন কৰি নিটি-আয়োগলৈ ৰূপান্তৰ কৰাৰ পিছত সমগ্ৰ পৰিকল্পনা ব্যৱস্থাটোলৈ কিছু পৰিৱৰ্তন অনা হৈছে। ৩১ মাৰ্চত সমাপ্ত হ'বলগীয়া দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লগে লগে দেশত পঞ্চবাৰ্ষিক পৰিকল্পনাৰো অন্ত পেলোৱাৰ সিদ্ধান্ত লোৱা হয়। তেনে প্ৰেক্ষাপটতেই পৰিকল্পিত আৰু অপৰিকল্পিত ব্যয়ৰ মাজৰ বিভাজন নৰখাৰো ব্যৱস্থা কৰা হৈছে। এই তিনি নতুন পৰম্পৰা সৃষ্টিৰে দাখিল কৰা বাজেটখন তিনিটা প্ৰধান উদ্দেশ্যেৰে প্ৰস্তুত কৰা বুলি বিত্তমন্ত্ৰীয়ে ঘোষণা কৰিছে। এই তিনি উদ্দেশ্য হৈছে— 'Transform, Energise and Clean India (TEC)'। এই তিনি উদ্দেশ্য— ৰূপান্তৰকৰণ, সক্ৰিয়কৰণ আৰু বিশুদ্ধিকৰণেৰে চৰকাৰৰ কাম-কাজসমূহ আগবঢ়াই নি দেশৰ সৰ্বসাধাৰণৰ আশা-প্ৰত্যাশা পূৰণ কৰাৰ কথা বাজেটত ব্যক্ত কৰা হৈছে। বিত্ত মন্ত্ৰীয়ে বাজেট বক্তৃতাত স্পষ্টকৈ উল্লেখ কৰিছে যে প্ৰশাসনীয় মান আৰু জনসাধাৰণৰ জীৱনৰ মানৰ ৰূপগত পৰিৱৰ্তন অনা, যুৱ আৰু সমাজৰ পাছপৰি থকাসকলক সক্ষম হ'ব পৰাকৈ সক্ৰিয় কৰা আৰু দুৰ্নীতি, ক'লাধন তথা অস্বচ্ছ ৰাজনৈতিক দলীয় পুঁজিৰ পৰা দেশক পৰিষ্কাৰ কৰাই হ'ব বাজেটৰ লক্ষ্য। এই লক্ষ্য সাৱোগত কৰি বাজেটখনত বিত্ত মন্ত্ৰীগৰাকীয়ে কৃষক, গাঁও আৰু গাঁওবাসী, যুৱ, মহিলা, পাছপৰা শ্ৰেণীৰ লোক, আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য, প্ৰতিৰক্ষা, ব্যৱসায়-বাণিজ্য ইত্যাদি সকলো ক্ষেত্ৰকে সামৰি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু যথাসম্ভৱ ধনৰ আবণ্টন দিছে।

দেশৰ অৰ্থনীতিৰ সমষ্টিগত স্থিতিৰ সম্যক আভাস দাঙি ধৰি বিত্ত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে যে ইতিমধ্যে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণলৈ আহিছে আৰু ক'লাধনৰ বিৰুদ্ধে দেশে যুদ্ধ সদৃশ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নৱেম্বৰ মাহত গ্ৰহণ কৰা বি-মুদ্ৰাকৰণ আৰু তাৰ ফলাফলৰ সংক্ষিপ্ত ব্যাখ্যাও বাজেট বক্তৃতাত সংযোজিত কৰা হৈছে। বিশ্ব অৰ্থনীতিৰ দুৰ্বল হাৰৰ গতিৰ মাজতো বিভিন্ন প্ৰতিবন্ধকতা জয় কৰি ভাৰতৰ অৰ্থনীতিৰ সবল স্থিতিৰ কথা গৌৰৱেৰে উল্লেখ কৰি বিত্ত মন্ত্ৰীয়ে কৈছে যে দেশ সঠিক পথেৰে আগবাঢ়ি আছে। উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰাকোষৰ পৰা প্ৰকাশ কৰা আগজাননী অনুসৰি আগন্তুক বিত্তীয় বৰ্ষত বিশ্ব অৰ্থনীতিৰ বিকাশৰ হাৰ হ'ব ৩.৬ শতাংশ। আনহাতে, শেহতীয়া অৰ্থনৈতিক সমীক্ষা (Economic Survey) অনুসৰি চলিত বিত্তীয় বৰ্ষত ভাৰতৰ আৰ্থিক বিকাশৰ হাৰ ৬.৫ শতাংশ হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে, এই হাৰ বিগত চাৰি বছৰৰ ভিতৰতে কম বুলিও কোৱা হৈছে। বি-মুদ্ৰাকৰণৰ ফলতেই আৰ্থিক বিকাশৰ হাৰ কিছু পৰিমাণে হ্ৰাস হৈছে বুলি অনুমান কৰা হৈছে যদিও আগন্তুক বিত্তীয় বৰ্ষত এই হাৰ বৃদ্ধি হ'ব বুলিও নিশ্চিতি দিয়া হৈছে। কিয়নো, বি-মুদ্ৰাকৰণে শিথিল কৰি দিয়া আৰ্থিক কাম-কাজৰ গতি ত্বৰান্বিত কৰাৰ বাবে চৰকাৰে ইতিমধ্যেই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে, যিবোৰ বাজেটখনতেই প্ৰতিফলিত কৰা বুলি বিত্ত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে।

বাজেটখনৰ মূল উদ্দেশ্য তিনিটা প্ৰতিফলিত কৰিবৰ বাবে বিত্ত মন্ত্ৰীয়ে দহটা সুস্পষ্ট লক্ষ্য নিৰ্দ্ধাৰণ কৰি লৈ

***লেখিকা ড° ৰাণী মুদিয়াৰ ডেকা দিছপুৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা**

ধনৰ আবণ্টন দিছে। এই লক্ষ্যসমূহ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পৰা যায় ঃ

**(১) কৃষকসকলৰ আয় অহা পাঁচ বছৰৰ ভিতৰত দুগুণ কৰা ঃ**

পূৰ্বৰ বাজেটবোৰৰ দৰেই এইখন বাজেটতো কৃষি আৰু কৃষকৰ বাবে বুজন পৰিমাণৰ ধন আবণ্টিত কৰা হৈছে। নিম্ন হাৰৰ আয় ভাৰতৰ কৃষকৰ পৰম্পৰাগত বৈচিত্ৰ্য, যাৰ ফলস্বৰূপে কৃষকসকলে আত্মহত্যাৰ দৰে চৰম পন্থাও বাছি ল'বলগীয়া হয়। সেয়েহে, ভিন্ন পৰ্যায়ত আঁচনি গ্ৰহণ কৰি কৃষকৰ আয় অহা পাঁচ বছৰৰ ভিতৰত যাতে দুগুণ কৰিব পৰা যায়, তাৰ লক্ষ্যৰ প্ৰস্তাৱ বিগত বৰ্ষৰ বাজেটতেই ৰখা হৈছিল। একেই প্ৰস্তাৱৰ ভিত্তিতেই এইবাৰ কৃষকসকলে যাতে উৎপাদন তথা উৎপাদিকা শক্তি বৃদ্ধি কৰি প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পাৰে, তাৰ বাবে কেতবোৰ ব্যৱস্থাৰ সংযোজন কৰা হৈছে। এইবাৰ কৃষকৰ বাবে সৰ্বোচ্চ পৰিমাণৰ মুঠ ১০ লাখ কোটি টকাৰ ঋণ আবণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। প্ৰাকৃতিক দুৰ্যোগ আদিত ক্ষতিগ্ৰস্ত হোৱা ভূমিৰ ক্ষতিপূৰণ লাভৰ বাবে ইতিমধ্যেই প্ৰৱৰ্তিত ‘ফচল বীমা আঁচনি’ৰ অধীনত ধাৰ্য কৰা ধনৰ পৰিমাণ বঢ়াই আগন্তুক বিত্তীয় বৰ্ষৰ বাবে ১৩,২৪০ কোটি কৰা হৈছে। দেশত থকা ৬৪৮টা কৃষি বিজ্ঞান কেন্দ্ৰত ভূমি পৰীক্ষা কৰিব পৰা ক্ষুদ্ৰ পৰীক্ষাগাৰ স্থাপন কৰাৰো প্ৰস্তাৱ ৰখা হৈছে। ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ বাবে নাবাৰ্ড (NABARD)ত ৫০০০ কোটি টকাৰ প্ৰাৰম্ভিক মূলধনেৰে এটা পুঁজি গঠনৰ কথাও কোৱা হৈছে। এইবোৰৰ উপৰি কৃষকক উৎপাদিত শস্যৰ ক্ৰয় মূল্য বৃদ্ধি, চুক্তিবদ্ধ কৃষিৰ বাবে নতুন আইন গ্ৰহণ, উদ্যান শস্যৰ উৎপাদন বৃদ্ধি, অপাৰেচন ফ্লাড (Operation Flood)ৰ অধীনত অধিক দুগ্ধ পৰিশোধন গোট স্থাপন আৰু দুগ্ধ পৰিশোধন তথা আন্তঃগাঁথনি নিৰ্মাণৰ বাবে নাবাৰ্ড (NABARD)ৰ সৈতে পুঁজি গঠনৰ প্ৰস্তাৱ আদি হৈছে কৃষি তথা কৃষকসকলৰ স্বাৰ্থৰ অনুকূলে লোৱা প্ৰস্তাৱৰ অন্যতম।

**(২) গাঁওবাসীৰ বাবে নিয়োগৰ সুবিধা আৰু আন্তঃগাঁথনি নিৰ্মাণ কৰা ঃ**

বিভিন্ন আঁচনি-প্ৰকল্প ৰূপায়ণৰ জৰিয়তে গ্ৰামাঞ্চলৰ বিকাশৰ বাবে প্ৰতি বছৰে কোটি কোটি টকা ব্যয় কৰি অহা হৈছে। এই কথা দোহাৰি বিত্তমন্ত্ৰীয়ে বাজেটতো বিভিন্ন আঁচনিৰ বাবদ বৃহৎ পৰিমাণৰ ধনৰ আবণ্টন কৰিছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ প্ৰতিভূতি আঁচনিৰ (MNREGA) অধীনত ২০১৭-১৮ বৰ্ষৰ বাজেটত ৪৮,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। এই আঁচনিৰ জৰিয়তে অধিক মহিলাক নিয়োগৰ সুবিধা দিয়া আৰু স্থায়ী সম্পদ সৃষ্টিৰ প্ৰস্তাৱ ৰখা হৈছে। ২০১৯ চনৰ ভিতৰত ৫০,০০০ গাঁও পঞ্চায়তক দাৰিদ্ৰ্য মুক্ত কৰা আৰু ১ কোটি দুখীয়া লোকৰ বাবে গৃহ নিৰ্মাণৰ প্ৰস্তাৱো ৰখা হৈছে। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ বাবে ১৯,০০০ কোটি টকা আৰু প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ বাবে ২৩,০০০ কোটি টকা আবণ্টন দিয়া হৈছে। দীনদয়াল উপাধ্যায় গ্ৰাম বৈদ্যুতিকীকৰণৰ বাবে ৪৮১৪ কোটি টকাৰ ধন আবণ্টন কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে বাজেট বক্তৃতাত উল্লেখ কৰিছে যে ২০১৮ চনৰ পহিলা মে' মাহৰ ভিতৰতে দেশত ১০০ শতাংশ গাঁৱতেই বৈদ্যুতিকীকৰণৰ কাম সমাপ্ত হ'ব। এইবোৰৰ উপৰি স্বচ্ছ ভাৰত মিছনৰ অধীনত চলি থকা কামবোৰৰ অধিক সম্প্ৰসাৰণ, ৰাষ্ট্ৰীয় বিশুদ্ধ খোৱা পানী যোগান আঁচনিৰ অধীনত চলি থকা কামৰ সংবৰ্দ্ধন, ২০২২ চনৰ ভিতৰত ৫ লাখ গাঁওবাসীক দক্ষতা-বৰ্দ্ধনৰ (Skill development) প্ৰশিক্ষণ প্ৰদান আদি গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ বাজেটত সংযোজন কৰাৰ কথা উল্লেখ কৰা হৈছে।

**(৩) শিক্ষা, দক্ষতা আৰু নিযুক্তি প্ৰদানেৰে দেশৰ যুৱ শক্তিক সক্ৰিয় কৰি তোলা ঃ**

এই লক্ষ্যত উপনীত হোৱাৰ বাবে বিত্ত মন্ত্ৰীয়ে বাজেটত স্কুলীয়া শিক্ষাৰ পৰা আৰম্ভ কৰি চিকিৎসা শিক্ষালৈকে সামৰি বিভিন্ন আঁচনিৰ কথা কৈছে আৰু ধন আবণ্টন কৰিছে। উচ্চ মাধ্যমিক স্তৰত এটা নতুনত্ব উদ্ভাৱন কোষ মুকলি কৰা, উচ্চ-শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সংস্কাৰ সাধন কৰা, মান বিশিষ্ট শিক্ষানুষ্ঠানলৈ স্ব-নিয়ন্ত্ৰণৰ সুবিধা আগবঢ়োৱা, শিক্ষাত লিংগ-অসমতা দূৰীকৰণ, স্বয়ম (SWAYAM) নামৰ আঁচনিযোগে প্ৰায় ৩৫০টা পাঠ্যক্ৰম ‘অনলাইন’যোগে প্ৰৱৰ্তন কৰা, দক্ষতা বিকাশৰ বাবে থকা ‘প্ৰধান মন্ত্ৰী কৌশল কেন্দ্ৰ’ৰ দ্বাৰা অধিক ৰাজ্যক সামৰি লোৱা, নিয়োগ সৃষ্টিৰ বাবে পৰ্যটন কেন্দ্ৰৰ সম্প্ৰসাৰণ কৰা ইত্যাদিবোৰ হৈছে যুৱ বিকাশ তথা নিয়োগ সম্প্ৰসাৰণৰ বাবে বাজেটত সংযোজন কৰা আঁচনি প্ৰস্তাৱৰ কেইটামান উল্লেখনীয় ব্যৱস্থা। বাজেটত দক্ষতা আহৰণ আৰু জ্ঞান সজাগতা বৃদ্ধিৰ বাবে সংকল্প (Skill Acquistion and knowledge Awareness for Livelihood Promotion Programme SANKALP) নামৰ এখন আঁচনি গ্ৰহণৰ কথা ঘোষণা কৰি ৪০০০ কোটি টকা আবণ্টন দিয়া হৈছে।

এই আঁচনিখন এইবাবেই গুৰুত্বপূৰ্ণ যে ইয়াৰদ্বাৰা 'নিয়োগ বজাৰ'ৰ সৈতে সংগতি থকা প্ৰশিক্ষণ যুৱকসকলক দিব বিচৰা হৈছে। ইয়াৰদ্বাৰা যুৱক-যুৱতীসকলৰ নিয়োগযোগ্যতা বৃদ্ধিত সহায় হ'ব বুলি আশা কৰিব পাৰি। এইবাৰৰ বাজেটত শিক্ষাখণ্ডৰ বাবে সৰ্বমুঠ ৭৯,৬৮৫ কোটি টকাৰ আবণ্টন দিয়া হৈছে।

**(৪) দুখীয়া আৰু অৱহেলিত-দলিত সকলৰ সামাজিক সুৰক্ষা, স্বাস্থ্যৰক্ষা আৰু গৃহৰ সা-সুবিধাৰ বাবে থকা ব্যৱস্থা সবল কৰা ঃ**

এই লক্ষ্যৰ অধীনত মহিলা আৰু শিশুৰ বাবে থকা বিভিন্ন আঁচনিত ব্যয় কৰাৰ বাবে মুঠ ১,৮৪,৬৩২ কোটি টকাৰ সিদ্ধান্ত লোৱা হৈছে। দেশৰ ১৪ লাখ সংহত শিশু উন্নয়ন আঁচনি অংগনবাড়ী কেন্দ্ৰৰ অধীনত 'মহিলা শক্তি কেন্দ্ৰ' স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে, যাৰদ্বাৰা গ্ৰামাঞ্চলৰ মহিলাৰ সবলীকৰণ কৰা হ'ব। বাজেটত গৰ্ভৱতী মহিলাক নগদ ধন প্ৰদান, মহিলাৰ দক্ষতা বিকাশ, ডিজিটেল-সাক্ষৰতা বৃদ্ধি তথা পৰিপুষ্টি সাধনৰ বাবে ব্যৱস্থা গ্ৰহণৰ কথাও উল্লেখ কৰা হৈছে। ক'লাজ্বৰ, কুষ্ঠ তথা যক্ষ্মাৰ দৰে ৰোগ প্ৰতিষেধকৰ বাবেও বাজেটত সুকীয়াকৈ ব্যৱস্থা ৰখাৰ কথা কোৱা হৈছে। দেশত স্বাস্থ্যৰক্ষাৰ সুবিধা সম্প্ৰসাৰণৰ বাবে গুজৰাট আৰু ঝাৰখণ্ডত দুখন নতুনকৈ এইমছ্ নিৰ্মাণৰ ঘোষণাও বিত্ত মন্ত্ৰীয়ে কৰিছে। জীৱন-দায়িনী ঔষধৰ দাম হ্ৰাস কৰি সৰ্বসাধাৰণৰ বাবে সুলভ কৰি তোলাৰ অৰ্থে ঔষধ আৰু প্ৰসাধন নীতিৰ সংশোধন কৰাৰ কথাও তেওঁ উল্লেখ কৰিছে। পাছপৰা জাতি-জনজাতি আৰু সংখ্যালঘুসকলৰ বিকাশৰ অৰ্থে লোৱা আঁচনি ৰূপায়ণৰ বাবে বাজেটত মুঠ ৫২,৩৯৩ কোটি টকাৰ আবণ্টন দিয়া হয়— এই ধন পূৰ্বৰ বাজেটখনতকৈ ৩৫ শতাংশ অধিক বুলিও বিত্তমন্ত্ৰীয়ে বাজেট ভাষণত উল্লেখ কৰিছে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে এনে ধন ব্যয়ৰ নিৰীক্ষণ কৰিবলৈ 'নিটি-আয়োগ'ৰ অধীনত ব্যৱস্থা লোৱা হ'ব।

**(৫) দক্ষতা, উৎপাদনশীলতা আৰু জীৱনৰ গুণগত মান উন্নীতকৰণৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ কৰা ঃ**

এই শিতানত সৰ্বমুঠ ৩,৯৬,১৩৫ কোটি টকাৰ আবণ্টন দিয়া হৈছে। সাধাৰণ বাজেটখনতেই ৰে'ল বাজেটকো অন্তৰ্ভুক্ত কৰাত এইবাৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰখন পূৰ্ণাংগ ৰূপত প্ৰকাশ পাইছে। ৰেলবাজেটৰ বাবে ১,৩১,০০০ কোটি টকা ধাৰ্য কৰি ৰে'লৰ সুৰক্ষা বৃদ্ধি, মূলধনী আৰু বিকাশমূলক কাৰ্যসূচী, পৰিষ্কাৰ-পৰিচ্ছন্নতা বৃদ্ধি আৰু বিত্তীয় হিচাপ ৰক্ষাৰ সংস্কাৰৰ কাম কৰাৰ প্ৰস্তাৱ ৰখা হৈছে। যাত্ৰী সুৰক্ষা নিশ্চিতকৰণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু মিতব্যয়িতাৰে লাভ আহৰণ— এই তিনিটা হৈছে ভাৰতীয় ৰে'লৰ বাবে প্ৰত্যাহ্বান স্বৰূপ। এইবোৰৰ মোকাবিলা কৰিব পৰাকৈ ৰেল বিভাগক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি বাজেটত বিত্ত মন্ত্ৰীয়ে প্ৰদান কৰিছে। একেদৰে, পথ পৰিবহণ, আকাশী পৰিবহণ, জল পৰিবহণৰ বাবেও বাজেটত সুকীয়া আঁচনিযুক্ত ব্যৱস্থা ৰখাৰ কথা উল্লেখ কৰা হৈছে। এইবোৰ আঁচনিৰ ৰূপায়ণে দেশত নিয়োগৰ সুবিধা বৃদ্ধি কৰিব বুলিও তেওঁ আশ্বাস দিছে।

টেলি-যোগাযোগৰ ক্ষেত্ৰত 'ভাৰত নেট আঁচনি'ৰ বাবে ১০,০০০ কোটি টকাৰ আবণ্টন দিয়া হৈছে আৰু ইয়াৰদ্বাৰা দেশৰ ডেৰ লাখ গাঁও পঞ্চায়তলৈ তীব্ৰবেগী ব্ৰডবেণ্ড সেৱা আগবঢ়োৱাৰ প্ৰস্তাৱ ৰখা হৈছে। তদুপৰি, সৌৰ শক্তি আহৰণ তথা ব্যৱহাৰৰ বিস্তৃতি সাধনেৰে শক্তিখণ্ডৰ উন্নয়ন সাধন, দেশত ইলেকট্ৰনিক সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান তথা ৰপ্তানি বৃদ্ধিৰ বাবে ব্যৱসায় আন্তঃগাঁথনি উন্নয়ন সাধন ইত্যাদিবোৰৰ বাবেও বাজেটত প্ৰস্তাৱ সংযোজন কৰা হৈছে।

**(৬) সবল শক্তিশালী অনুষ্ঠানৰ জৰিয়তে বিত্তীয় বিকাশ আৰু স্থিৰতা আহৰণ ঃ**

দেশৰ প্ৰায় এশ ত্ৰিশ কোটি মানুহৰ চাহিদা পূৰণৰ অৰ্থে বহন কৰিবলগীয়া হোৱা বিশাল আকাৰৰ ব্যয় তথা বিনিয়োগৰ প্ৰয়োজনীয়তা আৰু আনহাতে, মাত্ৰাধিক ব্যয়ে কঢ়িয়াই আনিব পৰা বিত্তীয় বিশৃংখলাৰ আশংকা— এই দুইৰ মাজত সন্তুলন স্থাপন কৰিব পৰাটোৱেই হৈছে উত্তম বাজেটৰ লক্ষণ। বিত্ত মন্ত্ৰীয়ে এনে সন্তুলন অক্ষুণ্ণ ৰখাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছে। বিত্ত মন্ত্ৰীয়ে বিত্তীয় খণ্ডৰ সংস্কাৰ আগবঢ়াই নিয়াৰ কথাও বাজেটত উল্লেখ কৰিছে। প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ক্ষেত্ৰত থকা নিয়ন্ত্ৰণ শিথিল কৰাৰ অৰ্থে ২০১৭-১৮ বৰ্ষৰ পৰা বিদেশী বিনিয়োগ উৎকৰ্ষ বোৰ্ড বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

প্ৰধান মন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত দিয়া ঋণৰ পৰিমাণ ২.৪৪ লাখ কোটিলৈ বঢ়োৱা হৈছে আৰু এইক্ষেত্ৰত দলিত, জনজাতি, পাছপৰা শ্ৰেণী, সংখ্যালঘু সম্প্ৰদায়ৰ লোক তথা মহিলাসকলক অগ্ৰাধিকাৰ দিয়াৰ কথা বাজেটত উল্লেখ কৰা হৈছে। এইবোৰৰ উপৰি বিত্তীয় ক্ষেত্ৰত বহু-ৰাজ্যিক সমবায় সমিতি আইন-২০১২ৰ সংশোধন সাধন, ভাৰতীয় ৰে'লৰ অধীনৰ আই আৰ চি টি চি (IRCTC) আদিক ষ্টক এক্সচেইঞ্জত

পঞ্জীয়নকৰণ, ইত্যাদি বহু সংস্কাৰমূলক ব্যৱস্থাৰদ্বাৰা বিত্তীয় ব্যৱস্থাটোক সবল কৰা হ'ব বুলি বাজেটত উল্লেখ কৰা হৈছে।

**(৭) গতি, দায়বদ্ধতা আৰু স্বচ্ছতা প্ৰতিফলনৰ বাবে ডিজিটেল অৰ্থনীতি গঢ়ি তোলা ঃ**

বিশ্ব-প্ৰৱাহৰ সৈতে সংগতি ৰাখি আমাৰ দেশতো ডিজিটেল অৰ্থনীতি গঢ় দিয়াটো হৈছে চৰকাৰৰ পৰিকল্পনাৰ অন্যতম অংশ। তদুপৰি, ক'লাধন প্ৰতিৰোধ কৰি অৰ্থনীতিৰ বিশুদ্ধিকৰণৰ বাবেও ডিজিটেল পদ্ধতিৰ বিস্তৃতকৰণৰ প্ৰয়োজনীয়তা আছে। দেশত বি-মুদ্ৰাকৰণৰো উদ্দেশ্যসমূহৰ ভিতৰত অন্যতম নগদবিহীন লেনদেন তথা ডিজিটেল পদ্ধতিৰে লেনদেনৰ প্ৰসাৰ ঘটোৱা বুলি চৰকাৰে ইতিমধ্যেই স্পষ্টকৈ কৈছে। ডিজিটেল লেনদেন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰতৰ ৰিজাৰ্ভ বেংকত নতুনকৈ নিয়ন্ত্ৰণ বোৰ্ড স্থাপন কৰাৰ কথা বাজেটত উল্লেখ কৰিছে। লেনদেনকে আদি কৰি অন্যান্য ক্ষেত্ৰতো ডিজিটেল পদ্ধতি ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ চৰকাৰে কেইবাটাও উদগনিমূলক ব্যৱস্থাও সৰ্বসাধাৰণলৈ আগবঢ়াইছে। চৰকাৰে পৰৱৰ্তী বিত্তীয় বৰ্ষত ২৫০০ কোটিৰ ডিজিটেল লেনদেনৰ লক্ষ্য স্থিৰ কৰিছে।

**(৮) সৰ্বসাধাৰণৰ সহযোগিতাৰে সুপ্ৰশাসন স্থাপন আৰু ৰাজহুৱা সেৱাৰ সমুচিত সৰবৰাহকৰণ ঃ**

বিভিন্ন আঁচনিযোগে আগবঢ়োৱা চৰকাৰী সেৱা যাতে প্ৰকৃত হিতাধিকাৰীয়ে পাব পাৰে তাৰ নিমিত্তেই বাজেটত এই লক্ষ্য স্পষ্টকৈ উল্লেখ কৰা হৈছে। বিত্তমন্ত্ৰীয়ে উল্লেখ কৰিছে যে এতিয়ালৈকে কেৰাচিন, এল পি জিকে ধৰি মুঠ ৮৪খন চৰকাৰী আঁচনি প্ৰত্যক্ষ হস্তান্তৰ পদ্ধতিৰে ৰূপায়ণ কৰা হৈছে। ইয়াৰ ফলত প্ৰশাসনলৈও স্বচ্ছতা আহিছে আৰু সৰ্বসাধাৰণ উপকৃত হৈছে।

**(৯) যথোচিত পৰিচালনাৰে বিত্তীয় শৃংখলা অটুট ৰখা ঃ**

২০১৭-১৮ বৰ্ষৰ বাবে বিত্ত মন্ত্ৰীয়ে বাজেটত সৰ্বমুঠ ২১.৪৭ লাখ কোটি টকাৰ ব্যয় ধাৰ্য কৰিছে। বিত্ত মন্ত্ৰীগৰাকীয়ে স্পষ্টকৈ কৈছে যে মূলধনী ব্যয়ৰ পৰিমাণ বিগত বৰ্ষৰ বাজেটৰ তুলনাত ২৫.৪ শতাংশ বৃদ্ধি কৰা হৈছে আৰু ইয়াৰদ্বাৰা আৰ্থিক বিকাশৰ হাৰ ত্বৰান্বিত হ'ব বুলি আশ্বাস দিছে। এফ আৰ বি এম (FRBM) আইনৰ প্ৰেক্ষাপটত গঠিত নিৰীক্ষণ কমিটীৰ পৰামৰ্শ অনুসৰি অহা তিনিবছৰৰ ভিতৰত বিত্তীয় ঘাটিৰ পৰিমাণ ৩ শতাংশ কৰা হ'ব বুলি বিত্ত মন্ত্ৰীয়ে ইংগিত দিছে। অৱশ্যে, ২০১৭-১৮ বৰ্ষৰ বাবে বিত্তীয় ঘাটিৰ (Fiscal deficit) পৰিমাণ ৩.২ শতাংশ হ'ব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। ভাৰতৰ এই সু-চিন্তিত, পৰিকল্পিত আৰু সুব্যৱস্থাপনাৰে প্ৰস্তুত কৰা বাজেট ব্যৱস্থাই বিশ্ব অৰ্থনৈতিক অস্থিৰতাৰ মাজতো দেশৰ অৰ্থনীতি সুস্থিৰ কৰি ৰখাত সহায়ক হৈ আছে। এনে সুস্থিৰ স্থিতি বাহাল ৰখাৰ প্ৰতিশ্ৰুতি এইখন বাজেটতো প্ৰতিফলিত হৈছে।

**(১০) সৎ-সাধু কৰ দাতাসকলক সমুচিত প্ৰতিদান দিব পৰাকৈ কৰ প্ৰশাসন ব্যৱস্থাটো গঢ় দিয়া ঃ**

বিত্ত মন্ত্ৰীয়ে স্পষ্টভাষাৰে স্বীকাৰ কৰিছে যে দেশত বৃহৎসংখ্যক কৰ ফাকি দিয়া লোক আছে। তাৰ বিপৰীতে নিৰ্দোষী-সাধু কৰদাতাসকলে সদায়েই কৰৰ বোজা বহন কৰি আহিছে। গতিকে, এইসকলক সকাহ দিয়াৰ নিমিত্তে বাজেটত কেতবোৰ কৰ সৰলীকৰণৰ প্ৰস্তাৱ ৰখা হৈছে। বাজেটত কোনো বিশেষ নতুন কৰৰ বোজা জনসাধাৰণক জাপি দিয়া নাই। আনহাতে, আয়কৰৰ ক্ষেত্ৰত ৩ লাখ টকা পৰ্যন্ত বাৰ্ষিক আয় কৰোঁতাসকলক কৰ প্ৰদানৰ পৰা ৰেহাই দিয়া হৈছে। তদুপৰি, ৩ লাখৰ পৰা ৫ লাখ টকা পৰ্যন্ত আয় কৰোঁতাসকলৰ আয়কৰৰ হাৰ পূৰ্বৰ ১০ শতাংশৰ পৰিৱৰ্তে ৫শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ওপৰৰ আয়ৰ ক্ষেত্ৰত কৰৰ হাৰৰ কোনো পৰিৱৰ্তন অনা হোৱা নাই। অৰ্থাৎ, ৫ লাখৰ পৰা ১০ লাখ আয়ৰ লোকৰ ক্ষেত্ৰত কৰৰ হাৰ ২০ শতাংশ আৰু ১০ লাখতকৈ অধিক উপাৰ্জনকাৰীৰ কৰৰ হাৰ ৩০ শতাংশই অপৰিৱৰ্তিত হৈ থাকিব। পূৰ্বৰ দৰেই ২ শতাংশৰ শিক্ষা উপকৰ আৰু ১ শতাংশৰ উচ্চ শিক্ষা উপকৰো অপৰিৱৰ্তিত ৰূপতেই ৰখা হৈছে। ইয়াৰ লগতে ৫০ লাখতকৈ অধিক উপাৰ্জনকাৰীৰ বাবে ১০ শতাংশ আৰু ১ কোটিতকৈ অধিক উপাৰ্জনকাৰীৰ বাবে ১৫ শতাংশকৈ অতিৰিক্ত কৰ আৰোপৰ কথাও বাজেটত কোৱা হৈছে।

বাজেটত সেৱা কৰৰ হাৰৰো কোনো পৰিৱৰ্তন অনা হোৱা নাই। আকৌ, বিত্ত মন্ত্ৰীয়ে নিশ্চিতি দিছে যে অহা জুলাই মাহৰ পৰা দ্ৰব্য আৰু সেৱা কৰ (GST) ব্যৱস্থা ৰূপায়ণ কৰাৰ বাবে দেশ সম্পূৰ্ণ সাজু হৈ উঠিছে। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বাবে (যিবোৰৰ বাৰ্ষিক আয় ৫০ কোটিতকৈ অধিক নহয়) কৰৰ হাৰ ৫ শতাংশ হ্ৰাস কৰি ২৫ শতাংশকৈ নিৰ্দ্ধাৰণ কৰা হৈছে। বিগত আঢ়ৈ মাহত তাৎক্ষণিক

বি-মুদ্ৰাকৰণে সাময়িকভাৱে সৃষ্টি কৰা বিত্তীয় অসহায়তাৰ পিছত বিশেষকৈ মধ্যবিত্ত আৰু নিম্ন আয়ৰ লোকসকলৰ বাবে বিত্ত মন্ত্ৰীৰ কৰ-প্ৰস্তাৱসমূহে স্বস্তিৰ বতৰা কঢ়িয়াই আনিছে। বাজেটৰ কৰ প্ৰস্তাৱসমূহক লৈ সাধাৰণ মানুহৰ পৰা বিশেষজ্ঞ সকলকো অসন্তুষ্টি প্ৰকাশ কৰা পৰিলক্ষিত হোৱা নাই। বিত্তমন্ত্ৰীয়ে স্পষ্ট ভাষাৰে দাবী কৰিছে যে এইখন প্ৰথম বাজেট, যিয়ে সকলো শ্ৰেণীৰ কৰদাতাক কিবা নহয় কিবা ৰেহাই দিছে।

পূৰ্বনিৰ্দ্ধাৰিত লক্ষ্যৰে সুনিৰ্দিষ্ট ক্ষেত্ৰসমূহক উদ্দেশ্য কৰি বিত্তমন্ত্ৰীয়ে অতি কৌশলেৰে বাজেটৰ প্ৰস্তাৱসমূহ উত্থাপন কৰিছে। সেয়ে হ'লেও সঠিক ৰূপায়ণেহে বাজেটখনৰ সফলতা নিৰূপণ কৰিব। ❐

---

(৩৭ পৃষ্ঠাৰ পৰা)

লক্ষ্যক চেৰাই যাব বুলি আশা কৰা হৈছে। অগ্ৰগণ্য শস্য বীমা আঁচনি পি এম এফ বি ৱাইৰ বাবে বাজেটত নিৰ্বাচিত পুঁজি ২০১৬-১৭ বৰ্ষৰ ৫,৫০০ কোটি টকাতকৈ ২০১৭-১৮ বৰ্ষত ৯,০০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। পি এম এফ বি ৱাইৰ লক্ষ্য অনুসৰি বাজেটত (২০১৭-১৮ বৰ্ষ) শস্যভূমিৰ ৪০ শতাংশ সামৰি লোৱা হ'ব আৰু পৰৱৰ্তী বৰ্ষত (২০১৮-১৯) এই লক্ষ্য ৫০ শতাংশলৈ বৃদ্ধি কৰা হ'ব।

২০১৫ চনত প্ৰৱৰ্তিত ভূমি স্বাস্থ্য কাৰ্ড আঁচনি অধিক সবল কৰি তোলা হ'ব। ইয়াৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত থকা ৬৪৮টা বিজ্ঞান কেন্দ্ৰৰ (কৃষি গৱেষণা প্ৰতিষ্ঠান) আটাইকেইটাতে ভূমি পৰীক্ষণৰ বাবে ক্ষুদ্ৰ পৰীক্ষাগাৰ স্থাপন কৰা হ'ব। তদুপৰি, চৰকাৰৰ সহযোগিতাত দক্ষ স্থানীয় উদ্যমী লোকৰদ্বাৰা ১০০০টা ক্ষুদ্ৰ পৰীক্ষাগাৰ স্থাপন কৰা হ'ব।

সাম্প্ৰতিক সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) আইনৰ বাবে দেশৰ কৃষি আৰু খাদ্য সামগ্ৰী খণ্ডত বৃহৎ প্ৰভাৱ পৰিব। বিশেষকৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আৰোপ কৰিবলগীয়া বিভিন্ন ধৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ বাবেই এই খণ্ড দুটা বাৰুকৈয়ে প্ৰভাৱিত হ'ব।

উন্নত দাম পোৱা আৰু খেতি চপোৱাৰ পাছত হোৱা ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিবলৈ চৰকাৰে "এগ্ৰ' প্ৰচেছিং ইউনিট'সহ ফল-মূল আৰু শাক-পাচলি উৎপাদন কৰা খেতিয়কক একত্ৰীকৰণৰ বাবে পৰিকল্পনা কৰি আছে। প্ৰথম পৰ্যায়ত ইলেক্ট্ৰনিক ৰাষ্ট্ৰীয় কৃষি বিপণী (e-NAM)ৰ সহায়ত ইতিমধ্যে ১০ খন ৰাজ্যত ২৫০ খন মণ্ডি (বজাৰ) একত্ৰীকৰণ কৰা হৈছে। এই বিপণীত ৪২১ কোটি টকাৰ পণ্য কিনা-বেচা কৰা হৈছে। কৃষকসকল এই নতুন পদক্ষেপৰ পৰা লাভৱান হ'ব পৰাকৈ e-NAM মঞ্চৰ জৰিয়তে পণ্যৰ দাম সম্পৰ্কীয় তথ্যৰ বাবে এটা ম'বাইল এপ মুকলি কৰা হৈছে। e-NAM মঞ্চৰ যোগেৰে পোনতে ফল-মূল আৰু শাক-পাচলিসহ ৬৯ বিধ উদ্যান শস্য কিনা-বেচনা কৰিব পৰা যাব। মণ্ডি বা বজাৰসমূহৰ e-NAM যোগে একত্ৰীকৰণ হোৱাৰ ফলত কৃষকসকলৰ উপাৰ্জন বৃদ্ধি পাব।

'দুগ্ধপাম আৰু আন্তঃগাঁথনি উন্নয়ন পুঁজি' নামৰ এটা নতুন পুঁজিৰ বাবে ২,০০০ কোটি টকাৰ স্থায়ী পুঁজি ধাৰ্য কৰা হৈছে আৰু এই পুঁজি 'নাবাৰ্ড'ৰ আধাৰত গঠন কৰা হ'ব। দুগ্ধ উৎপাদন আৰু গৰু-ম'হ পালন কৰি কৃষকসকলে অতিৰিক্ত ধন উপাৰ্জন কৰিব পাৰিব। দুগ্ধপাম উন্নয়নৰ বাবে নতুন পুঁজি গঠন কৰিলে কৃষকসকলৰ জীৱিকাৰ ক্ষেত্ৰত নতুন পৰিৱৰ্তন সাধন হ'ব। ইয়াৰ লগতে গাখীৰ উৎপাদনৰ লগতে দুগ্ধজাত সামগ্ৰীৰ পৰিমাণ বৃদ্ধি পাব আৰু এই বৃদ্ধিয়ে ৰাষ্ট্ৰীয় কৃষিৰ উৎপাদনশীলতা বৰ্ধনত যথেষ্ট সহায় কৰিব। সংৰক্ষিত দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰীৰ ক্ৰমবৰ্দ্ধমান চাহিদা পূৰাবলৈ দুগ্ধ সমবায় সমিতি আৰু অন্যান্য দুগ্ধ কোম্পানীসমূহে গাখীৰ সংগ্ৰহ আৰু দুগ্ধজাত সামগ্ৰীৰ বিপণনৰ সৈতে জড়িত কাম-কাজত বিনিয়োগ বৃদ্ধি কৰিব। দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰীসমূহৰ ক্ৰমবৰ্দ্ধমান চাহিদাৰ ধাৰা অব্যাহত থাকিব বুলি আশা কৰা হৈছে। হ্ৰস্ব আৰু মধ্যকালীনভাৱে এই খণ্ডত বৃহৎ বিকাশ পৰিলক্ষিত হৈছে। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেট প্ৰসংগ

# গ্ৰাম্য উন্নয়নৰ সফলতা ঃ সামগ্ৰিক উন্নয়নৰ আধাৰ

**অনিল কুমাৰ শইকীয়া***

২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটখনৰ প্ৰধানতম লক্ষ্য তথা অগ্ৰাধিকাৰ দিয়া বিষয় হ'ল গ্ৰাম্য উন্নয়ন। এই লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰে বাজেটখনত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আবণ্টিত ব্যয় যোৱা বৰ্ষৰ তুলনাত ২৪ শতাংশ বৃদ্ধি কৰিছে। প্ৰকৃততে গ্ৰাম্য উন্নয়ন আৰু কৃষিৰ বিকাশ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ দৰে। অৰ্থাৎ গ্ৰাম্য উন্নয়ন দ্ৰুত মাত্ৰাত বৃদ্ধি পালে কৃষি অৰ্থনীতিও তেনেদৰে বিকাশ সম্ভৱ হৈ উঠিব। আনহাতে গ্ৰাম্য উন্নয়ন আৰু কৃষি বিকাশৰ লগত সম্পৃক্ত হৈ আছে গ্ৰাম্য নিবনুৱাৰ নিযুক্তি, গ্ৰাম্য যোগাযোগ আৰু পৰিবহণৰ উন্নত ব্যৱস্থা, গ্ৰাম্য সম্পদৰ সদ্ব্যৱহাৰ, গ্ৰাম্য দৰিদ্ৰ আৰু প্ৰান্তীয় লোকৰ জীৱন ধাৰণৰ মান উন্নত হোৱা, বিদ্যুতৰ সম্প্ৰসাৰণ ঘটোৱা, গ্ৰাম্য জনগণৰ সামগ্ৰিক বিকাশ সম্ভৱ হৈ উঠা। সেয়ে কেন্দ্ৰীয় বাজেটৰ বিগত বৰ্ষত গ্ৰাম্য জনসাধাৰণৰ উপাৰ্জন ২০২০ চনৰ ভিতৰত দুগুণ নিশ্চিত কৰি তুলিবলৈ দৃঢ়তাৰে যি লক্ষ্য স্থিৰ কৰিছিল সেই লক্ষ্য লাভ কৰাৰ বাবে প্ৰয়োজনীয় ধাৰাবাহিকতা আৰু গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত বৰ্দ্ধিত ব্যয়ৰ আবণ্টন ২০১৭-১৮ বৰ্ষৰ বাজেটখনতো প্ৰতিফলিত হৈছে। এই শিতানত ১ লাখ ২৩ হাজাৰ ২২৩ কোটি টকা বাজেটত ধাৰ্য কৰিছে। আনহাতে কৃষিখণ্ডৰ বিকাশ হাৰ ৪.১ শতাংশ লক্ষ্য আগত ৰাখি বাজেটত ব্যয় আবণ্টন দিয়া হৈছে ১০ লাখ কোটি টকা। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিখনত এইবাৰ সৰ্বাধিক সংখ্যক ৪৮ হাজাৰ কোটি টকা ধাৰ্য কৰিছে যিটোৰ পৰীক্ষণ যোৱা বৰ্ষৰ তুলনাত প্ৰায় ১১ হাজাৰ কোটি টকা অধিক। সাম্প্ৰতিক সময়ত গ্ৰামাঞ্চলৰ দৰিদ্ৰ আৰু অদক্ষ লোকক অন্তত ১০০ দিনৰ কৰ্ম সংস্থাপন দিবৰ বাবে বিগত সময়ত যিবোৰ কৰ্মসূচী গ্ৰহণ কৰিছিল সিবোৰত সংঘটিত দুৰ্নীতি, অনিয়ম আৰু মজুৰি প্ৰাপ্তি বিলম্ব হোৱাৰ বাবে আঁচনিখনে সঠিক লক্ষ্যত উপনীত হ'ব পৰা নাছিল। গ্ৰামাঞ্চলৰ নিবনুৱা সংস্থাপনৰ সৰ্ববৃহৎ এই আঁচনিখন অধিক গতিশীল আৰু উৎপাদনমুখী কৰি তুলিবলৈ মোদী চৰকাৰে যোৱা বৰ্ষটোৰ পৰাই আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখি এইবাৰ বাজেটত সেয়ে বৃহৎ পৰিমাণৰ পুঁজি আবণ্টন দিছে। পৰৱৰ্তী সময়ত কৰ্মৰ সংখ্যা ১৫০ দিনলৈ বঢ়োৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে গ্ৰামাঞ্চলত উন্নয়নৰ সৰ্বদিশত অগ্ৰাধিকাৰ দি গ্ৰাম্য সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু বহনযোগ্য ক্ষমতাৰে কেন্দ্ৰীয় চৰকাৰে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এইবাৰ ক্ষুদ্ৰ জলসিঞ্চন, মৎস পালন আনকি খোৱা পানীৰ অভাৱ হৈ থকা অঞ্চলবিলাকৰ উন্নয়নৰ বাবে পুখুৰী খন্দাৰ ক্ষেত্ৰত এম জি এনৰেগা আঁচনিখনে গুৰুত্ব দিছে। অৱশ্যে একাংশ কৃষকে আঁচনিখন কৃষি উৎপাদনৰ লগত প্ৰত্যক্ষ সংযোগ স্থাপন কৰিব পৰাকৈ হ'ব লাগে বুলি দাবী কৰিছে।

পাঁচবছৰৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বঢ়াবৰ বাবে ২০১৭-১৮ বাজেটখনতো লক্ষ্য লাভৰ উদ্দেশ্যে বহুসংখ্যক আঁচনিত পুঁজি আবণ্টন দিছে — যিবোৰে কৃষি উন্নয়নেই নহয়, গ্ৰাম্যবাসীৰ নিযুক্তি, কৃষকৰ কম সুদৰ হাৰত কৃষি ঋণ বৃদ্ধিৰ যোগেদি কৃষি উৎপাদন বঢ়োৱা, বতৰৰ প্ৰতিকূল অথবা খৰাং বা বানপানীৰ বাবে কৃষকৰ শস্য লোকচান হোৱাৰ পৰা সকাহ দিবৰ বাবে শস্য বীমা আঁচনিখনৰ যোগেদি ৪০ শতাংশ কৃষকক সামৰি ল'ব বিচৰা হৈছে। প্ৰান্তীয় কৃষক-সকলক সুৰক্ষা আৰু উৎপাদনৰ উচিত মূল্য লাভৰ বাবে বাজেটখনে চুক্তি-ভিত্তিক কৃষি আইন প্ৰণয়নৰ প্ৰস্তাৱ আগবঢ়াইছে। গ্ৰাম্য বাসিন্দাৰ সামাজিক সুৰক্ষা বাজেটখনে নিশ্চিত কৰিব বিচৰা দিশটোৱে মানৱীয়তাৰ চৰিত্ৰও প্ৰতিফলন ঘটাইছে। আনহাতে বিগত সময় বিলাকত দৰিদ্ৰতা নিৰ্মূলৰ বাবে আঁচনি আৰু ব্যয় ধাৰ্য কৰি আহিছে যদিও প্ৰত্যাশিত ফল লাভ কৰিব পৰা নাছিল। সেয়ে আগন্তুক দুটা বছৰৰ ভিতৰত ১ কোটি দৰিদ্ৰলোকক

*ড° অনিল কুমাৰ শইকীয়া কাকজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী।

দাৰিদ্ৰ্যৰ যন্ত্ৰণাৰপৰা মুক্ত কৰাৰ কথা ঘোষণা কৰি বাজেটখনত 'সকলোৰে বাবে গৃহ' লক্ষ্যৰ দৃঢ়তা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে গ্ৰামাঞ্চলতেই দৰিদ্ৰ লোকৰ সংখ্যা সৰ্বাধিক, সেয়ে গ্ৰামাঞ্চলত স্বচ্ছ ভাৰত অভিযানৰ পূৰ্ণৰূপ দিবৰ বাবেও ৬০ শতাংশ গ্ৰাম্যবাসীৰ বাবে অনাময় ব্যৱস্থাৰ প্ৰতিশ্ৰুতি দিছে। অকল ইমানেই নহয়, ১০০ শতাংশ গ্ৰাম্যবাসীৰ ঘৰত বিদ্যুৎ যোগান নিশ্চিত কৰিবলৈ ২০১৮ চনৰ মাৰ্চ মাহৰ ভিতৰত লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰ ফলত অন্যান্য আধুনিক প্ৰযুক্তিৰ সুবিধাৰ উপৰি ডিজিটেল ইণ্ডিয়াৰ সম্প্ৰসাৰণ সৰ্বত্ৰ সম্ভৱ কৰি তুলিব বিচৰা হৈছে। গ্ৰাম্য পথ যোগাযোগ উন্নয়নৰ অন্যতম প্ৰধান আঁচনি হৈছে 'প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা।' এই আঁচনিৰদ্বাৰা গ্ৰামাঞ্চলৰ সকলোধৰণৰ পথ পকীকৰণৰ লগতে এই আঁচনিৰপৰা বহুসংখ্যক গ্ৰামাঞ্চলৰ উপাৰ্জনৰ পথ প্ৰশস্ত হোৱাকৈ ২০১৭-১৮ বৰ্ষৰ বাজেটত ১৯ হাজাৰ কোটি টকা আবণ্টন দিছে। সম্প্ৰতি পথ পৰিবহন উন্নয়নক গ্ৰামাঞ্চলৰ সামগ্ৰিক উন্নয়নৰ প্ৰধানতম আধাৰ বুলি ভবা হৈছে।

আমাৰ দেশৰ কৃষকসকলৰ অধিকাংশৰে মাটিৰ গুণাগুণৰ ধাৰণা নাই। তেওঁলোকে বছৰে বছৰে বহুবিধ খেতি কৰি অধিক পৰিমাণে ৰাসায়নিক সাৰ প্ৰয়োগ কৰি উৎপাদন বৃদ্ধিৰ চেষ্টা চলাই আহিছে। এনেবিলাক কাৰণত মাটিৰ যে উৰ্বৰা শক্তি হ্ৰাস পাই আহিছে আৰু মাটিৰ অৱস্থান অনুযায়ী যে উৎপাদন কাৰ্য সম্ভৱ কৰিব লাগে, সেই ধাৰণা নথকাৰ বাবে তেওঁলোকৰ ব্যয় অনুপাতে উৎপাদন আশানুৰূপ নহয়। মাটিৰ গুণাগুণ নিৰূপণ কৰাটো উৎপাদনৰ বাবে সম্প্ৰতি অতি প্ৰয়োজনীয় দিশ, এইক্ষেত্ৰত বিগত সময়ত পদক্ষেপ গ্ৰহণ কৰা হৈছিল যদিও মাটি পৰীক্ষাৰ বাবে পৰীক্ষাগাৰৰ অভাৱ, কৃষকৰ অমনোযোগিতা, অনীহাৰ উপৰি ব্যয় বহুল হোৱাৰ ভয়ত কৃষকে মাটিৰ গুণাগুণৰ পৰীক্ষা নকৰায়। এইবাৰ বাজেটত চৰকাৰে দেশত ৬৪৮টা কৃষি বিজ্ঞান কেন্দ্ৰত প্ৰতিটোতে মাটিৰ গুণাগুণ আৰু লেবৰেটৰী স্থাপনৰ লক্ষ্য স্থিৰ কৰিছে। আমাৰ আশা পৰীক্ষাগাৰৰ সংখ্যা দ্বিগুণলৈ বঢ়াই, কৃষকৰ ওচৰলৈ গৈ মাটি পৰীক্ষা কাৰ্যটো অৰ্থৱহ কৰি তুলিব লাগে।

গ্ৰামাঞ্চলত দুগ্ধ উৎপাদন কাৰ্যটো হৈছে অতি সম্ভাৱনাময় উপাৰ্জন আৰু নিযুক্তিৰ ক্ষেত্ৰ। গ্ৰামাঞ্চলৰ দুগ্ধ প্ৰতিষ্ঠানবিলাকে কাষৰীয়া নগৰ-চহৰ অঞ্চলবিলাকৰ চাহিদা পূৰাই আছে। সমগ্ৰ গ্ৰামাঞ্চল দুগ্ধ প্ৰক্ৰিয়াকৰণৰ বাবে প্ৰাথমিক পৰ্যায়ত বাজেটত ২ হেজাৰ কোটি টকাৰ এটা পুঁজি গঠনৰ প্ৰস্তাৱ দিছে—যিটোৱে গ্ৰামাঞ্চলত দুগ্ধ প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ বাবে উৎসাহিত কৰিব।

বৃহৎ জলসিঞ্চন প্ৰকল্পৰ পৰিৱৰ্তে গ্ৰামাঞ্চলত জলসিঞ্চনৰ নিশ্চয়তা প্ৰদানৰ অৰ্থে বাজেটত ৫ হেজাৰ কোটি টকাৰ ক্ষুদ্ৰ জলসিঞ্চন পুঁজি গঠনৰ প্ৰস্তাৱ দিছে। পুখুৰী, বৰষুণৰ পানী সংৰক্ষণ, বানপানীৰ একাংশ পানী সংৰক্ষণ, নলা, নাদ খনন, টিউৱেল স্থাপন, জলাশয়বিলাক মাছ আৰু পক্ষী সংৰক্ষণৰ বাবে উপযোগীকৈ ধৰি সৰু সৰু নদী বিলাকত সৰু সৰু বান্ধ দি জলসিঞ্চনৰ ব্যৱস্থাক উৎসাহিত কৰিব বিচৰা হৈছে।

এইবাৰ বাজেটখনে দেশত 'ডিজিটেল গাঁও' স্থাপনৰ এখন প্ৰয়োজনীয় আঁচনিৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। গ্ৰামাঞ্চললৈ উন্নত শিক্ষা সম্প্ৰসাৰণৰ বাবে, তথ্য-প্ৰযুক্তিৰ সম্প্ৰসাৰণ ঘটাবৰ বাবে, গ্ৰাম্য যুৱকক অধিকভাৱে ডিজিটেল শিক্ষাৰে শিক্ষিত কৰি কৰ্ম সংস্থাপনৰ বাবে দক্ষ কৰি তুলিবলৈ আৰু গ্ৰামাঞ্চলত ঔষধৰ যোগান তৎক্ষণাত ধৰিব পৰাকৈ টেলি মেডিচিনৰ ব্যৱহস্থাক সামৰি ইয়াৰ বাবে ব্যয় ধাৰ্য কৰি এই আঁচনি আৰম্ভ কৰিব বিচাৰিছে। সেয়ে হ'লে শিক্ষা, স্বাস্থ্য, নিযুক্তি, দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ গ্ৰামাঞ্চলত সহজলভ্য হৈ পৰিব বুলি ভাবিব পাৰি।

দেশত চেনি উদ্যোগৰ প্ৰধানতম কেঁচামাল কুঁহিয়াৰ খেতিক কৃষকৰ বাবে অধিক উৎসাহী আৰু লাভৱান কৰি তুলিবলৈ এইবাৰ বাজেটত পুঁজিৰ প্ৰস্তাৱ লোৱা হৈছে। উল্লেখযোগ্য যে কুঁহিয়াৰ খেতিয়কৰপৰা কুঁহিয়াৰ কিনাৰ বাবদ বহু কোটি টকা দিব লগা হৈ আছে — যিবোৰ টকাৰ অভাৱত দেশৰ বহু কৃষকে প্ৰাপ্য মূল্যৰ পৰা বঞ্চিত হৈ থাকিবলগা হৈছে। উত্তৰ ভাৰতৰ প্ৰায়বিলাক ৰাজ্যতেই এনে কৃষকে দেশৰ চেনি উদ্যোগলৈ অপৰিসীম অৱদান আগবঢ়াই আহিছে। সেইসকলৰ ন্যায় প্ৰাপ্তিৰ বাবে বাজেটত প্ৰাপ্য বকেয়া ধন আদায়ৰ পৰিমাণ ৯ হেজাৰ কোটি টকালৈ বৃদ্ধি কৰিছে। চৰকাৰে কৃষকৰ প্ৰতি বাজেটখনত আন এটা ন্যায়ৰ মৰ্যাদা প্ৰদান কৰাটো আদৰণীয় হৈছে।

গ্ৰামাঞ্চলৰ উন্নয়ন আৰু ৰাজনৈতিক চিন্তা তথা পথ নিৰ্দেশনাৰ অন্যতম ক্ষেত্ৰ হিচাপে গাঁও পঞ্চায়ত বিলাকক বিবেচনা কৰা হয়। চৰকাৰৰ তৃণমূল কৰ্মক্ষেত্ৰ হিচাপে পৰিচিত গাঁও পঞ্চায়তৰ যোগেদি গ্ৰাম্য উন্নয়নৰ প্ৰথম

পদক্ষেপৰ ভিত্তি প্ৰতিষ্ঠা কৰে। এইবাৰ বাজেটখনে পঞ্চাশ হাজাৰ গাঁৱত থকা সকলোখিনি দৰিদ্ৰলোকক দৰিদ্ৰৰ পৰা মুক্তি দিয়াৰ নিচিনা অতি সাহসী পদক্ষেপ গ্ৰহণ কৰিব বিচাৰিছে। দৰিদ্ৰতা মানৱ জাতিৰ বাবে পাপ বুলি কোৱা গান্ধীৰ সেই চিৰন্তন বাণীয়ে নিশ্চয় দেশ চলাওতাক দগ্ধ নকৰাকৈ নাথাকে। ইতিমধ্যে বাজেটখনত এম জি এনৰেগা আঁচনিত গ্ৰামাঞ্চলৰ ৫৫ শতাংশ মহিলাক অংশগ্ৰহণৰ সুবিধা দিবলৈ বিচৰা হৈছে যিটোৱে মহিলা সবলীকৰণৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই যাব বুলি ভবা হৈছে।

দেশত মুদ্ৰাৰ নতুন সংস্কাৰ নীতিৰ ফলত কোটি কোটি ক'লাধন চৰকাৰৰ হাতলৈ আহিল। সেয়ে এনেবোৰ টকাৰে চৰকাৰে গ্ৰাম্য উন্নয়ন আৰু কৃষি বিকাশৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ ব্যয় কৰিব পাৰিব বুলি বিশ্বাস কৰা হৈছে। নগদবিহীন টকাৰ প্ৰক্ৰিয়াটো অৰধাৰিত আৰু পূৰ্ণ কাৰ্যকাৰিতাৰ বাবে গ্ৰামাঞ্চল বিলাকক লক্ষ্য কৰি লোৱা হৈছে। সেয়ে গ্ৰামাঞ্চলত ডিজিটেল সেৱা সম্প্ৰসাৰণ, সকলো গাঁৱতে বিদ্যুতৰ সংযোগ স্থাপন, ব্ৰডবেণ্ডৰ সুবিধা দিয়া আদিক বাজেটখনে গুৰুত্ব আৰোপ কৰিছে।

গ্ৰাম্য উন্নয়নৰ লগত দেশৰ শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থাটো জড়িত হৈ আছে। এইবাৰৰ বাজেটত শিক্ষাৰ শিতানত বিগত বৰ্ষৰ তুলনাত ১০ শতাংশ অধিক পুঁজি আবণ্টন দিছে যদিও মুঠ বাজেটত ধাৰ্য কৰা ব্যয়ৰ মাত্ৰ ৩.৭১১ শতাংশহে। গ্ৰামাঞ্চলত উচ্চ শিক্ষাৰ তুলনাত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ প্ৰসাৰতাহে দৃষ্টিগোচৰ হৈ আহিছে। অৱশ্যে এনে শিক্ষানুষ্ঠানত বিনামূলীয়া শিক্ষা ব্যৱস্থাটোৱে গ্ৰামাঞ্চলক উপকৃত কৰিছে যদিও অনুষ্ঠানবিলাকৰ আন্তঃগাঁথনি এতিয়াও সবল হৈ উঠা নাই। এইবাৰৰ বাজেটত এনে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে যদিও উচ্চ শিক্ষাৰ ক্ষেত্ৰতহে বিশেষ অগ্ৰাধিকাৰ দিছে। স্কুলীয়া শিক্ষাৰ বাবে বাজেটত ব্যয় ৬ শতাংশলৈ বঢ়াইছে। সৰ্বশিক্ষা অভিযানত যোৱা বৰ্ষৰ তুলনাত মাত্ৰ এহেজাৰ কোটিলৈ বৃদ্ধি কৰি ২৩,৫০০ কোটি টকা বাজেটত ধাৰ্য কৰিছে। মধ্যাহ্ন ভোজন হৈছে স্কুলীয়া শিক্ষানুষ্ঠানৰ অন্যতম প্ৰয়োজনীয় আৰু আকৰ্ষণীয় আঁচনি ইয়াত মাত্ৰ ৩০০ কোটি টকা বঢ়াই ৯০ হেজাৰ কোটিলৈ বৃদ্ধি। সেইদৰে মাধ্যমিক শিক্ষাৰ বাবদ অধিক ব্যয় আবণ্টন নিদিলে। অৱশ্যে আবণ্টিত পুঁজি সঠিক আৰু উপযুক্ত সময়ত ব্যয় কৰিলে সমগ্ৰ স্কুলীয়া শিক্ষাৰ উন্নয়নৰ লগতে গ্ৰামাঞ্চলৰ শিক্ষায়ো অগ্ৰগতি লাভ কৰিব বুলি ভাবিব পাৰি।

উল্লেখযোগ্য যে বিশেষকৈ গ্ৰামাঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত বাজেটখনত অতি পিছপৰা খণ্ডসমূহলৈ মাধ্যমিক শিক্ষাৰ বাবে অভিযোজনা পুঁজিৰ বাবে ৩ হেজাৰ ৪৭৯ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছে যাৰ দ্বাৰা সেই উন্নয়ন খণ্ডবিলাকৰ অধীনৰ শিক্ষানুষ্ঠানত সাৰ্বজনীন শিক্ষাৰ বিকাশ, লিংগ বিভাজনহীনতা আৰু গুণগত শিক্ষাৰ বিকাশ সম্ভৱ হৈ উঠিব বুলি আশা কৰিছে।

এই বৰ্ষৰপৰা চৰকাৰে নতুন শিক্ষা নীতি প্ৰৱৰ্তন কৰাৰ কথা ঘোষণা কৰিছে যদিও বাজেটখনত ইয়াৰ কোনো ইংগিত অৱশ্যে দেখা পোৱা নগ'ল। আমাৰ বিশ্বাস এই নতুন শিক্ষা নীতিয়ে গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত উৎকৃষ্ট, ফলদায়ক আৰু নিয়োগ লাভৰ উপৰি বিশ্ব তথা দেশৰ মূল শিক্ষাৰ সৈতে সংযোগ স্থাপন কৰিব পৰাকৈ গঢ়ি তোলাৰ প্ৰাথমিক দায়বদ্ধতা নিশ্চয় গ্ৰহণ কৰিব।

সম্প্ৰতি পৰোক্ষ কৰৰ সাহসী আৰু নৱতম সংস্কাৰে সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰত চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া কাৰ্যকৰী হৈ উঠিলে সমগ্ৰ দেশত এখন বজাৰ সৃষ্টি হ'ব— যিখনে গ্ৰাম্য কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰি প্ৰকৃত মূল্য লাভ কৰিব। অৰ্থাৎ গ্ৰাম্য বজাৰৰ সম্প্ৰসাৰণ ঘটি একোখন ৰাষ্ট্ৰীয় বজাৰলৈ উত্তৰণ ঘটিব— যিখন বজাৰ আকৌ আন্তঃৰাষ্ট্ৰীয় বজাৰৰ লগত জড়িত হৈ পৰিব। এনে হৈ উঠিলে কৃষকসকলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত মুক্ত বিচৰণৰ সুবিধা পাব। কৃষি উৎপাদন বজাৰ সমিতি আৰু ইলেক্ট্ৰনিক ৰাষ্ট্ৰীয় বজাৰ ২৫০খনৰ পৰা এইবাৰ বাজেটত ৫৮৫ খনলৈ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে। এনে বজাৰ সম্প্ৰসাৰণৰ মূলতে আছে এখন ৰাষ্ট্ৰীয় বজাৰলৈ উত্তৰণ ঘটোৱাৰ প্ৰচেষ্টা। ক্ষণস্থায়ী সামগ্ৰী যেনে ফলমূল, শাক-পাচলিৰ ক্ষেত্ৰত কৃষি উৎপাদন বজাৰ সমিতিয়ে এইবাৰ বাজেটত সামৰি লোৱাটো আদৰণীয় পদক্ষেপ। সেয়ে হ'লে মধ্যভোগীৰ বিলোপ সাধন হ'ব আৰু কৃষকে তেওঁলোকৰ প্ৰকৃত মূল্যৰ পৰা বঞ্চিত নহ'ব।

গ্ৰাম্যবাসীৰ বিশেষকৈ গ্ৰাম্য মহিলাৰ আত্ম সংস্থাপনৰ ক্ষেত্ৰত সমগ্ৰ দেশত মহিলা আত্মসহায়ক গোট স্থাপন যোগেদি গ্ৰাম্য নিয়োগৰ যি এক বৈপ্লৱিক পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে, সেয়া পৰৱৰ্তী সময়বোৰত যথেষ্ট গতিশীলতা আহিছিল যদিও বিস্তৃতভাৱে সম্প্ৰসাৰিত ৰূপ এটা প্ৰত্যক্ষ হোৱা নাছিল, এইবাৰ কেন্দ্ৰীয় বাজেটত মহিলা সবলীকৰণৰ দৃঢ়তা প্ৰতিফলিত কৰি সমগ্ৰ দেশত পাঁচশ মহিলা শক্তি কেন্দ্ৰ

আৰু মহিলাৰ মডেল দোকানৰ লগতে প্ৰতিষ্ঠান স্থাপনৰ লক্ষ্য স্থিৰ কৰিছে— যিটোৰে গ্ৰাম্য মহিলাৰ আয় উপাৰ্জনত সহায়ক হৈ উঠিব।

সেয়ে ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটে গ্ৰাম্য উন্নয়নক অগ্ৰাধিকাৰ দি দেশৰ গ্ৰাম্য অৰ্থনীতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্য বাজেট অনুসৰি যদিহে কাৰ্যকৰী হৈ উঠে, তেনেহ'লে দেশৰ সামগ্ৰিক অৰ্থনীতিৰ বিকাশৰ হাৰো নিশ্চয় ৭.৬ শতাংশ লক্ষ্যত উপনীত হোৱা সম্ভৱ হৈ উঠিব বুলি আশা কৰিব পাৰি। ❐

---

(৫৪ পৃষ্ঠাৰ পৰা)

আগতে উল্লেখ কৰাৰ দৰে, মেক্স প্লেনক বা ফ্ৰনহুপাৰৰ দৰে অনুষ্ঠান সমূহে সংহত গৱেষণা আৰু মেইক্ ইন ইণ্ডিয়া/ ষ্টাৰ্ট আপ ইণ্ডিয়াৰ দৰে আঁচনিসমূহৰ পথ প্ৰদৰ্শক হ'ব। সুৰক্ষা, ৰে'ল আৰু নিৰ্মাণৰ ক্ষেত্ৰসমূহত অধিক মাত্ৰাত নতুন সামগ্ৰীক ব্যৱহাৰ্য্য ৰূপত তুলি ধৰিবলৈ যদি মেইক ইন ইণ্ডিয়া কেন্দ্ৰ খোলাৰ প্ৰস্তাৱ ৰখা হ'লহেতেন তেনেহ'লে বাজেটত ই ভোটাতৰা স্বৰূপ হ'লহেঁতেন।

বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত কৌশলৰ আৰু শিক্ষাৰ পূৰ্ণতা অনাৰ বাবে যদি আৰু অধিক আঁচনি গ্ৰহণ কৰা হ'লহেঁতেন, তেনেহ'লে তাৰ ৰূপায়ণ চাবলৈ মই ব্যক্তিগতভাৱে নথৈ সন্তোষ পালোঁহেঁতেন। এনে আঁচনি লোৱাটো বাঞ্ছনীয়, যি আঁচনিয়ে আনুষ্ঠানিক শিক্ষাৰ পৰা কাৰিকৰী শিক্ষা আৰু কৰ্মৰ বজাৰলৈ ওলোৱা-সোমোৱা কৰিবলৈ বহুতো সুৰুঙা ৰাখে। তদুপৰি চৰকাৰে সকলো কৌশলগত প্ৰাৰম্ভতাক সংহত কৰি এখন ৰাষ্ট্ৰীয় কৌশল বিশ্ববিদ্যালয় স্থাপন কৰিলে বিনিয়োগৰ পৰা পাব লগা লাভ বৃদ্ধি পালেহেঁতেন।

যুৱ প্ৰজন্মক ক্ষমতাশালী কৰিবলৈ আৰম্ভ কৰা বিভিন্ন প্ৰচেষ্টাত সদায়েই এটা চিন্তনীয় বিষয় সোমাই থাকে মুঠ ঘৰুৱা উৎপাদন পৰিমাণত ব্যয় হোৱা শিক্ষা ২০১২ চনৰ পৰা নিম্নগামী হৈছে, কিন্তু যুৱ জনসংখ্যা বৃদ্ধি পাইছে।

মই বিশ্বাসকৰোঁ যে ভাৰতত নাগৰিকৰ বাবে অনুমোদিত চনদ তৈয়াৰ কৰি, তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণ কৰি আৰু সাৱধানে তেওঁলোকৰ ওপৰত কৰ্তব্য আৰোপিত কৰি চৰকাৰে ভাৰতৰ উন্নত ভৱিষ্যতৰ নতুন অধ্যায়ৰ সূচনা কৰিব পাৰে। এই গতিশীলতাক ধৰি ৰাখিবৰ বাবে নাগৰিকসকলেও ন্যায়সন্মতভাৱে সম্পত্তি আহৰণ কৰিব লাগে আৰু নিজৰ নৈতিক-দায়িত্ব সমূহ পালন কৰি যাব লাগে। যিহেতু, সদায়ে দায়িত্বভাৰ পিছৰ প্ৰজন্মৰ হাতত তুলি দিয়া হয়, এই কথাও গুৰুত্ব সহকাৰে ল'ব লাগে যে বৃহৎ ক্ষমতাৰ পৰা বৃহৎ দায়িত্বও আছে। ❐

---

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

এপ্ৰিল ২০১৭— **শ্ৰম সংস্কাৰ**

মেই ২০১৭ — **দেশ নিৰন্তৰ গতিশীলতাৰ পথত**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল : yojanaasomia@yahoo.co.in

# কেন্দ্ৰীয় বাজেটত কৃষি আৰু গ্ৰামোন্নয়ন

**মনোৰঞ্জন বণিক্য***

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰৰ বিত্ত মন্ত্ৰী অৰুণ জেটলীয়ে চলিত বছৰৰ ১টা ফেব্ৰুৱাৰীত ২০১৭-১৮ বৰ্ষৰ সাধাৰণ বাজেট তথা ৰে'ল বাজেট সংসদৰ মজিয়াত দাখিল কৰে।

পূৰ্বৰ বছৰকেইটাত কেন্দ্ৰীয় ৰেল মন্ত্ৰীয়ে সংসদত সুকীয়াকৈ সাধাৰণ বাজেটৰ কেইদিনমান আগতে ৰেল বাজেট দাখিল কৰাৰ পৰম্পৰা চলি আহিছিল। কিন্তু এই বছৰৰ বাজেটত ইয়াৰ ব্যতিক্ৰম দেখা গ'ল। এইবাৰৰ বাজেটৰ আন এটি বৈশিষ্ট্য হৈছে— পূৰ্বৰ ফেব্ৰুৱাৰীৰ ২৮/২৯ তাৰিখৰ পৰিৱৰ্তে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটত ১ফেব্ৰুৱাৰীত সংসদত কেন্দ্ৰীয় বাজেট উত্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়েও এই প্ৰস্তাৱত অনুমোদন জনাইছিল।

সংসদত উত্থাপন কৰা সাধাৰণ বাজেটৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয় যে বাজেটে কৃষক, অনগ্ৰসৰ লোক আৰু যুৱ সমাজকে ধৰি সকলো শ্ৰেণীৰ লোকৰ প্ৰয়োজন পূৰ কৰিব। প্ৰধান মন্ত্ৰীৰ মতে এই বাজেটে কৰ্ম সংস্থাপন সৃষ্টি কৰাৰ লগতে স্বচ্ছতা, নগৰ পুনৰ গঠন আৰু গ্ৰাম্য বিকাশতো আলোকপাত কৰিছে। মোডীয়ে বাজেটখনক 'ভৱিষ্যৎমুখী' হিচাপে অভিহিত কৰে। এখন উৎকৃষ্ট বাজেট দাখিল কৰাৰ বাবে বিত্ত মন্ত্ৰীৰ শলাগ লৈ প্ৰধান মন্ত্ৰীয়ে কয় যে বাজেটখনে দেশৰ প্ৰগতি খৰতকীয়া কৰাৰ লগতে সংস্থাপনৰ সুবিধাৰ সৃষ্টি কৰিব আৰু কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰিব। বাজেটখনৰ জৰিয়তে গাঁওসমূহৰ আৰ্থিক অৱস্থাৰো অভাৱনীয় পৰিৱৰ্তন হ'ব বুলি উল্লেখ কৰিছে মোডীয়ে। এইক্ষেত্ৰত এম জি এনৰেগা আৰু নাৰী কল্যাণত অভিলেখ পৰিমাণৰ ধন আবণ্টনৰ প্ৰস্তাৱ দিয়াৰ বিষয়টোৰ উদাহৰণ দিয়ে। কম উপাৰ্জনৰ লোকৰ ক্ষেত্ৰত কৰ ৰেহাইৰ প্ৰস্তাৱ সন্দৰ্ভত মোডীয়ে কয় যে মধ্যবিত্ত শ্ৰেণীক এই ব্যৱস্থাই সকাহ দিব। সেইদৰে এম এছ এম ই খণ্ডত কৰ ৰেহাইৰ ব্যৱস্থাই বিশ্ব বজাৰৰ প্ৰতিযোগিতাত নামিবলৈ ক্ষুদ্ৰ ব্যৱসায়ীসকলক সহায় কৰিব বুলি অভিমত দিয়ে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে।

বিভিন্ন ৰাজনৈতিক নেতা, অৰ্থনীতিবিদ, উদ্যোগপতি, ব্যৱসায়ী, সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক, বিশ্লেষকে কেন্দ্ৰীয় বাজেটখনক সন্তুলিত, প্ৰগতিশীল, বাস্তৱমুখী, জনমুখী, বিকাশমুখী আৰু আশাব্যঞ্জক আখ্যা দিছে। কিন্তু বিৰোধী পক্ষৰ কিছুমান নেতাই বাজেটখনক কঠোৰ ভাষাৰে সমালোচনা কৰি ইয়াক জনবিৰোধী আৰু হতাশাজনক বুলি অভিহিত কৰে।

কেন্দ্ৰীয় বাজেটক লৈ আশাবাদী বাণিজ্যমহল। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী অৰুণ জেইটলীৰ বাজেট প্ৰস্তাৱসমূহত কৰ্প'ৰেট জগতো যে সন্তুষ্ট সেই কথা বাজেট উত্থাপন কৰাৰ দিনা ব'ম্বে ষ্টক এক্সছেইঞ্জৰ বৰ্দ্ধিত সূচকাংকত প্ৰতিফলিত হয়। বাজেট দাখিলৰ পিছতে ছেনছেক্স ৪০১ পইণ্ট বৃদ্ধি পাই ২৮,০৫৭.৪১ হয়গৈ। বেংকিং, বিত্তীয় ক্ষেত্ৰ, ক্ষুদ্ৰ আৱাস গৃহ, ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায় আদিৰ ক্ষেত্ৰতো বাজেটে উৎসাহজনক প্ৰস্তাৱ দাখিল কৰাৰ পিছতে ৩০ কোম্পানীৰ শ্বেয়াৰ বৃদ্ধি পায় আৰু দিনৰ দুই বজাৰ ভিতৰতে প্ৰায় ৪০০ পইণ্ট ছেনছেক্স বাঢ়ে। ঠিক একেদৰে ৰাষ্ট্ৰীয় ষ্টক এক্সছেইঞ্জৰ সূচকাংক নিফটি ১০৯ পইণ্ট বৃদ্ধি পাই হয়গৈ ৮৬৭০.৩০। ষ্টেট বেংক, ইউ বি আই, বেংক অব বৰোদা, পঞ্জাব নেচনেল বেংক আৰু ছিণ্ডিকেট বেংকৰ শ্বেয়াৰ চাৰি শতাংশ বৃদ্ধি পায়। উল্লেখনীয় যে বাজেট প্ৰস্তাৱ অনুসৰি কেন্দ্ৰই ৰাজহুৱা খণ্ডৰ বেংকৰ ক্ষেত্ৰত দহ হেজাৰ কোটি টকা বিনিয়োগ কৰিব। কেন্দ্ৰীয় বাজেটত কৃষিৰ বিকাশ, কৃষকৰ কল্যাণ, গ্ৰামোন্নয়ন তথা আন্তঃগাঁথনিৰ উন্নয়ন আদিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বাজেটখনত কৃষি, গ্ৰামাঞ্চল আৰু সহযোগী ক্ষেত্ৰসমূহৰ বাবে ধাৰ্য কৰা ধনৰ পৰিমাণ বিগত বৰ্ষতকৈ ২৪ শতাংশ বৃদ্ধি কৰি ১ লাখ ৮৭ হেজাৰ ২৩৩ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। দেশৰ কৃষকৰ আয় অহা ৫ বছৰত দুগুণ কৰাৰ লক্ষ্য নৰেন্দ্ৰ মোডী

*মনোৰঞ্জন বণিক্য পঞ্জাব নেশ্বনেচ বেংকৰ অৱসৰপ্ৰাপ্ত তথ্য আৰু প্ৰচাৰ বিষয়া।

চৰকাৰে স্থিৰ কৰি বাজেটখনত তাক প্ৰতিফলিত কৰাৰ চেষ্টা চলাইছে। আনহাতে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় ৰোজগাৰ নিশ্চিত আঁচনি (এম জি এনৰেগা)ৰ বাবে এইবাৰৰ বাজেটত ৪৮ হেজাৰ কোটি টকালৈ বৃদ্ধি কৰি কৃষি ক্ষেত্ৰ বিকাশত কেন্দ্ৰৰ এই ফ্লেগশ্বিপ আঁচনিখনক জড়িত কৰাৰ পৰিকল্পনা কৰিছে কেন্দ্ৰীয় চৰকাৰে। এইখন চৰকাৰৰ অন্যতম ফ্লেগশ্বিপ আঁচনি 'প্ৰধান মন্ত্ৰী ফচল বীমা'ৰ এইবাৰ পূৰ্বৰ বৰ্ষতকৈ বহু পৰিমাণে বৃদ্ধি কৰি ১৩,২০০ কোটি টকা ধাৰ্য কৰা হৈছে আৰু আগন্তুক বৰ্ষত ৪০ শতাংশ শস্য ক্ষেত্ৰক ফচল বীমাৰ অধীনলৈ অনাৰ পৰিকল্পনা কৰা হৈছে। খৰাং, অনাবৃষ্টি, বানপানী আদি দুৰ্যোগৰপৰা কৃষকক সকাহ দিবলৈ এই আঁচনি আৰম্ভ কৰিছে। এই আঁচনিৰ বাবে কৃষকে দিবলগীয়া প্ৰিমিয়াম অতি সামান্য। আমাৰ দেশৰ প্ৰায় ৭০ শতাংশ লোক জীৱিকাৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষি প্ৰধান দেশ ভাৰতৰ জনসাধাৰণৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰিবলৈ কৃষি খণ্ডৰ বিকাশ আৰু কৃষকৰ কল্যাণৰ বাবে বিত্ত মন্ত্ৰীয়ে বাজেটত বিভিন্ন আঁচনি আৰু পদক্ষেপৰ কথা ঘোষণা কৰে। তেওঁ কঠোৰ পৰিশ্ৰম আৰু সমৰ্পণ ভাৱনাৰ প্ৰশংসা কৰি কয় যে চলিত বছৰত আমাৰ দেশৰ কৃষকে যোৱা বছৰৰ তুলনাত অধিক ক্ষেত্ৰত খাৰিফ আৰু ৰবি শস্যৰ খেতি কৰিছে। অনুকূল বতৰ আৰু পৰ্যাপ্ত বৰষুণৰ ফলত কৃষিখণ্ডত উৎপাদনৰ বৃদ্ধিৰ হাৰ ৪.৬ শতাংশ হ'ব বুলি আশা কৰা হৈছে। বিত্ত মন্ত্ৰীয়ে এইবাৰৰ বাজেট ভাষণত উল্লেখ কৰে— "যোৱা বছৰত বাজেট ভাষণতো মই কিছুমান পদক্ষেপৰ কথা ঘোষণা কৰিছিলোঁ। কৃষকে যাতে উৎপাদন আৰু উৎপাদকতা বৃদ্ধি কৰিব পাৰে তাৰ বাবে আমি অধিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব আৰু শস্য চপোৱাৰ পৰৱৰ্তী কালছোৱাত কৃষকে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ উপায় উদ্ভাৱন কৰিব লাগিব।"

ভাষণ প্ৰসংগত বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ বাবে পৰ্যাপ্ত কৃষি ঋণৰ প্ৰয়োজন। কৃষিৰ উন্নতিৰ বাবে উন্নত সাৰ, বীজ, কীটনাশক দৰব, জলসিঞ্চনৰ ব্যৱস্থা, কৃষি আহিলাৰ প্ৰয়োজন। কৃষিৰ বিকাশৰ বাবে ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ বেংকে কৃষকক বিভিন্ন প্ৰকাৰে ঋণ প্ৰদান কৰি আহিছে।

২০১৭-১৮ বৰ্ষৰ বাবে কৃষি ঋণৰ পৰিমাণ ১০ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। যোৱা বাজেটত ৯ লাখ কোটি টকাৰ কৃষি ঋণ বিতৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল। পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ, জম্মু আৰু কাশ্মীৰ তথা অনগ্ৰসৰ অঞ্চল-সমূহলৈ পৰ্যাপ্ত পৰিমাণৰ কৃষি ঋণৰ ব্যৱস্থা কৰিবলৈ যৎপৰোনাস্তি প্ৰয়াস কৰা হ'ব বুলি বিত্ত মন্ত্ৰীয়ে কয়। কৃষকসকলে ৬০ দিনৰ সুতৰ ৰেহাই লাভ কৰিব। কৃষিৰ বাবে প্ৰদান কৰা বেংক ঋণক 'অগ্ৰাধিকাৰ ক্ষেত্ৰ' ঋণত শ্ৰেণীভুক্ত কৰা হৈছে। ভাৰত চৰকাৰৰ নীতি অনুসৰি বেংকে মঞ্জুৰ কৰা মুঠ ঋণ ৰাশিৰ ৪০ শতাংশ ঋণ 'অগ্ৰাধিকাৰ ক্ষেত্ৰ' আৰু ১৮ শতাংশ ঋণ প্ৰত্যক্ষ কৃষি খণ্ডলৈ ঋণ প্ৰদান কৰা সকলো বেংকৰ বাবে বাধ্যতামূলক। বহুতো বেংকে কৃষি ঋণৰ নিৰ্দ্ধাৰিত লক্ষ্য পূৰণ কৰিবলৈ সমৰ্থ হৈছে। কৃষকক হ্ৰস্বম্যাদী শস্য ঋণ কেৱল ৭ শতাংশ ৰেহাই সুতত প্ৰদান কৰা হয়। নিয়মিত সময়ত ঋণৰ কিস্তি পৰিশোধ কৰা কৃষকক অতিৰিক্ত ৩ শতাংশ সুত ৰেহাই দিয়া হয়।

আমাৰ দেশৰ কৃষক কৃষি কাৰ্যৰ বাবে মৌচুমী আৰু বৰষুণৰ ওপৰত নিৰ্ভৰশীল। কিন্তু বতৰ আৰু বৰষুণৰ অনিশ্চয়তাৰ বাবে কৃষকে প্ৰয়োজন অনুসৰি সময়মতে পৰ্যাপ্ত পৰিমাণে বৰষুণ নাপাই চিন্তাগ্ৰস্ত হয়। কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ বাবে জলসিঞ্চন এটা গুৰুত্বপূৰ্ণ আহিলা। এনে সমস্যাৰ বাবে কৃষকক সকাহ দিবলৈ এই বাজেটত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য বিকাশ বেংক (নাবাৰ্ড)ৰ অধীনত দীৰ্ঘম্যাদী জলসিঞ্চন নিধি ইতিমধ্যে গঠন কৰা হৈছে। প্ৰধান মন্ত্ৰীয়ে এই নিধিৰ বাবে অতিৰিক্ত ২০,০০০ কোটি টকা ঘোষণা কৰিছে। এতিয়া এই নিধিৰ মুঠ পৰিমাণ হ'ব ৪০,০০০ কোটি টকা। 'প্ৰতি টোপালত অধিক শস্য' আঁচনিৰ লক্ষ্যত উপনীত হ'বলৈ ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য বিকাশ বেংক (নাবাৰ্ড)ৰ অধীনত এটা এটা সমষ্টিত অতি ক্ষুদ্ৰ জলসিঞ্চন নিধি গঠন কৰা হ'ব। এই নিধিৰ বাবে ৫০০০ কোটি টকা আবণ্টন কৰা হৈছে। পূৰ্বৰ বাজেটত ঘোষণা কৰা প্ৰধান মন্ত্ৰী কৃষি সিঁচাই যোজনাৰ বাবে ২৮.৫ লাখ হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব।

প্ৰায় ৪০ শতাংশ লঘু আৰু উপান্ত কৃষকে সমবায় প্ৰতিষ্ঠানৰ পৰা কৃষি ঋণ লাভ কৰে। প্ৰাথমিক কৃষি ঋণ সমিতিৰ ওপৰত কৃষকক কৃষি ঋণ বিতৰণৰ দায়িত্ব অৰ্পণ কৰা গৈছে। বিত্ত মন্ত্ৰী অৰুণ জেই টলীয়ে ঘোষণা কৰে ৬৩,০০০ প্ৰাথমিক কৃষি ঋণ সমিতি জিলা কেন্দ্ৰীয় সমবায় বেংকৰ কোৰ বেংকিং প্ৰণালীৰ লগত কম্পিউটৰীকৰণ আৰু সমন্বয়ৰ বাবে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য বেংকক (নাবাৰ্ড) সমৰ্থন আগবঢ়োৱা হ'ব। ৰাজ্যিক চৰকাৰৰ

আৰ্থিক অংশ গ্ৰহণেৰে ৩ বছৰৰ ভিতৰত নিৰ্দ্ধাৰিত ১৯০০ কোটি টকা ব্যয়েৰে এই কাৰ্য সম্পন্ন কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে কৃষি ক্ষেত্ৰৰ বিকাশত যি লক্ষ্য স্থিৰ কৰিছে তাত উত্তৰ-পূৰ্বাঞ্চলত জৈৱিক কৃষিৰ দিশটোক বিশেষভাৱে গুৰুত্ব দি জৈৱিক কৃষি বিকাশৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰিছে।

উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু দেশৰ অন্যান্য ৰাজ্যত অৱস্থিত চেনি কাৰখানা-সমূহলৈ কুঁহিয়াৰ খেতিয়কসকলে প্ৰয়োজনীয় কেঁচামাল কুঁহিয়াৰ যোগান ধৰি আহিছে। কিন্তু কুঁহিয়াৰ খেতিয়ক-সকল উৎপাদিত সামগ্ৰীৰ উচিত মূল্য নাপায়। তেওঁলোকে প্ৰাপ্য ধনো সময়মতে নাপায়। কৃষকসকলে এনে বহুতো আহুকালৰ সন্মুখীন হৈছে। এইবাৰৰ বাজেটত কুঁহিয়াৰ খেতিয়ক-সকলৰ প্ৰাপ্য বকেয়া ধন আদায় দিববৈলে ধাৰ্য কৰা পৰিমাণ ৯,০০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। বহু কৃষকে নিজৰ উপাৰ্জন বৃদ্ধি কৰিববৈলে কৃষি কাৰ্যৰ ওপৰি পশুপালন, দুগ্ধ উৎপাদন আদি কৃষিৰ আনুষংগিক কাৰ্যৰ লগত জড়িত হৈ লাভৱান হোৱা দেখা যায়। দুগ্ধ উৎপাদন কৃষকৰ এক অতিৰিক্ত গুৰুত্বপূৰ্ণ উপাৰ্জনৰ পথ। দুগ্ধ প্ৰক্ৰিয়াকৰণ সা-সুবিধা তথা অন্য আন্তঃগাঁথনিৰ দ্বাৰা দুগ্ধ উৎপাদক উপকৃত হ'ব। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য বিকাশ বেংক (নাবাৰ্ড)ৰ অধীনত তিনি বছৰত ৮০০০ কোটি টকাৰে দুগ্ধ উৎপাদন আৰু আন্তঃগাঁথনি নিধি গঠন কৰা হ'ব। প্ৰাৰম্ভিক স্তৰত ২০০০ কোটি টকাৰে এই নিধিয়ে কাম আৰম্ভ কৰিব। বিত্ত মন্ত্ৰীয়ে কৃষকক ভূমি স্বাস্থ্য কাৰ্ড প্ৰদান কৰা বিষয়টোত প্ৰাধান্য দিছে। যোৱা বাজেটত ২০১৭ চনত ১৪ কোটি কৃষি পামৰ গৰাকীক ভূমি স্বাস্থ্য কাৰ্ড প্ৰদান কৰাৰ কথা ঘোষণা কৰা হৈছিল। ভূমি স্বাস্থ্য আঁচনিৰ উদ্দেশ্য হৈছে কৃষকৰ মাটিৰ পৰিপুষ্টি তথা সাৰৰ উপযুক্ত ব্যৱহাৰৰ বিষয়ে তথ্য যোগান ধৰা। এইবাৰৰ বাজেট ভাষণতো বিত্ত মন্ত্ৰীয়ে কয় যে খেতিৰ মাটিৰ নমুনা সময়মতে পৰীক্ষা কৰিলেহে কৃষকসকল উপকৃত হ'ব। সেয়েহে চৰকাৰে ক্ষুদ্ৰ প্ৰয়োগশালা স্থাপন কৰিব যাতে দেশত থকা ৬৪৮ কৃষি বিকাশ কেন্দ্ৰক এশ শতাংশ সামৰি ল'ব পৰা যায়। কপালৰ ঘাম মাটিত পেলাই কঠোৰ পৰিশ্ৰমৰ দ্বাৰা উৎপাদিত খাদ্যশস্যৰ উচিত মূল্যৰ পৰা কৃষকসকল বঞ্চিত হোৱা পৰিলক্ষিত হয়।

শস্য চপোৱাৰ পিছত খেতিয়কে যাতে বজাৰত তেওঁলোকে উৎপাদিত সামগ্ৰীৰ উপযুক্ত মূল্য লাভ কৰিববৈলে সমৰ্থ হয় তাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি বিত্ত মন্ত্ৰীয়ে বাজেট ভাষণত উল্লেখ কৰে। বৰ্তমানৰ ২৫০খন ৰাষ্ট্ৰীয় কৃষি বজাৰৰ (ই-নাম-E-Nam) সংখ্যা ৫৮৫লৈ বৃদ্ধি কৰা হ'ব। প্ৰত্যেকখন বজাৰলৈ ৭৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। এই ব্যৱস্থাই কৃষকক উৎপাদিত সামগ্ৰীৰ মূল্য বৃদ্ধিত সহায় কৰিব।

বজাৰৰ সংস্কাৰ সাধন কৰা হ'ব আৰু ৰাজ্যসমূহক পেলনীয়া সামগ্ৰীসমূহ আঁতৰাববৈলে অনুৰোধ কৰা হ'ব। ফলস্বৰূপে কৃষকে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰিববৈলে সমৰ্থ হ'ব বুলি আশা কৰা হৈছে। ফল আৰু পাচলি উৎপাদন কৰা কৃষকসকলক কৃষি প্ৰক্ৰিয়াকৰণ ইকাইৰ লগত সংযোগ কৰা হ'ব। এনে পদক্ষেপে কৃষকক অধিক মূল্য লাভ কৰাত সহায় কৰিব আৰু শস্য চপোৱাৰ পৰৱৰ্তী সময়ছোৱাত লোকচান হ্ৰাস কৰিব। চুক্তিবদ্ধ কৃষিপামৰ বিষয়ে আইন প্ৰণয়ন কৰা হ'ব আৰু ইয়াৰ ক্ৰিয়াকৰণৰ বাবে ৰাজ্যসমূহলৈ প্ৰেৰণ কৰা হ'ব।

মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল আমাৰ দেশৰ অধিকাংশ জনসংখ্যা গাঁৱত বাস কৰে। গাঁৱৰ প্ৰতি গান্ধীজীৰ অধিক স্নেহ আছিল। ভাষণ প্ৰসংগত বিত্তমন্ত্ৰীয়ে ইয়াৰ উদ্ধৃতি দিছিল। গ্ৰামোন্নয়ন দিশৰ ওপৰত আলোকপাত কৰি বিত্তমন্ত্ৰী অৰুণ জেইট্‌লীয়ে কয় যে আমাৰ দেশত প্ৰত্যেক বছৰে গ্ৰাম্য বিকাশৰ বিভিন্ন আঁচনিত ৩ লাখ কোটি টকা ব্যয় কৰা হয়। এইবাৰৰ বাজেটত অন্ত্যোদয়া আঁচনিৰ জৰিয়তে আমাৰ দেশৰ এক কোটি পৰিয়ালক দাৰিদ্ৰ্যৰ পৰা মুক্ত কৰা হ'ব বুলি বিত্ত মন্ত্ৰীয়ে বাজেটত প্ৰস্তাৱ কৰে। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ ১৫০সংখ্যক জন্ম জয়ন্তী উপলক্ষে ২০১৯ চনৰ কালছোৱাত ৫০,০০০ গ্ৰাম পঞ্চায়তক দাৰিদ্ৰ আওতাৰ পৰা উত্তৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চিত সংস্থাপন কাৰ্যসূচীৰ অধীনত যোৱা বাজেটত প্ৰস্তাৱিত ৫ লাখ কৃষি পুখুৰী স্থাপনৰ লক্ষ্য পূৰণ কৰা হ'ব বুলি আশা কৰা হৈছে। ৫লাখ পুখুৰীৰ বিপৰীতে ২০১৭ চনৰ মাৰ্চত ১০ লাখ কৃষি পুখুৰী স্থাপনৰ কাম সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। তদুপৰি ২০১৭-১৮ বৰ্ষত আন ৫ লাখ কৃষি পুখুৰী স্থাপনৰ কাম হাতত লোৱা হ'ব। ভূমিগত জল সম্পদ ব্যৱস্থাপনাৰ বাবেও ৬ হেজাৰ কোটি টকাৰ আবণ্টন দিয়া হৈছে।

২০১৯ চনৰ কালছোৱাত গৃহহীন আৰু কেঁচা ঘৰত বাস কৰা দৰিদ্ৰ মানুহৰ বাবে এক কোটি আবাস নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব বুলি বিত্ত মন্ত্ৰীয়ে বাজেটত প্ৰস্তাৱ উত্থাপন কৰে। প্ৰধান মন্ত্ৰী আবাস যোজনা গ্ৰামীণ ২০১৬-১৭ বৰ্ষৰ ১৫,০০০ কোটি টকাৰ পৰা ২০১৭-১৮

বৰ্ষত ২৩,০০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ২০১৮ চনৰ ১ মাৰ্চৰ ভিতৰত দেশৰ এশ শতাংশ গাঁৱত বৈদ্যুতিকী-কৰণ সম্পূৰ্ণ কৰা হ'ব। পণ্ডিত দীন দয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ বাবে ২০১৭-১৮ বৰ্ষত ৪৮১৪ কোটি টকা আবণ্টন কৰা হৈছে। এই বছৰ সমগ্ৰ দেশতে পণ্ডিত দীন দয়াল উপাধ্যায়ৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছে। ৰাষ্ট্ৰীয় গ্ৰামীণ পেয়জল আঁচনিৰ অংশ হিচাপে কলুষিত পানী সেৱন কৰা অঞ্চলৰ লোকক বিশুদ্ধ পেয়জল যোগান ধৰিবলৈ বাজেটত প্ৰস্তাৱ কৰা হৈছে।

পঞ্চায়তৰাজ প্ৰতিষ্ঠানসমূহত সুদক্ষ আৰু প্ৰশিক্ষিত লোকৰ অভাৱত উন্নয়নমূলক আঁচনিসমূহৰ কামৰ ক্ৰিয়ান্বয়ত বাধাগ্ৰস্ত হৈ আছে। ২০১৭-১৮ বৰ্ষত 'সুফলৰ বাবে মানৱ সংসাধন' শীৰ্ষক কাৰ্যসূচী আৰম্ভ কৰা হ'ব।

এইবাৰৰ কেন্দ্ৰীয় বাজেটত গ্ৰামোন্নয়ন আৰু কৃষি আৰু সহযোগী ক্ষেত্ৰত ব্যয় কৰিবলগীয়া ধনৰ ২৪ শতাংশ বৃদ্ধি হোৱাটোৱে দেশৰ কোটি কোটি কৃষক আৰু গ্ৰাম্য লোকৰ বাবে সুখৰ বতৰা কঢ়িয়াই আনিছে। গাঁও অঞ্চলৰ বাট-পথ উন্নয়নৰ ক্ষেত্ৰত এইবাৰ বাজেটত ২০১১-১৪ বিত্তীয় বৰ্ষৰ তুলনাত দুগুণ অৰ্থাৎ প্ৰতিদিনে ৭৩ কিলোমিটাৰৰ পৰিৱৰ্তে ১৩৩ কিলোমিটাৰ বাট-পথ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ এটা ঐতিহাসিক পদক্ষেপ।

কৃষি ভাৰতীয় অৰ্থনীতিৰ মূল ভেটি। কৃষি উন্নতিৰ ওপৰতে দেশৰ অৰ্থনীতি বিশেষভাৱে নিৰ্ভৰশীল। সেয়েহে ভাৰতীয় অৰ্থনীতিত কৃষিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। দেশৰ অধিকাংশ লোকৰ মুখ্য ভোজনৰ উপৰি কৃষিৰ পৰাই বহুতো উদ্যোগৰ কেঁচামাল পোৱা যায়। কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ পৰা আমাৰ দেশে বুজন পৰিমাণৰ মূল্যৱান বিদেশী মুদ্ৰা অৰ্জন কৰে। কৃষিৰ উন্নতি অবিহনে গ্ৰাম্য বিকাশ অসম্পূৰ্ণ। দেশৰ অৰ্থনীতিত কৃষি খণ্ডৰ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰৰ বাজেটত কৃষি খণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা আৰু পদক্ষেপে কৃষি আৰু সহযোগী খণ্ড উন্নতিৰ গতি ক্ষিপ্ৰতৰ কৰি তুলিব তথা কৃষকৰ উৎপাদন আৰু উপাৰ্জন বৃদ্ধিত প্ৰভূত অৰিহণা যোগাব। যিসকল কৃষকে বেংক, বিত্তীয় প্ৰতিষ্ঠান বা সমবায় প্ৰতিস্থানৰ পৰা ঋণ লাভ কৰিছে তেওঁলোকৰ এইটো সামাজিক আৰু নৈতিক কৰ্তব্য যে ঋণৰ নিৰ্দ্ধাৰিত কিস্তি সময় মতে পৰিশোধ কৰে। এই নীতিৰ দ্বাৰা ঋণৰ চকৰি নিয়মিত ৰূপে ঘূৰি থাকিব আৰু অন্য লোকেও উক্ত অনুষ্ঠানসমূহৰ পৰা ঋণৰ সুবিধা লাভ কৰিব— যাৰ ফলত দেশৰ আৰ্থিক উন্নয়নৰ গতি ক্ষিপ্ৰতৰ হৈ উঠিব। ❒

# কেন্দ্ৰীয় বাজেট ২০১৭-১৮ ঃ স্বাস্থ্য আৰু যুৱ প্ৰজন্ম সম্পৰ্কীয় কিছু কথা

**ববিতা শৰ্মা***

বি-মুদ্ৰাকৰণৰ প্ৰভাৱৰপৰা সময়ত সৰ্বসাধাৰণক সকাহ দিয়াৰ মানসিকতাৰে বিত্তমন্ত্ৰী অৰুণ জেইট্‌লীয়ে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰে এটি কবিতাৰে, 'এই সন্ধিক্ষণত ভয় খাই আপুনি থমকি নৰ'ব, যি কথা নতুন তাক আপুনি আঁকোৱালি লওক।' বাজেট খনত সৰ্বসাধাৰণৰ বিকাশ, মধ্যবিত্তক আৰ্থিক সকাহ আৰু ডিজিটেল অৰ্থনীতিৰ প্ৰসাৰক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। বাজেটখনক সম্পূৰ্ণৰূপে এখন কেন্দ্ৰীয় বাজেট বুলিব পাৰি; কিয়নো কোনো বিশেষ অঞ্চলক গুৰুত্ব দিয়াৰ বিপৰীতে সমগ্ৰ দেশখনৰ বাবে আঁচনি সমূহ গ্ৰহণ কৰাটোৰে বাজেটখনৰ এটা বিশেষ অৰ্থ প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বাজেটত দুটামান নতুন দিশ প্ৰতিফলিত হৈছে। এইবাৰ বাজেটখন ফেব্ৰুৱাৰী মাহৰ প্ৰথম দিনটোত উত্থাপন কৰা বিষয়টোৱে এটা নতুন ব্যৱস্থা গ্ৰহণ কৰিছে বুলিব পাৰি। দ্বিতীয়তে, কেন্দ্ৰীয় সাধাৰণ বাজেটক ৰে'ল বাজেটৰ লগত সংযোগ কৰি উত্থাপন কৰিছে। ইয়াৰদ্বাৰা সকলো পৰিবহণ ব্যৱস্থাক একত্ৰিত কৰিছে। আন এটা উল্লেখনীয় দিশ হ'ল, এইবাৰৰ বাজেটত পৰিকল্পনা ব্যয় আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ পাৰ্থক্যৰ অৱসান ঘটাই বাজেটত ব্যয় ব্যৱস্থাক অধিক সহজ কৰিব বিচাৰিছে। ২০১৭-১৮ৰ বাজেটৰ উল্লেখনীয় দিশসমূহ হ'ল ক'লাধন প্ৰতিৰোধ ব্যৱস্থা, ডিজিটেল অৰ্থনীতিৰ প্ৰসাৰ ঘটোৱা, জনসাধাৰণৰ সকলোৰে কাৰণে বাসগৃহ সহজলভ্য কৰা, ৰাজনৈতিক দলৰ পুঁজিৰ স্বচ্ছতা অনাৰ ব্যৱস্থা, কৰ গাঁথনিৰ সংস্কাৰ, সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি)ৰ প্ৰৱৰ্তন, কৃষি আৰু গ্ৰাম্য বিকাশ, মধ্যমীয়া আৰু ক্ষুদ্ৰ উদ্যোগৰ কৰ ৰেহাই ব্যৱস্থা, আন্তঃগাঁথনি বিকাশৰ বাবে যথেষ্ট পুঁজি ধাৰ্য কৰা, ব্যক্তিগত খণ্ডক উৎসাহিত কৰিবলৈ উন্নয়নৰ কাৰণে বিশেষ পুঁজি ব্যৱহাৰ কৰা ইত্যাদি। সেয়েহে বাজেটখনক এখন বিকাশমুখী বাজেট বুলিব পাৰি। অৰ্থনৈতিক বিকাশ বা প্ৰগতিৰ লগত স্বাস্থ্য হ'ল এটা মহত্বপূৰ্ণ কেন্দ্ৰীভূত বিষয়। দেশ এখনৰ অৰ্থনৈতিক বহনক্ষম বিকাশৰ লক্ষ্য আৰু স্বাস্থ্য জড়িত থকাৰ মূলতে হ'ল শাৰীৰিক আৰু মানসিকভাৱে সুস্থ ব্যক্তিয়েহে দেশখনৰ অৰ্থনৈতিক বিকাশ সাধন কৰিব পাৰিব। সেয়েহে স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কিছুমান বিশেষ আঁচনি অন্তৰ্ভুক্ত কৰিছে। শিক্ষা, স্বাস্থ্য, স্বচ্ছতা, সেৱা আদি ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা দেখা গৈছে। মহিলা আৰু শিশুৰ উন্নয়নৰ কাৰণে অধিক ধনৰ আবণ্টন দিয়া হৈছে। এই আবণ্টিত পুঁজিৰ পৰিমাণ হ'ল ১,৪৮,৬৩২ কোটি টকা। স্বাস্থ্যখণ্ডত নতুন স্বাস্থ্য সুৰক্ষা আঁচনিৰ জৰিয়তে প্ৰতিটো পৰিয়ালক এক লাখ টকা বীমাৰে সামৰি লোৱা হ'ব। মহিলা শক্তি কেন্দ্ৰৰ বাবে ৫০০ কোটি টকা বাজেটত অনুমোদন কৰাৰ ব্যৱস্থা লৈছে। দেশজুৰি অন্তঃসত্বা মহিলাক ৬০০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে সমগ্ৰ দেশতে আঁচনি গ্ৰহণৰ জৰিয়তে। তেনে মহিলাৰ বেংক একাউণ্টত জমা হ'ব এই ধনৰাশি। স্বাস্থ্য উপকেন্দ্ৰসমূহক স্বাস্থ্য কল্যাণ কেন্দ্ৰ ৰূপে গঢ় দিয়াৰ ব্যৱস্থা লৈছে। দেশৰ চিকিৎসা শিক্ষাৰ গাঁথনিগত সংস্কাৰৰ বাবে নিয়ন্ত্ৰণ কৰ্মপন্থা আৰু ১.৫ লাখ স্বাস্থ্য উপকেন্দ্ৰক হেলথ্ ৱেলনেছ ছেণ্টাৰলৈ উন্নীতকৰণৰ প্ৰস্তাৱে দেশখনৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস কৰি দেশৰ স্বাস্থ্য খণ্ডত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি। জ্যেষ্ঠ নাগৰিকৰ স্বাস্থ্যৰ ওপৰত বিশেষ গুৰুত্ব লোৱা পৰিলক্ষিত হৈছে। বিত্ত মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰিছে যে অহা বছৰত সমগ্ৰ দেশতে চৰকাৰে অত্যাৱশকীয় দৰবৰ সহজলভ্যতা নিশ্চিত কৰিব। প্ৰধান মন্ত্ৰীৰ জন ঔষধি যোজনাৰ অধীনত তিনি হাজাৰ বিপণী মুকলি কৰা হ'ব। লগতে জীৱনদায়িনী দৰবৰ মূল্যৰ হ্ৰাসৰ কথা চিন্তা কৰিছে। জ্যেষ্ঠ নাগৰিকসকলৰ আধাৰ ভিত্তিক স্বাস্থ্য সেৱা কাৰ্ড (হেল্‌থ কাৰ্ড)ৰ ব্যৱস্থাৰ কথা উল্লেখ আছে য'ত তেওঁলোকৰ স্বাস্থ্যৰ বিৱৰণ থাকিব। এনে নাগৰিকৰ বাবে অতিৰিক্ত ৩০ হাজাৰ কোটি টকা আবণ্টন কৰা হৈছে। স্বচ্ছ ভাৰত কাৰ্যসূচীৰ জৰিয়তে সৰ্বসাধাৰণ লোকৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি অনাময়ত অধিক গুৰুত্ব দিছে। ২০১৭ চনৰ ভিতৰত ক'লাজ্বৰ,

*লেখিকা ববিতা শৰ্মা আজাৰাৰ হৰি গায়ত্ৰী দাস মহাবিদ্যালয়, গুৱাহাটীৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা

ফাইলেৰিয়া (গোধ) ৰোগ নিৰ্মূলকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তেনেদৰে বাজেটখনত ২০১৮ চনৰ ভিতৰত কুষ্ঠ ৰোগ নিঃশেষ কৰাৰ লক্ষ্য গ্ৰহণ, ২০১৯ৰ ভিতৰত সৰু আই (মিজ্‌লছ) আৰু ২০২৫ চনৰ ভিতৰত যক্ষ্মাৰোগ নিৰ্মূলকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। ঝাৰখণ্ড আৰু গুজৰাটত এখনকৈ এইমছ্‌ স্থাপন কৰা হ'ব। এনেদৰে স্বাস্থ্য আৰু চিকিৎসাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰা বিষয়টোৱে সামাজিক দায়বদ্ধতাৰ গুৰুত্ব প্ৰতিফলিত কৰিছে। স্বাস্থ্য সেৱাৰ উন্নতি সাধনৰ বাবে দেশৰ পৌৰ চিকিৎসালয় আৰু ই এছ আই হাস্পতালত চিকিৎসাৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ পৰিসৰ বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। চিকিৎসা বিষয়ৰ পৰীক্ষা চি বি এছ চিয়ে লোৱাৰ পৰিৱৰ্তে সুকীয়া ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা গঠনৰ ব্যৱস্থা লৈছে। তদুপৰি প্ৰচলিত ঔষধ আৰু প্ৰসাধন আইনখন সংশোধন ঘটোৱা হ'ব বুলি কৈছে। চিকিৎসা সঁজুলি খণ্ডলৈ বিনিয়োগ বৃদ্ধিৰ ব্যৱস্থা লৈছে যাতে ৰোগীসকলে প্ৰয়োজনীয় বিভিন্ন চিকিৎসা সম্পৰ্কীয় আহিলাৰ বাবে কম দাম দিব পাৰে। এনে সঁজুলি উৎপাদন তথা বিক্ৰীৰ বাবে বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ চৰকাৰে বৰ্দ্ধিত বিনিয়োগৰ বাবে নতুন নীতি-নিয়মৰ ব্যৱস্থা গ্ৰহণ কৰিব। স্বাস্থ্য খণ্ডৰ বাবে এই বাজেটত আবণ্টিত পুঁজিৰ পৰিমাণ হৈছে ৪৮,৮৪৩ কোটি টকা। দেশজুৰি চিকিৎসা শিক্ষা প্ৰতিষ্ঠানৰ স্নাতকোত্তৰ শ্ৰেণীৰ যি বৰ্দ্ধিত আসনৰ ব্যৱস্থা লৈছে তাত মুঠ আসনৰ সংখ্যা অতিৰিক্ত ২৫ হাজাৰ কৰাৰ ব্যৱস্থাও গ্ৰহণ কৰাৰ কথা উল্লেখ আছে। এনে ধৰণৰ ব্যৱস্থাই স্বাস্থ্যখণ্ডত এটা অভূতপূৰ্ব পৰিৱৰ্তন অনাৰ কথা ভাবিব পাৰি।

দেশৰ বিকাশৰ ক্ষেত্ৰত ২০১৭-১৮ বৰ্ষৰ বাজেটত যথেষ্ট গুৰুত্ব দিয়া হৈছে। বিকাশ হ'বলৈ হ'লে দেশখন সামগ্ৰিকভাৱে নিপুণ কৰি তোলা প্ৰয়োজন। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতবৰ্ষক এখন যুৱদেশ বুলি উল্লেখ কৰি আহিছে; কাৰণ দেশৰ মুঠ জনসংখ্যাৰ ৫৪ শতাংশতকৈ অধিক লোক হ'ল যুৱক-যুৱতী। এনে ক্ষেত্ৰত যুৱ প্ৰজন্মৰ উন্নয়নৰ জৰিয়তেহে দেশৰ অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰা সম্ভৱ হ'ব। যুৱকসকলৰ শিক্ষা, দক্ষতা বৃদ্ধিৰ যোগেদি নিয়োগৰ বাবে উপযুক্ত কৰিব বিচৰা হৈছে। প্ৰধান মন্ত্ৰী কৌশল কেন্দ্ৰ স্থাপন কৰা হৈছে দেশখনৰ মুঠ ৬০০ খন জিলাত আৰু লগতে ১০০টা ভাৰত আন্তৰ্জাতিক দক্ষতা বৃদ্ধি কেন্দ্ৰ স্থাপনৰ জৰিয়তে বিদেশত নিয়োগৰ বাবে উপযুক্ত কৰাৰ কথাও উল্লেখ কৰা হৈছে। কৌশল ভাৰত অভিযানক অধিক সক্ৰিয় কৰাৰ বাবে বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰিছে বাজেটখনত। যুৱসমাজক দক্ষতা প্ৰদানৰ অৰ্থে বিদেশী ভাষাৰ পাঠ্যক্ৰম প্ৰাৰম্ভণ, স্নাতকোত্তৰ আসনৰ সংখ্যা প্ৰতিটো বৰ্ষত ৫০০০ সৃষ্টি কৰাৰ কথা উল্লেখ আছে। মহিলা শক্তি কেন্দ্ৰৰ বাবে ৫০০ কোটি টকা আবণ্টন দিছে আৰু এই পুঁজিৰ সঠিক ব্যৱহাৰে যুৱক, যুৱতী, মহিলা, অনুসূচিত জাতি-জনজাতিৰ লোকসকল উপকৃত হ'ব বুলি ভবাৰ থল আছে। দেশখনৰ দৰিদ্ৰ জনতাৰ প্ৰতি লক্ষ্য ৰাখি বাজেট প্ৰস্তুত কৰি জেইট্‌লীয়ে গ্ৰাম্য অঞ্চলত যুৱসমাজৰ সংস্থাপন সৃষ্টি কৰাৰ বাবে প্ৰয়োজনীয় কৃষিখণ্ড আৰু আন্তঃগাঁথনিৰ উন্নয়ন ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। শিক্ষাখণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত দেশৰ যুৱ প্ৰজন্মৰ প্ৰতি লক্ষ্য ৰাখি মাধ্যমিক শিক্ষা পৰ্যায়ৰ উদ্ভাৱন পুঁজিৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰা হৈছে। বিশেষকৈ ৩,৪৭৯ টা শৈক্ষিকভাৱে পাছপৰা খণ্ডক এই বাজেটত গুৰুত্ব আৰোপ কৰিছে। যুৱ ব্যৱসায়ী সংস্থাপনৰ বাবে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া প্ৰতিষ্ঠানসমূহক ২৫ শতাংশ পৰ্যন্ত কৰ ৰেহাইৰ প্ৰস্তাৱ আছে ফলত উদ্যোগসমূহক উজ্জীৱিতকৰণ সম্ভৱ হ'ব। ২০১৭-১৮ বৰ্ষৰ বাজেটত আন্তঃগাঁথনিৰ বাবদ মুঠ ৩৯,৬১,৩৫৪ কোটি টকা আবণ্টন কৰিছে আৰু এই বৰ্দ্ধিত পুঁজিৰ সহায়ত গাঁও অঞ্চলৰ উন্নয়নৰ বাবে অধিকাংশ ধন ব্যৱহাৰ কৰি বাট-পথৰ উন্নয়ন, ঔদ্যোগীকৰণ খৰতকীয়া কৰা হ'ব। এনে কাৰ্যৰদ্বাৰা যুৱ প্ৰজন্মৰ সংস্থাপন সম্ভৱ হ'ব। সংকল্প কৰ্মসূচীৰ অধীনত ৩.৫ কোটি যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰত্যায়ন অনুসৰি মহাবিদ্যালয় বাছনি কৰা হ'ব। এম জি এনৰেগালৈ আবণ্টিত পুঁজিৰ পৰিমাণ ৪৮ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। এই ক্ষেত্ৰত সহায়ক হ'বলৈ মহাকাশ বিজ্ঞান প্ৰযুক্তি ব্যৱহাৰৰ ফলত গাঁৱৰ যুৱ প্ৰজন্মৰ বাবে কাম বাঢ়িব আৰু আৰ্থিক সকাহ পাব। বাজেটত মানৱ সম্পদক সঠিক ব্যৱহাৰ কৰি নতুন নতুন পথৰ সন্ধান কৰিবলৈ দক্ষতা বৃদ্ধিত অধিক গুৰুত্ব প্ৰদান কৰাটো এটা উল্লেখযোগ্য দিশ। বিদেশী ৰাষ্ট্ৰত যাতে শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্থান লাভ কৰে তাৰ বাবে ৩৫০ টা অন-লাইন পাঠ্যক্ৰম আৰম্ভ কৰিব। যুৱসমাজক কৰ্মমুখী কৰাৰ উদ্দেশ্যে বাজেটত উদ্যোগৰ বাবে বিশেষ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। বিশেষকৈ শ্ৰমিক চালিত চামৰা আৰু জোতা-চেণ্ডেলৰ ব্যৱসায়ত চীনা কোম্পানীৰ তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হোৱা ভাৰতৰ উদ্যোগসমূহৰ বাবে এখন আঁচনি গ্ৰহণ কৰাৰ কথা বিত্ত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। আঁচনিৰ

অধীনত চামৰা উদ্যোগৰ বাবে ধন বিনিয়োগ কৰা হ'ব আৰু এই খণ্ডত অধিক লোকক নিয়োগ কৰা সম্ভৱ হ'ব। লগতে বস্ত্ৰ উদ্যোগৰ কাৰণেও চৰকাৰে বিশেষ আঁচনি গ্ৰহণ কৰিছে। এনেদৰে দেশখনৰ যুৱ প্ৰজন্মক নিয়োগৰ সুবিধা প্ৰদানৰ জৰিয়তে আগুৱাই লৈ যোৱাটোৱেই বাজেটখনৰ মূল উদ্দেশ্য বুলি বিত্ত মন্ত্ৰী জেইট্‌লীয়ে উল্লেখ কৰিছে।

সৰ্বসাধাৰণৰ আশা-আকাংক্ষাক গুৰুত্ব সহকাৰে লৈ প্ৰস্তুত কৰা বাজেটখনক এক কথাত এখন উত্তম বাজেট বুলিব পাৰি। বিভিন্নজনৰ মতে, জেইট্‌লীয়ে উত্থাপন কৰা বাজেট এখন জনমুখী, কৃষকমুখী, বিকাশমুখী, ভাৰসাম্য বাজেট। সামগ্ৰিকভাৱে ভাৰতক উন্নীত-কৰণত অধিক গুৰুত্ব প্ৰদান কৰাৰ প্ৰতি লক্ষ্য ৰাখি আঞ্চলিকতাবাদক বাদ দিয়াটো আন এটা উচিত পদক্ষেপ বুলিব পাৰি। ডিজিটেল ইণ্ডিয়াই ভাৰতৰ অৰ্থনীতিক স্বচ্ছ আৰু দায়বদ্ধ কৰি তুলিছে। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভেটি মজবুত কৰিবলৈ বিভিন্ন সংস্কাৰমূলক ব্যৱস্থা লোৱা হৈছে আৰু এখন নিকা অৰ্থনৈতিকভাৱে উন্নীত দেশ হিচাপে ভাৰতক বিশ্ববাসীৰ আগত দাঙি ধৰাৰ প্ৰয়াস কৰিছে। বিত্তীয় কঠোৰ নীতি গ্ৰহণৰ জৰিয়তে দুৰ্নীতি ৰোধ আৰু সুপ্ৰশাসনৰ জৰিয়তে বহনক্ষম গতিশীল অৰ্থনীতিৰ আশা কৰা হৈছে। এনে পদক্ষেপেৰে সমাজৰ সৰ্বাংগীন বিকাশৰ পথ সূচল হ'ব বুলি আশাৰে বাট চাব পাৰি। শেষত জেইট্‌লীৰ সামৰণি ভাষণত উল্লেখ কৰা বাক্যশাৰী হ'ল, 'যেতিয়া মোৰ লক্ষ্য শুদ্ধ হ'ব, যেতিয়া মোৰ লক্ষ্য চকুত ভাঁহি থাকিব, বতাহ মোৰ দিশে বলিব, মই উৰিব পাৰিম।' ইয়াত উল্লেখ কৰাৰ দৰে বাজেটখনত সঠিক লক্ষ্য গ্ৰহণ কৰি সেই পথেৰে আগুৱাই গৈ সকলো বিপদ অতিক্ৰম কৰি লক্ষ্যত উপনীত হোৱা সম্ভৱ হ'ব যদিহে ভাৰতৰ ৰাজনীতিজ্ঞ, সৰ্বসাধাৰণ ৰাইজৰ সঠিক সহযোগ লাভ কৰিব সক্ষম হয়। ❒

---

**(৩৩ পৃষ্ঠাৰ পৰা)**

মুকলি ঠাইত মল ত্যাগৰ অৱসান ঘটোৱাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি সাধন কৰিছে। গ্ৰাম্য ভাৰতত ইয়াৰ পৰিব্যাপ্তি অৰ্থাৎ অনাময় ব্যৱস্থাৰ ক্ষেত্ৰত ২০১৪ বৰ্ষৰ অক্টোবৰৰ ৪২ শতাংশৰ পৰা প্ৰায় ৬০ শতাংশলৈ বৃদ্ধি পায়। মুকলি ঠাইত মল ত্যাগ কৰা অৱস্থাৰ পৰা মুক্ত গাঁওবোৰক এতিয়া পাইপেৰে জল যোগান ধৰিবৰ কাৰণে গুৰুত্ব আৰোপ কৰিবলৈ লোৱা হৈছে।

এই স্বচ্ছ ভাৰত অভিযান কাৰ্যক অধিক উৎসাহিত কৰিবৰ বাবে প্ৰায় ২৮,০০০ আৰ্ছেনিক তথা ফ্লোৰাইড আক্ৰান্ত বসতিস্থলসমূহত অহা চাৰি বছৰ কালৰ ভিতৰত নিৰাপদ খোৱাপানী যোগান ধৰিবলৈ প্ৰস্তাৱ কৰা হয়। এই কাৰ্য হ'ব ৰাষ্ট্ৰীয় গ্ৰাম্য খোৱা পানী কাৰ্যসূচীৰ এটা উপ-অভিযান আৰু ইয়াৰ বাবে ২০১৭-১৮ বৰ্ষৰ বাজেটত ৬,০৫০ কোটি টকাৰ আবণ্টন প্ৰস্তাৱ কৰা হৈছে। ২০১৬-১৭ বৰ্ষৰ বাজেটত এই পৰিমাণ আছিল ৫,০০০ কোটি টকা।

**বিষয়সমূহ চালি-জাৰি চোৱাৰ পৰৱৰ্তী স্থিতি**

মুঠৰ ওপৰত ২০১৭-১৮ বৰ্ষৰ বাজেটৰ অভিপ্ৰায় বেচ সুস্পষ্ট। নিৰ্দ্ধাৰিত লক্ষ্য সময় মতে আৰু খৰতকীয়াকৈ লাভ কৰা ইয়াৰ উদ্দেশ্য আৰু আন্তঃগাঁথনি খণ্ডৰ কাৰণে প্ৰস্তাৱিত আবণ্টনৰাশি প্ৰায় সৰ্বমুঠ বাজেটৰ এক পঞ্চমাংশহে। ইয়াৰপৰা এইটো স্পষ্ট যে লক্ষ্য বৰ অভিলাষী-জনকভাৱে লাভ কৰা প্ৰয়োজন আৰু আন্তঃগাঁথনি খণ্ডক কাৰ্য আৰম্ভণি কৰা স্তৰৰ পৰাই নিষ্ঠা সহকাৰে লোৱা আৱশ্যক। ই অৰ্থনীতিক উৎসাহ প্ৰদান কৰিব আৰু যুৱকসকলৰ চাকৰিৰ কাৰণে বিপুল সুযোগ-সুবিধা সৃষ্টি কৰিব তথা বিদেশৰ বিনিয়োগকাৰীৰ বাবেও উপযুক্ত পৰিৱেশ গঢ়ি তুলিব। তাৰ লগে লগে গ্ৰাম্য ভাৰতক নতুন জীৱন দান কৰিব।

আৰম্ভণি পৰ্যায়ৰ কাম একে গতিৰেই চলি থাকিব পাৰে— যি পূৰ্বতেও হয়, কিয়নো বহু প্ৰত্যাহ্বান-মূলক বিষয় থাকে যিবোৰে বহুত সময় লয় আৰু যোজনাৰ খৰচো বঢ়ায় তথা সময় উকলি যোৱাৰ অৱস্থা পায়গৈ। সেই বিষয়বোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— আঁচনি যুগুতোৱা আৰু অনুমোদন, মাটি অধিগ্ৰহণ, পৰিৱেশ সম্পৰ্কে সেউজ সংকেত, ন্যায়িক আৰু নিয়ামক ব্যৱস্থাৰ বিষয়বোৰ, আন্তঃমন্ত্ৰণালয়ৰ সমন্বয়, দক্ষ লোক পোৱা তথা ততালিকে নিযুক্তি প্ৰদান , নিৰাপত্তা আৰু বিত্তীয় বিষয়বোৰ।

এই স্থিৰ কৰা লক্ষ্য পাবৰ  কাৰণে ধনৰাশি ব্যয় কৰাৰ ক্ষেত্ৰত চৰকাৰৰ বৰ সীমিত সময়— ৰেখা থাকে। সেয়ে এইটো গুৰুত্বপূৰ্ণ কথা যে যোজনাৰ কাম-কাজ দৈনিক ভিত্তিক পুনৰীক্ষণ কৰিব লাগে আৰু কি স্থিতিত আছে সেই বিষয়ে প্ৰতিদিনে ৱেবছাইটত আপলোড কৰি তাৰ কৰণীয় কাৰ্য সম্পৰ্কে দায়িত্বশীল মহলে চৰ্চা কৰা উচিত। ইয়াৰ অন্যথা খণ্ডটো পুনৰ প্ৰাক্-অৱস্থা স্তৰলৈ অৱনমিত হ'ব পাৰে; আৰু পুনৰ বৰ্দ্ধিত হিচাপ পৰ্যায়ৰ পৰা আকৌ কাম-কাজৰ আৰম্ভণিৰ সূত্ৰপাত ঘটিব পাৰে। ❒

# কৰ ব্যৱস্থাৰ সন্দৰ্ভত ২০১৭-১৮ৰ কেন্দ্ৰীয় বাজেট

**গৌৰাঙ্গ কুমাৰ শৰ্মা***

প্ৰত্যেক বছৰৰ আৰম্ভণিতে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে আহিবলগীয়া বিত্তীয় বছৰটোৰ বাবে বছৰেকীয়া বাজেট দাখিল কৰে। এইবাৰ প্ৰশাসনিক সুবিধাৰ বাবে ফেব্ৰুৱাৰী মাহৰ শেষৰ কৰ্ম দিনৰ সলনি প্ৰথম কৰ্ম দিনতেই মোডী চৰকাৰে ২০১৭-১৮ চনৰ বাজেট দাখিল কৰে। এই বাজেটত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ ৰাজনৈতিক দৃষ্টিভঙ্গীৰ প্ৰতিফলন থকা কাৰণে বিৰোধী পক্ষই সমালোচনা কৰিছে। কিন্তু অৰ্থনৈতিক দৃষ্টিভঙ্গীৰে চালে দেখা যায় যে পূৰ্বৰ ইউ পি এ-২ চৰকাৰৰ অৰ্থনৈতিক আৰু বাজেট সম্পৰ্কীয় ধ্যান ধাৰণাৰ পৰা মোডী চৰকাৰৰ নীতি খুব এটা বিপৰীতমুখি নহয়।

কৰ নিৰ্দ্ধাৰণ আৰু সংগ্ৰহৰ ক্ষেত্ৰত ২০১৭-১৮ চনৰ কেন্দ্ৰীয় বাজেটত গ্ৰহণ কৰা প্ৰস্তাৱসমূহে বি-মুদ্ৰাকৰণৰ বাবে আশা কৰা মতে সকলোকে সন্তুষ্ট কৰিব পৰা নাই। যিটো স্কেল বা মাপত মোডী চৰকাৰে ৫০০ আৰু ১০০০ টকীয়া ন'ট বাতিল কৰিছিল তাৰ তুলনাত বি-মুদ্ৰাকৰণে সৃষ্টি কৰা প্ৰত্যাহ্বান চম্ভালিবলৈ চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে উপযুক্ত পদক্ষেপ ল'ব পৰা নাছিল। অন্য দেশৰ তুলনাত ভাৰতত প্ৰত্যক্ষ কৰ দাতাৰ সংখ্যা কম আৰু দেশখনৰ ৰপ্তানিজাত দ্ৰব্য আৰু সেৱাৰ পৰা হোৱা উপাৰ্জন নিম্ন। সেই বাবেই ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত আৰোপিত পৰোক্ষ কৰৰ হাৰ কম হ'লেও পৰিধি বিশাল আৰু প্ৰত্যক্ষ কৰ (তাৰ ভিতৰত আয়কৰ থাকে)ৰ হাৰ উচ্চ অথচ সংকুচিত পৰিধিৰ কৰা হৈছিল। এনে হোৱাৰ ফলত কৰ ফাঁকি দিয়াৰ প্ৰৱণতা বাঢ়ি বিগত ৬০/৭০ বছৰত ক'লা ধনৰ ভাণ্ডাৰ, টোপোলা শকত হৈছিল। ক'লা ধনে সৃষ্টি কৰা ক'লা বা ভূমিগত অৰ্থনীতিয়ে আনুষ্ঠানিক ভাৰতীয় অৰ্থনীতিক প্ৰায় পঙ্গু কৰি পেলাইছে। তাৰ উপাচাৰ হিচাপে বি-মুদ্ৰাকৰণ আহিছিল।

বি-মুদ্ৰাকৰণে তাৎক্ষণিকভাৱে অসংগঠিত ক্ষেত্ৰৰ শ্ৰমিক মজদুৰ, ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ আদিৰ উপাৰ্জন, লাভ আৰু লেন-দেন হ্ৰাস কৰিছিল। সেইকাৰণে ২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত আয়কৰৰ ক্ষেত্ৰত বছৰেকীয়া উপাৰ্জন আঢ়ৈ লাখ টকাৰ তলত কোনো আয়কৰ নালাগে। আঢ়ৈ লাখ টকাৰ পৰা ৫ লাখ টকাৰ বছৰেকীয়া আয়ৰ ওপৰত ৫ শতাংশ আয়কৰ ধৰা হৈছে। পাঁচলাখ টকাৰ ওপৰৰ উপাৰ্জনৰ ক্ষেত্ৰত আয় কৰৰ হাৰ আগৰ দৰেই আছে যদিও ৰেহাই ঘোষণা কৰা বাবে আয়কৰ দাতাই ১২৫০০ টকাৰ ৰেহাই পাব। বছৰি ৫০ লাখ টকাৰ পৰা এক কোটি টকা আয় কৰোঁতাই পূৰ্বৰ নিৰ্দ্ধাৰিত আয়কৰৰ লগতেই আকৌ ১০ শতাংশ অধিভাৰ দিব লাগিব। উচ্চ আয়ৰ লোকৰ প্ৰতি মোডী চৰকাৰ বৰ সদয় নহয়।

পৰোক্ষ কৰৰ ক্ষেত্ৰত বিশেষ একো কোৱা হোৱা নাই যদিও ২০১৭ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰাই সামগ্ৰী আৰু সেৱা কৰ আইন বলৱৎ কৰা হ'ব বুলি বিত্তমন্ত্ৰী জেইট্‌লীয়ে ২০১৭-১৮ৰ কেন্দ্ৰীয় বাজেট বক্তৃতাত উল্লেখ কৰিছিল। জি এছ টিৰ বলৱৎকৰণে প্ৰশাসনিক অসুবিধা কিছু সৃষ্টি কৰিলেও আগলৈ ৰাইজে অভাৱনীয় মূল্যবৃদ্ধিৰ দুৰ্ভোগ ভুগিব নালাগে বুলি আশা কৰিব পাৰি।

তদুপৰি ৰন্ধন গেছ আৰু তৰল প্ৰাকৃতিক গেছৰ ওপৰত থকা সীমা শুল্ক ৫ শতাংশ পৰা ২.৫ শতাংশ লৈ হ্ৰাস কৰা হৈছে। এই ৰেহায়ে প্ৰাকৃতিক গেছৰ ব্যৱহাৰ বঢ়োৱাৰ লগতে বায়ু-প্ৰদূষণ হ্ৰাস কৰিব, বন ধ্বংসৰ প্ৰক্ৰিয়া লেহেমীয়া কৰিব।

বছৰেকীয়া লেন-দেনৰ পৰিমাণ ৫০ কোটি টকাৰ কম হ'লে সৰু মধ্যমীয়া আৰু লঘু কোম্পানীবিলাকে ২৫ শতাংশ হাৰত আয়কৰ দিব লাগিব বুলি ২০১৭-১৮ৰ কেন্দ্ৰীয় বাজেটত কোৱা হৈছে। ইয়াৰ ফলত ভাৰতত চৰকাৰ স্বীকৃত কোম্পানীবিলাকৰ ৯৬ শতাংশই আয়কৰৰ ৰেহাই পাব। এই ৰেহাইয়ে পৰোক্ষভাৱে নিয়োগ বৃদ্ধি কৰি নিবনুৱা সমস্যাৰ প্ৰকোপ হ্ৰাস কৰিব।

'এই বাজেটত নূন্যতম বিকল্প কৰ' হ্ৰাস কৰা নাই। ইয়াৰ ম্যাদ দহ বছৰৰ সলনি ১৫ বছৰলৈ বৃদ্ধি কৰা হৈছে। এই

***লেখক ড° গৌৰাঙ্গ কুমাৰ শৰ্মা পশ্চিম বৰাগাঁৱত থকা অসম ইনষ্টিটিউট অব্ মেনেজমেণ্ট ফেকাল্টি মেম্বাৰ।**

ব্যৱস্থাই কৰ্প'ৰেট খণ্ডক সকাহ নিদিয়ে যদিও অহা ১ এপ্ৰিল ২০১৭ তাৰিখৰ পৰা পৰ্যায়ক্ৰমে হ্ৰাস কৰা হ'ব। ই উৎপাদনমূলক কামত সহায় কৰিব আৰু চৰকাৰে বিকল্প ব্যৱস্থাৰ বাবে চিন্তা কৰিবলৈ সময় পাব। বৰ্তমানে নূন্যতম বিকল্প কৰ অগ্ৰিম কৰ হিচাপে সংগ্ৰহ কৰি থকা হৈছে।

২০১৭-১৮ চনৰ প্ৰস্তাৱিত কেন্দ্ৰীয় বাজেটত সেৱা কৰৰ হাৰ সলনি কৰা নাই। আগতেও ই ১৫ শতাংশ আছিল আৰু ভৱিষ্যতেও ১৫ শতাংশকৈয়ে ৰাইজে সেৱা কৰ দিব লাগিব। ই এটা প্ৰশংসনীয় পদক্ষেপ। তদুপৰি জীৱন বীমাৰ পলিচীত সৈন্য আৰু ভাৰতীয় সেনা বিভাগে কোনো ধৰণৰ সেৱা কৰ দিব নালাগে। পূৰ্বতে ২০০৪ চনৰ পৰা এওঁলোকে ১৪ শতাংশ হাৰত সেৱা কৰ দি আহিছিল।

সীমা আৰু আবকাৰী শুল্কও ভালেমান ক্ষেত্ৰত ৫ শতাংশৰ পৰা ২.৫ শতাংশ লৈকে হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত তথ্য প্ৰযুক্তিৰ হাৰ্ডৱেৰ, কেপিটেল গুড্ছ প্ৰতিৰক্ষা আৰু যুদ্ধাস্ত্ৰ উৎপাদন, বস্ত্ৰশিল্প, খনিজাত ইন্ধন, ৰাসায়নিক দ্ৰব্যৰ নিৰ্মাণ, বিমান আৰু জাহাজৰ মেৰামতি ক্ষেত্ৰৰ তদাৰকী আৰু নিৰ্মাণ ব্যয় হ্ৰাস পাব।

প্ৰত্যক্ষ আৰু পৰোক্ষ উভয়বিধ কৰ প্ৰণালীৰ বাবে ২০১৭-১৮ চনৰ কেন্দ্ৰীয় বাজেটত লোৱা প্ৰস্তাৱ বিলাকে ক'লা ধনৰ প্ৰচলন হ্ৰাস কৰিবলৈ, ঔদ্যোগিক প্ৰগতিৰ গতিবেগ বৃদ্ধি কৰিবলৈ আৰু যুৱ প্ৰজন্মৰ বাবে কৰ্ম সংস্থাপন বৃদ্ধি কৰিবলৈ উৎসাহ দিব। ❐


## FORM IV

**Statement about ownership and other particulars about PAYOBHARA (Yojana Assamese)**
***to be published in the first issue every year after the last day of February***

| | | | |
|---|---|---|---|
| 1. | Place of Publication | : | Guwahati |
| 2. | Periodicity of Publication | : | Monthly |
| 3. | Printer's Name | : | Dr. Sadhana Rout |
| | Nationality | : | Indian |
| | Address | : | Publications Division, Soochna Bhavan New Delhi-110 003 |
| 4. | Publisher's Name | : | Dr. Sadhana Rout |
| | Nationality | : | Indian |
| | Address | : | Publications Division, Soochna Bhavan, New Delhi-110 003 |
| 5. | Editor's Name | : | Anupoma Das |
| | Nationality | : | Indian |
| | Address | : | Publications Division Pension Para Road, House No. 4 P.O. Silpukhuri, Kamrup (Metro), Assam |
| 5. | Name & Address of individual who own the newspaper and Partner or shareholder holding more than one Percent of the total capital. | : | Wholly owned by Ministry of Information & Broadcasting, Government of India, New Delhi-110 001 |

I, Sadhana Rout, hereby declare that the particulars given above are true to the best of my knowledge and belief.

(Dr. Sadhana Rout)
Signature of Publisher

Dated :